# শেষ পতাকা

শ্রীউমাকান্ত শর্ম্মা

চপলা বুক ষ্টল

অসমৰ বৃহত্তম পুস্তক প্ৰতিষ্ঠান

শিলং

প্ৰকাশক—
শ্ৰীবিভু ভূষণ চৌধুৰী
অসমীয়া সাহিত্য মন্দিৰ
গুৱাহাটী—শ্বিলং
পৰিবেশক
চ প লা বুক ষ্টল
শ্বিলং
মুদ্ৰাকৰ
শ্ৰীপ্ৰকাশচন্দ্ৰ সৰকাৰ
কাত্যায়নী মেচিন প্ৰেছ
৩৯।১, শিৱনাৰায়ণ দাস লেন
কলিকতা—৬
প্ৰথম তাঙৰণ
১৯৪৮ চন
মূল্য আঠৈ টকা

# নিবেদন

সৰুৰে পৰা পুথি লিখিবলৈ দুৰন্ত 'হেঁপাহ এটা মোৰ আছিল। ভাবিছিলোঁ, 'মাইনৰ' 'পাছ' কৰি এখন নাটক লিখিম, 'মেট্ৰিক' 'পাছ' কৰি এখন, 'আই, এ' 'পাছ' কৰি এখন আৰু 'বি, এ' 'পাছ' কৰি এখন। তাৰ পিছত উপন্যাস। 'মাইনৰ' 'পাছ' কৰি ১৯৩০—৩১ চনতে সঁচা-সচিকৈ সেই সময়ৰ অপক্ক বুদ্ধি আৰু শক্তি লৈ দুৰ্জ্জয় সাহ কৰি এখন নাটক লিখি পেলালোঁ। ছপা নোহোৱা স্বত্ত্বেও, ৰাইজৰ অনুগ্ৰহত সেইখন দুই তিনি শ মান ঠাইত অভিনীত হৈছে। 'শেষ-পতাকা' মোৰ দ্বিতীয় চেষ্টা। 'মেট্ৰিক পাছ' কৰি ১৯৩৪—৩৫ চনত এইখন লিখোঁ। ইয়াৰ কিছমান গীত ১৯৩২ চনৰ পৰা ১৯৩৯ চনৰ ভিতৰত বিভিন্ন সময়ত লিখা। যদিও ঘটনাটো পালবংশৰ পতনকে কেন্দ্ৰ কৰি গঢ়ি উঠিছে, তথাপি বুৰঞ্জীমূলক সত্যতা ইয়াত ৰাখিবলৈ চেষ্টা কৰা হোৱা নাই। ইয়াৰ পিছত নানা কাৰণত মোৰ বাকী পৰিকল্পনা কাৰ্য্যত পৰিণত নহ'ল।

ছিলং
আগষ্ট
১৯৪৮ চন।

শ্ৰীউমাকান্ত শৰ্ম্মা।

# শেষ পতাকা।

## নাটকৰ ভাঁৱৰীয়া সকল।

### পুৰুষ

| | | |
|---|---|---|
| ৰত্নপাল | ... | কামৰূপৰ ৰজা। |
| পুৰন্দৰ পাল | ... | ৰত্নপালৰ পুতেক। |
| ইন্দ্ৰপাল | ... | পুৰন্দৰ পালৰ পুতেক। |
| সিংহপাল | ... | ৰত্নপালৰ সেনাপতি। |
| বিনয় কুমাৰ | ... | এজন দেশভক্ত প্ৰজা |
| অজয় কুমাৰ | ... | সুনিপুণ যোদ্ধা, দুৰ্লভাৰ ভায়েক। |
| প্ৰতাপ সিংহ | .. | ৰত্নপালৰ বৈৰী ৰাজপুত্ৰ। |
| মহেন্দ্ৰ | ... | বিনয়ৰ সম্বন্ধী ভাই |
| গোপীকান্ত | ... | এজন প্ৰজা জাতত সোনাৰী। |
| দুৰ্গানাথ, চিদানন্দ | ... | দুজন ব্ৰাহ্মণ। |
| ধনবৰ, ভোলা, প্লহা | .. | গাৱঁলীয়া মানুহ। ধনবৰ বৰ কৃপণ ধনী। |

ফুলৰ পিতেক, প্ৰতিমাৰ পিতেক, অন্ধ ভিক্ষুক, দূত, প্ৰহৰি, **অনুচৰ**, অনুচৰী, চাকৰ, গাৱঁলীয়া, বাটৰুৱা, [illegible] সৈন্য সকল, **প্ৰজা সকল**, মিস্ত্ৰিসকল, গৰখীয়া সকল ইত্যাদি।

### তিৰোতা

| | | |
|---|---|---|
| কমলদেৱী | .. | কামৰূপৰ ৰাণী। |
| দুৰ্লভা | .. | পুৰন্দৰৰ ঘৈণীয়েক। |
| প্ৰতিমা | ... | ৰজাঘৰৰ অতিথি। |
| ফুল | ... | খাচিয়া ছোৱালী |

মাইকী প্ৰহৰি, তিৰোতা, বিনয়ৰ ঘৈণীয়েক, ছোৱালী সকল। ইত্যাদি।

---

CURZON ... GAUHATI-ASSAM.

# শেষ পতাকা।

## প্ৰথম অঙ্ক।

### প্ৰথম দৃশ্য

চাউনি সময়—ৰাতি।

(পুৰন্দৰ পালে অকলে বিচৰণ কৰি থাকে)

পুৰন্দৰ। কি ভয়ঙ্কৰ ৰজনী! অন্ধকাৰত নিজৰ গাৰ লোম নিজে মনিব নোৱাৰি। দুৰ্ব্বাৰ ৰাক্ষসৰ নিচিনা অন্ধকাৰে সমগ্ৰ পৃথিবীকে আগুৰি পেলাইছে। কেতিয়া কোন মহূৰ্ত্তত শত্ৰুৱে আক্ৰমণ কৰে তাৰ ঠিক নাই। সকলোৱে মৃত্যুক বৰণ কৰিবলৈ পাট চাই থাকিব লাগিব। কামৰূপৰ শ্ৰীবৃদ্ধি কৰাত প্ৰাণ যায়—যাওক তাত কোনো আপত্তি নাই। কামৰূপৰ সিংহাসন অচল অটল কৰিব লাগিব। কামৰূপত অসমীয়াৰ বিজয় নিচান চিৰদিন শত্ৰুৰ হৃদয় কম্পিত কৰি গৌৰৱ মণ্ডিত হৈ আকাশত উৰাই থাকিব লাগিব। হাজাৰ হাজাৰ অসমীয়াৰ ৰক্তৰে প্ৰতিষ্ঠা কৰা এই সিংহাসন, এই দুৰ্জ্জয় নগৰ ৰক্ষা কৰিবলৈ মোৰ প্ৰত্যেক অনু পৰমানু বিসৰ্জ্জন দিম। কিন্তু, ইকি দুৰূহ কৰ্ত্তব্য! নাই, আজি আৰু কাৰো টোপনি নহব। সকলোৱে উজাগৰে থাকি আক্ৰমণৰ প্ৰতীক্ষা কৰিব লাগিব। কোন আছ?

( এজন দূতৰ প্ৰবেশ )

সেনাপতিক সাজু হৈ থাকিবলৈ কবি, যেন আক্ৰমণ কৰিলে মুহূৰ্ত্ততে সৈন্যসকল শ্ৰেণীবদ্ধ হব পাৰে। নবটোপ বিলাক শৃঙ্খলিত ভাবে আছে নে নাই পৰীক্ষা কৰিবলৈ কবি। যা, এক মুহূৰ্ত্তও পলম নকৰিবি। ( দূতৰ প্ৰস্থান )। এই সুযোগ সিহঁতে কেতিয়াও এৰি নিদিযে, নিশ্চয় আক্ৰমণ কৰিব। ইকি!

( এজন প্ৰহৰীৰ প্ৰবেশ )

প্ৰহৰী। কোৱঁৰ—কোৱঁৰ—

পুৰন্দৰ। কি সংবাদ ?

প্ৰহৰী। যুবৰাজ—

পুৰ। শীঘ্ৰে কৰ, কি হৈছে ? আক্ৰমণ কৰিছে ?

প্ৰহৰী। হয় কোৱঁৰ। আমি—

পুৰন্দৰ। বৰটোপত জুই দিয়া -উৰাই দিয়া—

( বেগে গুছি যায়, পিচে পিচে প্ৰহৰী যায়। দূৰত যুদ্ধ বাদ্য বাজি উঠিল। মাজে মাজে সৈন্য সকলৰ চিৎকাৰ শুনা গল। অন্ধকাৰ ভেদ কৰি বৰটোপৰ জুই আৰু ধোঁৱা ওলাল। দুজন সৈন্যই চুপি চুপি আহি এটা শিবিৰৰ পৰা কিছুমান বস্তুলৈ যায়। আন ফালৰ পৰা পুৰন্দৰ পালৰ প্ৰবেশ। )

পুৰন্দৰ। মোৰ অনুমান ঠিক হ'ল। ভগবান, শক্তি দিয়া। মহিমাময়ী জননী, তোমাৰ এক কনা আশীৰ্ব্বাদ এই দীন পুত্ৰৰ ওপৰত বৰ্ষণ কৰা, যেন নিমিষতে শত্ৰু বাহিনী উৰাই দিব পাৰো।

( যাব খোজে, এনেতে সসৈন্যে প্ৰতাপসিংহৰ প্ৰবেশ )

প্ৰতাপ। কলৈ পলাবা কোৱঁৰ ? আত্মৰক্ষা কৰা।

পুৰ। পলাবৰ কোনো প্ৰয়োজন নাই। অস্ত্ৰ লোৱা আত্মৰক্ষা কৰা।

প্ৰতাপ। মই সম্পূৰ্ণ প্ৰস্তুত।

( দুয়োৰে যুদ্ধ। চাৰিওফালৰ পৰা সৈন্যবলাকে পুৰন্দৰক আগুৰি ধৰে। দূৰত 'প্ৰতাপ সিংহৰ জয়' বুলি চিঞৰ উঠে। )

পুৰন্দৰ। ইকি! এইবাৰ আত্মৰক্ষা কৰ।

( প্ৰতাপক অস্ত্ৰাঘাত কৰিব খোজোঁতে পাচৰ পৰা এজন সৈন্যই পুৰন্দৰক আঘাত কৰে। হঠাৎ অজয় কুমাৰৰ প্ৰবেশ )

অজয়। অন্যায় যুদ্ধ। এইবাৰ ভীৰু হঁত।

( যুদ্ধ কৰি সকলোকে খেদি নিয়ে )

পুৰন্দৰ। বিদ্যুতৰ নিচিনা কোন এই সৈনিক, অকস্মাতে আহি মোৰ প্ৰাণ ৰক্ষা কৰি গুছি গ'ল। যেয়ে হওক, মোৰ যে পৰাজয়ৰ লক্ষণ দেখা গৈছে। আৰু মুহূৰ্ত্তকালো অপেক্ষা কৰিব নোৱাৰোঁ।

( দূৰত 'জয় পুৰন্দৰ পালৰ জয়' বুলি শব্দ হয় )

ই আকৌ কি! পলকৰ ভিতৰতে ই আকৌ কি হল? ই প্ৰকৃত সত্য নে শত্ৰু পক্ষৰ ছল!

( অজয় কুমাৰৰ প্ৰবেশ )

অজয়। সত্য কোঁৱৰ! আমাৰ জয়ৰ সম্পূৰ্ণ আশা হৈছে। আমাৰ সৈন্যই সিহতক বহু দূৰ খেদি নিছে। এতিয়াও বিপুল বিক্ৰমেৰে যুদ্ধ চলিছে। আহক কোঁৱৰ আমাৰ ভাগ্য স্থিৰ কৰোঁ।

( এজন প্ৰতাপৰ দূতৰ প্ৰবেশ )

দূত। ( প্ৰণাম কৰে )

পুৰন্দৰ। কি বাতৰি?

দূত। আমাৰ কোঁৱৰে তিনিদিনলৈ যুদ্ধ স্থগিতৰ প্ৰাৰ্থনা কৰিছে। অন্ধকাৰত আমাৰ ছত্ৰ ভঙ্গ হৈছে। আমি কোঁৱৰৰ অনুগ্ৰহ পাৰ্থী।

পুৰ। চাওঁ কোৱঁৰৰ লিখিত পত্ৰ ?

দূত। লিখিবৰ সময় পোৱা নাই। যুদ্ধ চলি আছে।

পুৰ। তোমাক কেনেকৈ বিশ্বাস কৰিম ?

দূত। দূতৰ কথাত বিশ্বাস কৰক, আমি বিপন্ন কোৱঁৰ।

পুৰ। বাৰু, প্ৰাৰ্থনা মঞ্জুৰ হৈছে। কিন্তু তুমি বন্দী। নাই নালাগে, যোৱা মুক্ত তুমি। ( দূতৰ প্ৰস্থান ) প্ৰহৰী—

( প্ৰহৰীৰ প্ৰবেশ )

পুৰন্দৰ। যা নিচান দে গৈ। যুদ্ধ স্থগিত হৈছে।

( প্ৰহৰীৰ প্ৰস্থান )

এই শক্তি লৈ সিহঁতে আমাক আক্ৰমণ কৰে। মানুহৰ দুৰাশা দেখি হাহি উঠে। ও ভাল, কোন তুমি ?

অজয়। কোৱঁৰৰ অধীনস্থ এজন সৈনিক। নাম, অজয় কুমাৰ।

পুৰ। তোমাৰ অস্ত্ৰ চালনাত মই মুগ্ধ হৈছোঁ। আজিৰ পৰা তুমি মোৰ বন্ধু, তুমি মোৰ ভাই।

অজয়। ইমান ডাঙৰ সন্মান মোৰ ওপৰত নিদিব কোৱঁৰ। মই অক্ষম।

পুৰ। মই জানো তুমি সক্ষম। তোমাৰ প্ৰশান্ত ললাটে, তোমাৰ দীপ্ত চকুৱে কৈ দিছে তুমি বীৰ, তুমি বিচক্ষণ। আহা অজয়—বিশ্ৰাম কৰোগৈ।

( দুয়োৰে প্ৰস্থান )

( ধীৰে ধীৰে সিংহ পালৰ প্ৰৱেশ। মুখত বিৰক্তিৰ চিন )

সিংহ পাল। হঠাতে যুদ্ধ স্থগিত হৈ গ'ল। নিশ্চিত জয়ৰ দুৱাৰৰ পৰা আমাক ফিৰাই আনিলে। মূৰ্খ মই, এই অপদাৰ্থ পুৰন্দৰৰ অধীনত যুদ্ধ কৰিবলৈ আহিছোঁ। বয়সৰ লগে লগে বৃদ্ধ পালৰ বুদ্ধি যেন

লোপ হৈ যাব ধৰিছে। এই গৰ্ব্বিত যুবকৰ আজ্ঞাধীন হৈ যুদ্ধ কৰি মোৰ নিজৰ গৌৰব নিজে ধ্বংস কৰিছোঁ। ইকি অবিচাৰ? কি কাৰণত মোক পুৰন্দৰৰ অধীনত যুদ্ধ কৰিবলৈ পঠাই দিলে! এই অবিচাৰৰ নিমিত্তেই এদিন সুৰক্ষিত দুৰ্জ্জয় নগৰ ধূলিৰ নিচিনা উৰি যাব।

—০*০—

## দ্বিতীয় দৃশ্য।

ৰাতি পুৱা। দুৰ্জ্জয় নগৰৰ মন্দিৰ। দূৰত প্ৰভাতী গীতৰ সুৰ শুনা যায়। নৈবেদ্য আৰু ফুলেৰে সজোৱা মণ্ডপৰ ওচৰত কুলদেৱী বহি প্ৰাৰ্থনা কৰি থাকে। কাষত পুৰ বালিকা সকলে বহি গীত গাই থাকে।

———

**বালিকা সকলৰ গীত।:—**

দীপ্ত আলোকে জাগ্ৰত প্ৰাণ
মঙ্গল বীণা বাজে মধুৰ।
তিমিৰ পৰশি ধবল কিৰিটি
উঠিছে বিভুৰ মোহন সুৰ॥
গৰজে অশনি ঘোৰ বীচিমালা
ভৈৰব নাদে তৰঙ্গে ৰঙ্গে
ক্ষুব্ধ তটিনী মুগ্ধ পৰাণী

শুভ্ৰ হিমানী শ্যামল বেশ
উঠে মন্দিৰ ভেদি ছন্দ আৰতি
দৈন্য বিঘিনি কৰাহে দূৰ ॥

(গীতৰ শেষত বালিকা সকলৰ প্ৰস্থান)

কুলদেবী। তোমাৰ প্ৰসন্ন দৃষ্টিৰে সমগ্ৰ জগত উদ্ভাসিত কৰি দিয়া জননী! জগতৰ দুখ দৈন্য, মনুষ্য জাতিৰ হাহাকাৰ মোৰ শান্ত প্ৰজাবৰ্গৰ অপায় অমঙ্গল দূৰ কৰা আই! মোৰ ক্ষুদ্ৰ শক্তিৰে জগতত যি উপকাৰ হব পাৰে, তাক সাধন কৰিবলৈ শক্তি দিয়া। আজি জগতত যি দৈন্য দেখিছো, মানুহৰ অন্তৰত যি হাহাকাৰ লক্ষ্য কৰিছো, তাক দেখি যে মোৰ হৃদয়ে আকুল ভাবে কান্দি উঠিছে। এই দৈন্য, এই জ্বালা কেতিয়া দূৰ হব জননী? কেতিয়া জগতত শান্তি বিৰাজ কৰিব? আজি মানুহে মানুহৰ ওপৰত যি অত্যাচাৰ কৰিব ধৰিছে তাক ভাবিলে ইচ্ছা হয় যেন এই সংসাৰৰ পৰা আঁতৰি যাম। কিন্তু কিহৰ যেন টান! মোৰ স্বামী আছে, পুত্ৰ আছে, শান্ত প্ৰজাবৰ্গ আছে। সিহতক এৰি যাবলৈ মনে যেন কেনে কৰে? পুত্ৰ আজি সমৰ ক্ষেত্ৰত। কিহৰ এই যুদ্ধ? অন্যৰ ৰাজ্য কাঢ়ি লবলৈ মানুহৰ ইমান ইচ্ছা কিয়? ই যে লালসাৰ অগ্নিত আহুতি দান! এখন ৰাজ্যৰ সুখ শান্তি হৰণ কৰি, অনৰ্থক নাৰী পুত্ৰ হত্যা কৰি, জননীৰ কোলাৰ পৰা পুত্ৰক কাঢি আনি কি শান্তি লাভ কৰিব পাৰে? কব নোৱাৰো ইকি ৰাজনীতি! জননী মোৰ পুত্ৰক যুদ্ধৰ পৰা মঙ্গলে ফিৰাই আনা, মাতৃৰ কোলাৰ মাণিক কোলাত ফিৰাই দিয়া।

নেপথ্যে। ভিক্ষা দিয়ক মাই, আজি দুইদিন অনাহাৰী ভিক্ষুক আপোনাৰ দুৱাৰত।

কুলদেবী। কোন? সোমাই আহা, ই মাতৃ মন্দিৰ।

( জীৰ্ণ শীৰ্ণ বেশে বিনয় কুমাৰৰ প্ৰবেশ )

বিনয়। ভিক্ষা দিয়ক জননী। ৰাজ্যৰ মহাভাৰ মই, মোৰ পৰিয়ালৰ অক্ষম গৃহস্থ মই, মোক বচাওক দেবী।

কুল। শান্ত হোৱা, বাছা, তোমাৰ কোনো ভয় নাই। তোমাক মই উদ্ধাৰ কৰিম; তোমাৰ পৰিয়ালক মই ৰক্ষা কৰিম।

বিনয়। শান্ত হম দেবী? কি প্ৰচণ্ড আঘাত বুকুত সহ্য কৰি আপোনাৰ ওচৰলৈ আহিছোঁ। মই কৰ্ত্তব্য পালন কৰিব নোৱাৰোঁ, মোৰ মৃত্যু নহয় কিয়?

কুল। ইমান উত্তাৱল নহবা। ধৈৰ্য্য ধৰা, কোৱা তোমাৰ কি দুৰ্দ্দশা হৈছে?

বিনয়। ঘৰত মই, মোৰ পত্নী আৰু পুত্ৰৰ বাহিৰে কোনো নাই। পিতাৰ বিস্তৰ ধন সম্পত্তি ভাই ইতৰ কৌশলত সকলোকে হেৰাইছোঁ। ইমান দিনে আপোনাৰ সৈন্য শ্ৰেণীত পিতা পুত্ৰ উভয়ে কাম কৰি পেট প্ৰবৰ্ত্তাইছিলোঁ। সিদিনা অতি সামান্য দোষতে মোক সেনাপতি ডাঙ্গৰীয়াই কামৰ পৰা বাহিৰ কৰি দিছে। মোৰ পুত্ৰ—মোৰ পুত্ৰ মাই,—( কণ্ঠশ্বাস ৰোধ হয় )

কুল। কোৱা, কোৱা তোমাৰ পুত্ৰৰ কি হৈছে?

বিনয়। মোৰ একেটি পুত্ৰ, বংশৰ প্ৰদীপ পুত্ৰ মোৰ যুদ্ধলৈ গৈছিল।

কুল। তাৰ পিছত?

বিনয়। তাতে তাৰ মৃত্যু হৈছে। ( কাপোৰেৰে মুখ ঢাকে )

কুল। এই মৃত্যু! দিনে দিনে কত নিৰ-পৰাধ প্ৰজাৰ এনেকৈ মৃত্যু হৈছে। কোনেও ভাবি নাচায়, ইইতৰ প্ৰাণৰ কি মূল্য? শুনা বাছা, তোমাৰ কোনো ভয় নাই। আজিৰ পৰা তোমাৰ ভাৰ মই

ললোঁ। যেতিয়াই অনাটন হয়, তেতিয়াই মোৰ পৰা যি লাগে তাকে নিবা। আজিলৈ এই নিয়া, দেবীৰ প্ৰসাদ আৰু এই মোৰ ৰত্ন হাৰ। ইয়াৰে তোমাৰ অন্ততঃ এমাহ চলিব। তাৰ পিচত আৰু আঁহিবা। পুত্ৰৰ কাৰণে শোক নকৰিবা। তোমাৰ পুত্ৰ শান্তি ৰাজ্যলৈ গৈছে। ইয়াত শোক কৰিব নাপায়। এই নিয়া—( গলৰ হাৰ উলিয়াই দিয়ে )

বিনয়। ক্ষমা কৰক জননী, দেবীৰ প্ৰসাদেই যথেষ্ট। এই হাৰ মই নিব নোৱাৰো। ইয়াক স্পৰ্শ কৰিবৰ সাধ্য মোৰ নাই।

কুল। একো সঙ্কোচ নকৰিবা। আনন্দ মনেৰে নিয়া।

বিনয়। ৰক্ষা কৰক মাই। ইয়াক মই নিব নোৱাৰোঁ—নোৱাৰোঁ। মোৰ বাবে মোৰ পিতৃকুল নৰকত পৰিব, মোৰ নৰক হব। দেবীৰ গলৰ হাৰ—নাই, মই আহিলো, দীন প্ৰজাৰ কৃতজ্ঞতা চিৰদিন অটুত থাকিব ( যাব খোজে )।

কুল। শুনি যোৱা [ বিনয় ফিৰি ঠিয় হয় ] মই ৰাণী, মই আদেশ কৰিছো, এই নিয়া হাৰ।

বিনয়। জননী ( নতজানু হয় )

কুল। নিয়া মই হৃষ্ট চিত্তে দিছোঁ। যোৱা তোমাৰ পত্নীক বচোৱা গৈ।

বিনয়। দীন সন্তান মাত্ৰ, চিৰদিন মই—

কুল। যোৱা, তোমাৰ পত্নী মুমৰ্ষু।

( হাৰ আৰু প্ৰসাদ লৈ বিনয়ৰ প্ৰস্থান )

এই যুদ্ধ। ইযে এটা প্ৰকাণ্ড অত্যাচাৰ। কি অধিকাৰ আছে মানুহৰ এনেকৈ মানুহক ধ্বংস কৰিবলৈ? ইয়াৰ নামেই যুদ্ধ। ইয়াৰ দ্বাৰাই মানুহে দেশত শান্তি বিৰাজ কৰায়। ই এটা প্ৰকাণ্ড ভুল। ই কেবল ৰাজ্যৰ ওপৰেদি ধুমুহা বোৱাই দি তাৰ শ্ৰী নষ্ট কৰি, অশান্তিৰ সৃষ্টি

কৰে। আজিয়েই মহাৰাজক কাকুতি কৰিম গৈ এই ধ্বংসলীলা বন্ধ কৰিবলৈ—এই অত্যাচাৰৰ অন্ত পেলাবলৈ—শান্তিকামী প্ৰজাৰ শান্তি নষ্ট নকৰিবলৈ।

( কাকত ভিক্ষাৰ মোনা লৈ সন্ন্যাসী ভিক্ষুকবেশী বস্তুপালৰ প্ৰবেশ )

বস্তু। ভিক্ষা দিয়া, বহুত দূৰৰ পৰা আহিছোঁ। প্ৰাণ বৰ অস্থিৰ হৈ উঠিছে।

কুল। ভিক্ষুক, শ্ৰান্ত তুমি। বিশ্ৰাম কৰা, তোমাৰ প্ৰাৰ্থনা পূৰ্ণ হব।

বস্তু। পূৰ্ণ হব? মই যে বহুদূৰ ঘূৰি বিমুখ হৈ আহিছোঁ।

কুল। হব। আগেয়ে এই নিয়া আইৰ প্ৰসাদ, ইয়াৰে কিছু খাই শান্ত হোৱা।

বস্তু। আগেয়ে কোৱা দেবী, মোৰ প্ৰাৰ্থনা পূৰ্ণ হব নে নহয়? সঁচা কোৱা, ভিক্ষুকৰ লগত পৰিহাস নকৰিবা।

কুল। অবিশ্বাস কৰিছা - ভিক্ষুক? নিশ্চিত হোৱা, তোমাৰ প্ৰাৰ্থনা পূৰ্ণ কৰিম। এই নিয়া ( প্ৰসাদ দিয়ে ) ( বস্তুৱে হাত পাতি গ্ৰহণ কৰে ) কোৱা তোমাৰ কি প্ৰাৰ্থনা?

বস্তু। মোৰ প্ৰাৰ্থনা? মোৰ প্ৰাৰ্থনা অন্য একো নহয়, কেৱল তোমাৰ এ আযাৰ কথা।

কুল। ( স্বগতঃ ) এ আযাৰ কথা! ভিক্ষুকৰ উদ্দেশ্য কি? ( প্ৰকাশ্যে ) তুমি কি কৈছা ভিক্ষুক?

বস্তু। কৈছোঁ—প্ৰাৰ্থনা কৰিছো, তোমাৰ সংকল্প ত্যাগ কৰা।

কুল। মোৰ সংকল্প! মোৰ কি সংকল্প ত্যাগ কৰিম?

বস্তু। তোমাৰ স্বামীক যুদ্ধৰ পৰা বিৰত নকৰিবা। এই প্ৰাৰ্থনা।

কুল। ইকি আচৰিত প্ৰাৰ্থনা! ইয়াত তোমাৰ লাভ কি ভিক্ষুক?

বস্তু। লাভ যিয়েই নহওক, কোৱা দেবী মোৰ প্ৰাৰ্থনা পূৰ্ণ হৈছে?

কুল। (স্বগতঃ) ই কেনে প্ৰাৰ্থনা, কোন এই ভিক্ষুক ?

ৰত্ন। ইমান কিহৰ চিন্তা দেৱী ? মই আৰু পলম কৰিব নোৱাৰোঁ। মই আহিলোঁ। (যাব খোজে)

কুল। নাযাবা, শুনা ভিক্ষুক, তোমাৰ প্ৰাৰ্থনা পূৰ্ণ হৈছে ! ইকি কৰিলা জননী ? কোন এই সন্ন্যাসী। তেন্তে জানো মোৰ স্বামীৰ কোনো শত্ৰুৱে এনে চল কৰিলে। দেৱী, ইমানদিন তোমাক অকপটে পূজা কৰি আহিছোঁ, মোৰ প্ৰতি সদয় হোৱা, মোৰ স্বামীৰ মঙ্গল কৰা।

ৰত্ন। (ইতিমধ্যে বেশ পৰিবৰ্ত্তন কৰি) তোমাৰ দৰে সতী ভাৰ্য্যা যাৰ, তাৰ কি কোনো অমঙ্গল হব পাৰে ৰাণী ? (লাহেকৈ হাতত ধৰিলে, মুখত চাতুৰি পূৰ্ণ হাহি)।

কুল। (উচপ খাই উঠি) ইকি মহাৰাজ ? ছিঃ ইমানো জানা তুমি ?

ৰত্ন। তুমিয়েই শিকাইছা ৰাণী। তোমাৰ ওচৰত মই চিৰদিন ভিক্ষুক। আজি কেৱল তাৰে এটা অভিনয় কৰিলোঁ।

কুল। কিন্তু ইকি তোমাৰ প্ৰাৰ্থনা ? যুদ্ধলৈ ইমান হেপাহ কিয় তোমাৰ ?

ৰত্ন। যুদ্ধ লাগে, মোক বাধা নিদিবা ৰাণী। মই মোৰ পিতৃৰাজ্যৰ বৃদ্ধি কৰিম। তাক সুৰক্ষিত কৰিম। তাতে যদি যুদ্ধ হয় হব, মোক বাধা নিদিবা।

কুল। নিদিও বাধা। বলা ভিক্ষুক তোমাৰ শুশ্ৰুসা যে এতিয়াও হোৱা নাই।

ৰত্ন। ৰাণী।

কুল। থাক বহুত হৈছে। আহা এতিয়া। (দুয়োৰো প্ৰস্থান।)

—:*:—

# তৃতীয় দৃশ্য।

( শিবিৰ। গধূলি। চাৰিওফালে প্ৰহৰীবিলাকে পহৰা দি থাকে। সিংহপালে চিন্তিত ভাবে শিবিৰৰ চাৰিওফালে ঘূৰি থাকে। )

সিংহপাল। মনত যেন কিহৰ দুঃচিন্তা। ইচ্ছা হয় যেন আজিয়েই এই পৰাধীনতা দলিয়াই পেলাই আনন্দ মনে বিচৰণ কৰিম। সিহঁত ৰজা ৰাজপুত্ৰ। সিহঁতৰ আজ্ঞা অবৈধ আৰু অযুক্তি পূৰ্ণ হলেও আমি মানিবই লাগিব। সিদিনা কি এটা সামান্য কাৰণত যুদ্ধ স্থগিত কৰিলে। পুনৰাই যুদ্ধ হব, অসংখ্য প্ৰাণীয়ে প্ৰাণ দিব, তাত সিহঁতৰ কোনো ক্ষতি নাই। মই যেন কোনো নহওঁ, মোক পৰামৰ্শ সুধিবৰো আবশ্যক বোধ নকৰে। চপল মতি পুৰন্দৰ! তই মোৰ অন্তৰৰ কুপ্ৰবৃত্তিক জগাই তুলিবলৈ আৰম্ভ কৰিছ, তাত বিষ ভাণ্ড আছে, সাবধান, তাক মোকলাই নিদিবি; তাৰ বিষৰ জ্বালত তোৰ সৰ্ব্বাঙ্গ পুৰি ছাই হৈ যাব, হয়তো তোৰ ৰাজত্ব যাব। তোৰ সোণৰ সংসাৰ বাষ্পময় হৈ শূন্যত মিহলি হৈ যাব।

( দূৰত প্ৰতিমাৰ গান শুনা গ'ল )

বন্ধুহে মোৰ বজোৱা তোমাৰ মোহন বাঁহী।
তোমাৰ জ্যোতি বৰষি ধৰাক
জগোৱা আহি ॥

* * * *

কি, সুন্দৰ! কাৰ এই কণ্ঠস্বৰ। সংসাৰৰ উৰ্ব্বৰতা যেন সৰস কৰি তুলিছে। ইকি! এওঁ কোন অপূৰ্ব্ব বালিকা! লগত বুঢ়া ভিক্ষুক। এই ভিক্ষুকৰ কন্যা, ভিক্ষুকৰ ঘৰত এই ৰত্ন! কি আচৰিত ৰূপ! এই

ৰত্ন যে পাবই লাগিব। যি উপায়ে হওক নিজৰ কৰিবই লাগিব। কি উপায় ? নিশ্চয়, এই বুঢ়াক হত্যা কৰি এই ছোৱালীক আঁতৰাব লাগিব। কিন্তু মাৰোঁ কেনেকৈ ? এই প্ৰহৰীবেষ্টিত শিবিৰ। যদি পুৰন্দৰে গম পায় ? সেয়েটো। ঠিক - হব। ( অস্থিৰভাবে প্ৰস্থান। )

( শিবিৰৰ অন্য ভাগ। পুৰন্দৰে বিচৰণ কৰি আছিল। )

পুৰন্দৰ। সন্ধিয়াৰ ম্লান ৰশ্মিয়ে দিগ্‌দিগন্ত উজলাই তুলিছে, তটিনীয়ে অপূৰ্ব্ব সৌন্দৰ্য্য ধাৰণ কৰিছে। দূৰত সৌ পৰ্ব্বতমালা। ৰক্তিম আভা সানি শৃঙ্গ বোৰ স্বৰ্ণময় হৈ পৰিছে। কি সুন্দৰ! কি মনোৰম। এই মোৰ দেশ। এই মোৰ জন্মভূমি! ভগবান যদি জন্মলাভ কৰিব লাগে,. যেন জন্মে জন্মে এই ৰত্নময়ী অসমত জন্মলাভ কৰোঁ। পশু পক্ষী হৈও যেন এই মাতৃৰ কোলাত আশ্ৰয় পাওঁ। যদি দৈব দুৰ্ব্বিপাকত এই নশ্বৰ জীৱনৰ অন্ত পৰে, যদি অসময়তে মোক তোমাৰ কোলাৰ পৰা আঁতৰাই নিয়ে তেনে আশীৰ্ব্বাদ কৰা দেবী যেন তোমাৰ এই কমনীয় দৃশ্য মোৰ আত্মাৰ আগত ভাহি থাকে ; যেন তোমাৰ বিষণ্ণ কান্তি দৰ গহ্বৰত লুকাই থাকে। ইকি উন্মাদনা জননী, ইকি আকৰ্ষণ, মোৰ হিয়া যেন কঁপি উঠিছে। শক্তি দিয়া জননী, বুকুত যেন কিহৰ দগ্‌মগনি। কি যেন নাই। এটা প্ৰকাণ্ড অবসাদে বিস্তৰ বাহু বিস্তাৰ কৰি মোক যেন আহ্বান কৰিছে। হৃদয়ৰ ইকি জ্বালা, নিবৃত্তি কৰা, শান্তি দিয়া। অজয়—অজয়।

( ব্যস্তভাবে অজয়ৰ প্ৰবেশ )

অজয়। কি হৈছে কোৱঁৰ ?

পুৰ। মোৰ অন্তৰৰ এই জ্বালা কিয় কোনেও নুবুজে ?

অজয়। কোৱা ভাই তোমাৰ অন্তৰত কি জ্বালা ? ৰাজপুত্ৰ, তুমি,

পুৰ। যাব দিয়া, ৰাজপুত্ৰ। ৰাজপুত্ৰৰ জানোঁ অন্তৰ নাই। ৰাজপুত্ৰৰ কি দুখ সুখ বুজিবৰ ক্ষমতা নাই? কোৱা অজয়,—কিয় মই ৰাজ পুত্ৰ হলোঁ, তুমি নহলা কিয়?

অজয়। ইমান অস্থিৰ হৈছা কিয়? কোৱা তোমাৰ কি দুখ, কি জ্বালা? যদি মোৰ দ্বাৰা অকণ মানো উপকাৰ হয় মই হাহি মুখে কৰিম।

পুৰ। কি কম, নিজেই মই কব নোৱাৰো, মোৰ কিহৰ দুখ! কিয় অন্তৰত এই দগ্ মগণি।

অজয়। অজানা জ্বালা! ইয়াক অজানাৰ বাহিৰে কোনে জানিব। ভয় নাই বন্ধু, এই জ্বালা তোমাৰ অবিলম্বে শেষ হব। যুদ্ধখন হৈ যাবলৈ দিয়া, তাৰ পিচত দেখিবা, তোমাৰ জ্বালা দূৰ হৈছে, তোমাৰ হৃদয়ৰ অভাব পূৰ্ণ ভাবে তৃপ্ত হৈছে।

পুৰ। যুদ্ধলৈ ভয় নকৰোঁ অজয়! তুমি জানোঁ ভাবা, যুদ্ধৰ ভয়ত মোৰ অন্তৰত এই দুৰ্ব্বলতা, আৰু যুদ্ধ শেষ হৈ গলে ইয়াৰ শান্তি হব?

অজয়। মই তাকেই কোৱা নাই কোৱঁৰ। মই কৈছো অন্য কথা, সচা কৈছো যুদ্ধৰ পৰা জয়মাল্য লৈ তুমি প্ৰাসাদলৈ উভতি যোৱা। তাতে নতুন জয়মাল্য পিন্ধি অন্তৰৰ যন্ত্ৰণা দূৰ কৰিবা। কিন্তু বন্ধু,—বাৰু যা'ক।

পুৰ। বিশ্বাস কৰা অজয়! তোমাৰ কথা বিলাক বৰ জটিল মই ভালকৈ হৃদয়ঙ্গম কৰিব নোৱাৰোঁ। আধা কোৱাকৈ এৰিব লগা কথা কি আছে মই নাজানো। অন্তৰত বৰ দুখ পাম বন্ধু, যদি এতিয়াও তুমি নিজক এজন সৈনিক আৰু মোক ৰাজ কোৱঁৰ বুলি পাৰ্থক্য ৰাখা। তোমাক পাই মই অন্তৰৰ কথা ভাঙি কব পাৰিছোঁ।

অজয়। সেই কাৰণেই কৈছোঁ কোৱঁৰ, যিদিনা অন্তৰৰ কথা মোক কবৰ আবশ্যক নোহোৱা হব সিদিনা জানোঁ মোলৈ মনত পৰিব?

পুৰ। আৱশ্যক নহ'ব মানে কি? চিৰদিনেই তোমাৰ আগত অন্তৰৰ কথা কবৰ আবশ্যক—

অজয়। মই কওঁ, নহ'ব। অপেক্ষা কৰা বন্ধু! সেই দিন অতি সোনকালে আহিব ধৰিছে, যি দিনা তোমাৰ এই সৈনিক বন্ধুৰ কোনো আবশ্যক নহ'ব, হয়তো দেখিলেও ঘৃণা কৰিবা।

পুৰ। বৰ দকৈ ঘা নিদিবা অজয়, সহ্য কৰিব নোৱাৰিম।

অজয়। ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যেন এনেকৈ ঘা দিবৰ ক্ষমতা চিৰদিন থাকে। শুনা কোৱঁৰ,—তোমাৰ জ্বালা স্বাভাবিক। এই জ্বালা বহুতে সহ্য কৰিছে, তুমিও কৰিব লাগিব।

পুৰ। নকৰিলে আৰু উপায় নাই। কিন্তু অজয়, মানুহৰ অন্তৰে কি খোজে জানা? যেতিয়া কোনো দুখত মানুহৰ অন্তৰাত্মা কঁপি উঠে, যেতিয়া আশ্বাসৰ থল নাপাই মনে আকুলভাবে কান্দি উঠে, অথচ অন্যই নাজানে তাৰ কি দুখ—কি যন্ত্ৰণা, তেতিয়া মনে খোজে এখনি সহানুভূতি পূৰ্ণ হৃদয়, এ আষাৰ মৰমৰ মাত, এটি ওচৰৰ সম্বন্ধ। সকলোৱে জানোঁ বুজে অজয়, অন্যৰ অন্তৰত কিহৰ জুই জ্বলিব লাগিছে। বাহিৰৰ সৌম্য মূৰ্ত্তিৰে সি অন্তৰৰ তিব্ৰতা জুৰাব খোজে কিন্তু সি জুৰ নপৰে। মানুহে হাঁহি উৰাই দিব। এই সংসাৰ!

অজয়। ইমান গম্ভীৰ, ইমান দাৰ্শনিক নহবা কোৱঁৰ। মই শুনি শুনি বলিয়া হৈ যাম।

পুৰ। উপহাস নকৰিবা অজয়, বুজিও অবুজাৰ দৰে ব্যৱহাৰ নকৰিবা।

অজয়। কি বুজিছোঁ কোৱঁৰ? বৰজা ৰাজপুত্ৰৰ অন্তৰৰ কথা, আমি গৰীব, চিৰদিন সৰু কথা ভাবি ডাঙৰ হৈছোঁ, এতিয়া ইমান ডাঙৰ সমস্যা ভাবিম কেনেকৈ?

পুৰ। যোৱা অজয় মই অলপ অকলে থাকিব।

অজয়। ইমান উদাস কিয় বন্ধু? তোমাৰ ৰাজ্য--সিংহাসন, অটল কৰা। তুমি উদাস হলে নচলিব।

পুৰু। কিহৰ ৰাজ্য অজয়? ৰাজপুত্ৰ নিশ্চয় ৰাজ্যত বন্দী নহয়। মোৰ ইচ্ছা অনিচ্ছাৰ ওপৰত কাৰো হাত নাই।

অজয়। এই চোৰা বন্ধু অলপ আগেযে যি কৈছিলোঁ এতিয়া সেয়ে হব। তেনে বিদায় দিয়া বন্ধু।

পুৰু। ক্ষমা কৰা অজয়, আজি সচাকৈয়ে মই বিচলিত হৈছোঁ। কোৱা অজয়, এই জ্বালাৰ নিবৃত্তি কেনেকৈ হয়?

অজয়। ধৈৰ্য্য ধৰা, ইযাৰ অন্য উপায় মই দিব নোৱাৰোঁ।

পুৰু। সঁচা কথা। এটা কথা মই পাহৰি গৈছোঁ, তোমাৰ ঘৰত কোন আছে অজয়?

অজয়। মোৰ ঘৰেই নাই যুবৰাজ, গতিকে ঘৰত থাকিবৰো কাৰো প্ৰয়োজন নাই।

পুৰু। ঘৰেই নাই! তোমাৰ পিতা মাতা কোনো নাই?

অজয়। কোনো নোহোৱা নহয়, পিতা মাতা নাই।

পুৰু। কোন আছে?

অজয়। এজনী ভনী।

পুৰু। তেওঁ কত থাকে?

অজয়। শিবিৰতে থাকে। ৰাণী আইৰ অনুগ্ৰহত শিবিৰতে মই আৰু মোৰ ভগ্নী যোগ্য স্থান পাইছো।

পুৰু। তোমাৰ ভনী শিবিৰতে থাকে, যুদ্ধ ক্ষেত্ৰত?

অজয়। হয় কোঁৱৰ। মই মোৰ ভগ্নীক উপযুক্ত শিক্ষা দিছো। আবশ্যক

হলে ভ্ৰাতা ভগ্নী দুয়ো ৰাজ কাৰ্য্যত প্ৰাণ দিম। তেনে অলপ সময়ৰ কাৰণে বিদায়ৰ প্ৰাৰ্থনা কৰো। অলপ আবশ্যক আছে।

( প্ৰস্থান )

**পুৰ।** অদ্ভুত শিক্ষা। ভ্ৰাতা ভগ্নী উভয়ে শিবিৰত ৰাজ কাৰ্য চলায়। এনে বীৰ নাৰী অসমীয়াৰ মাজত অজিও আছে! মোৰ এন্ধাৰ চকুৰ জ্যোতি বীৰ প্ৰসবিনী—অসম জননী, মোৰ চকুত উজ্জ্বলতকৈ উজ্জ্বলতৰ সুষমা মণ্ডিত কৰা, তোমাৰ সন্তান সকলক তোমাৰেই নিমিত্তে প্ৰাণ দিবলৈ সক্ষম কৰা, তোমাৰ কন্যা সকলক সুযোগ্য মাতৃত্ব দান কৰা।

( এজন প্ৰহৰীৰ প্ৰবেশ )

**প্ৰহৰী।** কোৰ্ব্বৰ কোৰ্ব্বৰ!

**পুৰ।** কি হৈছে?

**প্ৰহৰী।** শিবিৰৰ পশ্চিম অংশত কোনোবা শত্ৰুৰ ছদ্মবেশী গুপ্তচৰে জুই দিছে। এতিয়াও শিবিৰত জুই লাগি উঠা নাই।

**পুৰ।** গুপ্তচৰ?—জুই দিছে? যা, হত্যা কৰ গৈ।

( প্ৰহৰীৰ প্ৰস্থান )

---

# চতুৰ্থ দৃশ্য।

—•—

শিবিৰৰ পাৰ্শ্বস্থ বৃক্ষতল, সময় গধূলি, এজন বুঢ়া ভিক্ষুকৰ ওচৰতে এজনী ছোৱালী বহি গীত গাই আছিল। দূৰত দুটা এটা প্ৰহৰীয়ে "খবৰদাৰ' বুলি চিঞৰি উঠিছিল। বুঢ়া গীতৰ টানত বিভোৰ। বালিকাৰ গীতৰ লগে লগে চকুলো ওলাই গালৰ ওপৰেদি বৈ গৈছিল।

চুলি আউলি বাউলি।

প্ৰতিমা :—

বন্ধুহে মোৰ বজোৱা তোমাৰ
মোহন বাঁহী।
তোমাৰ জ্যোতি বৰষি ধৰাক
জগোৱা আহি ॥
অকলে বহি গাঁথিছো মালা
তোমাৰ প্ৰেমৰ ভিখাৰী বালা
তোমাৰ ৰূপে ঘুচাব জ্বালা
বুকতে বহি।
সোনৰ অৰুণ পৰিব ঢলি
আহিব ৰাতি
ঘোৰ পবনে কলা ডাৱৰে
ধৰিব ছাটি

২

চাকি নমাব বিজন বনত
তোমাৰ কথাটি পৰিব মনত
চকুৰ আগতে দেখাবা আহি
মধুৰ হাঁহি।

প্ৰতিমা। কোৱা পিতা, কিলৈ মানুহে ইমান অহঙ্কাৰ কৰে। কি আছে সিইতৰ? এই নশ্বৰ জীৱন, দুদিনীয়া ধূলি খেলা তৰিতৰ নিচিনা চকুত চমক লগাই শূন্যত মিলি যায়। এই যে শুনিছো মানুহৰ কৰুণ আৰ্ত্তনাদ, কত যুগ ধৰি এই বিৰ্ণনি চলি আহিছে, কাণ থকা মানুহে ইয়াক নুশুনে, ইকি কম আচৰিত পিতা?

ভিক্ষু। কি কলি পাগলী? কিলৈ মানুহে অহঙ্কাৰ কৰে? সিইতৰ সকলো আছে। ৰূপ আছে, ধন আছে, সম্পদ আছে। সিহতে পুৰুষাৰ্থ কৰি সুখৰ আহিলাবোৰ আৰ্জ্জিব। আৰু তাকে ভোগ কৰিব। ইয়াত আশ্চৰ্য্য কি? সিহঁতে অহঙ্কাৰ নকৰিব কিয়?

প্ৰতিমা। এই ধন পিতা? এই সম্পদ; এই সুখ? দুদিনৰ অন্তত যি ৰূপ ছাঁই হৈ যায়, মৰিচীকাৰ নিচিনা যি সম্পদে মানুহক মৃত্যুৰ মুখলৈ টানি নিয়ে সেই ৰূপ, সেই সম্পদলৈ মানুহে অহঙ্কাৰ কৰে? ইয়ে ভুল পিতা। এই ভুলতেই মানুহ বন্দী হৈ আছে, এয়ে সংসাৰৰ মোহ। পিতা মোক দীক্ষা দিয়া, মই সংসাৰৰ পৰা আতৰ হবলৈ শান্তি কেনেকৈ পাওঁ পিতা?

ভিক্ষুক ইমান অস্থিৰ কিয় আই? সংসাৰত তোক যে লাগিব, তোৰ আৱশ্যক হব।

প্ৰতিমা। নহয় পিতা! মই গৰাব, মই অভাগিনী, মোৰ ইয়াত ঠাই নাই। এইযে সংসাৰ, যত দীন দুখীয়াৰ স্থান নাই, যত আৰ্ত্তৰ

বিণনিয়ে মানুহক টলাব নোৱাৰে, য'ৰ ধনীয়ে গৰীবৰ প্ৰতি কৃপা কটাক্ষ কৰক চাৰি, চিৰ অৱহেলা, ত্ৰুবস্ত ঘৃণা পোষণ কৰে। এই সংসাৰত মই নাথাকোঁ। মানুহৰ মাজৰ পৰা আজি সৌম্য ভাবৰ অন্তৰ্দ্ধান হৈছে, - মানুহে মানুহক টেটুত ধৰি হত্যা কৰিছে, এজনৰ সুখত আন জনৰ ইৰ্ষাত প্ৰাণ জ্বলি গৈছে। কোৱা পিতা মই নমৰোঁ কিয় ?

ভিক্ষুক। মৰিবি প্ৰতিমা ? মৰিবি কেনেকৈ ? ঈশ্বৰৰ কি অন্য একো কাজ নাছিল যে তোক সৃষ্টি কৰিলে ? ধাৰ সুজিব লাগিব। কৰাই গণ্ডাই হিচাব মিলাই দি যাব লাগিব। তোক যি উদ্দেশ্যে পৰম পিতাই সৃজন কৰিছে, সেই উদ্দেশ্য তোৰ দ্বাৰাই পূৰ্ণ হব লাগিব। সেয়ে নহলে কেনেকৈ যাবি ? আৰু যাবি কলৈ ? ই মিছা কল্পনা, মিছা উন্মাদনা।

প্ৰতিমা। মোৰ কি শক্তি আছে পিতা, মই ভগবানৰ কি উদ্দেশ্য সাধন কৰিম ? ভাবিছোৱা পিতা তুমি অক্ষম হৈছা, নিজক বহন কৰিব পৰা ক্ষমতা তোমাৰ নাই। তাতে মই তোমাৰ এটি বোজা হৈ পৰিছোঁ। মোৰ কথা শুনা পিতা, মোক মাৰি পেলোৱা, তোমাৰ বোজা কমক, পৃথিবীৰ এটি অলাগতিয়াল বস্তু সৰি পৰক, তাতে কাৰো ক্ষতি নহব। ( বুঢাৰ কোলাত মুৰথৈ উচুপি উচুপি কান্দে )

ভিক্ষুক। ( মূৰৰ ওপৰত হাত বুলাই ) ইকি অন্যায় কথা পাগলী ? মৰোঁ বুলি কোনে মৰিব পাৰিছে ? তোতকৈ বেছি কষ্টত কিমানে দিন নিযাব লাগিছে, কিমানে চিৰ জীৱন হা-হুতাশতে কটাইছে তালৈ লক্ষ্য কৰিছ ? তোৰ কি দুখ হৈছে ? কিয় তই মৰিব ? মই অন্ধ হৈছো প্ৰতিমা, তোৰ এই মূৰ্ত্তিটিৰ বাহিৰে ক'ৰো ছবি মোৰ চকুত নপৰে, তই অন্ধৰ লাখুটি আই, এনে কথা নকবি। বুজিছ, মই কলৈ যাব

ধৰিছো ?—মৃত্যুৰ মুখলৈ। মোৰ এই জীৰ্ণ শীৰ্ণ শৰীৰ, পক্ক কেশ, অক্ষম শক্তিয়ে মোক মিনতি কৰিব ধৰিছে সিহঁত আৰু শ্ৰান্ত বিৱশ হৈ পৰিছে। তথাপি এই সংসাৰ এৰি যাবৰ মোৰ ইচ্ছা নহয়। অবিচাৰ,—অবিচাৰ আই,—মানুহৰ ঘোৰ অবিচাৰ। সেই কাৰণেই মই সৰ্ব্ব স্বান্ত হৈছো। আজি অমাৱস্যা, আজি সেই দিন আই, আজি সেই ভয়ানক দিন। শুন, মোৰ অন্তৰত …( কণ্ঠ ৰোধ হয় )

প্ৰতিমা। পিতা—পিতা—( গাত হাত বুলাই আদৰ কৰে )

ভিক্ষু। প্ৰতিমা মোৰ ? মোৰ বুকুখনত হাত দি চা কি জলন্ত অগ্নি দাউ দাউ কৰি জ্বলিব ধৰিছে। তেজৰ চলাচল শক্তি বন্ধ হৈ গৈ গোট মাৰিছে। মোৰ অঙ্গ প্ৰত্যঙ্গবোৰ অৱশ শিথিল হৈ যাব ধৰিছে। কি এক আচৰিত উত্তেজনাত মই অস্থিৰ হৈছোঁ ( উত্তেজিত ভাবে ) প্ৰতিমা, প্ৰতিমা, আজি সেই দিন থকা হলে, আজিও বুঢ়াৰ সেইদিন থকা হলে, কি কৰিলো হয় জান, পৃথিবীৰ বুকেদি এটা প্ৰকাণ্ড ধুমুহা বোৱালো হেতেন, অত্যাচাৰী মানুক পিহি চূৰ্ণ কৰি ভস্মস্তূপ সাজি যুগ যুগান্তৰলৈ থৈ দিলোঁ হেতেন। কিন্তু নাই—। কালৰ কুটিলতা, সংহাৰী কালৰ এই পূৰ্ণ ধ্বংস। তথাপি একোবাৰ ইচ্ছা হয় যেন নিজৰ মূৰ নিজে কামুৰি খাম। ( উত্তেজনাত অস্থিৰ হৈ পৰে চকু দুটা ৰঙা আৰু ভয় লগা হয়, কপালৰ শিৰ স্পষ্ট হৈ উঠে—আৰু মূৰটো অস্থিৰ হৈ উঠে )

প্ৰতিমা। পিতা—জ্ঞানী তুমি–বিচক্ষণ তুমি, ইমান অস্থিৰ হৈছা কিয় ?

ভিক্ষুক। কিয় হৈছে,? ও, সিদিনাও আছিল এই অমৱস্যাৰ ৰাতি। ঘোৰ নিদ্ৰাত মই অভিভূত। তই তেতিয়া একেবাৰে কেচুৱা। মাৰেৰাৰ কোলাত নিশ্চিন্ত ভাবে শুই আছ। -এনেতে শব্দ হল – একেলগে জুইৰ শব্দ, হিলৈৰ শব্দ। চমক খাই উঠি বহিলো।

দেখিলো মোৰ সকলো ঘৰতে দম দম্‌কৈ জুই জ্বলি উঠিছে। দৌৰি গৈ তোক সাৱোত মাৰি ধৰিলো। তোৰ মায়েৰাও সাৰ পালে। দুৱাৰৰ পিনে লৰ দিলো, সকলো দুৱাৰ বন্ধ। জুই আকাশ চানি পেলাইছে, তোৰ মায়েৰাই আকুল ভাবে ভগবানক মাতিবলৈ ধৰিলে। কিন্তু নাই, আৰু এক মুহূৰ্ত্তৰ পিছত সকলো শেষ হৈ গ'ল। এখন বেৰ হঠাৎ খহি পৰিল। সেই পিনে মই ওলাই পৰিলো। বাহিৰৰ পৰা এ আম্বাৰ শব্দ শুনিলো, তোৰ মায়েৰহে চিৎকাৰ কৰি কলে, প্ৰতিমাক চাবা। সেই শেষ বাণী আই, আৰু নুশুনিলো, উন্মাদৰ দৰে চৰিওফালে বিচৰণ কৰিলো— ওঃ ওঃ আই মোৰ —প্ৰতিমা মোৰ—।

প্ৰতিমা। পিতা, পিতা,—( অবশ হৈ বুঢ়াৰ কোলাত ধলিংপৰে )

ভিক্ষুক। এই খিনিতে এনে হৈ পৰিছ আৰু এই বৃদ্ধই ? কি বুজিবি আই, কি অন্তৰ্দাহ তাৰ। কি প্ৰচণ্ড আঘাত বুকত সহ্য কৰি লৈ এই চৈধ্য বছৰ কাল কটাই দিছোঁ। কি দুৰন্ত মনোবেদনাত মোৰ চুলি পকি গৈছে, গা ৰুক্ষ হৈছে, চকু কোটৰাগত হৈছে। নিজেই নিজক ধ্বংস কৰিছে। প্ৰতিম, নিজেই নিজেৰ মৃত্যু ওচৰ চপাই আনিছো।

প্ৰতিমা। কিয় এনে হ'ল পিতা কিয় মানুহে তোমাৰ এনে সৰ্ব্বনাশ কৰিলে ?।

ভিক্ষুক। ইষা, ইৰ্ষা প্ৰতিমা, ইৰ্ষাৰ তাৰনাত। মই আছিলো সেনাপতি ধন সৌনত আছিল মোৰ বিস্তৰ, সিহঁতে কিয় সহ্য কৰিব ? মই আছিলো নিৰ্ভীক, অন্যক ভয় কৰি চলা মোৰ অভ্যাসৰ বাহিৰ। অন্য উপায়ে নোবাৰি সিহঁতে এই ভাবে সৰ্ব্বনাশ কৰিলে।

প্ৰতিমা। তোমাৰ অতুল ঐশ্চয্যৰ কি হ'ল পিত।

ভিক্ষুক। ঐশ্বৰ্য্য লৈ আৰু কি কৰিম আই ? সকলো ত্যাগ কৰিলোঁ। তোক কোলাত লৈ দেশে দেশে ভিক্ষা কৰি ফুৰিছোঁ। ইয়াতো যে শান্তি আছে ? তোৰ এটি মিচিকীয়া হাঁহি দেখি মই সকলো দুখ যন্ত্ৰণা পাহৰি গৈছো। তোৰ পিতা সম্বোধনে মোক বিস্মৃতিৰ মাজত ডুবাই ৰাখিছে, মোৰ সেই স্মৃতি জগাই নুতুলিবি।

প্ৰতিমা। ই যে সৈন্যাবাস পিতা ? আমাৰ জুই দেখি যদি কোনোবাই সন্দেহ কৰে ?

ভিক্ষুক। সেযেতো আই। অলপ সন্দেহৰ কথা। কিন্তু অন্য উপায়তো নাই। ৰাতি হৈ আহিছে, এতিয়া কলৈ যাবি ? যি হয় হব, ৰাতিটো ইয়াতেই কটোৱা যাওক, পুৱালৈ যি হয় কৰা যাব। মোনা খনত কি আছে উলিয়াই লব তাকেই দুয়ো খাওঁ।

( প্ৰতিমাই মোনা এখন মেলি তাৰ ভিতৰৰ পৰা এটা মধুফল আৰু কিছুমান অন্য ফল উলিয়াই কটাৰিৰে কাটি এখন ঠালত থৈ দিয়ে, দুয়ো খাবৰ নিমিত্তে হাত ধুইছলে, হঠাৎ এজন সৈনিকৰ প্ৰবেশ। সি আহিয়েই ভিক্ষুক জনৰ বুকুত তৰোৱাল বহুৱাই দিযে। প্ৰতিমাই আৰ্ত্তভাবে 'পিতা পিতা' বুলি চিঞৰি উঠে। )

ভিক্ষুক। উঃ উঃ কোন পাপিষ্ঠ তই, কি স্বাৰ্থ পূৰ্ণ হ'ল তোৰ ?

( বেগে পুৰন্দৰ আৰু অজয়ৰ প্ৰবেশ )

প্ৰতিমা। পিতা ! পিতা ! ই কি হ'ল তোমাৰ ? ( মূৰ্চ্ছা )

পুৰ। উঃ হৰি হ'ল ( সৈনিকক ) কি কৰিলি পাষণ্ড ? কি কৰিলি ? কোনে তোক এই বুঢাক হত্যা কৰিবলৈ কৈছিল ? কব পাষণ্ড শীঘ্ৰে কব ( ডাঙ্গত টিপাহাৰি ধৰে )

সৈনিক। আপুনিযেই আজ্ঞা দিছে বোৰ্বৰ, দোহাই বোৰ্বৰ মোৰ প্ৰাণবধ নকৰিব।

পুৰ। মই আজ্ঞা দিছো ? এই বুঢ়াক হত্যা কৰিবলৈ মই আদেশ দিছো ?

সৈনিক। ক্ষমা কৰক, সেনাপতি ডাঙৰীয়াই কৈছে।

পুৰু। যা দূৰ হব। [ ( সেনিকৰ প্ৰস্থান ) ( বুঢ়াৰ ওচৰলৈ গৈ ) ] ইকি কৰিলোঁ ! াক অজ্ঞানীৰ কাম কৰিলো ?

ভিক্ষুক। মোৰ ই শাস্তিৰ মৃত্যু কোৰঁৰ। মোৰ আৰু কোনো দুখ নাই। মোৰ এটা শেষ প্ৰাৰ্থনা, মুমূৰ্ষুৰ কাতৰ প্ৰাৰ্থনা পূৰ্ণ কৰা কোৰঁৰ।

পুৰ। কওক আপোনাৰ কি অনুৰোধ ? মই দুঃসাধ্য হলেও পালন কৰিম, মোৰ প্ৰায়শ্চিত্তৰ ব্যৱস্থা কৰক।

ভিক্ষুক। বৃদ্ধ ভিক্ষুকৰ এই একেটি কাতৰ প্ৰাৰ্থনা, মোৰ এই কন্যাৰ ভাৰ আজিৰ পৰা তোমাৰ ওপৰত।

পুৰ। নিশ্চিন্ত হওক। তেওঁৰ কোনো ভয় নাই। তেওঁৰ ঠাই আজিৰ পৰা ৰাজপ্ৰাসাদত।

ভিক্ষুক। তেন্তে মই সুখী। শুন আই শোক নকৰিবি। তোৰ ভাগ্য সুপ্ৰসন্ন হৈছে। উঃ ভগবান—( মৃত্যু )

প্ৰতিমা। পিতা পিতা কৈলে গলা ( ঢলি পৰে )

অজয। এই স্বৰ্ণলতা অযত্নত ধূলিত পৰি ম্লান হৈছে। কি কৰিলা ভগবান। এই সুন্দৰ মূৰ্ত্তি, ইযে স্বপ্নৰ ৰত্নজ্যোতি। ( দূৰত যুদ্ধবাদ্য বাজি উঠিল। )

পুৰ। সৌ যুদ্ধ আৰম্ভ হল। অজয, অজয—মই আহিলো , এই বালিকাৰ ভাৰ তোমাৰ ওপৰত। ( বেগে প্ৰস্থান। )

( দূৰত শোকৰ সুৰ বাজি উঠে। অজয়ে একে দৃষ্টে এই দৃশ্য চাই থাকে, চকুৰ পৰা গৰ গৰকৈ পানী ওলাব ধৰে। দূৰত অস্ত্ৰৰ শব্দ হয। বালিকাই চক খাই উঠি ৰাবিওফালে হৰিণীৰ দৰে চায়। )

# পঞ্চম দৃশ্য।

**শিবিৰ, অজয়ৰ কোঠা, আহত পুৰন্দৰ শুই আছিল, কাষতে, দুৰ্লভা বহি শুশ্ৰুষা কৰি আছিল, তেওঁৰ মুখত উদ্বিগ্নতাৰ চিন, কাষত পথ্য আদি সজোৱা আছে। দুৰ্লভাই পুৰন্দৰৰ চুলিৰ মাজত হাত বুলাই থাকে—সময় সন্ধ্যা।**

দুৰ্লভা। যুদ্ধ জয় লাভ কৰি কি লাভ কৰিলে কোঁৱৰ? প্ৰাণী হত্যা স্বাস্থ্যহানী। এবাৰ নিজৰ ফালে চাওক যদি জ্ঞান থাকে ভাবক, আপোনাৰ শৰীৰত কি কষ্ট হৈছে। আপোনাৰ আহত শৰীৰৰ ফালে চালে যে মোৰ চকু ফাটি পানী পৰিব খোজে। সুন্দৰ কান্তি বিষণ্ণ হৈছে। মোৰ কি শক্তি আছে ভগবান? কেনেকৈ এওঁৰ দুঃখ নিবাৰণ কৰিম? কেনেকৈ এওঁক বচাম? শক্তি দিয়া প্ৰভু! গোটেই ৰাতি চকুত টোপনি নোহোৱাকৈ এওঁৰ শুশ্ৰূষা কৰিছোঁ, মোৰ যে পেটলৈ ভাত নাযায়, চকুত টোপনি নাহে। কিন্তু ক'ত? এওঁৰতো ভালৰ লক্ষণ দেখ পোৱা নাই। এওঁক বচোৱা প্ৰভু। জননীৰ অঞ্চলৰ স্নেহৰ ধন চুৰি কৰি নিনিবা। ৰাজপুত্ৰ অবৰ্তমান ৰাজ্যত হাহাকাৰ লাগিব, এওঁৰ মাতৃৰ জীৱন নাথাকিব। নহলে মোক কৈ দিয়া প্ৰভু, যদি মোৰ জীৱন দিও এওঁৰ কল্যাণ কৰিব পাৰো, তেনে তাকো কৰিবলৈ কুণ্ঠিত নহও। ইমান দিনে ৰাজ অনুগ্ৰহত জীৱনধাৰণ কৰি আছিছো, দয়া কৰা দেব।

( শ্ৰান্তভাবে অজয়ৰ প্ৰবেশ । )

দাদা আহিছা দাদা ! এই চোৱা তোমাৰ ৰাজপুত্ৰ মুমূৰ্ষু । এতিয়াও চেতনা অহা নাই । কি কৰো দাদা ? আৰু মই নোৱাৰো । এওঁৰ এই নিস্তেজ মুখখনিৰ ফালে চালে মোৰ সকলো আশা জয় পৰি যায় । কোৱা দাদা মই কি কৰো ?

অজয় । অস্থিৰ নহবি দুৰ্লভা ! ভগবানৰ ওপৰত নিভৰ কৰি তোৰ কৰ্ত্তব্য কৰি যা । কিন্তু চাবি ই বৰ দুৰুহ কৰ্ত্তব্য ! ৰাজপুত্ৰৰ জীবন ! এগন ৰাজ্যৰ গতি স্থিতি এওঁৰ ওপৰত নিভৰ কৰিছে ।

দুৰ্লভা । কি কৰিম দাদা ? মোৰ অন্তৰ কপি উঠিছে । কেনেকৈ নো এওঁৰ চেতনা ফিৰাই আনিম ? কি কৰিলে এওঁৰ চেতনা ফিৰি আহিব ?

অজয় । মই কি কম দুৰ্লভা ! শুশ্ৰূষা কৰ, ভগবানৰ ইচ্ছাত বাধা দিবৰ কাৰো শক্তি নাই । প্ৰতিমাক তোৰ কাষত ৰাখিবি । সৈন্য্য বাসত এতিয়াও বহুত সৈন্য আহত হৈ পৰি আছে । সিহঁতৰ তত্ত্বাবধান লবলৈ মই আহিলো । যদি ঈশ্বৰৰ দয় হয়, যদি এওঁৰ জ্ঞান ফিৰি আহে তেনে মোক তৎক্ষণাৎ খবৰ দিবি । মই আৰু থাকিব নোৱাৰো ।

( প্ৰস্থান । )

দুৰ্লভ । দাদা গুছি গ'ল । মোৰ বুকুখন অজানা আশঙ্কাত কপি উঠিছে । প্ৰতিমা এতিয়াও নিদ্ৰিতা । বেচেৰী বৰ হতভাগিনী । একমাত্ৰ আশ্ৰয়স্থল বৃদ্ধ পিত , তেওঁকো তাই হেৰালে, শোকত তাই উন্মাদিনীৰ নিচিনা হৈছে । এই যে এওঁ মুখ লাৰিছে এতিয়াই মুখত

অলপ গাখীৰ দিওঁ ( অলপ এবাটি গাখীৰ মুখত দিয়ে গাখীৰ খিনি গিলি পুৰন্দৰে আচৰিত ভাবে চাব ধৰে ) প্ৰভু প্ৰভু দয়া কৰা দেবতা। গা কেনে পাইছে কোৱঁৰ ?

পুৰ। সেয়ে তো ! মোৰ গা ! মোৰ কি হৈছিল ?

দুৰ্লভা। আৰু অলপ টোপনি যাওঁক। সকলো জানিব।

পুৰ। নাই, টোপনি আৰু নাহে। কোৱা কোৱা কোন তুমি ? মই ইয়াত কিয় ?

দুৰ্লভা। আপোনাৰে দীন প্ৰজা। আপোনাক যুদ্ধক্ষেত্ৰৰ পৰা ইয়ালৈ অনা হৈছে। ই আপোনাৰ শিবিৰ।

পুৰ। যুদ্ধক্ষেত্ৰ ! অজয়—অজয়—আক্ৰমণ কৰা ( হঠাৎ উত্তেজিত হৈ উঠিব খোজোতে দুৰ্লভাই ধৰে কান্ধৰ ঘাৰ পৰা অলপ তেজ ওলায়। )

দুৰ্লভা। উঠিবলৈ চেষ্টা নকৰিব যুবৰাজ। আপুনি বৰ দুৰ্ব্বলে আছে।

পুৰ। দুৰ্ব্বল ! উঃ কি আছে মোক অলপ খাবলৈ দিয়া ( দুৰ্লভাই অলপ গাখীৰ দিয়ে ) অজয় কলৈ গ'ল ?

দুৰ্লভা। তেওঁ আহত সৈন্য বিলাকক চাবলৈ গৈছে। আপুনি তেওঁৰ কোঠাতে আছে। যুদ্ধত আপোনাৰ জয় হৈছে। প্ৰতাপ সিংহই সন্ধি কৰিছে। আপোনাৰ গাত বেযাকৈ আঘাত লগাত আপুনি অচেতন হৈছিল। সেই অবস্থাতে আপোনাক ইয়ালৈ অনা হৈছে।

পুৰ। তুমি কোন ?—অজযৰ ভগ্নী ?

দুৰ্লভা। হয়।

পুৰ। তোমাৰ নাম ?

দুৰ্লভা। দুৰ্লভা।

পুৰ। মোৰ প্ৰায়শ্চিত্ত হৈছে। সেই যে বুঢ়া ভিক্ষুকক হত্যা কৰাইছোঁ—

তাৰ তপত নিশ্বাসে, তাৰ অসহায় চকুৰ পানীয়ে মোক পুৰি মাৰিব। অভিশাপ— মোৰ অভিশাপ!

দুৰ্লভা। সেই বিলাক নাভাবিব কোৱঁৰ। আপোনাৰ মূৰ ঘূৰি যাব।

পুৰ। যুদ্ধ জয় কোনে কৰিলে? কেতিয়া মই আহত হৈছিলো?

দুৰ্লভা। আপোনাৰ সেনাপতিয়ে জয় কৰিছে। কালি ৰাতি আপোনাক ইয়ালৈ অনা হৈছে।

পুৰ। তুমি তেনে গোটেই ৰাতি জাগি আছা। যোৱা মই সুস্থ হৈছোঁ। তুমি শুৱা গৈ। (দুৰ্লভাই নিমাত হৈ অল্প কালে চাই থাকে) মই যে ইয়াৰ ধাৰ সুজিব নোৱাৰিম দুৰ্লভা।

দুৰ্লভা। কিহৰ ধাৰ কোৱঁৰ।

পুৰ। এই যত্নৰ— এই শুশ্ৰূষাৰ।

দুৰ্লভা। ইয়াত আকৌ কিহৰ ধাৰ কোৱঁৰ? ই যে প্ৰত্যেক প্ৰজাৰে কৰ্ত্তব্য। মই মোৰ কৰ্ত্তব্য কৰিছো মাত্ৰ।

পুৰ। কৰ্ত্তব্য! অলপ পানী দিয়া (গাখীৰ দিয়ে) মই বৰ হতভাগ্য দুৰ্লভা।

দুৰ্লভা। আচৰিত নকৰিব কোৱঁৰ। ইমান বুজিবৰ ক্ষমতা মোৰ নাই। বিশেষকৈ আপুনি বৰ দুৰ্ব্বল হৈ আছে। ইমান কথা নকব।

পুৰ। মই সুস্থ হৈছোঁ। চিন্তা নকৰিবা দুৰ্লভা। মৃত্যু ইমান কঠিন নহয়। তোমাৰ ৰাজপুত্ৰ বাচিব। তুমি মুক্ত।

দুৰ্লভা। এতিয়াও নহয় কোৱঁৰ। আপোনাক আপোনাৰ জননীৰ কোলাত দিহে মই মুক্ত হব পাৰিম।

পুৰ। কিয় মুক্ত হোৱা দুৰ্লভা? চিৰ দুৰ্দ্দশাগ্ৰস্ত প্ৰাণী এটাৰ জীৱনৰ ভাৰ গ্ৰহণ কৰি তাক মুক্ত নকৰা কিয়? সহায় সম্বল হীন জীৱ এটিৰ সহায় নোহোৱা কিয়?

যদি তোমাৰ দ্বাৰা এটি জীৱে কুল পায়, তাৰ জীৱনৰ স্বপ্ন মৰীচিকা

দূৰ হৈ যায়, যদি তাৰ যাতনাৰ অন্ত পৰে তেন্তে তুমি তাৰ প্ৰতি কিয় বিমুখ হোৱা? মুক্ত হবলৈ ইমান হেপাহ তোমাৰ?

দুৰ্ল্লভা। মই একো বুজি পোৱা নাই যুৱৰাজ। অলপ সময় দয়া কৰি অপেক্ষা কৰক। মই দাদাক খবৰ দিওঁ।

পুৰ। নালাগে দুৰ্ল্লভা—

দুৰ্ল্লভা। নহয় কোৱঁৰ, দাদা চিন্তিত হৈ আছে।

পুৰ। দুৰ্ল্লভা—

দুৰ্ল্লভা। যুৱৰাজ, দাদাৰ আজ্ঞা। এতিয়াই আহিম। (স্বগতঃ) মোক মাৰি পেলোৱা ভগবান। ই যে সপোন, টোপনি ভাগিলেই আঁতৰি যাব। (যায়, চকু চলচলীয়া হয়)

পুৰ। ভ্ৰাতৃৰ উপযুক্ত ভগ্নী! এনে দিন কি হব দয়াময়? এই কল্পনা কৰাৰ অধিকাৰ জানোঁ ৰাজপুত্ৰৰ আছে? (ইতিমধ্যে প্ৰতিমা আহি একাষে থিয় হৈ থাকে। হঠাৎ প্ৰতিমাক দেখি) কোন তুমি?

প্ৰতিমা। মই সেই ভিক্ষুক কন্যা, যুৱৰাজ।

পুৰ। ওচৰলৈ আহা ভনী, মোৰ পৰাচিত হৈছ। পাপী বুলি জানো তুমি মোক ঘিন কৰিবা? (প্ৰতিমাই ওচৰতে বহি মূৰটো পিহিব ধৰে) সচা কৈছো ভনী, বিশ্বাস কৰা। মই নাজানি এই অপৰাধ কৰিছো, মোক ক্ষমা কৰা।

পতিমা। কিহৰ ক্ষমা কোৱঁৰ? মোৰ ভাগ্যৰ দোষ। মই মাতৃ হীনা পিতৃহীনা। (কান্দে)

পুৰ। তোমাৰ ভ্ৰাতৃ মই। মোৰ এই কাতৰ মুখলৈ চাই মোৰ আহত শৰীৰৰ ফালে এবাৰ চাই মোক ক্ষমা কৰা।

প্ৰতিমা। ক্ষমা কৰিবৰ মোৰ কি শক্তি আছে যুৱৰাজ, ভিক্ষুকৰ ছোৱালী মই, কি সাহসে

পুৰ। ভনী ইমান নিৰ্দয়া তুমি? যদি মই তোমাৰ সহোদৰ ভাই হৈ এনে ভুল কৰিলো হেতেন?

প্ৰতিমা। দাদা দাদা—দেবতা আপুনি! আশ্ৰয়হীনা কাঙ্গালিনী মই, জগতে মোক দলিয়াই দি উপেক্ষা কৰিছে। মোক আশ্ৰয় দিয়ক দাদা, মোক ৰক্ষা কৰক। মোৰ যে কোনো নাই (আকুলভাবে কান্দে)

পুৰ। ভনী মোৰ, মোক পাগল নকৰিবা। ভায়েকে ভনীয়েকক ক'ত এৰিব? কোৱা ভনী তোমাৰ নাম কি?

প্ৰতিমা। প্ৰতিমা।

পুৰ। কোৱা প্ৰতিমা, তোমাৰ অভাগা দাদাক ক্ষমা কৰিলা?

প্ৰতিম। দাদা, চিৰ দুখিনী মই (পুৰন্দৰৰ হাতৰ ওপৰত মুৰ থয়)। আপোমাৰ আশ্ৰয়ত থাকিও যে মোৰ ভয় যোৱা নাই। কি এটা ভয়ত প্ৰাণটো ঘনে ঘনে কঁপি উঠিব ধৰিছে। দাদা—ভিক্ষুকৰ কন্যা মই, ইমান সৌভাগ্য সহ্য হব জানো?

পুৰ। আদৰৰ ভনী মোৰ, অসমৰ বীৰ নাৰী তুমি, তোমাৰ প্ৰতি অণু পৰমাণুতে অসমৰ হাৱা বৈ আছে। এনে দুৰ্বলতাই তোমাক শোভা নকৰে।

প্ৰতিমা। সেয়ে হওক দাদা। আত্ম ৰক্ষা কৰিবলৈ মোক অস্ত্ৰ দিয়ক—শিক্ষা দিয়ক।

পুৰ। দিম প্ৰতিমা সকলো দিম।

(অজয় আৰু দুৰ্লভাৰ প্ৰবেশ।)

দুৰ্লভা। চোৱা দাদা তোমাৰ ৰাজপুত্ৰ সুস্থ হৈছে।

অজয়। পুৰন্দৰ, বন্ধু,

পুৰ। অজয় আহিছা ? চোৰা ভাই মোৰ ভনীয়ে মোক ক্ষমা কৰিছে।

(কৌৰৱৰ শিবিৰৰ অন্য কোঠা লৈ প্ৰতিমা লাহে লাহে সোমাই আহে আৰু বলাগি চাই থাকে। দূৰত সৈন্যবিলাকৰ আমোদৰ কোলাহল শুনা যায়। প্ৰতাপ আৰু সেনাপতিয়ে প্ৰতিমাক দূৰৰ পৰা দেখি দুজন সৈন্য পঠিয়াই দিয়ে। সিহঁতে আহি প্ৰতিমাৰ হাতত ধৰে। প্ৰতিমা চক খাই উঠে)

প্ৰতিম। কোন তইঁত ?

সৈনিক। তোমাক লাগে, তোমাক নিব কৈছে।

প্ৰতিমা। পশুইত, কোনে, কোনে কৈছে ?

সৈনিক। সেনাপতিয়ে।

প্ৰতিমা। যা গুছি যা।

সৈ°। তোমাকো লৈ যাব কৈছে।

প্ৰতিমা। দূৰ হ্‌ৱ। ( যাব খোজে, সিহঁতে বাট ভেটি ধৰে )

সৈনিক। খং নকৰিবা, আমাৰ লগত আহা।

প্ৰতিমাৰ যাব খোজে আৰু সিহঁতে হাতত ধৰি টনা আজোৰা কৰোতে প্ৰতিমা পৰি যায় আৰু এটা খুটা মূৰটো লাগি অচেতন হয়। সিহঁত পলায়। অজয় আহে)

অজয়। ইকি প্ৰতিমা! প্ৰতিমা! ( কাষলৈ গৈ গাত ধৰে। প্ৰতিমাই চকমক খাই উঠি অজয়ৰ ডিঙিত সাৱোতা মাৰি ধৰে। আৰু বুকুত মূৰ থয়) প্ৰতিমা, ( গাত হাত বুলাই দিয়ে )

প্ৰতিমা। ( টোপনিৰ পৰা সাৰ পোৱাৰ দৰে এখন্তেক অজয়ৰ মুখলৈ চাই থাকে পিচত লাহে লাহে ডিঙিৰ পৰা হাত আতৰাই নিয়ে। দুয়ো থিয় হয় ) মোক ক্ষমা কৰক।

—০—

# ৬ষ্ঠ দৃশ্য ।

[ দুৰ্জ্জয় নগৰৰ বাহিৰত থকা গোসাঁই ঘৰৰ চোতাল। দুৰ্গানাথ, চিদানন্দ আদি ব্ৰাহ্মণ আৰু অন্য অন্য সমাজ নেতা সকল বহি গাওঁৰ মেল পাতি থাকে ]

দুৰ্গা। শুনা চিদানন্দ বাপু ! ইহঁত সকলোৱে শূদিৰ মানুহ । আকৌ সেই সোনাৰী মহাজন গোপী কান্তও ইয়ালৈ আহিছে। ৰাতিলৈ এটি সত্যনাৰায়ণ পূজাও আছে। ইয়াৰ পৰা যাব পাৰিলেহে ভাল ।

চিদা। নহয় খুৰা ! ভোলাই পুৰা তামোল পান দি মেললৈ মাতি আহিছে। মেল খনৰ কিব এটা নকৰিলে ভাল হব জানো ? হেই ভোলা ! ( ভোলা আহি কৰজোৰে ঠিয় হয ) আমাৰ ঘৰত একো কাম কাজ নাই হব পায় ? কি কবৰ আছে শীঘ্ৰে কৰ ।

ভোলা—কওঁ দেউ ! ৰাইজ সকল, পৰভূ সকল ! অলপ মোৰ কথা শুনক মোৰ বৰ দুখ হৈছে। আপোনালোকৰ আগত নিবেদন কৰিম । যি হয় এটা সৎ বিচাৰ কৰক ।

ধনবৰ। সৎ বিচাৰ নকৰি কি কৰিম ? আমাক পুৰা বাপুই ভেটিদিছে নেকি যে আমি তাৰ পক্ষে টানিম ? ভালকৈ কথা কৰি, ইখন মেল ।

গোপী। খং কৰিছে কিয়, ককাই ? মানুহজন বৰ বিপদত পৰিছে। তেওঁক কবলৈ দিয়ক ।

ধন। কি হে বাপু তুমি ? তোমাক কোনে মাতিছে ?

দুৰ্গা। ধনবৰ, মনে মনে থাক । কজিয়া নকৰিবা । কৰ ভোলা কৰ ?

ভোলা। কি কম দেউ! এই পুহাই মোক কামোৰ মাৰি খাইছে।

পুহ।। চাওক বাইজ মোক কি কয়? মই হলে সহ্য নকৰিম ভোলা?

ভোলা। সহ্য নকৰি কি কৰিবি?—হাঁ – চিনা নাই?

চিদা হেই ভোলা কৈ যা।। গণ্ডগোল নকৰিবি।

ভোলা। তাৰ মই কিবা এটা কৰিহে এৰিম। চাওক পৰভু সকল, মোৰ দুডাল জিকা আছিল। ইযাৰ ঘৈনীয়েকে কালি জিকা কেইটা গোটেই চুৰি কৰি নিছে। গছো এডাল ছিঙিছে। মই ভালকৈ কলো, কাজিয়া পেচাল নকৰিবি.আমাৰ জিকা কেইটা ফিৰাই দে, যি হ'ল হল। তাই বেটীযে—

পুহা। 'বেটী' কিয় বুলিবি। হাঁ কুকুৰৰ পোবালী?

ভোলা। ভাল নহব পুহা!

চিদা। বাৰু হৈছে ভোল। এতিয়া পুহা কব তোৰ কি কবলগা আছে?

ভোলা। মোৰ কোৱা হোবা নাই পৰভু। এই পুহাৰ তিৰীয়ে মোক পিচত বহুত গালি শপনি পাৰিছে। মোৰ বোলে জাতৰে থিক নাই। পহা মোতকৈ দুই বছৰে সৰু সম্বন্ধত তাই মোৰ ভাই বোৱাৰী।

চিদা। বাৰু এতিয়া পুহাই ক, সোনকালে ক!

পুহা। ভোলাই যি কলে গোটেই মিছা পৰভু সকল। আমাৰ তাই জিকাৰ গছ তছ একো চিঙা নাই। এটা জিকা নিছিল সচা, তাকো খাই পোৱা নাই। নয়েই জপাৰ ভিতৰত সোমাই থৈছে। ভোলা কম নহয়। সি তাইক যথেষ্ট গালি পাৰিছে। সম্বন্ধত ভাই বোৱাৰীয়েক হয়। তেও তাইক যি অনাচাৰ গালি পাৰিছে পৰভু সকল, তেনে গালি আমি মৰাদণ্ড তিৰীক পাৰিব নোৱাৰো।

গোপী। দেউ সকল! ইইঁতৰ মেল খন ঘৰতে ভঙ্গা চিঙ্গা কৰা উচিত আছিল। কজিয়াখন গোটেই সৰু, তথাপি এওঁলোকে যেতিয়া আপোনা লোকক মাতি আনিছে কিবা এটা দিহা কৰি দিয়ক; যাতে দুয়ো পক্ষৰ ভিতৰত ভবিষ্যতলৈ কাজিয়া চলি নাথাকে।

দুৰ্গা। হেই ভোলা। তই মাতি আহিছ বুলিহে আহিছো, অন্যহলে নাহিলো হেতেন। কিন্তু তই ইকি কৰিছ? গোসাঁই ঘৰৰ সন্মুখৰ ঠাই ইযালৈ, তই এই গোপীক মাতি আনিছ কিয়?

গোপী। কিয় দেউ? মই আহাত কি আপত্তি থাকিব পাৰে? মোক কোনেও মাতি অনা নাই। নিজ ইচ্ছাতে আহিছো।

চিদা। কিন্তু বাপু দিন কালবোৰ নেদেখিছ? গাওঁৰ সকলোৰে গোসাঁইৰ ঘৰ, ইয়াত তই থকাতো উচিত নহয়।

গোপী। কিয় দেউ? মই কি অপৰাধ কৰিছোঁ? গাওঁৰ মানুহৰ মাজত বহি এষাৰ কথা কবলৈও মোৰ দায় নে?

দুৰ্গা। (চিদাক) চিদা বাপু! কথা বেয়া হৈছে। আমি যোৱাহে ভাল যেন পাইছো।

ভোলা। মোৰ কি হ। এটা ৰায় দিয়ক দেউ।

দুৰ্গা। ৰ'-ৰ'। আগেযে এই গোপীটোৰ সৈতেই লাগি চাও। শুন গোপী তই বাঢিব নগা ডেকা। বামুণ গোসাঁইৰ লগত তৰ্ক কৰিবলৈ শিকিছ কেলেই?

গোপী। তৰ্কতো মই কৰা নাই দেউ? আপোনা লোকেই কৰিছে। বাৰু কওক চোন মই কি কৰিছো।

দুৰ্গা। কোৱা হে চিদা বাপু! কৈ দিয়া, উঠি যাওক।

চিদা। তুমিযে কোৱা খুৱা। মই কলে উৰাই দিব।

দূৰ্গা। শুন গোপী, আমি বামুণ মানুহ, জানই তো আমি শ্ৰাদ্ধপূজা নকৰিলে নহয়। ইমান বিলাক শুদিব আছে, আমি নহলে যে সিহঁতৰ উদ্ধাৰৰ উপায় নাই। তই ইয়াত থকা উচিত নহয়। তই হলি—

গোপী। কওক, থামিল কিয় ? মই কি ? গৰু নে বনৰীয়া ম'হ ?

দূৰ্গা। নহয়, নহয়, সেইবোৰ হবি কিয় ? কিন্তু এটা কথা, তই যে সোনাৰী।

গোপী। সোনাৰী হৈ আপোনালোকৰ কি কৰিলোঁ ?

দূৰ্গা। অন্য কি কৰিবি ? চুৱা-চুই হোৱাটো তোৰ নিমিত্তেই মহাপাপ। বামুণ মানুহ হঠাৎ চুই পেলাবি।

গোপী। এটা কুকুৰে যদি চুই পেলায় দেউ তেতিয়া কি কৰিব ?

চিদা। কুকুৰৰ কথা এৰি দিয়া বাপু।

গোপী। কিয় এৰি দিম দেউ ? কওঁক ব্ৰাহ্মণ, আমাক ঘৃণা কৰিবলৈ আপোনালোকৰ কি অধিকাৰ আছে ? আমি সোনাৰী। সোনাৰী জানো মানুহ নহয় ? সোনাৰীক আপোনালোকৰ জানো আবশ্যক নহয় ? কওক দেউ—কওক ভূদেৱ ব্ৰাহ্মণ, যি জাতিয়ে আপোনালোকৰ দৰেই উচ্চ বৃত্তিৰে জীবিকা নিৰ্ব্বাহ কৰে সেই জাতিক কি বিচাৰে আপোনালোকে ঘৃণা কৰে ? আপোনালোকেই সমাজৰ নেতা ?

দূৰ্গা। হেৰ ভোলা (ঠিয় হৈ আঙ্গুলি জোকাৰি) তই আমাক অপমান দিবলৈকে ইয়াক মাতি আনিছ ? বাৰু তোক দেখিম। আহা চিদা বাপু। (যাব খোজে)।

ভোলা। পৰভু—পৰভু ৰক্ষা কৰক। মোৰ যে একো উপায় নাই।

দূৰ্গা। তেনে এই গোপী ইয়াৰ পৰা আঁতৰ হওঁক

গোপী। নিজেই মাতৰি আহিছোঁ। /আপোনালোক পবিত্ৰ তুলসীৰ পাত আমি হৈছো চুৱাৰ কল পাত। ভয় নকৰিব দেউ, ছুই নিদিওঁ।

দুৰ্গা। কৰ ভোলা কৰ, তোৰ মতে পুহাৰ তিৰীৰ কি শাস্তি হব লাগে? শীঘ্ৰে কৰ, মোৰ এখন পূজা আছে।

পুহা। সি বিচাৰ কৰিলে কিয় হব দেউ!

ধনবৰ। হয়তো দেউ! আমি মাজৰ মানুহে কিবা এটা ৰায় দিলে কিয় হব?

চিদা। বাৰু কোবাছোন তুমিয়ে এটা শাস্তিৰ বিধান কৰা।

ধন। মোৰ মতেৰে হলে পুহাৰ পাঁচপোন তামোল আৰু ভোলাৰ দুই পোণ তামোল দণ্ড হওক।

পুহা। অবিচাৰ, অবিচাৰ ৰাইজ! মই কিয় পাঁচপোন ভৰিম? এই ভোলা সকলোৰে মূল, কটা গাহৰিৰ বংশ।

ভোলা। কি? পুহা ইমান পালি গৈ নে? তই চিনা নাই হব পায়। আমাৰ পেহিয়ে তইঁতৰ মায়েৰক চৰাই গাল উখহাই থৈছিল, পাহৰিলি হব পায়? চিনি পাবি এতিয়াই।

পুহা। কি কৰিবি অ' কি কৰিবি? মইও ভুদাই এৰা মানুহ নহওঁ। তোৰ বংশকেই ছাঁই কৰি দিম।

ভোলা। আৰু মোৰ ধৈৰ্য্য নৰয়। পুহা, তোৰ কিবা এটা কৰিহে এৰিম। চৰমাৰি তোৰ গাল ফটাম।

পুহা। লাগি চাবি নেকি? হা বুঢা? পিচাই নিদিওঁ আহ। দেখিছ ক'তা, দিম নেকি মাৰি এটা চৰ (চৰ মাৰে। দুয়োবো ভুকিয়াভুকি হয়। মানুহ বিলাক থিয় হয়। চিদানন্দ ইতিমধ্যে পলায়। দুৰ্গা নাথৰ তাহাক ৰ লাগে।)

দুৰ্গা। হেই ভোলা—হেই পুহা! উঃ ইহঁতে এতিয়া মৰিব যেন পাইছোঁ। চিদা বাপু—ও চিদা বাপু! মোৰ কপাল, তুমিও গ'লা।

গোপী। কি হ'ল দেউ ?

দুৰ্গা। ও বোপা—ও বোপা গোপীকান্ত! ইহঁতে যে এতিয়া মোক পিহি মাৰে? ইহঁতৰ মাজৰ পৰা কেনেকৈ যাওঁ? ৰাম বিষ্ণু—ৰাম বিষ্ণু।

গোপী। মই যে সোনাৰী দেউ!

দুৰ্গা। ও বোপা,—বোপা গোপীকান্ত— বোপা, তই মানুহ হবি বোপা।

গোপী। আহক দেউ, আহক। (গোপীয়ে হাতত ধৰি নিয়ে।)

—:*:—

# দ্বিতীয় অঙ্ক

—০❋০—

## প্ৰথম দৃশ্য।

দুৰ্জ্জয় নগৰৰ ৰাজ উদ্যান। কুঞ্জবিলাকৰ মাজে মাজে সুন্দৰ আসনবোৰ পৰিপাটিকৈ সজোৱা থাকে। সিংহপাল আৰু দুজন অনুচৰ। সিংহপালৰ মুখত ভয়, ব্যস্ততা আৰু উদ্বিগ্নতাৰ চিন।

সিংহ। প্ৰতিমা অকলসৰীয়া হলেই তহঁতে তৎক্ষণাৎ কোৱা মতে কাৰ্য্য কৰিবি। প্ৰতিমাৰ লগত অজয় নিশ্চয় আহিব। ৰত্নপাল কুলদেবী আজি পূজাত ব্যস্ত আছে। এই সুন্দৰ সুযোগ। খুব সাবধান। যা—।

১ম অনু। যদি কোৱঁৰে নিজে আহি দেখা পায়, তেনেহলেতো আৰু নিস্তাৰ নাথাকিব ?

সিংহ। পুৰন্দৰ বিশ্ৰাম কক্ষত আছে তহঁতৰ কোনো ভয় নাই।

১ম অনু। সেইবাৰেই মোৰ প্ৰাণ যাব—

সিংহ। যা-মূৰ্খ অপদাৰ্থ।

২য় অনু। দোহাই হুজুৰ। পাৰিম পাৰিম। (দুয়োৰো প্ৰস্থান।)

সিংহ। প্ৰতিমা—প্ৰতিমা! ঠিক প্ৰতিমা! এই হাৰ কণ্ঠত ধাৰণ কৰিব লাগিব, এই প্ৰস্ফুটিত অনাঘ্ৰাত কুসুম ঘ্ৰাণ কৰিব লাগিব; নহলে বৃথা এই জন্ম। প্ৰতিমা নহলে মোৰ মানব জন্মৰ ভোগ সম্পূৰ্ণ নহয়,

মোৰ কামনা তৃপ্ত নহয়। এবাৰ পাইও হেৰাইছোঁ। ইবাৰ আৰু নেৰিছোঁ। মোৰ সমস্ত জীৱন প্ৰতিমাৰ পিচে পিচে দৌৰি কটাম। পৃথিবীৰ যি চুকতে থয় সেই চুকৰে পৰা টানি উলিয়াই আনিম। যদি তথাপি নাপাওঁ তেন্তে শেষ কালত তাইক হত্যা কৰিম নিষ্ঠুৰ ভাবে হত্যা কৰিম। প্ৰতিমাক অন্যৰ অঙ্কশায়িনী হব নিদিওঁ—নিদওঁ—নিদিওঁ। প্ৰতিমা! কি সুন্দৰ তোমাৰ নামটো! কিন্তু তাতোকৈ সুন্দৰ তুমি। প্ৰতিমা, তুমি যে মোৰ স্বৰ্গৰ ৰাণী। এই যে প্ৰতিমা ইফালে আহিব ধৰিছে। ইয়াৰ পৰা আঁতৰাই ভাল।

( চুপি চুপি প্ৰস্থান। )

( ধীৰে ধীৰে প্ৰতিমাৰ প্ৰবেশ। গা মূল্যবান অলঙ্কাৰ বিহীন। চুলিবিলাক যত্ন নোলোৱাকৈ থাকে। )

প্ৰতিমা। এটা মধুৰ সপোন দেখিছিলোঁ—সিদিনা বাসন্তী পূৰ্ণিমা। জোনটো উঠিছে, জোণৰ মুখত কিমান হাহি, হাহিৰে যেন গোটেই জগতখনকে তবধ লগাই থব। ওচৰতে কত যে কি ফুল ফুটিছে, আজলি আজলি ফুল পৰি মাটিখনবো অপূৰ্ব্ব গোন্ধ ওলাইছে। ভোমোৰাবিলাকৰ গুন্ গুন শবদত মোৰ হিয়াখন নাচি নাচি উঠিছে। দূৰত পখীয়াটোৰ গীত শুনি শুনি মই সেইফালে ধলি পৰিলোঁ। বনদেবী সকলে মোক ফুলেৰে সজাই তুলিলে। আই ঐ! মোৰ যে কি অপৰূপ ৰূপ! নিজৰ ৰূপত মই নিজেই বিভোৰ। এনেতে সপোন ভাঁগিল। শূন্যৰ সপোন শূন্যত মিহলি হৈ গ'ল। কি থাকিল? এটা হিয়া ভৰা হুমুনীয়া, এটোপ তপত চকুলো, এটা কৰুণ বিনণি। দেবতা মোৰ, প্ৰভু মোৰ! ইকি কৰিলা তুমি?—নহয় বা'ক। সপোন শেষ হৈ গৈছে। তাৰ কথা নাভাবো। মিছা কথা ভাবি শৰীৰটোক

কিয় কষ্ট দিম ! মোৰ সকলো আছে। মই ৰাজকন্যা। পুৰন্দৰ মোৰ ভাই। ৰজা মোৰ পিতা। আৰু অজয় ?—অজয় কোন ? অজয়ৰ চিন্তাই মোক ইমান উতলা কৰে কিয় ? অজয়ৰ চিন্তাই মোৰ প্ৰতি শিৰাৰ তেজ তপত কৰি তোলে। কব নোৱাৰো কিয় এনে হয়, ইযে এটা বৰ ডাঙৰ জ্বালা।

( অজয়ৰ প্ৰবেশ। )

অজয়। কিহৰ জ্বালা প্ৰতিমা ?

প্ৰতিমা। মইও সুধিছো তুমিয়ে কোৱাচোন মোৰ কিহৰ জ্বালা ?

অজয়। তোমাৰ জ্বালা নো আমি কি বুজিম, নিজে অনুগ্ৰহ কৰি নকলে ?

প্ৰতিমা। অনুগ্ৰহ কৰি তুমিযে কোৱাচোন।

অজয়। এটা—চিন্তা হৈছে তোমাৰ—

প্ৰতিমা। অদ্ভুত ! ঠিক গণনা কৰিছা। বাৰু কি চিন্তা !

অজয়। পুৰন্দৰৰ চিন্তা।

প্ৰতিমা। ইঃ কথা। ৰাজ পুত্ৰৰ কথা চিন্তা কৰিবলৈ আমাৰ কি শক্তি আছে ? তুমিও গৰীব বুলিহে আমি গৰীবেও তোমাক মাতিবলৈ সাহ কৰিছে।।

অজয়। মই গৰীব নেকি ?

প্ৰতিমা। নহয় যে কি ? মোতকৈও গৰীব।

অজয়। হয়—ৰাণী—সচা ! পিচে, তোমাৰ চিন্তা ৰাণী হবলৈ।

প্ৰতিমা। [ কৃত্ৰিম ক্ৰোধ পূৰ্ণ নয়নেৰে অজয়লৈ চায় ]।

অজয়। নহয়, নহয় প্ৰতিমা। ইমান খং নকৰিবা ! মৰি যাম যে !

প্ৰতিমা। ঢাল খন ইফালে সিফালে ঘূৰাই বৰ বীৰ হৈছা বুলি ভাবিছা হব পায ?

আজয়। উহু! কেতিয়াও নহয়। ঢাললৈ বীৰ হও যুদ্ধ ক্ষেত্ৰত। ইয়াত আৰু কি নগণ্য! ক্ৰোধ সম্বৰণ কৰা। অভয় দিলেহে তোমাৰ চিন্তাৰ কথা কব পাৰোঁ।

প্ৰতিমা। [ **অপৰূপ ভাবে মূৰটো হলাই** ] উঁ!

অজয়। তুমি মোৰ বিষয়ে চিন্তা কৰিছা ( **ওচৰত থকা গছডালত ধৰি তল মূৰ কৰে। প্ৰতিমাৰ মুখত চাতুৰি পূৰ্ণ হাঁহি** )

প্ৰতিমা। হয—হয়। এটি পুৰস্কাৰ দিয়া হব। বেচ্ ধৰিব পাৰিছা।

অজয। কেতিয়া ?

প্ৰতিমা। এতিয়াই লাগেনেকি ? কম থক নহয় তোমাৰো!

অজয। থকৰ বস্তু দেখিলে সকলোৰে থক লাগে, আচৰিত কি হ'ল ?

প্ৰতিমা। বস্তুটো থকৰ নহয়। যদি দলিয়াই দিযা ? কোৱা আতৰাই পেলাই নিদিবা তো ?

অজয। মূৰত লম।

প্ৰতিমা। নহয় ভৰিত থলেই হব। [ **প্ৰতিমাই অজয়ৰ ভৰিত ধৰি বহি পৰে** ]

অজয়। প্ৰতিমা! ( **প্ৰতিমাক কোলাত লয়** )

প্ৰতিমা। সৌ চোৱা দূৰত বন ফুল বিলাক ফুলি উঠিছে।—লুইতৰ শবদত কত শত প্ৰেমৰ কাহিনী, পখী বিলাকৰ কি নবীন আবেদন, আৰু তোমাৰ কোলাত তোমাৰ পাগলী প্ৰতিমাৰ আত্ম নিবেদন।

অজয। ইস্! প্ৰতিমাটোৰ ৰং বোৰ মলিন হৈ গৈছে। আজি আকৌ নতুনকৈ দিব লাগিল।

প্ৰতিমা। ৰঙীন ফুল বিলাক তুলি আনি মোৰ দেৱতাটোক আজি পূজা কৰিব লাগিব।

অজয়। এনে ধুনীয়া তুমি প্ৰতিমা ! [ গাটো পিছি দিয়ে ]

প্ৰতিমা। এনে সুন্দৰ তুমি ! কোৱা তোমাৰ কোলাত মূৰটো থৈ মৰিবলৈ দিবা মোক ? [ আবেগত চকু মুদ খাই আছে ]

অজয়। [ ধীৰে ধীৰে মুখখন প্ৰতিমাৰ ওচৰলৈ নিয়ে। দুয়োৰো মুখ লগ লাগে। প্ৰতিমাই মিচিকিয়াই হাঁহি চকু মেলে ]

প্ৰতিমা। ই--ই -হ ! [ সাবতি ধৰে, অজয়ে বুকুত সোমাই লয়। দুৰত কপৌ এজোৰে মাতিব ধৰে। ওচৰৰে ফুল এডালৰ পৰা এটা ফুল সৰি দুয়োৰো বুকুত পৰে। মহানদ ব্ৰহ্মপুত্ৰৰ শান্ত কুলু কুলু ধ্বনি শুনা যায। অজয়ে প্ৰতিমাৰ মূৰটো লাহে লাহে তুলি দিয়ে আৰু ঠিয় হয় )

অজয়। প্ৰতিমা ! কৰ্ত্তব্য, মোৰ কঠোৰ কৰ্ত্তব্য ! [ প্ৰতিমাৰ ফালে চাই চাই প্ৰস্থান ,

প্ৰতিমা। হে—ৰা ! কৈ যোৱা। এই জ্বালা নিবৃত্তিৰ উপায় কি ?

( অবশ ভাবে ঢলি পৰে। বতাহত পাৰ আচল কঁপিব ধৰে। হঠাৎ দুজন সৈন্য আহি প্ৰতিমাৰ মুখত সোপা দিয়ে, আৰু ডাঙি লৈ মুহূৰ্ত্তত অদৃশ্য হয়। আন ফালৰ পৰা সিংহ পালৰ প্ৰবেশ )

সিংহ। চমৎকাৰ ! এইবাৰ অজয়, দেখিম কেনেকৈ তই প্ৰতিমাক আত্মসাৎ কৰিব পাৰ।—ইকি সৰ্ব্বনাশ ! এই যে দুৰ্লভা।

( বেগে প্ৰস্থান )

দুৰ্লভা। [ দুৰৰ পৰা ] প্ৰতিমা সখী ! প্ৰতিমা সখী ! ইমান সময় এনেই বহি আছা ? তুমিও এলেহুৱা হলা। গোৱা এটা গীতকে [ চাৰিওফালে চাই ] ইকি, প্ৰতিমা কলৈ গ'ল ? প্ৰতিমা প্ৰতিমা,—

হৈছে আহা, আজিলৈ আৰু অভিমানটো থৈ দিয়া। বৰে যে কুঞ্জটো বিচাৰি নাপাব। পিচে অভিমানটো তোমাৰ মনতে ৰৈ যাব। শুনা সখী শুনি যোৱা। তোমাৰ বৰে এখন চিঠি দি পঠাইছে। পঢ়ি চোৱাহি ছোন।—নাহিলা? তেনে—যাওঁ—ইকি! প্ৰতিমা যে এতিয়াই ইয়াতে আছিল। কলৈ গ'ল? প্ৰতিমা! ইকি হ'ল! কতো নাই দেখোন! এই সমযৰত ভিতৰতে কলৈ গ'ল? ইয়াতে যে থাকিবৰ কথা আছিল। দাদা—দাদা—

( হাঁহি মুখে পুৰন্দৰৰ প্ৰবেশ )

পুৰন্দৰ। কি হ'ল বীৰাঙ্গনা? বাঘ নেকি? ভুলতে 'ধনু' গনো আনিব পাহৰিলোঁ—

দুৰ্লভা। [ দৌৰি গৈ হাতত ধৰি ] সচাকৈ, ঠাট্টা নহয়। প্ৰতিমা দেখোন নাই।

পুৰ। সেযে তো সৰ্ব্বনাশ! তুমি দেখোন কান্দি কান্দি একেবাৰে মুখখন তিযাই পেলাইছা?

দুৰ্লভা। মোৰে শপত, আপুনি ঠাট্টা নকৰিব, প্ৰতিমাক আনি দিয়ক।

পুৰ। প্ৰতিমা—এতিয়া গঢ়াওঁ কেনেকৈ? তেনে চেষ্টা কৰি চাওঁ, তুমি অলপ মাটি আনা মই গঢ়ো তুমি দেখুৱাই থাকা।

দুৰ্লভা। আপুনি নপতিযাই নহয়? প্ৰতিমা যে নাই!

পুৰ। পতিযাইছোঁ, তুমি হে দেখোন নপতিয়োৱা।

দুৰ্লভা। কি যে দুষ্ট হৈ গৈছে আপুনি? মই তেনে আৰু নাথাকোঁ।

পুৰ। দুষ্টামি যে তুমিযে শিকাইছা। এতিয়া সহ্য নকৰিলে কেনেকৈ হব?

দুৰ্লভা। মেৰে কিবা, এই বোৰ এৰক, প্ৰতিমাক বিচাৰ কৰক।

পুৰ। এনে ছটফট্ কৰিছা কিয়? মোৰ হাঁহি উঠে।

দুৰ্লভা। আপুনি বৰঁ নিষ্ঠুৰ। মই গুচি যাওঁ গৈ।

**( যাব খোজে, পুৰন্দৰে হাতত ধৰে )**

পুৰ। এইবাৰ শুনিম, ক্ষমা কৰা দুৰ্লভা!

দুৰ্লভা। প্ৰতিমা নাই।

পুৰ। ইমান অস্থিৰ হৈছা কিয়? কান্দিছা কিয? প্ৰতিমা কলৈ যাব? অন্তঃপুৰতে আছে।

দুৰ্লভা। নহয়, মই নহা পৰ্য্যন্ত ইযাতে থাকিম বুলি কৈছিল। মোৰে শপত আপুনি এবাৰ বিচাৰ কৰক। প্ৰতিমা যে বৰ হতভাগিনী!

পুৰ। মই নাজানো, দুৰ্লভা? তুমি যোৱা মই বিচাৰ কৰো—

দুৰ্লভা। আপুনি বাহিৰত সকলো পিনে চাওক। মই অন্তঃপুৰত চাওঁ গৈ।

**( প্ৰস্থান )**

পুৰ। এই ৰমণী হৃদয়! ইমান কোমল অন্তঃকৰণ এওঁলোকৰ? ইমান অলপতে গলি যায। প্ৰতিমা নাই! কলৈ যাব? ইয়াতে ক'ৰবাত আছে। বাৰু এবাৰ চোৱা যাওঁক।

———

# দ্বিতীয় দৃশ্য।

**বিশ্ৰাম কক্ষ। চাৰিওফালে পুথিবিলাক সজোৱা থাকে। ৰত্ন পালে পুথি পঢ়ি থাকে।**

ৰত্নপাল। জগতৰ ভিতৰত আটাইতকৈ সুখী এই কবি সকল। নিজ ইচ্ছাৰে সুখ, দুখ সৃজন কৰি এওঁলোকে হাঁহে কান্দে। সংসাৰৰ বৈষম্যই, সংসাৰৰ কুটিলতাই এওঁলোকক স্পৰ্শ কৰিব নোৱাৰে। প্ৰকৃতিৰ অপাৰ সৌন্দৰ্য্য ৰাশি মানবক দান কৰি সমগ্ৰ মানব জাতিকে তেওঁলোকৰ ধৰুৱা কৰিছে। কবিৰ ভাব ৰাজ্য সৌন্দৰ্য্যৰ ভৰপুৰ। ইচ্ছা হয়-যেন চিৰকাল পুথিৰ মাজত মগ্ন থাকি এই সুধা পান কৰিম। কিন্তু হয় ক'ত? এখন বিৰাট সাম্ৰাজ্যৰ ভাবনাই অস্থিমজ্জা শিথিল কৰি তুলিছে। প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰিবৰ শক্তি আমাৰ ক'ত? নৃসংশ ভাবে মানুহক হত্যা কৰি মানুহৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিছো, পৃথিবীৰ ওপৰত আশান্তিৰ সোত বোৱাই দিছো। যি কবিয়ে কপৌ চৰাই এটিৰ মৃত্যু দেখি শোকত উন্মাদ হৈছিল, যাৰ অন্তৰ গলিগৈ মধুৰ ছন্দৰ উদ্ভব হৈছিল, সেই কবিৰ অন্তৰ আমি বুজিম কেনেকৈ? কবিৰ কোমল ভাবে মোৰ হৃদয় কেনেকৈ সৰস কৰিব? কিন্তু প্ৰভু ইও যে মোৰ কৰ্ত্তব্য। মোৰ সোনৰ কামৰূপৰ শ্ৰী ম্লান হোৱা দেখিলে মোৰ অন্তৰ কান্দি উঠে। তুমিয়ে এদিন কুৰুক্ষেত্ৰ যুদ্ধত কৈছিলা— "নিমিত্ত মাত্ৰং ভব সব্য সাচিন" মইও নিমিত্ত হৈছো। "যথা নিযুক্তোস্মি তথা কৰোমি"। শক্তি দিয়া ভগবান. তোমাৰ আদেশ পালন কৰিবলৈ।

( দুৰ্লভাৰ হাতত ধৰি কুলদেবীৰ প্ৰবেশ )

কুলদেবী। তোমাক আৰু ৰজা নালাগে, আমাক অন্য ৰজা দিয়া। নহলে আমি বনলৈ গুচি যাম।

ৰত্ন। বেছ, মোৰো শান্তি হয়। মোৰ পোচাকটো তুমি নিয়া, তোমাৰ টো মোক দিয়া। মই আৰু ইমান কাৰ্য্য চলাব নোৱাৰো।

কুল। অন্দৰত থাকিব পাৰিবা ?

ৰত্ন। মাজে মাজে বাহিৰলৈ যাম।

কুল। হৈছে পাৰিবা। এতিয়া এটা বিচাৰ কৰা।

ৰত্ন। বিচাৰ কৰিবলৈ পাহৰি গৈছো। তুমিয়ে কৰা—

কুল। মোৰ বিচাৰ নহয়। মোৰ বিচাৰ তোমাক কৰিবলৈ নিদিওঁ। এই ছোৱালীজনীলৈ চোৱাচোন কান্দোতে কান্দোতে কেনেকৈ মুখখন শুকাই গৈছে—

ৰত্ন। কি হৈছে আই তোৰ ?

কুল। কয় আই, যি ৰজা, তই বুলি এইখিনি উত্তৰ পাইছ। অন্ত আহিলে পুথি পঢ়িয়ে থাকিল হেতেন।

দুৰ্লভা। প্ৰতিমাক কোনোবাই লৈ গৈছে।

ৰত্ন। প্ৰতিমা কোন ?

দুৰ্লভা। মোৰ সখী ! তাই বৰ হতভাগিনী মহাৰাজ।

ৰত্ন। ক'ৰ পৰা নিলে ? কেতিয়া ?

দুৰ্লভা। কালি গ'ধূলি মহাৰাজ। প্ৰতিমা অলপ আগেয়ে উদ্যানলৈ গৈছিল। মোৰ যোৱাত অলপ পলম হৈছিল। গৈ দেখো উদ্যান শূন্য, প্ৰতিমা নাই। চাৰিওফালে বিচাৰ কৰিছো কতো নাপালো।

( চকুলো ওলায়, কুলদেবীয়ে মচি দিয়ে )

কুল। ছিঃ আই নাকান্দিবি। তোৰ সখীয়েৰক উলিয়াই দিম।

ৰত্ন। উদ্যানৰ পৰা বালিকা এজনী অপহৃতা! ইযে অসম্ভৱ! তই অন্তঃপুৰত চাইছ আই ?

দুৰ্লভা। চাইছো মহাৰাজ ক'তে নাই।

ৰত্ন। পুৰন্দৰক মাতিবলৈ কোৱা ৰাণী। [ কুলদেৱীৰ প্ৰস্থান ]

দুৰ্লভা। যুবৰাজ্যে এই কথা জানে মহাৰাজ।

ৰত্ন। পুৰন্দৰে জানে! জানিও নিশ্চিন্ত হৈ আছে!

( পুৰন্দৰৰ প্ৰবেশ )

উদ্যানৰ পৰা বালিকা এজনী অপহৃতা, তুমি এই কথা জানা পুৰন্দৰ ?

পুৰ। জানোঁ, পিতা।

ৰত্ন। জানা—! একো প্ৰতিবিধান কৰা নাই ?

পুৰ। কি প্ৰতিবিধান কৰিম পিতা : উদ্যানৰ পৰা প্ৰতিমাক লৈ গৈছে, ইযে অসম্ভৱ পিতা।

ৰত্ন। অসম্ভৱ সম্ভৱ হল কেনেকৈ ? কোৱা, কি প্ৰতিবিধান কৰিছা ?

পুৰ। [ নিমাত ]

ৰত্ন। পুৰন্দৰ।

পুৰ! পিতা!

ৰত্ন। ইযে ঘোৰ অৰাজকতা। পুৰন্দৰ! কোনো কথা শুনো। যি শক্তি লাগে তাকে নিয়া। এই বালিকাক উদ্ধাৰ কৰিব লাগিব। কি যেন এটা ধুমুহাবৈ গৈছে। তোমালোক নিস্কৰ্মা হৈ যাব ধৰিছা। — এই বালিকা অন্তঃপুৰলৈ কেনেকৈ আহিল আই ?

পুৰ। এওঁৰ একমাত্ৰ সম্বল বৃদ্ধ পিতাক মই হত্যা কৰাইছোঁ।

বত্ন। তুমি! বত্ন পালৰ পুত্ৰ পুৰন্দৰ পাল, তুমি অবিচাৰে মানুহৰ প্ৰাণ বধ কৰাইছা? কোৱা পুৰন্দৰ, মানুহৰ জীবনৰ ওপৰত কি অধিকাৰ তোমাৰ?

পুৰ। মোৰ ভুল হৈছিল, পিতা।

বত্ন। এনে ভুল নিশ্চয় বাঞ্ছনীয় নহয়। তুমি ৰাজদণ্ড ভোগ কৰিব লাগিব নিশ্চয়ই লাগিব। [ বিচলিত ভাবে ঘূৰি ফুৰে ]

দুৰ্লভা। পিতা! যুবৰাজৰ দোষ নাই। আপুনি সকলো কথা জনা নাই।

বত্ন। নকবি আই, মানুহৰ জীৱন খেলাৰ পুতলা নহয়। কোৱা পুৰন্দৰ প্ৰতিমা ইয়ালৈ কেনেকৈ আহিল?

পুৰ। মৃত্যুৰ সময়ত তেওঁৰ পিতাকে তেওঁৰ ভাৰ মোৰ ওপৰত দি গৈছে। মই তেওঁক ইয়ালৈ অনাইছো।

বত্ন। চোৱা পুৰন্দৰ তোমাৰ দায়িত্ব কিমান গুৰুতৰ। তুমি সেই সৰলা বালিকাৰ সৰ্ব্বনাশ কৰি তাইক তোমাৰ আশ্ৰয়লৈ আনিছা; তাই ৰাজআশ্ৰয়ত নিশ্চিন্ত আছিল। যদি এই খিনি ক্ষমতা নাই, মোক নকলা কিয়? মই কোনো অনুযোগ শুনোঁ, কোনো প্ৰাৰ্থনা শুনো। তিনি দিনৰ ভিতৰত প্ৰতিমাক বিচাৰি আনা, আনৰই লাগিব। নহলে হুটা অভিযোগত তুমি অভিযুক্ত হবা। যোৱা ৰাজপুত্ৰ, তোমাৰ বিচাৰ মই নিজে ৰাজ আসনত বহি কৰিম। ৰাণী। ( বিচলিতভাবে প্ৰস্থান। )

দুৰ্লভা। যুবৰাজ ( হাতত ধৰে ) মোক ক্ষমা কৰক। প্ৰতিমাই মোক পাগলী কৰিছে।

পুৰ। ( সজল নয়নে দুৰ্লভাৰ পিনে চাই থাকে। )

দুৰ্লভা। কওক যুৱৰাজ!। মোৰ ওপৰত খং নকৰিব। কওক ই কাৰ দোষ?

পুষ্প। (আগৰ দৰে চাই থাকে আৰু দুৰ্বৈলৈ চাই কিবা ভাবে।)

দুৰ্লভা। প্ৰিয়তম! (বুকুত মুখ থয়। পুষ্পকে লাহে লাহে মুখটো তুলি' দিব দুৰ্লভাইলৈ একেথেক চায়। চকুত তেওঁৰ পানী ওলায়; লাহে লাহে হাত একৰাই কমৰীয়াহ এটা কাঢ়ি গুচি যায়) কাক খং কৰিলে যুৱৰাজ? মোৰ কি দোষ? যুৱৰাজ! (বহি কেঁকুৰি কেঁকুৰি কান্দে।)

নেপথ্যে কুল— দুৰ্লভা। [ দুৰ্লভাই চকু মোহাৰি গুচি যায়। ]

(সৈনিকবেশে প্ৰতাপসিংহৰ প্ৰবেশ)

প্ৰতাপ। সম্পূৰ্ণ নিশ্চিন্ত আছিলোঁ। প্ৰাণত কোনো উন্মাদনা নাছিল। কিন্তু কি অদ্ভুত দুৰাশা এই সেনাপতিৰ! সি যেন গোটেইখন জগতকে গিলি খব। বাৰু মোৰ কি স্বাৰ্থ? কি স্বাৰ্থত মই মোৰ ৰাজ্য পৰিত্যাগ কৰি আহিছোঁ? মোৰ কি আশা পূৰণ হব? প্ৰতিমা? এবা প্ৰতিমাৰ চিন্তাই যেন অন্তৰ খনত জুই জ্বলাই তুলিছে। নাজানো সেনাপতিৰ কি উদ্দেশ্য। কিন্তু প্ৰতিমা মোৰ। প্ৰতিমাক মই পাব লাগিব। প্ৰতিমা! প্ৰতিমা [ অসাবধানতা বশতঃ ডাঙৰকৈ ফুটি ওলায় ]

নেপথ্যে দুৰ্লভা। কোন সেয়া—কোন্ সেয়া। প্ৰতিমা ক'ত?

প্ৰতাপ। ইকি সৰ্ব্বনাশ কৰিলো। ইযে অন্তঃপুৰ [ বেগে প্ৰস্থান ]

(ব্যস্তভাবে দুলাভাৰ প্ৰবেশ)

দুৰ্লভা। কোনে প্ৰতিমাক মাতিছিল। প্ৰতিমা ক'ত।

[ দুৰ্লভা প্ৰহৰীৰ আগত ]

কোনে প্ৰতিমাক আনিছিল ? প্ৰতিমা ক'ত আছে ? কোৱা ?

[ প্ৰহৰী দুটাই ইটোই সিটোলৈ চাব ]

কোৱা কোন ইয়ালৈ আহিছিল ? কি হৈছে তোমালোকৰ ?

প্ৰহৰী । [ নিৰুত্তৰ )

দুৰ্লভা । প্ৰতিমা ক'ত কোৱা ?

প্ৰহৰী । কোন প্ৰতিমা ?

দুৰ্লভা । উঃ ভগৱান ! [ প্ৰস্থান । সেই দুটাই খিল খিলকৈ হাঁহিব ধৰে ]

—*—

# ৩য় দৃশ্য ।

( বনৰ মাজ—চিকাৰ বেশী—ৰত্ন পাল । )

ৰত্নপাল । আৰু ৰাজ্যত থাকি ভাল নালাগে । কেবল অশান্তি, কেবল হাহাকাৰ । ৰাজ্যখনত কিযে এটা বিভীষিকাৰ ছায়া পাত হৈছে । মই বুজিছোঁ কিছুমান দুষ্ট মানুহ ওলাইছে, যাৰ দ্বাৰা এই অপকৰ্ম্মবোৰ হব ধৰিছে । কি আচৰিত ! মোৰ উদ্যানৰ পৰা—ৰাজ উদ্যানৰ পৰা সেই নিঃসহায় সৰলা বালিকাকলৈ গুছি গ'ল । এই মানুহ ! ইহঁতে নুবুজে এটা মানুহৰ জীৱনৰ আশান্তিয়ে—তাৰ তপত নিশ্বাসে সংসাৰৰ ওপৰেদি কি ভীষণ ধুমুহা বোৱাই দিব পাৰে । এটা খন্তেকীয়া সুখৰ নিমিত্তে কত ভাবে মানুহে মানুহৰ ওপৰত অত্যাচাৰ কৰে । যদি এক মুহূৰ্ত্তৰ কাৰণেও সি ভাবিচায়—এই মানুহৰ শৰীৰত কি আছে,

তেন্তে সি বলীয়া হৈ যাব।—দুৰ্লভা—পুৰন্দৰ! জানিছো, ইহঁতৰ দুৰ্য্যোধন অন্তৰ এক কেন্দ্ৰীভূত হবলৈ দৌৰি গৈছে। সৌ যে দূৰত মোৰ চিকাৰ, সৌ যে! ক'ত মোৰ ধনুশৰ [ বেগে প্ৰস্থান ]

( মূৰ্চ্ছিতা প্ৰতিমাকলৈ দুজন সৈন্য, সিংহ পাল আৰু প্ৰতাপ সিংহৰ প্ৰবেশ )

সিংহ। এই নিভৃত কুটীৰ। ইয়াতে এওঁক থৈ তহঁতে ইয়াৰ পৰা যা।

১ম সৈনিক। আমাক আমাৰ প্ৰাপ্য দিয়ক। আপোনাৰ কথা মতে আমি আমাৰ নিজস্ব সুখ বিসৰ্জ্জন দি এই অপকৰ্ম্ম কৰিছোঁ।

সিংহ। তহঁতৰ প্ৰাপ্য মই পিচত দিম। এতিয়া ইয়াৰ পৰা যা।

১ সৈনিক। আমাৰ লগত প্ৰবঞ্চনা নকৰিব সেনাপতি ডাঙৰীয়া।

সিংহ। তহঁতৰ কোনো কথা শুনিবলৈ মোৰ অবকাশ নাই। তৎক্ষণাত ইযাৰ পৰা আতৰ হ'।

২ সৈনিক। যাও আহ ভাই। সেনাপতিৰ খং উঠিছে।

১ সৈনিক। কিয় যাম, আমাৰ প্ৰাপ্য নাপালে আমি কেতিয়াও নাযাওঁ। শুনক সেনাপতি ডাঙৰীয়া, আমি দুখীয়া মানুহ। কব নোৱাৰোঁ। কি সংসাৰ মায়াত বন্দী হৈ আপোনাৰ এই পৈশাচিক কাৰ্য্যত সহায় কৰিছোঁ।

সিংহ। তোৰ অপৰাধ ক্ষমা কৰিছো। ইযাৰ পৰা গুচি যা।

১ম সৈনিক। সেনাপতি ডাঙৰীয়া—

সিংহ। কোনো কথা নুশুনো, যা। [ অস্ত্ৰ উলিয়াই ]

১ম সৈনিক। ঈশ্বৰ আছে।

সিংহ। সেইটো মই বুজিম। [ অস্ত্ৰ মাৰে। সৈনিকৰ মৃত্যু। আটোপলায় ]

প্ৰতাপ। আপোনাৰ কি উদ্দেশ্য সেনাপতি?

সিংহ। মোৰ উদ্দেশ্য পুৰন্দৰৰ ধ্বংস সাধন। সেই গৰ্ব্বী যুবকৰ আশা ছেদন কৰা। শুনক কোৱঁৰ প্ৰতিমাত মোৰ অকনো লোভ নাই। প্ৰতিমা আপোনাৰ, কিন্তু মোৰ কাৰ্য্যত আপুনি সহায় কৰক।

প্ৰতাপ। যিমান দিন জীবন থাকিব, সিমান দিনে আপোনাক মই সহায় কৰিম। যুদ্ধত পৰাস্ত হৈছো—বন্থ পালৰ পৰাক্ৰমী ফৌজৰ হাতত পৰাস্ত হৈছোঁ—তাত কোনো লাজ নাই। বিশ্বাস কৰক সেনাপতি, প্ৰাণত মোৰ কোনো উন্মাদনা নাছিল। যিদিনা এই প্ৰতিমাক দেখিছোঁ সিদিনাই মই উন্মাদৰ দৰে হৈছিলো। আপোনাক লগ নাপালে মোৰ কি হ'ল হেতেন নাজানোঁ।

সিংহ। কিন্তু কোৱঁৰ, প্ৰতিমাক ইয়াত ৰাখিব নোৱাৰিব। ৰজা ইয়ালৈ চিকাৰ কৰিব আহে। আমি প্ৰতিমাক অন্য ঠাইলৈ নিব লাগিব। যত কামৰূপৰ কোনো মানুহেই এঁকো গুং সূত্ৰ নাপায়।

প্ৰতাপ। সেইটো ঠিয়! কিন্তু নিয়া হয় কলৈ? সেইয়া কোন আহিছে?

( হাতত যাঠি লৈ ফুলৰ পিতেক আহে )

ফুঃ পিঃ। তহঁত ক'ৰ মানুহ? কয়, এই মানুহ জনক কোনে মাৰিছে?

সিংহ। উত্তম সুযোগ। ( তাক ) চোৱা ভাই এই অসহায়া ছোৱালী জনীৰ ওপৰত এই মানুহ টোৱে যথেষ্ট অত্যাচাৰ কৰিছে। ইয়াক ভালকৈ কলে কথা নুশুনে। গতিকে মাৰি পেলাইছো। তুমি এওঁক তোমাৰ ঘৰলৈ লৈ যোৱা।

ফুঃ পিঃ। আহা হা—এই জনী কাৰ ছোৱালী? হুঁ, এইক মই নিম। কি সুন্দৰ এই মুখখনি! [ গাত হাত বুলায় আৰু প্ৰতিমাই চেতনা পায় ]

প্ৰতিমা। ইকি? মই ক'ত? অজয়—অজয়—! মোক এৰি দিয়ক। মোক যাব দিয়ক ( উঠি যাব খোজে )

প্ৰতাপ। কলৈ যোৱা, তুমি অসুস্থ।

প্ৰতিমা। অসুস্থ! ওঃ কোন ক'ত আছা? অজয় ক'ত তুমি?

[ মূৰ্চ্ছা যায় ]

ফু পিঃ। নহয়, ই তহঁতৰ চক্ৰান্ত! কৰ তহতে কৰ পৰা এইক আনিছ?

সিংহ। নহয় ভাই, এওঁ ভায়েকক হেৰুৱাই উন্মাদৰ দৰে হৈছে। দয়া কৰি এওঁক তোমাৰ তালৈ লৈ যোৱা।

ফু পিঃ। নিম। এইক মোৰ ঘৰলৈ লৈ যাম। মোৰ ছোৱালীৰ লগত থাকিব।

[ লাহে লাহে তুলি লৈ গুচি যায় ]

সিংহ। যাওঁক কোৰৰ! আপুনি খাছিয়া পাহাৰলৈ এওঁৰ লগত যাওক। মই ৰাজধানীৰ পৰা যাম।

প্ৰতাপ। খাছিয়া পাহাৰত প্ৰতিমাক কিমান দিন ৰাখিব?

সিংহ। যিমান দিন অজয—আৰু পুৰন্দৰৰ নিধন নহয—। যাওক।

[ প্ৰতাপৰ প্ৰস্থান ]

এই প্ৰতাপো মোৰ প্ৰতিদ্বন্দ্বী— কোন চিন্তা নাই, সকলো সমান হৈ যাব। প্ৰতাপ মোৰ হাতৰ মুঠিত। পুৰন্দৰৰ প্ৰতি খোজতে যেন অহঙ্কাৰ ফুটি ওলায়! এই অহঙ্কাৰ চূৰ্ণ কৰিম। কামৰূপৰ ওপৰেদি এটা উল্কা বৃষ্টি হৈ যাব, তাত ৰজা পুৰন্দৰ সকলো ধ্বংস হৈ যাব। সৌ যে অজয। অলপ আঁতৰত থাকো।

[ উদ্বিগ্ন ভাবে অজয়ৰ প্ৰবেশ, চুলি আউলি বাউলি, হাতত খোলা তৰোৱাল ]

অজয়। ক'ত প্ৰতিমা? ক'ত তুমি? এটিবাৰ মাত দিয়া। এটিবাৰ জানিবলৈ দিয়া, ক'ত তুমি? কোন অজানা দেশত তুমি? ই যে বননী! বননীৰ বৃক্ষলতা কৈ দিয়া ক'ত মোৰ প্ৰতিমা? পশু পক্ষী, কৈ দিয়া ক'ত প্ৰতিমা? প্ৰতিমা, প্ৰতিমা! উঃ পিয়াহত-ডিঙি শুকাই গৈছে। পানী—নাথাওঁ, তিল তিললৈ শৰীৰটোক পুৰি মাৰিম। অভিমানিনী! [ অবশ ভাবে বহি পৰে ]

নেপথ্যে ৰত্ন। কোন আছা, এপাত যাঠি দি মোক সহায় কৰা।

অজয়। ইযে মহাৰাজৰ কণ্ঠস্বৰ। [ দৌৰি গুচি যায় ]

[ সিংহ পাল ওলাই আহে ]

সিংহ। হাঃ হাঃ! প্ৰতিমাক ক'ত পাবি? প্ৰতিমাক লুকাই থৈছোঁ। আগেয়ে তোৰ প্ৰাণ লাগে, তাৰ পিচত প্ৰতিমাক পাবি। সকলোৰে ভুৰাশা প্ৰতিমাক লাগে। কোনেও নাপাবি।—ছিঃ কি ভুল কৰিলোঁ। এই সুযোগ কিয় এৰি দিলো? এই সুবৰ্ণ সুযোগ, এনেকৈ এটা এটাকৈ বধ কৰিব লাগিব। [ অজয়ৰ পথ অনুসৰণ কৰে ]

[ পুৰন্দৰৰ প্ৰবেশ লগত অনুচৰ ]

পুৰ। ক্ষান্ত হওক সেনাপতি, আৰু এক পদ অগ্ৰসৰ হলে আপোনাৰ মৃত্যু হব।

সিংহ। কোন? যুবৰাজ?

পুৰ। হয়, বন্দী আপুনি, অস্ত্ৰ পৰিত্যাগ কৰক।

সিংহ। কিয় যুবৰাজ?

পুৰ। কোনো প্ৰশ্ন নাই। অস্ত্ৰ এৰক। বন্দী আপুনি।

সিংহ। কি অপৰাধত বন্দী মই।—কওক—।

পুৰ। সিংহ পাল! বন্দী তুমি।

সিংহ। তুমি উন্মাদ হৈছা কোৰঁৰ

পুৰ। এৰা উন্মাদ! অস্ত্ৰ বন্ধ কৰ সিংহ পাল [ অস্ত্ৰ উলিয়ায় ]

সিংহ। কৰা বন্দী যুবৰাজ! কিন্তু ই অন্যায়। এই অত্যাচাৰৰ ফলত এদিন তোমাৰ সৰ্ব্বনাশ কৰিম। এই ঔদ্ধত্যৰ পৰিণাম অতি ভয়ঙ্কৰ। কৰা বন্দী। [সৈন্যাই বন্দী কৰে]

—*—

## ৪ৰ্থ দৃশ্য

[ থাচিয়া পাহাৰ, সক সক লতাৰে আগুৰা কুঞ্জ। বিনয় কুমাৰে যেন কিহৰ অপেক্ষা কৰিছিল।

বিনয়। তোমাৰ আশীৰ্ব্বাদ জননী! আজি তোমাৰ আশীৰ্ব্বাদত মোৰ গৃহত পুণৰ লক্ষ্মীৰ প্ৰতিষ্ঠা হৈছে। মোৰ দৈন্যভৰা অন্ধকাৰ ভাগ্য গগণত তৰুণ ৰবিৰ উদয় হৈছে। তোমাৰ কাৰ্য্যত যদি আজি মোৰ প্ৰাণ বিনষ্ট হয় তেনে মোৰ কোনো দুখ নাই দেবী! মোৰ সামান্য পৰিয়ালে মোৰ অবিহনে কোনো মতে চলিব পাৰিব। আজি মই তোমাৰ কাৰ্য্যত মোৰ প্ৰাণ উছৰ্গা কৰিছোঁ। যদি অকণ মাণি উপকাৰ মোৰ দ্বাৰা সাধন হয়, তেনে মই হাঁহি হাঁহি মৰণক আলিঙ্গন কৰিম। এই মানুহৰ চৰিত্ৰ! ৰাজকুমাৰ প্ৰতাপ সিংহ—যুদ্ধত সি বিপন্ন—যুদ্ধ স্থগিত কৰিবলৈ প্ৰাৰ্থনা কৰোতেই,—তাৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে, আজি সি পুৰন্দৰৰ বিপক্ষে। ইহঁতৰ মৰণতো শাস্তি নহব।

[ বিজন সৈনিক সিংহ পালৰ হাতৰ পৰা পলাই আহিছিল সি আহে ]

সৈনিক। বিনয়!

বিনয়। কোৱা কি দেখি আহিলা?

সৈনিক। দেখিলো প্ৰতাপসিংহ বৰ বিপদত পৰিছে। প্ৰতিমা ফুলৰ ঘৰত। ফুলৰ পিতাক বৰ চোকা মানুহ। প্ৰতাপসিংহ তালৈ যাব নোৱাৰে। সি আজি ইঘৰ কালি সি ঘৰ মানুহৰ ঘৰত থাকিব ধৰিছে। কিন্তু প্ৰতিমাৰ কি উপায় কৰা বিনয়? প্ৰতিমা শুকাই যাব ধৰিছে। ফুলে ইমান চেষ্টা কৰিও প্ৰতিমাক প্ৰফুল্লিত কৰিব পৰা নাই।

বিনয়। প্ৰতিমাৰ বিষয় ভাবিছোঁ। প্ৰতিমাৰ মই কিবা এটা কৰিম। তুমি এটা কাম কৰা, আজিয়ে তুমি ৰাজধানীলৈ যোঁৱা। পাৰিবা?

সৈনিক। ৰাজধানীলৈ? মই অকলে?

বিনয়। এৰা অকলে। নোৱাৰা যদি তুমি থাকা, মই যাওঁ।

সৈনিক। পাৰিম। তোমাৰ কথাত হীন বৃত্তি ত্যাগ কৰিছোঁ। প্ৰাণলৈ ইমান মমতা নাই। কিন্তু যদি বাটত মোৰ মৃত্যু হয়?

বিনয়। মই জানোঁ, মৃত্যু তোমাৰ নহয়। যদি হয় পিছৰ কথা পিছত ভাবিম। এতিয়া যোৱা। অজয় নিশ্চয় বলীয়াৰ দৰে হৈছে। তেওঁক কৰা, প্ৰতিমা নিৰাপদে আছে। লাগিলে দুৰ্জ্জয় নগৰৰ এজন প্ৰজাই তেওঁৰ কাৰণে প্ৰাণ দিব। যোৱা।

সৈনিক। যাওঁ বিনয়। তোমাক অনুৰোধ কৰি যাওঁ, লাগিলে শঠতাৰ আশ্ৰয় লবা, তুমি অকলে, কিন্তু এই কাৰ্য্য সাধন কৰিবই লাগিব।

বিনয়। যোৱা, তোমাৰ আশীৰ্ব্বাদ ( সৈনিকৰ প্ৰস্থান ) সিংহপাল,— প্ৰতাপসিংহ! তোমালোকৰ পৰাজয় নিশ্চিত। প্ৰতিমাক শান্তনা দিব লাগিব। আৰু ফুলৰ পিতাকক দেখা কৰিব লাগিব। সোযে প্ৰতিমা

আহিছে। লগত সেইজনী কোন? নিশ্চয় ফুল। অলপ আৰত থাঁকো। ইয়াতেই কৈ যাম। (দূৰলৈ যায়)

(ফুল আৰু প্ৰতিমাই গাই গাই আহে। মাজে মাজে কাষৰ ফুলবিলাক, ফুলে চিঙি আনি নিজে শুঙে আৰু প্ৰতিমাৰ নাকত দিয়ে মাজে মাজে প্ৰতিমাৰ মুখ টিপি দিয়ে।)

**ফুলৰ গীত।**

বকুল ফুলৰ ৰঙীণ ৰেণু বতাহতে উৰে
ঐ বতাহতে উৰে।
কুলিৰ মাতত ফুল কুঁৱৰীৰ বুকুৰ আচল পুৰে॥
কোনেনো হৰিলে ঐ চেনেহৰ সখীটিৰে
খোপাৰে মালতি ফুল।
উৰো উৰো কৰে মন মলিন আভা
(সখী) বিৰহ অগণি পুৰে
সখীৰ মুখত ৰং সানি দি
নীল পখিলা ঘূৰে
ঐ নীল পখিলা ঘুৰে।

ফুল। ইমান কিহৰ চিন্তা সখী? মুখত হাঁহি নাই,—কথা নাই,—মোৰ লগত থাকি তোমাৰ ভাল নালাগে? তেনে কোৱা মই গুচি যাওঁ।

(বিনয়ৰ প্ৰবেশ।)

বিনয়। মই অজয়ৰ বন্ধু! অনুচৰ। মোৰ কথাত বিশ্বাস কৰা ভনী, আৰু তিনি দিনৰ পিছত অজয়ক দেখা পাবা। তোমাৰ কোনো ভয় নাই। এতিয়া যাওঁ। (প্ৰস্থান।)

প্ৰতিমা। সখী [ ফুলৰ ডিঙিত ধৰে। ]

ফুল। এই জন কোন সখী ? তুমি চিনি পোৱা ?

প্ৰতিমা। নাপাওঁ বোধ হয় আমাৰ সিফালৰ মানুহ।

ফুল। তেনে তুমি বহা, মই পিতাৰ আগত কৈ আহোঁ।

প্ৰতিমা। থাক, নালাগে, বহা।

ফুল। তোমাৰ মুখত হাঁহি দেখিলে, মই সকলো কৰিব পাৰো। তুমি কিয় না হাঁহা সখী ? সৌ চোৱা তোমাক দেখি ফুল ডালেও হাঁহিছে। সৌ চৰাইটিয়ে তোমাৰ পিনে কেনেকৈ চাই আছে ?

প্ৰতিমা। আহা হা ! কি সুন্দৰ ! আঃ উৰি গ'ল। দূৰত সেই কিহৰ শব্দ হৈছে ?

ফুল। সেইটো জুবি। শিলৰ ওপৰেদি বৈ যোৱাত তেনে শব্দ হৈছে। তাই কাৰবাক মাতিছে। তুমি কাক মাতিছা আগেয়ে কোৱা, তেনেহলে তাই কাক মাতিছে কম।

প্ৰতিমা। ইঃ কম নহয় তুমি ! ( লাহেকৈ গালত চাপৰিয়ায় ফুলে ডিঙিত ধৰে ) সৌ কপৌটোৱে কাক মাতিছে জানা ?—তোমাক।

ফুল। মই হবলা নাজানো ? তোমাক মাতিছে—অজয়—

প্ৰতিমা। তোমাক মাতিছে—

ফুল। কোনে ? কোৱা ? ( খিল্ খিল্কৈ হাঁহিব ধৰে। )

প্ৰতিমা। তোমাৰ দুষ্টামি।

ফুল। এতিয়া এটা গীত গোৱা সখী।

প্ৰতিমা। মোৰ গীত তোমাৰ ভাল নালাগিব।

ফুল। তোমাৰ গীত শুনি বনৰ চৰাই মুগ্ধ হয়।

প্ৰতিমা তোমাৰ ঠাট্টা, তেনে তুমি মুখ ঘুৰুৱাবা। তোমাৰ এই সুন্দৰ মুখখনিলৈ চাই চাই মই গীত গাম।

ফুল। মোৰ এই কুৎচিং মুখলৈ চাই গীত গালে তোমাৰ গীতৰ সুৰত ভুৰ্ল লাগিব। বাৰু, গীত ভাল হলে তোমাক দুটা চুমা

প্ৰতিমা। তোমাক চাৰিটা।

ফুল। বাৰু গোৱা।

**প্ৰতিমাৰ গীত।**

বিৰিনাৰে বনতে ৰাতি কি ফুল ফুলে।
ৰাতি কি ফুল ফুলে॥
নিয়ৰে সজালে চৰণ ধীৰে ধীৰে
ধৰাৰ বুকুত মালা কোণে আঁৰে
মূৰৰ মুকুট আনি ৰঙা বোলে
অ'াকি দিলে।
ৰাতিৰ শেষত সপোন ভাগে
ৰূপৰ মায়াই বিদায় মাগে
আকাশ পবন পাগল কৰি
জুৰিৰ পাৰত বিষাদ জাগে
বুকুৰ বেদনাৰে ৰচিম মালা
উজলি উঠিব মধুৰ মিলন ডালা
সুন্দৰ হ'ল
বিয়োগ ব্যথা
আউসী ৰাতিতে
কি জুই জ্বলে॥

[ ফুলৰ পিতাক আহে ]

ফু-পি। ফুল !

ফুল। পিতা !

ফু-পি। বেলি হৈছে, ইয়াৰপৰা যা।

ফুল। পিতা, সখীয়ে আজি হাঁহিছে।

ফু-পি। ঘৰলৈ লৈ যা, ভোক লাগিছে। [ ফুলে প্ৰতিমাক হাতত ধৰি চুমা খায়। আৰু গলত ধৰি লৈ যায় ] সিহঁতৰ কথাত মোৰ বিশ্বাস হোৱা নাই। সিহতৰ অন্য উদ্দেশ্য আছে। প্ৰতিমাৰ বিষয়ে সঠিক খবৰ এটা জানিব লাগিব। প্ৰতিমাক সুধিব লাগিব।

[ বিনয়কুমাৰৰ প্ৰবেশ ]

তই ক'ৰ মানুহ ?

বিনয। মই দুৰ্জ্জয নগৰৰ। নাম বিনয় কুমাৰ। তোমাৰ লগত এটি বিশেষ কথা আছে।

ফু-পি। কৱ, মোৰ লগত প্ৰতাৰণা নকৰিবি। দুৰ্জ্জয় নগৰৰ ওচৰত মই ত্ৰিশ বছৰকাল কটাই আহিছো।

বিনয। ঈশ্বৰৰ দোহাই, মই কোনো প্ৰতাৰণা কৰিবলৈ অাহা নাই। মোক বিশ্বাস কৰা।

ফু-পি। তই কি কব খুজিছ ?

বিনয়। তোমাৰ ঘৰত যি জনী ছোৱালী আছে তাইৰ বিষয়ে।

ফু-পি। হুঁ, তাইৰ বিষযে মইও বৰ চিন্তিত আছো। বাৰু আহ।

[ দুয়োৰো প্ৰস্থান। ]

———

# পঞ্চম দৃশ্য ।

**দুর্জ্জয় নগৰৰ ৰাজপ্ৰাসাদ । বিশ্ৰাম কক্ষত চিন্তিত ৰত্নপাল ।**

**কিতাপবিলাক ইতস্ততঃ বিনস্ত ।**

**ৰত্নপাল ।** মোৰ সোনৰ কামৰূপৰ ওপৰেদি বিভীষিকাৰ পাপমূৰ্ত্তি ঘূৰি ফুৰিব ধৰিছে । এনে কি দোষ কৰিছিলোঁ। ঈশ্বৰ, যাৰ বাবে আজি এনে অশান্তি পাবলগীয়া হৈছোঁ ? কিহত যেন কি হৈ গ'ল । ৰাজ্যত শান্তি নাই । প্ৰাণত সুখ নাই । দিনৰ পিছত দিন উৰি গৈছে । ৰাজ্যত হাহাকাৰ বাঢ়ি গৈছে । চাৰিওফালে কুটিলতা— পাপ—অধৰ্ম্ম । গোটেই ৰাজ্যৰ ওপৰতে কি এটা দুৰ্ঘটনা ঘটি গৈছে । সেনাপতি সিংহ পাল, সি আজি পুৰন্দৰৰ হাতত বন্দী ; আশ্চৰ্য্যৰ কথা । যি জন মানুহে আজি ইমান দিনে ৰাজ্যৰ বাবে অকাতৰে নিজৰ সুখ শান্তি বিসৰ্জ্জন দি আহিছে, যাৰ সহায়ত মই মোৰ অভেদ্য দুৰ্জ্জয় নগৰ স্থাপন কৰিছোঁ, যাৰ শিক্ষাত মোৰ সৈন্য বাহিনী আজি বিশ্বজয়ী হৈ উঠিছে—সেইজন মানুহ আজি বিদ্ৰোহী । পুৰন্দৰে কৈছে সিংহপালৰ চক্ৰান্তত প্ৰতিমাক খাচিয়া পাহাৰলৈ নিয়া হৈছিল । কি উদ্দেশ্য সিংহপালৰ । প্ৰতিমা কোন ? সামান্য ভিখাৰীৰ ছোৱালী । কি এনে গুণ আছে প্ৰতিমাৰ যিহে মোৰ সংযত বলশালী সেনাধ্যক্ষ সিংহপালৰ মন বিচলিত কৰিব পাৰে ? কোনে জানে 'কাৰ মন কেতিয়া কি হয় ।

[ **কুলদেবীৰ প্ৰবেশ** ]

**কুলদেবী ।** মহাৰাজ, কিতাপ আজি কলৈ গ'ল ?

**ৰত্ন ।** শুনা ৰাণী !

কুল। বৰ যে চিন্তিত দেখিছোঁ।

ৰত্ন। পুৰন্দৰে সিংহপালক বন্দী কৰিলে কিয় ?

কুঁল। তুমিতো জানো! পুৰন্দৰে জানে, দেখিছে সিংহপাল দোষী। তেওঁক বন্দী কৰা উচিত।

ৰত্ন। পুৰন্দৰৰ চপলতা এতিয়াও যোৱা নাই, ৰাণী।

কুল। তোমাৰ পক্ষপাতিত্ব। সিংহপালৰ দোষ কিয় চকুত নপৰে? তুমি বিচাৰ কৰা, সিংহপাল দোষী নহয় এৰি দিয়া।

ৰত্ন। তুমি নাজানা ৰাণী পুত্ৰৰ সপক্ষে বিচাৰ কৰা কিমান জটিল। যদি ইয়াত অলপ মানো অধৰ্ম্ম থাকে প্ৰজাবোৰৰ চকুত মই কি হৈ উঠিম জানা ৰাণী ?

কুল। ৰজা তুমি, বিচাৰক তুমি। ন্যায়বিচাৰ কৰা। ইয়াত পত্নীপুত্ৰৰ স্থান নাই। প্ৰজা আৰু সেনাপতিৰ পাৰ্থক্য নাই। পুৰন্দৰৰ দোষ হলে তাক শাস্তি দিয়া।

[ পুৰন্দৰৰ প্ৰবেশ ]

পুৰন্দৰ। পিতা, সিংহপালৰ বিচাৰৰ ভাৱ মোৰ ওপৰত দিয়ক।

ৰত্ন। মোৰ বৰ্ত্তমানত এই বিচাৰৰ ভাৰ তোমাৰ ওপৰত দিয়াৰ কি প্ৰয়োজন, পুৰন্দৰ ?

পুৰ। আপোনাৰ করুণ-হৃদয়— সিংহপালৰ চক্ৰান্ত ভেদ কৰিবলৈ আপুনি সক্ষম নহব।

ৰত্ন। মই যে বিচাৰক পুৰন্দৰ। মোৰ হৃদয় করুণ হয় বিশ্ৰাম কক্ষত, তোমাৰ আগত, লাঞ্চনা পীড়িত প্ৰজাৰ আগত। বিচাৰৰ শক্তি মোৰ আছে। বিশেষকৈ আজি সিংহপালৰ বিচাৰৰ ভাৰ তোমাৰ ওপৰত দিলে, সমগ্ৰ প্ৰজা মোৰ ওপৰত ৰুষ্ট হব। যোৱা পুৰন্দৰ,

বীৰৰ সন্তান তুমি ৰাজ্যৰ অশান্তি হাহাকাৰ দূৰ কৰা গৈ। অসূয়াৰ ভাবে তোমাত শোভা নাপায়। সিংহপাল সচাকৈ দোষী হলে, দোষীৰ শাস্তি দিব মই জানো।

পুৰ। কিন্তু সিংহপালৰ দোষ গুৰুতৰ পিতা। সিংহপালে আজি ৰাজ্যৰ ধৰণী কঁপাই দিছে। সকলো সৈন্য তেওঁৰ তলত। তেওঁ দুদিন পিচত প্ৰকাশ্যভাবে ৰাজ্যত বিদ্ৰোহৰ জুই জ্বলাই তুলিব। দুৰ্জ্জয় নগৰ ধূলিময় কৰিব। আপোনাৰ তেজেৰে প্ৰতিষ্ঠা কৰা দুৰ্জ্জয়নগৰ ভস্মস্তুপত পৰিণত হব।

ৰত্ন। যোৱা পুৰন্দৰ, সিংহপালৰ বিচাৰ মই কৰিম।

পুৰ। পিতা—

ৰত্ন। পুৰন্দৰ! [ৰজাৰ কথা আদেশ পূৰ্ণ হয়। [পুৰন্দৰৰ প্ৰস্থান।]

কুল। সুন্দৰ বিচাৰক সাজিছা। পুৰন্দৰ কিয় মইও তোমাৰ কথাত পলাব লাগিব।

ৰত্ন। তোমাৰ সকলো সময়তে ঠাট্টা ৰাণী। সিংহপাল যে দোষী – নিশ্চয়। কিন্তু পুৰন্দৰক তাৰ বিচাৰ কৰিব নিদিওঁ। তোমাৰ যোগ্য সন্তান ৰাণী, মোৰ অবিহনে পুৰন্দৰে দুৰ্জ্জয়নগৰৰ কীৰ্ত্তি উজ্জ্বল কৰিব।

কুল। তোমাৰে যে দুৰ্জ্জয় তেজ, শক্তিৰে তাৰ শৰীৰ গঠিত মহাৰাজ! তুমি পিতা মই জননী, দুয়ো এদিন তাক সিংহাসনত বহুৱাই দি জিৰণি লব পাৰিলে আমাৰ ইহজনমৰ বাসনা পূৰ্ণ হব।

ৰত্ন। ইমান ভাগ্য আমাৰ আছে জানো ৰাণী? মাজে মাজে দূৰণীৰ জ্যোতিৰ নিচিনা কি এটা অনিশ্চিত সুখ ভাহি আহি মনটো অস্থিৰ কৰি তোলে। সকলো আশা সকলো শান্তি মাজে মাজে কি এটা অস্থিৰতাৰ মাজত বিলীন হৈ যায়। থা'ক যোৱা ৰাণী মই সিংহপালৰ বিচাৰ কৰিম। প্ৰহৰী—[প্ৰহৰী আহে] সেনাপতিক ইয়ালৈ আনিবলৈ ক।

[প্ৰহৰী যায়

কুল। যাওঁ মহাৰাজ, যাও বিচাৰক। আশা কৰোঁ সিংহপালৰ মুখখন দেখি বিচাৰকৰ গম্ভীৰতা, স্থিৰতা উটি নাযাব। [ প্ৰস্থান ]

ৰত্ন। প্ৰজাৰ সুখ শান্তিৰ নিমিত্তে, উৎপীড়নৰ সোঁত বন্ধ কৰিবৰ নিমিত্তে ৰত্নপালৰ হৃদয়ত বল দিয়া ঈশ্বৰ !

[ প্ৰহৰী বেষ্টিত সিংহপাল আহে। যথাযোগ্য সেৱা জনাই ঠিয় হয় প্ৰহৰী যায় ]·

সিংহপাল !

সিংহ। মহাৰাজ !

ৰত্ন। কোৱা সিংহপাল, কি আশাত বন্দী হৈ, কি মায়াত মুগ্ধ হৈ তুমি তোমাৰ হৃদয়ৰ পৰা বীৰভাব, বীৰতেজ পৰিত্যাগ কৰিছা ? এনে কি তোমাৰ দুৰ্ব্বলতা যাৰ বাবে তুমি নিজে ৰাজ্যৰ ধৰণী হৈ ৰাজ্যৰ সৰ্ব্বনাশ কৰিছা ? ৰত্নপাল তোমাৰ অপৰিচিত নহয়। আৱশ্যক হলে নিজ পুত্ৰৰ বলিদান কৰি ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰিব। মোক সত্য লাগে। কোৱা কিয় তুমি বন্দী ?

সিংহ। মহাৰাজ—

ৰত্ন। কোৱা,—তুমি সিংহপাল, তুমি সেনাধ্যক্ষ সিংহপাল, যাৰ বাহুবল সমগ্ৰ ভাৰতবৰ্ষতে বিদিত। তুমি মোৰ ৰাজ্যৰ ধৰণী, যাৰ অবিচল সত্যনিষ্ঠাত, ধৰ্ম্মনিষ্ঠাত, কৰ্ম্মনিষ্ঠাত এদিন মই নিজে মুগ্ধ হৈছিলো। প্ৰাণৰ মমতাত ধনৰ মমতাত, তোমাৰ হীন মনোবৃত্তিৰ তাৰনাত অসত্যৰ আশ্ৰয় নলবা। কাপুৰুষৰ নিচিনা নিজৰ বিবেক বুদ্ধিৰ অবমাননা নকৰিবা। ছিঃ সিংহপাল, তোমাৰ নিচিনা বীৰ, ধীৰ বিচক্ষণ সেনাপতি মোৰ আগত দোষীভাবে, বন্দীভাবে দন্দায়মান ; ইয়াতকৈ লাজৰ কথা আৰু কি হব পাৰে ?

সিংহ। মই দোষী মহাৰাজ, মোক শাস্তি দিয়ক।

বস্তু। দোষী তুমি ? কোৱা কি তোমাৰ দোষ ?

সিংহ। মহাৰাজ, বাল্যাবধি পুৰন্দৰৰ নিচিনা মই আপোনাক পিতৃজ্ঞানে ভক্তি কৰি আহিছোঁ। মই আজি মহাপাতকত লিপ্ত হলেও আপোনাৰ আগত তাক প্ৰকাশ কৰিবলৈ, লাজ নকৰোঁ। প্ৰতিমাৰ অসামান্যৰূপে—

বস্তু। বন্ধ কৰা সিংহপাল। হীন তুমি, কাপুৰুষ তুমি, ধৰ্ম্মৰ, ন্যায়ৰ মৰ্য্যাদাৰ অপহাৰক তুমি। তোমাৰ নিচিনা পশুৰ স্থান দুৰ্জ্জয় নগৰত নাই।

সিংহ। প্ৰতিমাৰ অসামান্যৰূপে মোৰ মনক বিচলিত কৰিছিল মহাৰাজ। যিদিনাই মই প্ৰতিমাক দেখিছোঁ, সিদিনাই মোৰ মনৰ দৃঢ়তা ভাঙ্গি গৈছে। মোৰ মনৰ উদ্যম ভিন্ন মুখী হৈ পৰিছে, মোৰ জন্মভূমি বীৰ প্ৰসবিনী কামৰূপ জননীৰ উজ্জ্বল মূৰ্ত্তি মোৰ চকুৰ আগৰ পৰা আতৰি গৈছে। মোক ক্ষমা কৰক মহাৰাজ। মোৰ হৃদয়ত নতুন তেজৰ সঞ্চাৰ হওক, মন পাপ শূন্য হওক, বীৰ শোণিত শিৰে শিৰে বৈ যাওক।

[ নতজানু হয়

বস্তু। তোমাক ক্ষমা কৰিবৰ ইচ্ছা আৰু শক্তি মোৰ নাই সিংহপাল। তুমি বীৰৰ নামত কলঙ্ক সানিছা। আজিৰ পৰা যিয়ে তোমাৰ নাম শুনিব, যিয়ে দুৰ্জ্জয় নগৰৰ অমিত বলশালী, শত শত সেনাৰ প্ৰধান নায়ক সিংহপালৰ নাম শুনিব, সেয়েই ঘৃনাত নাক কোচাব। তুমি নহয় বীৰ সিংহপাল, তুমি নহয় সুযোগ্য পিতাৰ সন্তান, তুমি নহয় কামৰূপৰ মহিয়সী জননীৰ তেজেৰে গঠিত ? স্ব গৃহৰ, স্বজাতিৰ, স্বৰাজ্যৰ নামত কলঙ্ক আৰোপ কৰি এজনী ছোৱালীৰ ৰূপত মুগ্ধ তুমি, ভ্ৰান্ত তুমি। যোৱা সিংহপাল, আজিৰ পৰা সাত দিন তোমাৰ অস্ত্ৰ

বন্ধ। যদি পাৰা ইয়াৰ ভিতৰতে তোমাৰ মন হৃদয় শুদ্ধ কৰি তুলি বীৰ বেশেৰে মোৰ আগত ঠিয় হবা। নহলে,—নহলে, আত্ম হত্যা কৰিবা। যোৱা— [ সিংহশালৰ প্ৰস্থান ]

পুৰন্দৰ পুৰন্দৰ [ বেগে যায় ]

—০—

# ৬ষ্ঠ দৃশ্য।

—০✱০—

ৰাজ ভৱনত গধূলিৰ ঘণ্টা বাজি আছিল। দূৰৈৰ মন্দিৰত আৰতিৰ লগে লগে স্তোত্ৰ গীত আৰু শঙ্খ ঘণ্টাৰ ধ্বনি শুনা যায়। উদ্যানত প্ৰতিমা • বৰ বিষাদ মনেৰে বহি ভাবি আছিল। চকুলো ওলাই দুয়ো গালৰ ওপৰেদি বৈযায়।

—০—

প্ৰতিমা। কিন্তু কি অধিকাৰত অজয়ে এনেকৈ ছোৱালী এজনীৰ সৰ্ব্বনাশ কৰিলে! নিৰাশ্ৰয়া অসহায়া ছোৱালী এজনীৰ যথাসৰ্ব্বস্ব হৰণ কৰি কিয় তেওঁ তাইক প্ৰতাৰণা কৰিলে? ইকি হ'ল ঈশ্বৰ! মই যে বলীয়া হৈ যাম। অজয়ৰ বিৰুদ্ধে চিন্তা? যাক দেৱতাৰ নিৰ্ম্মালিৰূপে এদিন শত আবেগ পূৰ্ণ ভক্তিৰে শিৰত তুলি লৈছো তাৰ বিৰুদ্ধে চিন্তা যে বৰ অসহ্য ভগবান! পিতা, মোৰ নিষ্ঠুৰ পিতা! কিয় মোক জুইৰ পৰা বচালা! কিয মোক পুৰি ছাঁই হৈ যাবলৈ নিদিলা? কিয় মোক সংসাৰত অভিশাপৰূপে, কদৰ্য্যতাৰূপে, নৰকৰূপে বচাই ৰাখিলা?—জুই জ্বালি দিম, তিল তিলকৈ মোক পুৰি মাৰক। তথাপি যে অন্ধকাৰ কুহেলিকা ভেদ কৰি তোমাৰে মধুৰ মূৰ্ত্তি চকুৰ

আগত ভাহি উঠে অজয় ! অজয়—কোৱা মোৱ অজয়, কি অধিকাৰ তোমাৰ—কি অধিকাৰ [ অবশ হৈ যায় ]।

[ প্ৰতাপৰ প্ৰবেশ ]

প্ৰতাপ। প্ৰতিমাদেৱী !

প্ৰতিমা। [ মুখ নোতোলাকৈ ] আপুনি যাওক।

প্ৰতাপ। মই যোৱাত কষ্ট একো নাই দেৱী। কিন্তু আপুনি ভাবি ভাবি নিজৰ শৰীৰটোক ধ্বংস কৰিবলৈ আপোনাৰ কি অধিকাৰ ? জগতৰ পিনে এবাৰো মুখ তুলি চাইছে ! কিমানে অসহ্য যন্ত্ৰনা বুকত বান্ধিলৈ চিৰজীৱন হাহুতাশত কটাব ধৰিছে, কিমান প্ৰাণী আপোনাত কৈ শত সহস্ৰ গুণে দীন হীন ? আপুনি এই ক্ষন্তেকীয়া অশান্তিৰ বাবে ইমান দুৰ্ব্বল হৈ পৰিলে ইয়াৰ পাপৰ ভাগ যে মোৰো ওপৰত পৰিব। বিশ্বাস কৰক, অজয়ৰ প্ৰতি বিদ্বেষ ভাব মোৰ মনত নাই। অজয় আজি পথভ্ৰান্ত। তেওঁক আপুনি যৰাই নানিলে কোনে আনিব ? যৌবনৰ উদ্দাম গতিত অজয়ৰ মন প্ৰাণ চঞ্চল হৈ উঠিছে। আপুনি তেওঁক শান্ত কৰক।

প্ৰতিমা। আপুনি বুদ্ধিমান বিচক্ষণ। কিন্তু আপুনি কি বুজিব অজয়ে কিমান দ'কৈ মোৰ বুকুত ঘা মাৰিছে ? দেৱতাৰ নিচিনা অজয়ক মোৰ বুকুত থাপনা কৰিছিলোঁ, অজয়ে তাত বিষ ঢালি দিছে। যাক সম্পূৰ্ণ নিজৰ ভাবে আকোৱালি ধৰোঁ তেওঁ যদি মোক অবহেলা কৰি অন্যৰ ওচৰলৈ লৰি যায় তেনে মোৰ জীৱন ধাৰন কৰা যে দুৰুহ।

প্ৰতাপ। ক্ষন্তেকৰ কাৰণে হলেও অজয় যে পথ-ভ্ৰান্ত তাত কোনো সন্দেহ নাই দেৱী। মই জানোঁ অজয়ৰ অবিহনে আপোনাৰ জীৱন মৰুভূমিত

পৰিণত হব। তেনে কওক যদি বন্ধু হিচাবে মই আপোনাক কোনো পৰামৰ্শ দিওঁ ?

প্ৰতিমা। কওক আপোনাৰ পৰামৰ্শ কি ?

প্ৰতাপ। অজয় ভ্ৰান্তভাবে কত কি কৰে আপুনি চাই তাৰ প্ৰতিবিধান কৰিব লাগিব।

প্ৰতিমা। প্ৰতিবিধান ?

প্ৰতাম। হয় প্ৰতিবিধান। অজয়ক বচাওক। যদি আবশ্যক বুলিভাবে মোক বন্ধু হিচাবে গ্ৰহণ কৰি কৃতাৰ্থ কৰক। [ ব্যস্ত ভাবে ] প্ৰতিমাদেবী —প্ৰতিমাদেবী—সৌ-দূৰত অজয় আৰু ফুল। নিশ্চয় ইয়ালৈ আহিব। আহক ইয়াৰ পৰা যাওঁ।

প্ৰতিমা। মই নাযাওঁ—আপুনি ইচ্ছা হয় যাওক গৈ।

প্ৰতাপ। আপুনি সকলো নষ্ট কৰিব। অজয়ে আপোনাৰ লগত প্ৰতাৰণা কৰিব ? আহক—

প্ৰতিমা। মই নাযাওঁ।

প্ৰতাপ। ( অতি ব্যস্ত আৰু উত্তেজিত ভাবে ) প্ৰতিমাদেবী নিজৰ সৰ্ব্বনাশ নিজে মাতি আনিছে।

প্ৰতিমা। উঃ ঈশ্বৰ [ যায়। পাছে পাছে প্ৰতাপৰ প্ৰস্থান ]

[ অজয় আৰু ফুল আহে ]

ফুল। তাৰ পিচ দিনা থন আপোনালোকৰ সৈন্য এজনৰ মুখত তুমো শুনিলোঁ—আপোনাৰ নাম। প্ৰতিমা তো আপোনাৰ নাম শুনিয়ে পাগলী হৈ উঠিল।

অজয়। হয়, কি এটা ঘটনাত প্ৰতিমাৰ লগত মোৰ বিশেষভাবে পৰিচয় হয়। তাৰ পিচৰ পৰাই তেওঁ মোক আপোন বুলিভাবে—

ফুল। অৰ্থাৎ ? [ মুখত মিচিকীয়া হাঁহি ]

অজয়। অর্থাৎ মই তেওঁৰ বন্ধু।

ফুল। জগত খন আপোনালোকৰ মনত বৰ কমনীয়, নহয়? মোৰ মনত ই বৰ কুৎচিৎ। এইবাৰ গৈ মোৰ ফুলনিৰ ফুলবিলাক কাটি পুৰি পেলাম। বাৰু যাওক। আপুনি প্ৰতিমাৰ এই পৰিবৰ্ত্তন লক্ষ্য কৰিছে?

অজয়। পৰিবৰ্ত্তন? নাই,—হয় কৰিছোঁ।

ফুল। আপোনাৰ লগত মোৰ পৰিচয় দুদিনীয়া। খাচিয়ালৈ আপুনি নোযোৱা হলে হয় তো এই সুবিধা মোৰ নঘটিল হেতেন। আপোনাৰ ভাল বেয়া লৈ মই উদাসিনী। কিন্তু প্ৰতিমাৰ ভাল বেয়াৰ লগত মোৰ বিশেষ সম্বন্ধ আছে।

অজয়। আপোনাক এটা কথা শুধিব পাৰোনে?—

ফুল। শুনক। এই পৰিচয়তে জানিছো—আপুনি অভিমানী—

[ এজন দূত আহি অজয়ক কয় ]

দূত। আপোনাক যুবৰাজে মাতিছে।

অজয়। তই যা গৈ [ দূতৰ প্ৰস্থান ]

ফুল। মই অলপ কেই দিনমানৰ পিচতে ইয়াৰ পৰা যাম।

[ চকু চলচলীয়া হয় ]

অজয়। কিয় যাব?

ফুল। থাকিলে আপোনালোকৰ সহ্য হব জানো?

অজয়। আপুনি ভাবে—

ফুল। [ বাধা দি ] জানো মোৰ প্ৰতি আপোনাৰ স্নেহ গভীৰ। তেনে মোৰ প্ৰাৰ্থনা, প্ৰতিমাৰ ওপৰত আপুনি অভিমান নকৰিব। তাইৰ অবস্থা ভাল নহয়।

অজয়। আপুনি ঈশ্বৰৰ আচৰিত সৃষ্টি।—

ফুল। আপোনাক যুবৰাজে মাতিছে, যাওক। [ নিৰবে মূৰ দোৱাই অজয় গুচি যায়, ফুলে চাই থাকে। দুটোপ চকুলো বাগৰি পৰে ] তোমাক ঈশ্বৰে সুখী কৰক অজয়। মোৰ অবৈধ বাসনাক মই বুকু ফালি হলেও মষিমূৰ কৰিম [ চকু মচি গুচি যায় ]

—০ ০—

# তৃতীয় অঙ্ক।

## প্ৰথম দৃশ্য।

**গাওঁ—ধনবৰৰ ঘৰ। ঘৰৰ বস্তুবোৰৰ ওপৰত কিছুমান ধান খেৰ দমাই থৈ ধনবৰে অৰ উঠা ভাও ধৰি বহি থাকে।**

ধনবৰ। হেৰৌ কপেহীৰ মাক! অ' বোলো শুনিছনে? এই—যেতিয়া কিবা এটা তাঁৰাতাৰি হব তেতিয়া কাৰো মাতকে নাপাব। কি কৰিবলৈ নো এই হাতী কেইটা পুহি ৰাখিছো? তইঁতে আটাই কেইটা আজিয়ে মৰ। মই পথাৰত পেলাই থৈ আহোগে। অ' কপেহীৰ মাক!

নেপথ্যে কপে-মা। কি হৈছে? এনেকৈ পুৱাৰ পৰা হাতীৰ দৰে চিঞৰিব লাগিছে কিয়?

ধন। কিয় লাগিছোঁ? বোলো ইমান পৰে তোৰ মুখখনত হৈছিল কি? দেখা নাই? মুখৰ আগতে কেই ঘৰৰ মেৰ মেৰ কৰে ধানৰ ভৰাল বোৰ ৰাইজে কাঢ়ি লৈ গ'ল? ধন বিতৰ বিচাৰ নাই, যিয়ে যাৰে পাইছে লৈ গৈছে। তইঁতৰ কি বিপদ আপদৰ মুঠেই ভয় নাই? খাবি ৰ মই মৰিলে। লোকৰ ঘৰৰ বোজা বওঁতে তহঁতৰ কান্ধৰ চাল যাব।

নেপথ্যে-কপে মা। যায় যাব, পিছে হ'ল কি?

ধন। এই—শুন।—ৰ' ৰ' নাহিবি ইয়ালৈ। দেশত যি হাহাকাৰ হৈছে ধনবিত লৈ আৰু এই দেশত থাকিব নোৱাৰি। মোৰ সেই—ৰ' ৰ',

হেৰৌ মঙ্গলা, এই চাছোন বাহিৰত কোনোবা আছে নেকি ? [ ঘৰৰ মুখচাকনি যোৰৰ ওচৰলৈ উঠি যায় ] শুন মোৰ সেই সিতানৰ তলত সোণৰ টেমাটো—তই বুকৰ মাজত লৈ থাক।

নেপথ্যে কপে-মা। কিয় কি হ'ল ?

ধন। আকৌ কিয—কিয ? দিম নেকি লগাই এটা। মোৰ মৰ কাজ কৰিবলৈ অ', মৰ কাজ কৰিবলৈ। বাপেৰ হাত আহি দিব নহয় সেকাটো।

নেপথ্যে-কপে-মা। বাৰু থম।

ধন। ৰেচ থৈ দে। [ আকৌ আগৰ ঠাই লৈ যায় ] উঃ জয় জগন্নাথ [ আকৌ উঠি যায় ] হেৰ শুনিছ ? এই এতিয়াই মানুহবিলাক আহি পৰিব। মোৰ যেন জ্বৰ, তহঁতে মোৰ শুশ্ৰূষাৰ তদবিৰ লবি [ ঘূৰি আহি বহে ] নাৰায়ণ মহাপ্ৰভু !

বাহিৰত দুৰ্গানাথ আৰু ঘৰত টোপলা কেইটামান লৈ দুটা চাকৰ। টোপোলাৰ ভিতৰত ফল আদি খোৱা বস্তুও থাকে ]

নেপথ্যে দুৰ্গা। অ' ধন বৰ বাপু, ধনবৰ বাপু ! ঘৰত আছনে বোপাই ?

ধন। উ-হু-হু ! বুকখন যেন ফাটি যায়। মূৰৰ বিষত মূৰটো ফাটি যোৱা যেন লাগিছে। হেৰ, অ' জিতো, অ' পানী অলপ দে। উঃ ! [ কাহে ]

দুৰ্গা। [ সোমাই আহি ] কি হৈছে অ' তোৰ ধনো ? জ্বৰ নেকি ? [ গাত হাত দি চায় ] ও বুজিছো। [ চাকৰ হতক ] হেৰ বস্তুখিনি নমাই থ'। তহঁত যাগৈ না। নাযাব দেখোন, যা। [ সিহঁত যায় ] তোৰ বুধিটো কম নহয় অ' ধন বৰ বাপু ! বুজিছ বোপাই, এই মৰ মানুহ জাকৰ তাপত আৰু থাকিব নোৱাৰা হলো। মোৰ ঘৰত সম্পত্তি আছে সিহঁতৰ কি হ'ল ?

কিয় সিহঁতে আহি সেইবোৰ কাঢ়ি নিব ? খাব নাপায় মৰে সিহঁত মৰক। পিচে শুনিছ ধনো, মোৰো বস্তুখিনিৰ দিহা এটা কৰ।

ধন। কিনো কৰা যায় খুড়া! নিজে এনেকৈ আছো, কেতিয়া কি উপদ্ৰব আহি পৰে তাৰতো কোনো ঠিক নাই। আপোনাক ইয়াত দেখিলে মোৰ জ্বৰ হোৱা বুলি মানুহে বিশ্বাস নকৰিলে দুয়োৰো মৰণ হব।

দুৰ্গা। নকৰিব কেলেই অ' বোপাই ? তই হলি বেমাৰী, মই কবিৰাজ— সকলো ঠিক হৈ যাব। এতিয়া মোৰ বস্তুখিনিৰ দিহা এটা কৰ।

ধন। বাৰু সেয়ে হক খুড়া [ দুয়ো টোপোলা কেইটা নি খেৰৰ তলত সোমালে ]

এতিয়া অলপ ধৰ্ম্ম কথা আলোচনা কৰক খুড়া।

দুৰ্গা। এৰা বাপু! ৰাসলীলাৰ সময়ত—হেৰ ধনো - বেমাৰী মানুহে শুই থাকিব লাগে। ঢাৰি এখন পাৰি থৈ দে।

ধন। ভাল কৈছে খুড়া। হেৰ মঙ্গলা—হেৰ জিতো, হেৰ কোন আছ, ঢাৰি এখন দি যা ইয়াত [ মঙ্গলাই ঢাৰি এখন দিয়ে। ]

দুৰ্গা। উপায় নাপাই দুৰ্য্যোধন দ্বৈপায়ন হ্ৰদত সোমাল গৈ। হেৰ—ধপাত এচিলিম দে অ' বাপু, কিমান সময় ফেদফেদাই থাকিম ?

ধন। দিও খুড়া দিওঁ।

[ বাহিৰত ভোলা, পুহা, চিদানন্দ আদি কিছুমান গাওঁৰ খাব নোপোৱা মানুহে কোঢ়াল কৰি আছে। ]

ও খুড়া, সেইবিলাক আহি পালে। এতিয়া কি কৰো। অ' মঙ্গলা, অ' কাপহীৰ মাক, অ' জিতো, কোন কত আছা ইফালে সিফালে পগলাৰ দৰে ঘূৰি ফুৰে। ]

দুৰ্গা। গোটেই নষ্ট কৰিলি ধনো। শুই থাকহি আহ। [ হাতত ধৰি আনি শুৱাই থয়। ]

[ চিদানন্দ হত সোমাই আহে। সকলোৰে মলিন অৱস্থা। ]

চিদা। সকলোৱে ইয়াৰ ঘৰ সোমাই, বস্তুবিলাক উলিয়াই আন। সকলোৰে পেট ভৰক।

দুৰ্গা। বেমাৰ গোটেই সহজ নহয়। বুজিছনে কপেহীৰ মাক। এতিয়া লাজ কৰিলে নহয়। দুপৰীয়াৰ যিটো বড়ী দিছো, সেইটো বৰ চোকা ঔষধ। [ ধনবৰে কাহি উঠে ] ইয়াৰ কাহো আছে। সৰ্পজিভাৰ পাতৰ ৰস আৰু বাইঁকাৰ পাতৰ ৰসত মৌদি মাৰি খুৱাবি।

পুহা। কি হৈছে ধন বৰ কা? জ্বৰ যেন দেখিছো। উঃ মানুহটোক বৰ কষ্ট দিছে।

ধন। কোন আহিছ বোপাই, মোৰ জ্বৰ আজি পাচ দিনৰ পৰা। ঘৰৰ কাঁহি দুখন বেচি কবিৰাজ এজনকো অনালো, ইমান ঔষধ পানী খালো, একো নহল বোপাইঁহঁত।

ভোলা। কি বেমাৰ অ' ধনবৰ তোৰ? বেমাৰ এঁকো নাই ইয়াৰ।

চিদা। হয়তো পুহা। ধৰ ইয়াক মাটিতে পৰাই দে, চাও ইয়াৰ বেমাৰটো কলৈ যায়।

দুৰ্গা। মানুহজনৰ কপনি উঠিছে চিদা বাপু। তাক ইমান জুলুম কৰা কিয়?

চিদা। মনে মনে থাক দুৰ্গা। তহঁতৰ কথা সকলোবিলাক জানো। হেৰ কি চাই আছ তহতে? যা ভিতৰলৈ সোমাই যা। যি আছে তাকে লৈ আহগৈ। ভোকত বাকীবিলাক মৰিম নেকি?

ধন। অ' বোপাই হঁত। অ' মোৰ ধৰ্ম্মৰ পিতৃহঁত। তহতক মই কাবো কৰিছো। মোৰ ঘৰত একোৱেই নাই। মোক ৰক্ষা কৰ।

চিদা। ইয়াৰ কথা একোকে নুশুনিবি। যা তহঁত ঘৰৰ ভিতৰ সোমাই গৈ যি আছে তাকে লৈ আহগৈ।

[ মানুহবিলাক ভিতৰ সোমাই যাব ধৰোতে ভৰিত লাগি, খেবৰ মাজৰ পৰা সন্দাহ কল আদিৰ টোপোলাবিলাক ওলাই পৰে। ]

ধন। অ' মোক খালে ঔ। 'অ' মোৰ পৰভু হঁত, অ' ঈশ্বৰ হ'ত মোৰ কেলেই তেজমাংস খালিঔ।

দুৰ্গা। হায়—হায়—হায়! বস্তুবিলাক তেনেই খালে। কোন কত আছ ৰক্ষা কৰ, ৰক্ষা কৰ।

[ মানুহবিলাকে কল আদি খাব ধৰে। গোপীকান্ত সোমাই আহে। ]

গোপী। কি হৈছে ইয়াত? ইমান গণ্ডগোল কিয়? [ দুৰ্গা আৰু ধনবৰে দৌৰি গৈ গোপীক হাত ধৰি আনে। ]

দুৰ্গা। বোপা গোপী, বামুণৰ মঙ্গহ খোৱা হতে মোক কামোৰ মাৰি খালে।

ধন। গোপী! আমাক গোটেই খালে।

চিদা। কি কৰ দুৰ্গা বুঢা। যি আহে তাকেই কিয় কৰ? বুঢা হাৰ ভাঙ্গি দিম।

ভোলা। মাত ধনো তোৰ গোপীক। ধৰ পুহা গোটেইবিলাক লৈ যাওঁ।

দুৰ্গা। নিৰ্ব্বংশ হবি ভোলা। তহঁতৰ সাতপুৰুষ নৰকত পৰিব।

পুহা। আহ, আগে ইহঁতক বান্ধি থওঁ। চিনা নাই? কাক গালাগালি কৰিছ? পেটত জুই জ্বলিছে। আমি খাব নালাগে বুঢা?

[ গোটেই জাক সিহঁতক মাৰিবলৈ আহে। গোপীয়ে বাধা দিয়ে ]

গোপী। ক্ষান্ত হওক ৰাইজ! সকলোৱে উপায় মই কৰিম। আমি সাধাৰণ ভৰাল খুলিছো। তাৰ পৰা সকলোকে সহায় কৰা হব। এওঁলোকৰ পৰাও আমি কিছু সহায় নিম। সকলে জীব লাগিব। মাৰামাৰি নকৰিব আহক।

---

# দ্বিতীয় দৃশ্য।

বস্তুপালৰ বিশ্ৰাম কক্ষ। ছোৱৰ ধাৰী সকলে ভেওঁক বিচি আছিল। ৰজাক বৰ চিন্তাযুক্ত দেখা গৈছিল।

বস্ত। যা, তহঁতে নিজৰ কাম কৰগৈ। [সিহঁত যায়] দুৰ্জ্জয় নগৰৰ উচ্চ চূড়া যেন দিনক দিনে দোঁ খাই যাব ধৰিছে। ৰাজ্যৰ সমগ্ৰ ভাৰ পুৰন্দৰক দিওঁ। তাৰ চকুৱে মুখে কি এক নবীন জ্যোতি উদ্ভাসিত হব ধৰিছে। বেচ মিলিছে, পুৰন্দৰ, দুৰ্লভা [ৰজাই ভাবিব ধৰে। দুৰ্লভাৰ প্ৰবেশ]

দুৰ্লভা। প্ৰতিমাই অস্ত্ৰ লব জানে, মই নাজানো, পিতা?

বস্ত। কিয় যুদ্ধলৈ যাবি নেকি?

দুৰ্লভা। যামতো পিতা।

বস্ত। সুন্দৰ। মোৰ তৰোৱালখন ল। শত্ৰু কোনো বৰ্ত্তমান নাই যেতিয়া সৌ দূৰৰ স্তম্ভটোৰেই সৈতে এবাৰ যুজি আহ।

দুৰ্লভা। মোক ঠাট্টা কৰিছে পিতা? ডুই বছৰ মইও শিবিৰে শিবিৰে ঘৰি ফুৰিছো। কিমান দিন দাদাক বীৰ সাজেৰে সজাই যুদ্ধ ক্ষেত্ৰলৈ পঠাই দিছো। দাদাই উন্মত্ত হৈ যুদ্ধ কৰে, মই দূৰৰ পৰা চাই থাকো অস্ত্ৰৰ চিকিমিকি।

বস্ত। ভালকৈ জানো আই, তোৰ আগত মই, পুৰন্দৰ, সিংহপাল, কোন চাৰ?

দুৰ্লভা। এনেকৈ ঠাট্টা কৰিলে মই কিন্তু আপোনাৰ কিতাপবোৰ চিৰি পেলাম, পিতা। [কিতাপ এখন হাত লয় গৈ।]

বস্ত। আহ বাৰু আহ, আগেয়ে তোৰ বীৰাঙ্গণাৰ সাজ দি লওঁ।

দুৰ্লভা। ইস্, পিতাৰ কথা [কাষলৈ আহি মুখটো পিটিকিব ধৰে] পিতা?

বস্ত। কি আই?

দুৰ্লভা। সিংহপালক এৰি দি ভাল নকৰিলে।

বস্তু। কিয় কি হ'ল ?

দুৰ্লভা। সিংহপালক মই জানোঁ পিতা! যুদ্ধৰ উন্মাদনাই তেওঁক কিছুদিন পাপৰ পৰা আঁতৰত ৰাখিছিল। এবাৰ যেতিয়া তেওঁ পথভ্ৰষ্ট হৈছে, আৰু আশা নাই।

বস্তু। সিংহপালক শাস্তি নিদিয়া নহয় তাৰ গাত অলপমানো মনুষ্যত্ব থাকিলে সি মোৰ ভৰিত দীঘল দি পৰিল হেতেন ?

[ কুলদেৱী আহে ]

কুল। আৰু যে সহ্য কৰিব নোৱাৰি মহাৰাজ

বস্তু। পুৰন্দৰ ফিৰি আহিল, ৰাণী ?

কুল। আহিছে। প্ৰজাবিলাকৰ দুখ দুৰ্গতিৰ সীমা নোহোৱা হৈছে।

বস্তু। বৰ চিন্তিত হৈছোঁ, কি উপায় কৰো ? এই হাহাকাৰৰ প্ৰকৃত কাৰণ পুৰন্দৰে কিবা জানে ?

কুল। পুৰন্দৰে কয় প্ৰজাৰ দুৰ্গতিৰ কাৰণ কেৱল দুৰ্ভিক্ষই নহয়। দুৰ্ভিক্ষৰ প্ৰকোপ বৰ বেছি নাই। কিন্তু, ই আমাৰ অবহেলাৰ কাৰণ।

বস্তু। ইযাৰ অৰ্থ কি, ৰাণী ?

কুল। আমাৰ প্ৰতিনিধিবৰ্গ কৰ্ত্তব্য পৰায়ণ নহয।

বস্তু। এৰা ভাবিবৰ কথা, উপায কি, ৰাণী ?

কুল। পুৰন্দৰক পঠোৱা। লগতে অৰ্থভাণ্ডাৰ দিয়া। অজয় যাওক। পুৰন্দৰে সকলো কথা ঠিক কৰিব পাৰিব বুলি মই বিশ্বাস কৰো।

বস্তু। বেচ, সেয়ে হব।

দুৰ্লভা। লগতে আমিও যাম পিতা। দুৰ্দ্দশাগ্ৰস্ত মানুহক আমি বহুত সহায় কৰিব পাৰিম।

বজ্ৰ। তই নালাগে আই। তই গলে তোৰ এই বুঢ়া সন্তানক কোনে পালন কৰিব? পুৰন্দৰ।

কুল। প্ৰতিমাহঁত যাব। তই যাব নালাগে।

[ পুৰন্দৰৰ প্ৰৱেশ ]

পুৰ। মোক মাতিছে, পিতা?

বজ্ৰ। এৰা, তুমি গাওঁলৈ যাব লাগিব। তোমাৰ লগত যাব অজয়, সিংহপাল। যি উপায়ে হ'ক ৰাজ্যত তুমি শান্তিস্থাপন কৰিব লাগিব।

পুৰ। সিংহপাল নহলে মই মোৰ কামত বেচি সফল হব পাৰিম।

বজ্ৰ। তোমাৰ তলত সকলে থাকিব। তুমি ভালকৈ চলাবা। বেয়া মানুহক চলাব নোৱাৰা যদি তোমাৰ কৃতীত্ব কত? আহা ৰাণী।

[ দুয়োৰো প্ৰস্থান। ]

দুৰ্লভা। জানে, প্ৰতিমাহঁত আপোনাৰ লগত যাব? মোকো নিয়ক!

পুৰ। উহুঁ তোমাক নিব নোৱাৰো, তুমি বৰ দুষ্টামি শিকিছা!

দুৰ্লভা। হয় মহাৰাজ, অলপ অলপ শাস্তি দিয়ক। এই হাত দিছো।

[ হাত দুখন লগলগাই চল কৰি প্ৰণাম কৰে। ]

পুৰ। দুষ্ট ছোৱালীবিলাকক তেনেকৈ বান্ধিব নাপায। নিজৰ গাত বান্ধিলব লাগে।

[ দুৰ্লভাই তাৰাতাৰি হাত দুখন মুক্ত কৰি লয়। ]

দুৰ্লভা। ইস, ধেমালি চোৱা।

পুৰ। তুমি বন্দিনী। কথা কবৰ কোনো অধিকাৰ নাই।

দুৰ্লভা। হয় বন্দিনী। বন্দিনীক এৰি থৈ যোৱা নীতি বিৰুদ্ধ।

পুৰ। পিতাক নকলা কিয় ? তোমাক এৰি যে বৰ শুদা শুদা লাগিব।

দুৰ্লভা। কৈছিলো, পিতাই যাব নিদিয়ে।

পুৰ। তেনে ইয়াতে থাকা। মই যে আজিয়ে যাত্ৰা কৰিম।

দুৰ্লভা। কোৱঁৰ। [ বুকত মূৰ থয় ]

পুৰ। কুৱঁৰী।

দুৰ্লভা। আৰু এবাৰ মাতা।

পুৰ। কুৱঁৰী। [ মুখটো ডাঙ্গি ধৰে ] কান্দিছা ? ছিঃ কুৱঁৰী, মনটোক দুৰ্ব্বল নকৰিবা ?

দুৰ্লভা। ইমান কি জানা তুমি কোৱঁৰ ? ইমান মাদকতা—ইমান চঞ্চলতা। ইমান যে সহ্য কৰিব নোৱাৰো। এই অকণমাণি বুকুখনি। দুয়োকূল যে উপচি পৰিছে।

পুৰ। হঠাৎ এটি বিজুলিৰ নিচিনা কোন নন্দনৰ সপোন মাধুৰি লৈ যে আহিছা তুমি কুৱঁৰী, উষাৰ নবীন জ্যোতি তোমাৰ গাত, পখিলাৰ বিচিত্ৰ ৰং তোমাৰ ইকাষে সিকাষে। কুঁৱৰী -- কুঁৱৰী।

[ গাটো পিহি দিয়ে। আবেগত দুৰ্লভাৰ চকু মুদ খাই আহে ]

## তৃতীয় দৃশ্য।

**ৰাজউদ্যান, প্ৰতিমাই অকলে আপোন মনে গাই গাই আছিল। কাৰ আকুল আহ্বানত যেন প্ৰতিমা চঞ্চল হৈ উঠিছিল।**

প্ৰতিমা। **গীত।**

আজি নাগাবি উতলা সুৰ, মোৰ পাগল হিয়া মাজে
কিহে যেন ভুমুকি মাৰে
নীল নবীন ৰঙীণ সাজে ॥
মোৰ পাগল ...

**[ ফুল সোমাই আহে আৰু প্ৰতিমাৰ কান্ধত ধৰি গাব ধৰে ]**

ফুল।—

ব্যথা মোৰ উপচি পৰে
আজি শেৱালী জাগা ৰাতি।
(কাৰ) স্মৃতি যেন উতলা কৰে
কোন পাহৰা সঙ্গীত বাজে।
মোৰ পাগল হিয়া মাজে।

দুয়ো। — আজি নাগাবি উতলা.......

ফুল। নীল সাগৰত ঢৌ উঠিছে প্ৰতিমা। দুমুহা নাই, সাগৰৰ স্বাভাবিক গতি।

প্ৰতিমা। দূৰৰ জুৰনিটোৱে বৰ থৰ থৰ কৰিছে, আজি যেন শেষদিন ফুল। টানি নিবলৈ কোনো নাই, ইয়ে নিজৰ টান, প্ৰাণৰ টান, হিয়াৰ টান।

ফুল। বাৰু প্ৰতিমা আমি নহয় চিৰ দুখী, কিন্তু তোৰ মনটোক সকলো শান্তিৰ পৰা বঞ্চিত কৰি তই কি সুখ পাবি ?

প্ৰতিমা। [ নিমাত, চকুলো ওলায়। ]

ফুল। তোৰ কি এটা অশুভ মুহূৰ্ত্তত মোৰ লগত তোৰ পৰিচয়। মই নিজেই ভবা নাছিলোঁ, এই সামান্য পৰিচয়তে তোৰ লগত এনেকৈ মিল হব। বহুত সময়ত তোৰ বৰ অশান্তিৰ কাৰণ হৈ পৰিছোঁ, নহয় প্ৰতিমা ?

প্ৰতিমা। তোৰ সহায় নহলে আজি আকৌ মই এই দুৰ্জ্জয় নগৰলৈ আহিব নোৱাৰিলো হেতেন। তোৰ আৰু তোৰ পিতাৰ ওচৰত মই চিৰজীবন ঋণী।

ফুল। ইমান অহঙ্কাৰ ভাল নহয় প্ৰতিমা। ৰাজ গৃহত নাথাকিলেও অনুভৱ কৰিবৰ ক্ষমতা অন্যৰো থাকে। তোৰ মুখৰ পৰা এনে কথা শুনিম বুলি আশা কৰা নাছিলো।

প্ৰতিমা। যদি মোৰ আগৰ সুখ শান্তি থাকিলে হেতেন ফুল—। যাওক। কি এটা আকস্মিক কাৰণত মোৰ সজোৱা বাগিছাখন ধ্বংস হৈ গৈছে। আজি ফুলৰ সৌৰভ নোহোৱা হৈছে, বতাহত শীতলতা নোহোৱা হৈছে। সৌ সে দূৰত দেখিছ ফুল, জবা ফুলবিলাক, মোৰ বুকৰ তেজেৰে সি ৰাঙলি হৈ উঠিছে। মোক ক্ষমা কৰ ফুল। হয়তো তইঁতৰ স্থান দেৱলোকত, কিন্তু মই মানুহ, মানুহৰ দুৰ্ব্বলতা যে মোৰ হিয়াত সজাগ হৈ আছে।

ফুল। এদিন তোক খাচিয়া পাহাৰত দেখিছিলো প্ৰতিমা, তোৰ চকুৱে মুখে কি যেন এটি স্বৰ্গীয় ভাব। নীল অপৰাজীতাৰ অস্পষ্ট ছাঁ তোৰ মেখেলা খনৰ ওপৰত পৰি তাক অবৰ্ণনীয় কৰি তুলিছিল। হয়তো আগৰ সেই প্ৰতিমা মৰি গৈছে। প্ৰতিমাৰ বিসৰ্জ্জন হৈ গৈছে, তই প্ৰতিমা নহয়, - প্ৰতিমাৰ পাৰ্থিব জকাটো।

প্ৰতিমা। বাৰু ফুল, তইতো জানা। মোৰ এনে অবস্থা তোৰ হলে, তই কি কৰিলি হেতেন ?

ফুল। গলত চুৰি দিলো হেতেন।

প্ৰতিমা। ঠাট্টা এৰ। নিজৰ অশান্তিয়ে—

ফুল। ঠাট্টা নহয় প্ৰতিমা। যি নিজক নিজে প্ৰতাৰিত নিজৰ অবিশ্বাসী মনৰ দ্বাৰা যি প্ৰতিপলে যমযন্ত্ৰণা ভোগ কৰে, সি বিষ খোৱা উচিত।

প্ৰতিমা। নিজেই যে জানো ফুল, যে—

ফুল। শুন প্ৰতিমা, নিজৰ ভুলত নিজে অশান্তিৰ সৃষ্টি কৰিছ। তই নিজেই নাজান যে—তই একো নাজান।

প্ৰতিমা। ফুল! [ ফুলৰ ডিঙিত ধৰে। ]

ফুল। প্ৰতিমা, কোন মাধবী পূৰ্ণিমাত তোক পাইছিলো,—সখীৰূপে—ভনীৰূপে। জগতখন যে বৈচিত্ৰ্যময়? নিজৰ প্ৰাণৰ পৰা সুখ কেতিয়াবাই বিসৰ্জ্জন দিছোঁ। কাৰণ মই খোঁজো আকাশৰ জোনটোক চিঙি আনিবলৈ, ফুলৰ গোন্ধ হৰণ কৰিবলৈ, চৰাইৰ সুৰলা মাত খুজি আনিবলৈ। কিন্তু তই প্ৰতিমা? তোৰ যে সকলো। দুখ কাৰ নহয়? কিন্তু—কিন্তু প্ৰতিমা! নিজৰ দুৰ্ব্বলতা অন্যক দেখুৱা কিয়?—শত্ৰুক লাই দিয় কিয়? মানুহে কি বুলিব?

প্ৰতিমা। তই নাযাবি ফুল।

ফুল। তোৰ ই ক্ষন্তেকীয়া আবেগ সখী। বেচ যাব নিদিব নাযাওঁ।

[ মুৰটো পিছিৰ ধৰে, এনেতে অজয় আহে ]

অজয়। কলৈ নাযায় আপুনে।

ফুল। [ হঠাৎ অজয়ক দেখি কি যেন সঙ্কোচ আৰু লাজত অন্যমনস্কভাবে কয় ] হয়।

[ প্ৰস্থান। ]

অজয়। ফুলক বৰ অন্যমনস্ক দেখিছো, আহি তোমালোকক বৰ ব্যাঘাত দিলো নহয় প্ৰতিমা ?

প্ৰতিমা। ব্যাঘাত মোৰ একো নাই—ফুলৰ হৈছে যদি সুধি আহা গৈ।

অজয়। তোমাৰ কথা ঠিক বুজা নাই প্ৰতিমা, দিনে দিনে বেছি অন্ধকাৰ গহ্বৰত সোমাই যাব ধৰিছো। এনে কি হৈছে তোমাৰ প্ৰতিমা ? মোৰ মনত আছে এটি বৰ মধুৰ দিন। সেই দিনাৰ দৰে আজিও গছলতা বন ঠিয় হৈ আছে, আজিও জুই জ্বলি আছে। কিন্তু তুমি যে নাই প্ৰতিমা।

প্ৰতিমা। উপহাস কৰিছা নিষ্ঠুৰ! দস্যুৰ দৰে মোৰ বুকৰ পৰা সকলো সুখ শান্তি বলেৰে হৰণ কৰি লৈ গৈ তুমি ধেমালি চাইছা ? কি অধিকাৰ আছিল তোমাৰ মোৰ এনেকৈ সৰ্ব্বনাস কৰিবলৈ ? কি অধিকাৰত তুমি নিঃসহায় ছোৱালী এজনীক প্ৰতাৰণা কৰিলা কোৱা কি অধিকাৰ তোমাৰ ? [ আবেগত হাতত ধৰে ]

অজয়। বৰ অবুজ তুমি প্ৰতিমা। মোৰ অবস্থাৰ ফালে এবাৰো ঘূৰি চাইছা ? তোমাৰ অভিশাপে যে মোৰ জীৱনক মৃত্যুৰ পাৰলৈ টানি আনিব ধৰিছে। কাৰ ওপৰত অভিমান কৰিছা প্ৰতিমা ? তোমাৰ অযত্নত যে এটা প্ৰাণীৰ ধ্বংস হৈ যায়। তোমাৰ অকণমান দয়াৰ অভাবত, তোমাৰ আদৰৰ জীৱ এটাৰ শান্তি কিয় নষ্ট কৰা প্ৰতিমা ? [ আঙুলিবোৰ পিটিকিব ধৰে ]

প্ৰতিমা। ইমান যে সহ্য নহয়। গাৰ তেজবোৰ যেন হিম হৈ যাব ধৰিছে। তোমাৰ অবিচাৰ, তোমাৰ অত্যাচাৰত মই যে অতিষ্ঠ হৈ পৰিছো। মোক মাৰি পেলোৱা। ই যে এটা প্ৰকাণ্ড ভুল। বৰ জ্বালা তোমাৰ স্মৃতিটোৰ। নিজৰ জীৱনত কেতিয়াও ভাল পাওঁ তোমাক। ইমান দয়া মায়া হীন তুমি ? উঃ কি যে পোৰণি [ আকুলভাৱে কান্দি আউল বাউল হৈ গুচি যায়। ]

অজয়। প্ৰতিমা—প্ৰতিমা ! [ অৱশ হৈ বহি পৰে ] দিনে নিশাই যি জুই জ্বলিব লাগিছে তাত তুমি ঘিউ ঢালি দিলা। বৰ আশা কৰিছিলো, কৰ্ম্মক্লান্ত জীৱনটোৰ শেষ ছোৱা হয়তো এদিন তোমাৰ পৰশত, ৰঙীন হৈ উঠিব। এনে হতভাগ্য মই, এনে শূন্য কপাল লৈ সংসাৰলৈ আহিছোঁ ? নিজৰ জীৱনটোৰ ওপৰত বিতৃষ্ণা লাগিছে। কি লাভ এই বোজা বৈ মৰিবলৈ ? অবিচাৰ প্ৰতিমা ? কিয় এনে ভুল হ'ল তোমাৰ ? নিষ্ঠুৰভাবে জীৱনটোক যাতনা দিছোঁ [ ক্লান্ত হৈ ভাবিব ধৰে, চকুত পানী, দূৰত সুললিতভাবে মধুৰ সুৰ এটি বাজিব ধৰে। হঠাৎ অজয় ঠিয় হয়, চকু দুটা সেয়াকৈ জ্বলি উঠিছিল ]

সৌৱে দূৰত দুৰ্জ্জয়নগৰৰ উচ্চ চূড়া ! মোৰ অসম দেশ ! মোৰ সোনৰ অসমদেশ ! মোৰ প্ৰাণৰ অসমদেশ ! তোমাক পাহৰিবকৈ যাম মই ? তুমি যে মোৰ স্বৰ্গ। মোৰ সকলো বাসনা, সকলো কামনাৰে যে আগ তুমি। বুকত শিল বান্ধিলম ! তোমাৰ সন্তান মই, মোক আশীৰ্ব্বাদ দিয়া, শক্তি দিয়া, আদেশ দিয়া [ দৌৰি যাব খোজতে বিনয় আহে। ]

বিনয়। অজয় ! ইকি অজয়—কি হৈছে তোমাৰ ? তুমি যে উন্মত্ত হৈ গৈছা ?

অজয়। মোক শক্তি দিয়া, বৰ দুৰ্ব্বল মই শক্তি দিয়া—শক্তি দিয়া—শক্তি—

[ বেগে প্ৰস্থান ]।

বিনয়। অজয়—অজয়। কি হৈছে তোমাৰ ? অজয়, অ-জ-য় !

[ বেগে প্ৰস্থান ]

———

# চতুৰ্থ দৃশ্য।

দুৰ্গৰ বাহিৰ ভাগ। মিস্ত্ৰীসকলে দুৰ্গৰ জীৰ্ণস্থানবোৰ মেৰামত কৰি আছিল।

১ম মিস্ত্ৰী। সৰুকালৰেপৰা এই দুৰ্গৰ কামতে নিযুক্ত আছোঁ। আচৰিত মানিছোঁ ভাই, আমাৰ ৰাণীৰ কাৰ্য্য দেখি। অন্য ৰাণী অন্দৰৰ পৰা বাহিৰ নহয়, কিমান দাসদাসী তেওঁলোকৰ শুশ্ৰূষা কৰি থাকে। কিন্তু আমাৰ এই ভগৱতী হেন ৰাণী মাই, তেওঁ যিকামতে চকু নিদিয়ে সিয়ে যেন সম্পূৰ্ণ হৈ উঠে।

২য় মি। নাজানোঁ ভাই কি শক্তি আমাৰ ৰাণীৰ! কতনো সময় পায় ইমানবোৰ কাৰ্যতে চকু দিবলৈ। এইমাত্ৰ আমাৰ কাম চাই গ'ল, আৰু বা ক'ত কিমান চাব ধৰিছে।

১ম মি। আমাৰ ৰাজকোঁৱৰক আকৌ দেখিছ ভাই? উঃ বাপ! এনে দেৱতাৰ নিচিনা ৰূপ, চালে চকু বৈ যায়?

২য় মি। নকবি ভাই, প্ৰজাবোৰক যেন তেওঁ একেবাৰে কিনি লৈছে। এনে এজন প্ৰজা নাই, যিয়ে তেওঁক ভক্তি নকৰে।

৩য় মি। থৈদে ভাই থৈদে। ৰজা ৰাণী ৰাজকোঁৱৰ বুলিলেই যে তহঁতৰ পেট ভৰে, সেই কাৰণে ইমান গুণকীৰ্ত্তন। আমাৰ হলে ভাই নভৰে। যিখিনি ধন পাওঁ, তাৰে নিজৰেই নহয়, আৰুতো ঘৰৰ লৰাছোৱালীবোৰতো আছেই।

২য় মি। আহ! ধনসোনৰ কথানো তোক কোনে কলে? কৈছোঁ বোলে ৰজা ৰাণীহঁতৰ দয়া মায়া আছে।

৩য় মি। নকবি আৰু। সিদিনা অলপদোষতে নেদেখিছ উত্তৰ দুৱাৰৰ কাণ্ড? কোঁৱৰে অলপ দোষ পালেই সংহাৰমূৰ্ত্তি ধৰে।

১ম মি। দোষ পালেতো তেনেকুৱা হবই ভাই। তেওঁলোক হ'ল ৰজা, আমি যে প্ৰজা! আমাৰ দুখনো অন্তৰেদি কোনে বুজে?

৩য় মি। তেনে নেয়ে। মানুহক দেখাবলৈ অ' ভাই, মানুহক দেখাবলৈ। সিহঁতৰ আকৌ দয়া মমতা!

২য় মি। এৰা ভাই। কবলৈহে ভয় লাগে। যুবৰাজৰ খংটো একোৰ চৰা। আমিযে পেটৰ ভোকত মৰোঁ, তাৰ বিচাৰ নাই, কেবল কাম কৰ—কাম কৰ। মানুহনো মৰিবনে আকৌ?

৩য় মি। ৰাণীমাইৰ দয়ামায়া নোহোৱা বুলিব নোৱাৰি।

১ম, ২য় মি। হয় ভাই হয়। ইটো কথাসঁচা। ৰাণীমাইৰ দয়াৰ সীমা নাই।

৩য় মি। যুবৰাজৰ হলে মই লক্ষণ ভাল দেখা নাই। সিদিনা কি এটা সামান্য কথাত বৰ কাণ্ডটো কৰিলে; কি কম আৰু?

১ম মি। তেওঁলোকৰ কথানো কি ভাবিবি ভাই, নিজৰ ঘৰ সংসাৰৰ কথা ভাবিলে কান্দোন ওলায়। কিমান দূৰত ঘৰদুৱাৰ এৰি আহিছোঁ। ধনবিত একো পঠাবনোৱাৰো। কেতিয়াবা কিজানি খাব নাপাই মানুহ কেইটা মৰিয়েই থাকে।

৩য় মি। মোৰ আৰু ভাই বেচি টান। লৰাই ছোৱালীয়ে ঘৰত খাওঁতা কুৰিজন। নিজে যি পাওঁ আটাই খিনিকে পঠাই দিব লগাত পৰোঁ। বহুদিন মোৰ এসাজতে যায়। এনেহে ইচ্ছা হয় যেন যাকে পাওঁ তাকে মাৰি খাওঁ।

২য় মি। খোৱাৰ কথা মনত পৰিলে মোৰো কামবন এৰি সন্যাসীহবৰ মন যায়।

৩য় মি। ৰ ৰ ভাই, সৌটো যেন ভাবলৈ কোনোবা আহিব লাগিছে, তাৰ ভাব খনকেই ধৰা যাওক।

১ম মি। ভাল নহয় ভাই, কোনোবা চোৰাং চোৰাই দেখিব লাগিলে আমাৰ জীউ কেইটা নাথাকিব।

২য় মি। ৰ, ৰ, সিমান ভয় কৰিলে পেট নভৰে। এই ভাই, আগেয়ে তাক খুজি চাওঁ, নিদিলে দিম কোব।

৩য় মি। নহয় ভাই, লুকাই থাকোঁ। আহিলে পিচৰপৰা আহি গধা মাৰি ধৰি বস্তুখিনি লৈ আহিম, লুকা লুকা।

( মাটাই কেইজন লুকায় )

[ এজন মানুহে কান্ধত কিবাকবি বস্তুৰ ভাৰ এখন লৈ আহি থাকে। হঠাৎ পিচপিনৰ পৰা মিস্ত্ৰী কেইটাই তাক গধা মাৰি ধৰি বস্তুখিনি লৈ যাবখোজে, কিন্তু নোৱাৰে। ]

৩য় মি। এই ভাই কি চাই আছ? নেদেখিছ বেটাৰ তেজ? হাতুৰি টো লৈ আহছোন, চোৱা যাওক।

২য় মি। নিদিবি নেকি বেটা গাহৰি পোৱালী? ( হাতুৰিৰে মুৰত কোবায় )।

বাটৰুৱা। কোন ক'ত আছ ঐ! মোক মাৰিলে ঐ।

২য় মি—আকৌ বেটাৰ চিঞৰ শুন। মৰবেটা মৰ। ( ডাঙৰকৈ কোব মাৰে মানুহ জনৰ মুৰ কাটি তেজ ওলায় আৰু সিমৰে )।

১ম মি। মৰিলেই নেকি ভাই, মাত বোল নাই দেখোন।

৩য় মি। ইঃ মৰিব? ভাও জুৰিছে। আগেয়ে আমাৰ থাই ল।

২য় মি। নহয় ভাই, কথা বেয়া হল।

৩য় মি। সেয়েতো। কি কৰা যায়? ধৰ, ইয়াক দুৰত থৈ আহোঁ।

( গোটেই কেইটাই ধৰি অলপ নিওঁতেই দুৰত সিংহপালইতক দেখাযায় )

১ম মি। সৰ্ব্বনাশ ভাই সৰ্ব্বনাশ। সৌষে দূৰত সেনাপতি আহিব ধৰিছে!

( শটো পেলাই লৰমাৰি আগৰঠাইলে আহে )।

আটায়ে। উঃ প্ৰভু, ৰক্ষাকৰা প্ৰভু, ৰক্ষাকৰা।

( সিংহপাল, প্ৰতাপ আৰু ফুলে নিযুক্ত কৰা সৈনীক এজন আহে )

সিংহ। তুমি পাগল হৈছা প্ৰতাপ! কেবল প্ৰতিমা—প্ৰতিমা! কিন্তু প্ৰতিমাক পোৱা কেনেকৈ! চাৰিওফালে দুৰ্লঙ্ঘ্য প্ৰাচীৰে যেন প্ৰতিমাক আগুৰি আছে।

প্ৰতাপ। আপুনি কয় কি সেনাপতি? প্ৰতিমা মোৰ হাতৰ মুঠিত। অজয়ৰ প্ৰতি প্ৰতিমাৰ মন বিদ্বেষপূৰ্ণ হৈ গৈছে। কিন্তু প্ৰতিমা সিংহিনী. তাঁকেই অনা যায় কেনেকৈ?

সিংহ। তাইক কৈছোঁ। পুৰন্দৰ আছে, দুৰ্লভা আছে, অজয় আছে। প্ৰতিমাক পোৱা সহজ কথা নহয়। আগেয়ে পুৰন্দৰ ধ্বংস কৰিব পাৰিলে সকলো কাম শেষ হৈ যায়।

প্ৰতাপ। সেয়েতো। কি উপায় কৰা যায়! আজি পুৰন্দৰ দূৰ্গৰ বাহিৰলৈ আহিছে, জানে সেনাপতি?

সিংহ। জানো। কিন্তু কিহৈল?

প্ৰতাপ। তেওঁ আজি গোটেই টো দূৰ্গ পৰীক্ষা নকৰে।. অজিয়ে তেওঁ গাওঁলৈ যাব। আপুনি ও যাব লাগিব।

সিংহ। সেইটো জানোঁ। ( ভাবে ) এই বিস্তীৰ্ণ সুগভীৰ পৰিখা, তলত অথাই পাণী, জোঙাল বাঁহ আৰু পানি। ইয়াত পৰিলে মৃত্যু নিশ্চিত।—প্ৰতাপ, প্ৰতাপ! জানা, কোন দুৱাৰেৰে কৌৰৱ দূৰ্গত

প্রবেশ কৰিব ?

প্ৰতাপ। জানোঁ, কিন্তু লাভ কি ?

সিংহ। লাভ যিয়েই নহওক। কোৱা মোক তৎক্ষণাৎ লাগে।

প্ৰতাপ। দক্ষিন দুৱাৰদি।

সিংহ। দক্ষিন দুৱাৰেদি ? তেনে, এয়েটো দক্ষিন দুৱাৰ।

( লগৰ সৈনিকজনে আগুৱাই গৈ মৰাশটো দেখে )

সৈনিক। সেনাপতি ডাঙৰীয়া ! ইয়াতে এজন মানুহক কোনোবাই— মাৰিথৈছে।

সিংহ। মানুহ মাৰি থৈছে, ক'তা !

মিস্ত্ৰী সকল। ( আঠুকাঢ়ি, পিচপিনৰপৰা ) দোহাই সেনাপতি ডাঙৰীয়া, আমাৰ জীৱন কেইটা বধ নকৰিব।

সিংহ। প্ৰতাপ ! সুবৰ্ণ সুযোগ।—তহঁতে এই মানুহ জনক হত্যা কৰিছ ? তহঁতৰ কোনোমতে ৰক্ষা নহব। বান্ধ, ইহঁতক এটা এটাকৈ বধ কৰিম।

১ম মি। ৰক্ষা কৰক দেউতা আপুনি আজিৰ পৰা আমাৰ বোপাই, ৰক্ষা কৰক। পেটৰ জ্বালাত অস্থিৰ হৈ এনেকাম কৰিছোঁ।

সিংহ। বাৰু, ৰক্ষা কৰিম, তহঁতে এক দণ্ডৰ ভিতৰতে মোক এটা কাম কৰিদে।

৩য় মি। কওক দেউতা, এতিয়াই কৰি দিম।

সিংহ। এই দুৱাৰৰ দূৰ্গলৈ যোৱা সেতু এনেকৈ ভাঙ্গি থবি যেন কোনোবা দূৰ্গলৈ সোমালে ঠিকপৰিথাৰ মাজতে পৰি যায়।

২য়মি। আজিযে কৌৰব এই ফালেদি দূৰ্গত —

সিংহ। বন্ধকৰ কত। তহঁতক পশুবদবে হত্যা কৰিম।

৩য় মি। পাৰিম হুজুৰ পাৰিম। এতিয়াই কৰি দিম।

সিংহ। কিন্তু মনত ৰাখিবি মই সেনাপতি সিংহপাল। আজি যেয়ে এই দুৱাৰেদি দূৰ্গত প্ৰবেশকৰে সেয়ে যদি পৰিখাত পৰি নামৰয় তেনেহলে তইঁতৰ লগত তইঁতৰ বংশ পৰিয়াল সকলোকে আনি জলা জুইত জাপি দিম।

তিনিও মি। পাৰিম দেউতা পাৰিম। আমাক ৰক্ষাকৰক!

সিংহ। তেনে যা কৰগৈ।

৩য় মি। কিন্তু কোঁৱৰৰ আগেয়ে ৰথীয়াইত আহিব, যদি সিইঁতে পৰীক্ষা কৰি চায়?

সিংহ। সিইঁত আহিব নোৱাৰা উপায় মই কৰিম। (সৈনিকক) তই ইযাতে ইহঁতৰ কাজ চাই থাক।

সৈনিক। যুৱৰাজে এই মৰাশ দেখিলে বৰ সন্দেহ কৰিব। মই দুজন মানুহ মাতি আনোগৈ, এতিয়াই লৰি আহিম। (প্ৰস্থান)

সিংহ। তুমি ইয়াতে থাকা প্ৰতাপ। ৰথীয়াইঁত নিশ্চয় আহিবৰ হৈছে। তাক বাটতে শেষ কৰিব লাগিব।

( মিস্ত্ৰী কেইটাই দীঘল দি সেৱা কৰে। সিংহ যায় )

প্ৰতাপ। যা, কাজ কৰগৈ।

২য় মি। একটিপতে হৈ যাব দেউতা। যা, সেইফালে ধৰগৈ।

( কিবা এটা কিটিপতে সিইঁতে সেঁতু ধৰিব নোৱাৰাকৈ ভাঙ্গি থয় )

১ম মি। হৈছে দেউতা।

প্ৰতাপ। বেচ, আহ এতিয়া। জাহি পৰিব। সৌযে দূৰত দেখিছোঁ—

নিশ্চয় পুৰন্দৰ আৰু অজয়। দৌৰি আহ।

( সৈনীক জনৰ লগত দুটা মানুহ আহি মৰশটোনিয়ে। সকলোযায় অলপ পিচতে পুৰন্দৰ আৰু অজয় আহে। )

পুৰন্দৰ। এনেএটা চক্ৰান্ত গোটেইখন ৰাজ্যতে গোপন ভাবে চলিব লাগিছে অজয়, যে মই একোবাৰ ভাবি বিচুৰ্ত্তি খাই যাওঁ।

অজয়। চক্ৰান্তৰ কথা ভাবগৈ পিতাবাবে সৈতে তই। মই কিয় ভাবিম ? সৌচা, দূৰত সেউজীয়া ধানৰ পথাৰ, পৰ্ব্বতৰে ঠিয় হৈ থকা এই সুদৃঢ় দুৰ্গ, তাৰ ওচৰতে আকৌ এই গভীৰ পৰিখা।

পুৰ। সকলোৰে মুৰত ওখ আসন এখনত বহি বিশ্ববিমোহিনী ৰূপে তোৰ প্ৰেমৰদেৱী প্ৰতিমা।

অজয়। পাগল! "প্ৰেমৰদেৱী সকলোৰে না থাকে। অন্য ছোৱালী এজনীক লৈ ঠাট্টা কৰা তোৰ নিতান্ত অনুচিত।

পুৰ। ঠাট্টা কিহৰ ? সঁচা কথা এটা কৈছোঁ। ইমান যদি অপমান পাইছ দুৰ্লভাক লৈ মোকো ঠাট্টা কৰ।

অজয়। মুৰ্খ তই পুৰন্দৰ, নাজান দুৰ্লভা মোৰ কি হয় ?

পুৰ। এশবাৰ জানোঁ। প্ৰতিমাও মোৰ ভনী।

অজয়। তই অসভ্য হব পাৰ, মই নোৱাৰোঁ।

পুৰ। হয়—হয়। বাৰু অজয় সঁচাকৈ সুধিছোঁ, প্ৰতিমাৰ কি হৈছে।

অজয়। প্ৰতিমাৰ!—যাবদে। আহ, আজিয়ে আকৌ যাত্ৰাকৰিব লাগিব।

পুৰ। কিমানদিন এনেকৈ নিজক লুকাই ৰাখিবি অজয় ? মই তোক নজানোঁ! ভিতৰত জুই জ্বালি বাহিৰত কেনেকৈ এনে শৌম্য মুৰ্ত্তি দেখুৱাব পাৰ ? অদ্ভুত তই, কৰ্ত্তব্যৰ টান ইমান তোৰ ?

অজয়। আহ্ পুৰন্দৰ ভিতৰলৈ যাওঁ।

পুৰ। ব'ল (এটা হমুনীয়াহ কাঢ়ে) ৰথীয়া বোৰ ক'লৈ গল ?

অজয়। কি কৰ ৰথীয়াক ? প্ৰানলৈনো ইমান ভয় কিয় ?

পুৰ। ব'লতেনে (সেতুৰ ওপৰত উঠে। হঠাৎ অতিবেগে উধাতু থাই ফুল আহে)

ফুল। যুবৰাজ— যুবৰাজ ! নাযাব সেতু ভাঙ্গিছে।

(অতি শ্ৰমৰ কাৰনে মুচ্ছাগৈ পৰি যায়)

পুৰ। কোন—কোন ? অজয় !

অজয়। (লৰিগৈ ফুলক ধৰে) ইকি ! ফুল যে। পানী আন পুৰন্দৰ।

পুৰ। কোন—আছ ? কোন আছ ?

---

# পঞ্চম দৃশ্য।

## গাঁও।

(বিনয় কুমাৰ—অকলে)

বিনয়। ব্যথাময় জীবনটোৰ সেই এছোৱা ! মানুহৰ এইযে সুখদুখৰ বিবৰ্ত্তন—এটা প্ৰহেলিকা, এটা সপোন। এই দুদিনীয়া জীবনটো লৈয়ে মানুহে কিমান আশা বুকত বান্ধি লৈ থাকে। কিমান দূৰে দূৰে বিয়পি পৰে এই আশাবিলাক, শাৰদীয় নিৰ্ম্মল আকাশৰ তলত বগা ডেউকাৰ বগলি বিলাকৰ নিচিনা কত যে দূৰ সুনীল দিগন্তত এটা এটাকৈ লীন হৈ যায় ! কিয় মানুহে মানুহক মৰম কৰে, ভালপায় ? কিয় অন্যৰ দুখত মানুহৰ অন্তৰ গলি যায় ! কি বস্তু এই অন্তৰধন ? উত্তৰ নাই, কি যেন কি। অথচ কিছুমান মানুহৰ লোলুপ হিংসা

দেখিলে মন বিতৃষ্ণাত ভৰি উঠে। পলে পলে মনত পৰে, ৰাণী মাইৰ কথা, পুৰন্দৰৰ কথা। ইমান উচ্চ এওঁলোক। কি স্বাৰ্থ সিংহপালৰ এওঁলোকৰ সৰ্ব্বনাশ কৰাত? পাপ মনৰ তাড়না।

( কান্ধত দীঘল বাহ এচোৰা লৈ এজন গাঁৱলীয়া আহে )

গাঁৱলীয়া। ক'ৰহে বাপু তুমি!

বিনয়। ( নামাতি এবাৰ চায় )

গাঁৱ। অ' বোলো তুমি কত থাকা?

বিনয়। ( নিমাত )

গাঁৱ। পাগল! ( ভেঁা ভেঁা কৈ গুচি যায় )

বিনয়। ঘন অন্ধকাৰৰ মাজত নিজক লুকাই থম, যেন পুৰণা স্মৃতিয়ে জলাই মাৰিব নোৱাৰে।

( এজন সৈনিকৰ প্ৰবেশ )

পিচত?

সৈন্য। প্ৰতিমাক প্ৰতাপসিংহই কিবাকিবি কৈ আছে। ফুল আছে জুবিটিৰ ওচৰত। ফুলক দেখুৱাই প্ৰতাপে প্ৰতিমাক কিবা কৈছে।

বিনয়। কাক দেখুৱাই?

সৈন্য। ফুলক।

বিনয়। হুঁ। প্ৰতিমাৰ অৱস্থা কেনে?

সৈন্য। ভাল নহয়। মাজে মাজে চকু দুটা অসম্ভৱ ৰকমে জ্বলি উঠে। ফুলৰ মাতবোল নাই, কি যেন ভাবিছে।

বিনয় বাৰু অজয় কুমাৰ ক'ত?

সৈন্য। যুবৰাজ আৰু তেওঁ কি যেন এক গভীৰ কথাৰ পৰামৰ্শ কৰিছে।

বিনয়। আমাৰ বাকীবিলাক ক'ত ?

সৈন্য। সিহঁতে সৌ ওচৰৰে গাওঁখনতে আছে।

বিনয়। তহঁতৰ এজন মোৰ লগত থাকিবি, যা। ( সি যায় ) অদ্ভুত চক্ৰান্ত !—হেই, সিংহপাল ক'ত ? ( ফিৰি চায় সৈন্যজনক দেখা নাপায় ) যাওক। কিবা এটা বুদ্ধি সাজিছে। এই দুৰন্ত বুদ্ধি যদি সিংহপালে ভাল কামত খটালেহেঁতেন ! সৌ যে আকৌ দূৰত সিংহপাল। দেখা যাক। ( দূৰলৈ যায় )

( হাতত এডাল লাঠি লৈ সিংহপাল আহে, চুৰি ককালত থাকে )

সিংহ। পুৰন্দৰে যেন যাদু জানে ! কি এনে গুণ আছে তাৰ, যাৰ বাবে সকলো মানুহ মুগ্ধ হৈ পৰে। যিমানবাৰেই তাৰ কাৰ্য্যত বাধা দিবৰ চেষ্টা কৰিছোঁ, সিমানবাৰেই পৰাজিত হৈছোঁ, অথচ মোৰ হাতত এই সৈন্য বাহিনীৰ আধা সৈন্য ! প্ৰতাপ প্ৰতিমাক লৈযে পাগল। জানোঁ প্ৰতিমা সিংহিনী। প্ৰতাপে দংশন কৰিবলৈ সুন্দৰ ঠাই বিচাৰি পাইছে। জনা নাছিলোঁ প্ৰতিমাৰ দুৰ্ব্বলতা ক'ত। কিন্তু প্ৰতিমাক সি পায় কেনেকৈ ? তাক লাগে প্ৰতিমাক, আৰু মোক লাগে সমগ্ৰ কামৰূপৰ সিংহাসনেৰে সৈতে প্ৰতিমাক। বেচ বুদ্ধিমান আৰু চতুৰ এই কামোৰাত ৰাজকোঁৱৰটো ! ইয়াৰ হতুৱাই যে কিছুমান কাম কৰি লব পাৰিম ই নিঃসন্দেহ। কিন্তু মাজে মাজে এনে ভাব হয় যেন মোৰ এই আশা পূৰ্ণ নহব, যেন ইয়াৰ আগেয়ে মই মৰি যাম। তথাপি এই মোৰ দৃঢ় পণ, মৰাৰ আগেয়ে পুৰন্দৰক মাৰিম বুকত চুৰি বহুৱাই নহয়, বুকত জুই জ্বালি। তাৰ সবাতোকৈ আদৰৰ বস্তু দুৰ্লভাক হত্যা কৰি তাৰ প্ৰাণত জুই জ্বালি দিম। কেতিয়াবা এই

নিষ্ঠুৰ প্ৰতিশোধৰ কথা ভাবি আপোনাআপুনি উন্মত্তৰ দৰে হাঁহি উঠোঁ।

( কেইটামান গৰখীয়া লৰা আহে আৰু সিংহপালক সেৱাজনায় )

১ম গৰ। কিবা অলপ খাবলৈ দিয়ক দেউতা।

২য় গৰ। দিয়ক দেউতা মোকো, আমি বৰ দুখীয়া।

৩য় গৰ। মোৰ আইৰ জ্বৰ দেউতা, একো খাব পোৱা নাই।

সিংহ। ক'ৰ লৰা তহঁত? ইয়াৰ পৰা গুছি যাগৈ।

তিনিও। ( আঠু কাঢ়ি সেৱা কৰি ) দিয়ক দেউতা, আপোনাৰ সকলো আছে।

সিংহ। মোৰ সকলো থাকিল, তহঁতৰ কি হ'ল? গুছি যা।

৩য় গৰ। খাব পোৱা নাই দেউতা।

সিংহ। খাব পোৱা নাই, মৰগৈ।

১ম গৰ। মৰিলে আয়ে কান্দিব দেউতা।

২য় গৰ। দিয়ক দেউতা, আমাৰ ৰজা বোলে আমাক বচাবলৈ আহিছে. আপুনিতো ৰজাঘৰৰ মানুহ।

সিংহ। ইহঁতৰ লাজকাজ একো নাই।

১ম গৰ। লাজ আকৌ কিহৰ দেউতা? আপোনাৰ দৰে ডাঙৰহলে আমিও আজি লম। আয়ে কৈছে আমি বোলে তেনেই অকনলৰা, যুদ্ধলৈও যাব নোৱাৰোঁ।

সিংহ। তহঁতক সেইবোৰ কথা কোনে সুধিছে? যা, জলাই নামাৰিবি।

২য় গৰ। আমি যে খাব নাপাওঁ দেউতা।

সিংহ। হাতত এই লাঠি দেখিছ? ইয়াৰে কোবাই তহঁতক মাৰি পেলাম।

৩য় গৰ। লাগে মাৰকে, দেউতা। আইৰ আজি তিনিদিন জ্বৰ।

কালি ৰাতিসৌ সখিৰ ঘৰত চাৰিটামান ভাত খাই আহিছোঁ। তাৰ পৰা আৰু একো খাব পোৱা নাই।

সিংহ। তইঁতে নাযাব, নহয় ? ৰ, খুৱাও। (বেট ডাঙে)

তিনিও। নামাৰিব দেউতা, নামাৰিব।

সিংহ। নামাৰিম ? যা, ইয়াৰপৰা যা। (সিইঁতক কোবাব ধৰে)

তিনিও। আই ঔ ! মৰিলো ঔ ! (দৌৰি গুচি যায়)

সিংহ। হাঃ হাঃ হাঃ ! শহাপহুবদৰে বেচ দৌৰিব জানে ইহঁতে।

[ একজন চোৰাং চোৰাৰ প্ৰবেশ ]

জানিলি কিবা ?

চোৰাং। বিশেষ একো জনা নাই। এইখিনি জানিছোঁ, সিদিনা কোঁৱৰহঁত ফুলৰ দ্বাৰা ৰক্ষা পৰিছে।

সিংহ। অসম্ভৱ !

চোৰাং। নহয় দেউতা, মই ভালকৈ জানোঁ।

সিংহ। ফুলে এই খবৰ পাব কেনেকৈ ?

চোৰাং। ফুলৰ নিযুক্ত চৰ আপোনালোকৰ লগত আছিল। আপোনালোকৰ কথাবতৰা জানি সি ফুলক খবৰ দিছে।

সিংহ। কিন্তু সিযে আমাৰ লগতে আছিল।

চোৰাং। হয়, কিন্তু আপুনি যোৱাৰ পিচতে সি অলপ সময়ৰ কাৰণে নোহোৱা হৈছিল। ফুল বৰ বুদ্ধিমতী। তেওঁৰ চৰ বহুতো। সিহঁতে বতাহৰ আগত দৌৰিব পাৰে। ইজনে সিজনৰ আগত খবৰ দিছে, খবৰ শুনিয়ে তাই দৌৰি আহিছে।

সিংহ। তেনে, সিদিনাৰ সেই দূতটোক চিনিবৰ কি উপায় ?

চোৰাং। সেইটো ডাঙৰ কথা। সিহঁতে অদ্ভুত ছদ্মবেশ কৰিব পাৰে।

ফুলে নিজে কেতিয়াবা মতা মানুহৰ সাজ পিন্ধিলে চিনি পোৱা টান হৈ পৰে।

সিংহ। ভাবিবৰ কথা। যা ব'ক, তহঁত খুব সতর্ক হৈ থাকিবি। তহঁতৰ লগত যদি আৰু মানুহ লাগে, মোক কবি। ব'ল, ময়ো যাওঁ।

[ দুয়োৰো প্ৰস্থান। ]

[ বিনয় ওলাই আহে ]

বিনয়। ঠিক ধৰিছোঁ। অদ্ভুত এই ফুল! কোৰ্বৰ ভাগ্য সুপ্ৰসন্ন সেয়ে আজি এই লক্ষ্মীক ৰাজপ্ৰাসাদত পাইছে। এইবাৰ মোৰ কৰ্ত্তব্য স্থিৰ হৈ গৈছে। ঈশ্বৰ মোক সহায় কৰা।

[ প্ৰস্থান। ]

— * —

# ষষ্ঠ দৃশ্য।

গাওঁ—গধূলি। শ্ৰান্ত পুৰন্দৰ পালে বিশ্ৰাম কৰি আছিল।

পুৰন্দৰ। মাজে মাজে গাঁৱলৈ আহি বেচ লাগে। দূৰে দূৰে গছৰ জোপাবিলাকত পখীবিলাকৰ অজানাসুৰ কি যে মনোৰম। পৰিপুষ্ট নৰনাৰীসকলৰ অকপট চাহনি, সৰল ভাব আৰু মধুৰ ভঙ্গিমা দেখিলে প্ৰাণটো আপোনাআপুনি নাচি উঠে। এই যে গধূলি ঘাটৰপৰা অসংখ্য গাভৰুৱে কাষত কলহহৈ পানী নিব ধৰিছে, সিঁহতৰ মুখত কি যে অফুৰন্ত হাঁহি, দেখিলে হিংসা হয়। দূৰত সৌ পৰ্ব্বতৰ নামনিৰ ফুলবিলাকে যেন ইহঁতকে দেখি আউলিবাউলি কৰে। ৰঙীন পখিলাবিলাকে নীলা অপাজিতাৰ বুকৰ পৰা ৰেণুবিলাক লৈ আহি চটিয়াই দিয়ে ইহঁতৰ উঠনবুকুৰ ইকাষে সিকাষে। চাৰিওফালৰ এই ক্ষণিক অশান্তিৰ মাজতো মোৰ ধাৰণা হয় যেন জীৱনৰ অমিয়াৰাশি

ইয়াতেই ভৰি আছে। শত শত জীৱন ব্যাপি এই সৌন্দৰ্য্য উপভোগ কৰিব পৰা হলে, জীৱনত অবসাদ শ্ৰান্তি.অশান্তি নথকা হলে!—সিযে নহয়।

( ভাবিবলৈ ধৰে। দূৰত অন্ধ ভিক্ষুক এজনে গান গাই গাই ছোৱালী এজনীৰ সহায়ত গৈ আছিল )

নেপথ্যে গীত – বনৰ পখী যাবৰ সময় হ'ল।

( পুৰন্দৰে শুনি চক্ খাইউঠি চাৰিওফালে চায়, আৰু সিহঁতক মাতে )

পুৰ। হেৰা—হেৰা মাইকন, ইফালে আহা।
এই গধূলিবেলিকা তোমালোক ক'লৈ যাবা ?

অন্ধ। আমি আমাৰ পজালৈ যাম।

পুৰ। পজাত আৰু কোন আছে ?

অন্ধ। কোনো নাই, কেবল আমি দুয়ো। ভিক্ষাকৰি চলোঁ।

পুৰ। বাৰু তেনে মোৰো ভিক্ষা লবা। গান এটা গোৱা, কিযে এতিয়াই গাইছিলা,—সুন্দৰ গানটো! 'বন' পখী যাবৰ সময় হ'লৰ।
ছোৱালী জনী আৰু বুঢ়াটো আহে )

অন্ধ। আমাৰযে ৰাতি হব বোপাই।

পুৰ। ৰাতি হলেও মই তোমাক থৈ অহাম। মই পুৰন্দৰ পাল, লগত মোৰ সৈন্য আছে।

অন্ধ। আমাৰ ৰাজকোঁৱৰ! কি ভাগ্য আমাৰ। সেৱা কৰ মাই।

( দুয়ো সেৱা কৰে )

পুৰ। বহা—বহা। তুমি গানটো গোৱা। চাওঁ মাইকন, তুমি ইফালে আহাছোন।

( বুঢ়াই বহি গান গাব ধৰে। কোঁৱৰে ছোৱালীজনীৰ গাটো পিহিব ধৰে। )

## গীত

বনৰ পখী যাবৰ সময় হ'ল।
ৰ'দৰ তাপত শুকাল কলি
( অ' তাৰ ) ৰঙ পাতত পৰিল মলি
বনত উঠিল ৰোল ॥
উলুবনৰ মাজে মাজে
জুইৰ আঙঠি ঘূৰি ফুৰে
বতা পখীৰ বাঁহত লাগিল জুই
কলবল কৰে পানী-পিয়াই
(অ' তাৰ ) ভগা মাতত হিয়া শুকায়
বিলৰ পানী গ'ল।

পুৰ। বৰ সুন্দৰ গাইছা তুমি ভিক্ষুক। আৰু তিনি দিনৰ পিচত মই ইয়াৰ পৰা চাউনি তুলিম। ইয়াৰ ভিতৰত তুমি আকৌ ইয়ালৈ আহিবা। তোমাৰ গান শুনি বৰ ভাল লাগে। এই নিয়া তোমাৰ ভিক্ষা।

হাতৰপৰা এটা আঙঠি সোলোকাই দিয়ে )

অন্ধ। যুৱৰাজ—যুৱৰাজ—

পুৰ। নিয়া ভিক্ষুক, মোক অপমান নকৰিবা। ঈশ্বৰৰ শ্ৰেষ্ঠ দান তোমাৰ এই সুন্দৰ মাতটো। গানৰ মূল্য দিবৰ শক্তি মোৰ নাই। এই তোমাৰ ভিক্ষা। যাগৈ যা মাইকন।

( ভাইক এটি চুমা খায়। দুয়ো যায়। পুৰন্দৰে চাই থাকে। ছোৱালী টোৱে পিচলৈ চাই যায়। অন্ধই গাই গাই যাই থাকে )

শেষাংশ

অন্ধ।    বুকুৰ মাজত বিলায় কোণে
(অ' কাৰ) তপত উশাহ পৰে ঘণে
প্ৰাণৰ সুৰটি গ'ল।

পূৰ। বহুত দূৰত মিলিযাব ধৰিছে,—বনৰ পখী যাবৰ সময় হ'ল। এৰা, বনৰ পখী। আৰু ইয়াক কিমান দিন ধৰি ৰাখিম। আৰু দুদিন পিচত সিপাৰৰ পৰা ডাকপৰিব, যাবই যে লাগিব। সঁচাকৈ এনে সুন্দৰ গানটো; এনে উদাস—এনে করুন! চৌদিশে চাৰিওফালে দম্‌দম্‌কৈ জুই জ্বলি উঠিছে; জীৱবিলাকৰ ৰক্ষাৰ উপায় নাই। প্ৰাণপখী বনৰ পখী—

(ফুলৰ লগত এজনী গাভৰুৰ প্ৰবেশ)

ফুল। যুবৰাজ!

পুৰ। ওঃ! আপুনি! আপুনিও আহিছে?

ফুল। হয়, মহাৰাণীৰ আদেশ।

পুৰ। আপোনাৰ লগত আকৌ—?

ফুল। এই জনী দুৰ্ভগীয়া ছোৱালী, আপোনাক চাবলৈ লৰি আহিছে।

পুৰ। মোক চাবলৈ?

গাভৰু। হয় যুবৰাজ যিজনে পিতাৰনিচিনা, ভাইৰনিচিনা আমাৰ বিপদ দূৰ কৰিবলৈ আহিছে, তেওঁক নাচালেযে আমাৰ জীৱন অসাৰ্থক হব।

(প্ৰণাম কৰে)

পুৰ। ইয়াৰ বাবে প্ৰশংসাৰ পাত্ৰ মইতো নহওঁ। বাৰু (ফুলক) আপুনি এওঁক ক'ত পালে?

গাভৰু। মই বৰ বিপন্ন হৈছিলো যুবৰাজ। এই দেবী নহলে মোৰ ৰক্ষা ন'হল হেতেন।

পুৰ। (ফুলক) কি সৌভাগ্যৰ ফলতযে আপোনাক ৰাজপুৰীত পাইছোঁ। আপোনাৰ অদ্ভুত শক্তি। হয়তো আপনাৰ সহায় নাপালে আমি বহুত কাজতে বিফলমনোৰথ হলোঁহেতেন।

ফুল। মই গুছি যাম যুবৰাজ। সকলো কথাতে আপোনালোকৰ ঠাট্টা!

পুৰ। বাৰু ঠাট্টায়ে হ'ল। তেনেবিদায়—অলপ অজয়ক সহায় কৰোঁগৈ।

ফুল। বলক।

( সকলো যায় )

( এজন অনুচৰক বান্ধিলৈ গোপীকান্ত আহে )

গোপী। তোক মই উচিত শাস্তি দিয়াম। ৰজাৰ অনুচৰ তই দেশৰক্ষা কৰিবলৈ আহি দেশৰ সৰ্ব্বনাশ কৰিব ধৰিছ।

অনু। কি সৰ্ব্বনাশ কৰিছোঁ? সেনাপতি ডাঙৰীয়াই মোক চৰ নিযুক্ত কৰিছে। মই চাৰিওফালে চাই ফুৰিম, কোনে ক'ত কি ষড়যন্ত্ৰ কৰিছে।

গোপী। এনেকৈ কবলৈ তোৰ লাজ নেলাগিলনে? চৰনিযুক্ত কৰিছে বুলি তই যেই সেই তিৰোতাক অপমান কৰিবি কিয়?

অনু! ব'ল বাৰু ব'ল, সেনাপতিৰ ওচৰলৈ লৈ ব'ল। কাৰ শাস্তি হয় চাম। মই মৰোঁনে তোকে মাৰোঁ।

গোপী। সেনাপতিৰ ওচৰলৈ তোক নিম কিয়—? তোক যুবৰাজৰ ওচৰলৈ লৈ যাম। দেখিম তোৰ কিমানতেজ! ( টানিব ধৰে )

অনু। সেনাপতি ডাঙৰীয়া—দেউতা-

( সিংহপালৰ প্ৰবেশ )

সিংহ। কি হৈছে? এইয়া যে মোৰ অনুচৰ। কোন তই? কিয় তই ইয়াক বান্ধিছ? কোন আছ?

গোপী। ই-কৈছে ইবোলে আপোনাৰ চৰ। মোৰ কিন্তু বিশ্বাস নহয়। মহামান্য মহাৰাজ ৰত্নপালৰ সেনাপতিৰ এনে পাষণ্ড অনুচৰ নাথাকে।

(এজন সৈনিকৰ প্ৰবেশ)

সিংহ। তই ৰাজকাৰ্য্যত বাধা দিছ। তই ৰাজদ্ৰোহী। ইয়াৰ উপযুক্ত শাস্তি তই ভোগ কৰিব লাগিব। বন্দী কৰ ইয়াক।

গোপী। আপোনাৰ ভুল সেনাপতি ডাঙ্গৰীয়া। মই ৰাজদ্ৰোহী নহওঁ। যি ৰজাৰ আশ্ৰয়ত এনে সুখেৰে দিন যাপন কৰিছোঁ, তেওঁৰ বিৰুদ্ধে কোনে দ্ৰোহ আচৰণ কৰিব? আপোনাৰ পাষণ্ড অনুচৰৰ কাহিনী—

সিংহ। কি চাই আছ? বন্দী কৰ ইয়াক। (সৈন্যই বান্ধে)

গোপী। ই আপোনাৰ কেনেকুৱা বিচাৰ সেনাপতি ডাঙ্গৰীয়া? আপুনিয়ে নহয় প্ৰজাৰ দুখদুৰ্গতি নিবাৰণ কৰিবলৈ নগৰৰ পৰা লৰি আহিছে? অ'পুনিয়ে নহয় আমাৰ দুখসুখৰ হৰ্ত্তাকৰ্ত্তা? আপোনাৰ অন্যায়ত যে ৰাজ্যত জুই জ্বলি উঠিব।

সিংহ। বন্ধ কৰ হতভাগ্য। এনেকৈ প্ৰত্যুত্তৰ দিয়াৰ আগেয়ে নিজৰ অৱস্থাৰ ফালে এবাৰ চাই ল।

গোপী। নিজৰ দুৰবস্থালৈ ভয় কৰা মানুহ মই নহওঁ। অসংখ্য নৰনাৰীৰ দুৰ্গতি মোচন কৰিবলৈ ঈশ্বৰৰ অৱতাৰ ন্যায়বাদী যি ৰাজকোঁৱৰ ইয়ালৈ আহিছে, সেই ৰাজকোঁৱৰৰ আগত আপোনাৰ ৰক্ষা নহব।

সিংহ। ইয়াক এশ বেত মাৰ।

(সৈন্যই বেত দিব ধৰে, গোপীয়ে চিঞৰিব ধৰে)

( অজয়ৰ প্ৰবেশ )

অজয়। বন্ধ কৰ। কি হৈছে সেনাপতি ডাঙৰীয়া ?

গোপী। আপোনালোকৰ সুযোগ্য সেনাপতিৰ সুযোগ্য বিচাৰ !

সিংহ। কোন আছ ? কোন আছ ?

গোপী। ইকি সৰ্ব্বনাশ ! (অজয়ক) আপোনাৰ অবস্থা শঙ্কটাপন্ন।

(কেইবাজনো অস্ত্ৰধাৰী সৈনিকৰ প্ৰবেশ )

সিংহ। আক্ৰমন কৰ, সুবৰ্ণ সুযোগ ! ( সকলে অজয়ক বেঢ়ি ধৰে, গোপীয়ে হাতৰ বন্ধ সোলোকাবলৈ চেষ্টা কৰে ) এই পামৰক এজনে ইয়াৰ পৰা লৈ যা।

( গোপীক লৈ যায়। চাৰিও কালৰ পৰা অজস্ৰ আঘাতত অজয় পৰি যায়। হঠাৎ ফুল আহে ; সিংহপাল আৰু সৈন্য বোৰ পলায় )

ফুল। অজয়—অজয় ! তোমাক শুশ্ৰূষা কৰিম ইযে মোৰ ভাগ্য। যদি চিৰদিন তোমাৰ দুখে সম্পদে এনেকৈ তোমাৰ পিচে পিচে থাকিব পাৰিলোঁহেতেন। কিন্তু সিযে নহয় প্ৰিয়তম। তুমি যে প্ৰতিমাৰ। কিয় মোক দেখা দিছিলা ? (আচলেৰে বিচে আৰু ঠায়ে ঠায়ে তেজ মচি দিয়ে) ই তোমাৰ অশুভ মুহূৰ্ত্ত, কিন্তু মোৰ যে শুভ। আৰুতো এনেদিন নাপাম। বুকখনত যেন কি হৈ গৈছে। আৰু কিমানদিন এনেকৈ থাকিম। আৰু নাথাকোঁ। ইয়াৰ পৰা গুচি যাম। কোনে জানে কিজানি কেতিয়াবা মনৰ আবেগত বলীয়া হৈ তোমাৰ সজাই থোৱা ফুলনিখন ধ্বংস কৰি দিওঁ। ( অজয় চেতন পাই চকু মেলে আৰু উঠি বহে )

অজয়। আপুনি আকৌ ইয়াতে ?—মূৰত এটা আঘাত পোৱাত অচেতন হৈ পৰিছিলোঁ। এতিয়াতো সুস্থ যেন লাগিছে।

( কেইজনমান ফুলৰ অনুচৰ আহে )

ফুল। হয়, আপোনাক বিপন্ন দেখি দৌৰি আহিছোঁ।

অজয়। আপুনি এটা বিস্ময়—জীৱনটোক আপুনি ইমান ধকুৱা কৰিলে।

ফুল। বলক, আপোনাৰ শুশ্ৰূষাৰ প্ৰয়োজন।—লৈ ব'ল।

অজয়। নিজে পাৰিম, বলক। ( সকলোৰে প্ৰস্থান )

( অন্য বাটেৰে প্ৰতাপ আৰু প্ৰতিমা আহে )

প্ৰতাপ। আপোনাৰ সকলো কথাতে খং! এই বিলাক নেদেখুৱালেও হওঁ আপোনাৰ অবিশ্বাসী, দেখুৱালেও আপুনি হৈ পৰে অস্থিৰ। কওক, মোৰ উপায় কি ?

প্ৰতিমা। ( নিমাত, উত্তেজনাত চকু ৰঙা )

প্ৰতাপ। আপোনাৰ ইমান অগাধ ভক্তি আৰু ভাল পোৱা কেনেকৈ যে অজয়ে অবজ্ঞা কৰিছে ভাবি নাপাওঁ। মুখৰ আগতে এনেকুৱা ঘটনা দেখিলে কোনে স্থিৰে থাকিব পাৰে ?

প্ৰতিমা। আপুনি এটা কাম কৰক।

প্ৰতাপ। কওক।

প্ৰতিমা। ফুলক থাছিযাত থৈ আহক।

প্ৰতাপ। সিযে অসম্ভব! সতৰ্ক প্ৰহৰীৰ দ্বাৰা ফুল পৰিবেষ্টিতা।

প্ৰতিমা। নহলে কেনেকৈ চকুৰ আগতে এই বিভৎস লীলা চাই থাকিম ?

প্ৰতাপ। কিজানি ইয়াত বেয়া একো নাইয়ে প্ৰতিমাদেৱী। হয়তো বিপন্ন অজয়ক ফুলে সহায় কৰিছে।

প্ৰতিমা। নকব। বহুদিন আগেয়ে তাৰ প্ৰমাণ পোৱা গৈছে। ফুল মোৰ জীৱনদায়িনী, নহলে—

প্ৰতাপ। দুৰ্ঘটনা একো নকৰিব প্ৰতিমাদেবী।

প্ৰতিমা। আপোনাৰ যেন চকুৱে মুখে—। বাৰু, আপোনাৰ ইয়াত কি স্বাৰ্থ?

প্ৰতাপ। স্বাৰ্থ—? আপুনি মোক সুবুজিলে প্ৰতিমাদেবী। বাৰু, বিদায় দিয়ক—। (প্ৰস্থান)

প্ৰতিমা। (এখন্তেক চাইৰৈ) নহয়, আৰু কেইদিনমান অন্ততঃ মোক প্ৰতাপক লাগে।

(প্ৰস্থান)

---

## সপ্তম দৃশ্য।

বিনয় কুমাৰৰ ঘৰ। বিনয়ৰ পত্নীয়ে মুখেৰে গুন গুন্ কৈ কিবাকিবি গাই সূতা কাটি আছিল। ভেওঁৰ দেওৰ মহেন সোমাই আহে।

মহেন। হেৰা বৌ! কিমাননো সূতা কাটিবা দিনে নিশায়? দাদাই আকৌ বিয়াৰ জোগাৰ কৰিছে নেকি?

বি, পত্নী। মিছা নহয় বাপু। যিহে বোলে কোঁৱৰৰ প্ৰিয়পাত্ৰ হৈ উঠিছে, সোনকালে এজনী গৃহশোভিনী হব বুলি আশা কৰা যায়।

মহেন। বুকখনত হাত দি চোৱাছোন বৌ, কি জানি যক্ষৰ গৃহিনীৰ দৰে—

অধিক্ষামাং বিৰহ শয়নে সন্নিষণ্ণৈক পাৰ্শ্বাং
প্ৰাচীমুলে তনুমিব কলা মাত্ৰ শেষাং হিমাংশোঃ।

বি, প। আই ঐ! বাপু যে একেবাৰে আকাশ লজ্ঝা পণ্ডিত।

মহেন। নহয় যে নো কি বৌ? বাহিৰত তো মোৰ নাম গৈছে ছাটি ফুটি। প্ৰাগ্‌জ্যোতিষত মোক নজনা মানুহ নাই। কিন্তু কি যে তুৰ্কপাল, ইমান ডাঙৰ পণ্ডিতটোৰ নাম নহ'ল বৌৰ আগত, দাদাৰ আগত। বাৰু বৌ, চোৱাছোন কথাটো কেনে দুখ লগা?

বি, প। ভালকৈ বুজিছোঁ আৰু হাৰেহাৰে অনুভৱ কৰিছোঁ। তোমাৰ দুখৰ সীমা নাই। তোমাৰ কাব্যৰ সোৱাদ বুজিবলৈ নাই উপযুক্ত কবি, দুখ সুখত ভাগ লওঁতা নাই সখী। ৰোহ ঘৰত সোমাই থাকাগৈ বাপু।

মহেন। তাৰ পিচত লাভ?

বি, প। তাৰে পৰাই ঢোল পিতি দিওৱা,—শিক্ষাত বিদুষী, ধৰ্ম্মত একনিষ্ঠা, ভক্তিত পতিব্ৰতা এজনী সুন্দৰী সৰ্ব্বগুণবতী কাব্যৰ সেবিকা ছোৱালী—

মহেন। তোমাৰ মতৰটো মই আলিমুলি কৰি দিম বৌ। ভাল নালাগে এইবিলাক।

বি, প। বাৰু বাপু, বিয়া নকৰাবাই নেকি? এই এৰিলোঁ ষঁতৰ। কোৱাছোন, ছোৱালীবিলাকৰ ওপৰত তোমাৰ কি বিদ্বেষ?

মহেন। বিদ্বেষ নহয় বৌ। বিয়া তোমালোক আছা যেতিয়া এদিন কৰাবই লাগিব। কিন্তু আগেয়ে মোৰ পঢ়া সাং হওক?

বি, প। পঢ়ানো সাং হব কেতিয়া?

মহেন। আৰু পাঁচ বছৰ পিচত।

বি, প। তেতিয়ালৈ তোমাৰ পত্নীৰ দুটা সন্তান হব।

মহেন। এনে যে দুষ্ট তুমি বৌ।

বি, প। সিপিনৰ কিবা খবৰ পাইছা?

মহেন। মানে ?—দাদাৰতো ? – এৰা ৰাজ ভক্ত প্ৰজা, ৰাজকাৰ্য্যত প্ৰাণ একেবাৰেই উছৰ্গা কৰিছে। সঁচাকৈ বৌ, দাদাৰ কথা ভাবিলে গৌৰবত প্ৰাণটো নাচি উঠে। তুমি ভাগ্যবতী বৌ। সিদিনা লগ পাই সুধিলোঁ ঘৰলৈ অহাৰ কথা। তেওঁ বোলে কিবাকিবি জটিল বিষয়ত বৰ ব্যস্ত। পাৰিলে নগৰলৈ যোৱাৰ সময়ত এবাৰ আহি যাব।

বি, প। মোৰ বৰ বিপদ বাপু। এই কেইদিন তুমি আছা। তুমি নহলে এই শূন্য ঘৰত অকলে,—

মহেন। দুখ নকৰিবা বৌ—। যি আহিবৰ কোনো উপায় নাই, তাৰ বাবে মিছাতে শোক কৰি তাৰ পুণ্য আত্মাটোক কিয় কষ্ট দিবা ? সি গৈছে, মই আছোঁ বৌ। যদি শান্তি পোৱা, ভাবিবা—মই তোমাৰ হেৰোৱা সন্তান।

( দুজন সৰু লৰা আহে )

১ম লৰা। খুড়ী, অ' খুড়ী ! কালি পুৱাতেই আমাৰ ৰজা বোলে নগৰলৈ যাব।

বি, প। তোক কোনে কলে ?

২য় লৰা। আমাৰ দেউতায়ে কৈছে। আজি ৰজাৰ চাউনিত বৰ আনন্দ উৎসব হব। আমাৰ গাঁবৰ বহুতো মানুহ চাবলৈ যাব। হঁা খুড়ী, ৰজাটো বোলে কোনোবা দেৱতা, হয়নে ?

বি, প। হয়তো। যি দেৱতাৰ নিচিনা কাৰ্য্য কৰে, সি দেৱতা। তেওঁৰ গাত দেৱতাৰ শক্তি আছে।

১ম লৰা। আকৌ—তেওঁ বোলে বৰ ধুনীয়া। চাবলৈ বৰ মন আছিল, পিচে যাব নিদিয়ে। তুমি নোযোৱা খুড়ী ? মোকো নিবা ?

মহেন। ইমান দূৰলৈ তইঁত লৰা মানুহে যাব নোৱাৰ। ডাঙৰ হলে ৰজাক দেখা পাবি।

২য় লৰা। খুড়ী! আমাৰ অধ্যাপকে কৈছে,- সৌ অকণমান সূৰ্য্যটো বোলে আমাৰ পৃথিবীখনত কৈও ডাঙৰ, হয়নে?

১ম লৰা। আকৌ বোলে পৃথিবীখনৰ দৰে ডাঙৰ গ্ৰহ বহুত আছে?

বি, প। তইঁতক এইবোৰ শিকালেই নেকি?

১ম লৰা। নাই, - শিকোৱা নাই এনেয়ে কোৱাতে শুনিছোঁ।

মহেন। তোক দলিয়াই দিম দে ওপৰলৈ, চাই আহিবি।

২য় লৰা। ইঃ, - খুড়াৰ কথা! কিমান যে নিলগতে আছে! তালৈ যাব নোৱাৰি।

১ম লৰা। তেন্তে, যাওঁ খুড়ী।

বি, প। বাৰু যাগৈ। (দুয়োটা লৰা যায়) পিচে বাপু, এইবাৰ পঢ়িবা কি?—দৰ্শন?

মহেন। এৰা ভাবিছোঁ। শুনিছোঁ বৌ তোমাৰ পিতাৰা বোলে বৰ ডাঙৰ দাৰ্শনিক আছিল। তুমি—

বি, প। দৰ্শনৰ মূৰটো গিলি থৈছোঁ মই।

(ইতিমধ্যে বিনয় কুমাৰ আহি পবে)

বিনয়। সঁচা মহেন, তোমাৰ বৌয়েৰাই দৰ্শন জানে।

(গৈনীয়েক ব্যস্তভাবে ঠিয় হয়)

মহেন। ও, দাদা যে! অবসৰ হ'ল আপোনাৰ?

বিনয়। এৰা, আজি ৰাতিটোৰ নিমিত্তে। কালি পুৱাই আকৌ—উপস্থিত হব লাগিব।

মহেন। পিচে, সিফালৰ কি খবৰ?

বিনয়। যুবৰাজৰ উপস্থিতিতেই সকলোপিনে জয় হৈ উঠে। এনে ভাগ্য তেওঁৰ, ভাবিলে আচৰিত হ'ব লাগে। কিছুমান অনাহুত সৌভাগ্যই আহি তেওঁক সৰ্ব্বজয়ী কৰি তোলে।

মহেন। কালিতেই যাব কিয়?

বিনয়। যুবৰাজৰ আদেশ মহেন, যাবই লাগিব।

মহেন। কিন্তু বৌৰ এই সম্পূৰ্ণ নিঃসঙ্গ জীৱন। এওঁৰ কিবা এটা উপায় কৰাটো নিতান্ত প্ৰয়োজন।

বিনয়। ভাবিছোঁ। আৰু কিছুদিনৰ পিচত মই নিজে অবসৰ লম। ইচ্ছা কৰিয়ে নিজে ৰাজ কাৰ্য্যত সোমাইছোঁ। বৰ্ত্তমান যুবৰাজ নিৰাপদ নহয়।

মহেন। কি কয় আপুনি?

বিনয়। এৰা, তেওঁৰ শত্ৰু বহুত। সতৰ্ক প্ৰহৰী নথকা হ'লে তেওঁৰ পদে পদে বিপদ। ইমান দয়াৰ শৰীৰ, তথাপি কিয় যে মানুহে তেওঁক হিংসা কৰে ভাবি নপাওঁ। মই কিছুমান কথা জানিব পাৰিছোঁ। গতিকে যুবৰাজৰ কাষে কাষে থকা মোৰ প্ৰয়োজন।

( এজন ফুলৰ দূতৰ প্ৰবেশ )

ইকি! তুমি যে আকৌ ইয়াতে।

দূত। হয়। আপুনি তৎক্ষণাৎ এই ঘৰ এৰি আন ঠাইলৈ যাওক। সিংহপালৰ চক্ৰান্তত প্ৰায় পঞ্চাশজন মানুহ আহিছে। আপোনাৰ ঘৰৰ সৰ্ব্বনাশ কৰিব। লগত প্ৰতাপ আছে। আপোনালোক পলাওক।

বিনয়। নাই নপলাওঁ। চাওঁ, কি হয় এবাৰ।

দূত। উন্মাদ কল্পনা। ফুলৰ অনুৰোধ, যাওক আহিব পৰিব, তৎক্ষণাৎ যাওক।

মহেন। আমি আটাইবিলাকে—

দূত। অসম্ভৱ। তৎক্ষণাৎ যাওক।

বিনয়। বলা তেনে।

—•✻•—

# চতুর্থ অঙ্ক।

—০—০—

## প্ৰথম দৃশ্য।

[ আলোকমালা বিভূষিত দুৰ্জ্জয় নগৰ। ফুলপাত আৰু কাপোৰেৰে সজোৱা দুৰ্জয় নগৰ ৰাজপ্ৰসাদ জিলিকি উঠে। বজ্ৰপাল আৰু কুলদেৱী সিংহাসনত বহি থাকে। চাউল চতিয়াই গীত গাই একদল বালকৰ প্ৰবেশ ]

বালক। **গীত।**

বন্দনা কৰোঁ তব হে বীৰ অনুপম

মঙ্গল আৰতি দানে।

ৰঞ্জিতা ধৰা আজি পূণ্য ই পৰশনে

চঞ্চল মধুৰ গানে॥

[ ইহঁতৰ পিচত ফুল চতিয়াই গীত গাই গাই কিছুমান বালিকাৰ প্ৰবেশ। তাৰ পিচত পুৰন্দৰ আৰু অজয় সোমাই আহে ]

বালিকা। **গীত।**

চউপাশে মলয়াই বাতৰি বিলাই দিয়ে।

মৰতৰ পাপতাপ লুইতে উটাই নিয়ে।

হৰষৰ জয় গীত গাই বীণবৰাগীয়ে

কামৰূপা হাঁহে ধনেধানে।

[ সকলো বহাত বালক বালিকা উভয়ে চাউল ফুল দলিয়াই গায় ]

উভয়ৰ। **গীত।**

বিজয় নিচানখনি শতশত যুগ ধৰি

আকাশত থাকে যেন উৰি

ধানৰ পাতত জ্বলে সোনৰ জেউতি আজি
গছে গছে ধৰে ফল শ্যামল বননি ৰাজি
স্বাধীনা জননী মোৰ অপৰূপ ৰূপে সাজি
বন্দনা কৰো বীৰ গানে।

আগৰ দাৰ চাউল ফুল চতিয়াই বালক বালিকা সকল যায় ] [ এজন দূত আহি ৰত্নপালৰ হাতত এখন চিঠি দি যায় ]

ৰত্ন। পুৰন্দৰ অজয়। তোমালোকৰ বন্ধুত্ব চিৰদিন অটুত থাকক। এনেকৈ দেশৰ নিমিত্তে দীন দুখীয়াৰ দুখ নিবাৰণৰ বাবে আৰু ৰাজ্যৰ শান্তি স্থাপনৰ নিমিত্তে তোমালোকৰ বাহুত অসীম শক্তি, হৃদয়ত উৎসাহ আৰু মনত সংভাৱৰ সঞ্চাৰ হওঁক। সকলোৰে জীৱন মূল্যবান নহয়। জীৱনক মূল্যবান কৰি তোলাই জীৱনৰ সাৰ উদ্দেশ্য। ভোগতে মানুহৰ বাসনাৰ অন্ত পৰা হলে জীৱজগতৰ মাজত কৰ্ম্মৰ এই দীপ্তমূৰ্ত্তি দেখাপোৱা নগ'ল হেতেন। তোমালোকৰ ডেকা-মন, ডেকা-শক্তি দুৰ্গম পৰ্বতকো ভাঙি চূৰ্ণ বিচূৰ্ণ কৰিব। তোমালোকৰ সাফল্যত মই অতিশয় আনন্দিত হৈছোঁ। সিংহপালে লিখিছে, তেওঁৰ শৰীৰ অসুস্থ, গতিকে আজিৰ এই উৎসৱত যোগ দিব পাৰা নাই।

কুলদেবী। সিংহপালৰ এই অনুপস্থিতিত আমি বৰ দুখ পাইছোঁ। প্ৰাৰ্থনা কৰোঁ তেওঁ অতি সোনকালে আৰোগ্য লাভ কৰক। অজয়, তোমাৰ বন্ধুত্ব আচলতে অমূল্য। তোমালোকৰ এই বন্ধন দিনকদিনে দৃঢ়তৰ হৈ উঠক। এই মোৰ আশা। আজি যি শক্তি আৰু বুদ্ধিৰ পৰিচয় দি এই দুৰ্জয় নগৰৰ, তোমালোকৰ ৰজাৰ, দেশৰ সন্মান অক্ষুণ্ণ ৰাখিছ, সেই বুদ্ধি আৰু শক্তি অটুট থাকক। ইয়াতকৈ বেছি ডাঙৰ আশীৰ্ব্বাদ মই দিব নাজানোঁ।

অজয়। আজি মহাৰাজ আৰু মহাৰাণীৰ আগত যি সন্মান লাভ কৰিছোঁ তাৰ উপযুক্ত পাত্র মই নহওঁ। আপোনালোকে সমগ্র জগতকে ভাল দেখে সেই বাবেই মোৰ দোষবোৰ আপোনালোকৰ চকুত নপৰে। আশীৰ্বাদ কৰক যেন দেশৰ কামত নিজৰ প্ৰাণ উছৰ্গা কৰিব পাৰোঁ।

ৰত্ন। তোমালোকে অলপ বিশ্ৰাম কৰা। আহা ৰাণী। [ ৰজা ৰাণী যায় ]

অজয়। কি যুবৰাজ, প্ৰশংসাত যে একেবাৰে মহাৰাজটো হৈ পৰিলা? চকুমুখ গম্ভীৰ, চাহনি অৰ্থপূৰ্ণ আৰু মাত যেন আদেশ পূৰ্ণ হৈ উঠিছে? গৰীবৰ প্ৰতি বা কি আদেশ হয়?

( নানা অলঙ্কাৰে বিভূষিতা দুৰ্লভাক লৈ প্ৰতিমা আৰু ফুলৰ প্ৰৱেশ )

পুৰন্দৰ। অপেক্ষা কৰ, ভনীয়েৰ আহিব ধৰিছে। আদেশ তেওঁৱেই দিব।

দুৰ্লভা। গাওঁৰ পৰা কি আনিলা দাদা? ( অজয়ৰ গাত ধৰে )

অজয়। এভাৰ বাঁহৰ পাত।

দুৰ্লভা। ইঃ! দাদাই মোক আজি কালি মৰম নকৰা হ'ল।

প্ৰতিমা। আহ, আহ দুৰ্লভা। দাদাই তোৰ বাবে নাকৰ ফুল, পাতৰ ৰিহা মেখেলা আৰু যে কত কি আনিছে। আহ আহ পিন্ধাই দিওঁ আহ।

দুৰ্লভা। ইঃ, ইহত কম দুষ্ট নহয়। ব'লা দাদা আমি যাওঁগৈ।

অজয়। ব'ল। ( অজয় আৰু দুৰ্লভা যাব ধৰে )

পুৰন্দৰ। ইকি অন্যায় অজয়—মোৰ—বস্ত—

( দুৰ্লভাও দৌৰি গৈ মুখত হেচা মাৰি ধৰে )

দুৰ্লভা। লাজ কাজ একো নাই, নহয়? ( প্ৰস্থান )

ফুল। বাৰু দাদা, এই প্ৰতিমাজনীক বিয়া নিদিয়ে নেকি?

প্ৰতিমা। বাৰু দাদা, এই ফুলজনীক বিয়া নিদিয়ে নেকি?

ফুল। সকলো কথাতে তোৰ জেদ প্ৰতিমা।

প্ৰতিমা। তোঁৰ জানো নহয় ?

ফুল। পৰ্ব্বতৰ ছোৱালী মই, পৰ্ব্বতলৈ গুচি যাম। মোৰ বিয়াৰ লগত তহঁতৰ কি স্বাৰ্থ বা সম্বন্ধ আছে ?

প্ৰতিমা। যমপুৰীৰ ছোৱালী মই, যমপুৰীলৈ গুচি যাম। তহঁতৰ কি হ'ল ? শুনক দাদা মই এই ফুলজনীৰ এটা বৰ উলিয়াই ৰাখিছোঁ, বিয়াটো দিয়ক, যাতে আৰু তাই পৰ্ব্বতলৈ যাব নোৱাৰে।

পুৰন্দৰ। হয়তো ফুল, তুমি আৰু পৰ্ব্বতলৈ যাব নোৱাৰে। ইয়াতে থাকিব লাগিব।

ফুল। সিযে নহয় দাদা।

পুৰন্দৰ। কিয় ?

ফুল। মোৰ যে স্থান ইয়াত নাই দাদা, দুদিনৰ কাৰণে বেচ মনোৰম লাগিছে মোৰ এই নিৰ্জীৱ বাহিৰৰ আৱৰণটোক। কিন্তু দুদিনৰ পিচত ই কৰবাত মিলি যাব। এটা প্ৰাণীৰ কাৰণে এখন সুখৰ সংসাৰত জুই জ্বলি উঠিব। নহয় দাদা, মই যাম,—সৌ দূৰৰ খাছিয়া পাহাৰলৈ, য'ত নাই ইমান স্নেহৰ আকৰ্ষণ, য'ত নাই ভিতৰৰ পৰা প্ৰাণটো বাহিৰ কৰি আনিবলৈ দুৰ্জ্জয় মায়া, য'ত নাই আকুল উতলা সুৰ। (বিন্দু বিন্দু চকুলো ওলায়) পাহাৰৰ ঘন নিৰ্জ্জনতাৰ লগত নিজৰ অস্তিত্ব মিলাই দিম। সেয়ে মোৰ ভাল হব দাদা।

পুৰ। প্ৰতিমা।

প্ৰতিমা। দাদা।

পুৰন্দৰ। তুমি যোৱাগৈ। (প্ৰতিমা যায়)। ফুল !

ফুল। দাদা !

পুৰন্দৰ। ইমান আগ্ৰহেৰে তুমি ৰাজ কাৰ্য্যত প্ৰাণ ঢালি দিছা ! মোৰ মনত আছে, সেই সিদিনাৰ কথা। যেতিয়া দুৰ্গৰ পৰিখাত পৰি প্ৰাণ

টেকবাৰ ধৰিছিলোঁ, সিদিনা তোমাৰ মাজত দেখিছিলোঁ এটি দেৱী মূৰ্ত্তি। সিদিন মোৰ ফুল ভনীটিৰ মাজত আবিষ্কাৰ কৰিছিলো বনফুলেৰে সুশোভিত, পৰ্ব্বতৰ মুকুট মূৰত জিলিক উঠা মোৰ কামৰূপ জননীৰ এটি সজীৱ মূৰ্ত্তি। বুকত এনে একুৰা জুই জ্বালি ৰাখি কেনেকৈ যে নিজৰ সৌম্যভাৱ প্ৰকাশ কৰা ভনী! মই আচৰিত হৈ যাওঁ। আৰু এজনক দেখিছো। অজয়ৰ বলবীৰ্য্য কাৰো অবিদিত নহয়। কিন্তু কোনে জানে যে তাৰ বুকুত এনে প্ৰচণ্ড ধুমুহা। এনে কি কাৰণ ফুল, কি কাৰণত এনে হয়? কিয় তোমাৰ শান্তিৰ গৃহ ভস্ম হৈ গৈছে?

ফুল। যি দিন সম্পূৰ্ণ নিবল জীৱনটোৰ মাজে দিয়েই বাহিৰৰ নিৰ্জীৱ শিল-শিলাকৰ বুকুত সৌন্দৰ্য্যৰ দীপ্তি মূৰ্ত্তিহে উঠিছিল দাদা, সিদিনাই কি যে এটা ভুল বৈ গ'ল। মোৰ অজ্ঞাতসাৰেই মনটোৰ চাৰিওফালে জুই উমাই আছিল; আৰু যে ৰক্ষা নাই। ভুবৰ বননিৰ মাজত আজি ব্যক্ত হৈ উঠিছে; অন্ধকাৰৰ উলঙ্গ মূৰ্ত্তি। জোনাকী পৰ্ব্বতৰ চাৰিওপিনে জোনাকী পকৰাবোৰে কি যেন বিচাৰি ফুৰে, চিতাৰ ধোঁৱাই চাৰিও-ফালে দৈত্যবনবে ফুলৰ বঙত কালিমা চটিয়াই দি যায়, আৰু যে সহ নহয় দাদা, প্ৰকৃতিৰ এই তাণ্ডৱলীলা, ক'ত যে নিজকে লুকাই থম।

পুৰন্দৰ। জীৱনৰ এটা বৰ মূল্যবান বস্তু পৰিত্যাগ কৰিও যদি তোমালোকৰ প্ৰাণত অলপ শান্তি দিব পৰিলোহেঁতেন ফুল! মই যে বৰ ঋণী। ঠিক কানো তিনিটা প্ৰাণীৰ জীৱনৰ সুখ শান্তি একেবাৰে নষ্ট হৈ গৈছে। অজয়, প্ৰতিমা আৰু তুমি। কাৰো প্ৰাণত শান্তি নাই! কোৱা ফুল, তোমাৰ দুৰ্ভগীয়া দাদাই তোমাৰ বাবে কি কৰিব পাৰে? যদি মোৰ দ্বাৰা তোমাৰ অকণমানো উপকাৰ হয়, নিজকে ধন্য মানিম। সি পাৰত গৈ হিচাব দিব পাৰিম, যে মোৰ

কাৰণে যি নিজৰ প্ৰাণ প্ৰৰ্য্যন্ত বিসৰ্জন দিবলৈ অগ্ৰসৰ হৈছিল, তেওঁৰ কাৰণে যৎকিঞ্চিৎ সহায় মই কৰিব পৰিছোঁ।

ফুল। ক্ষমা কৰক দাদা। মইও যে মানুহ। ক্ষণিক দুৰ্বলতাই মোক নিজৰ মনতে অবিশ্বাসিনী কৰে তোলে। কিমান দিন জগতৰ পৰা নিজক লুকাই ৰাখিছোঁ। কিন্তু আপোনাৰ আগত যে বান্ধ ভাঙি যায়। (পুৰন্দৰৰ হাতখনৰ ওপৰত মূৰটো থয়)। ইমান উপচিপৰা স্নেহ আপোনাৰ,—মাজে মাজে নিজৰ দৈন্যৰ কথা একেবাৰে পাহৰি যাওঁ। অব্যক্ত বেদনাত জীৱনটো অতিষ্ঠ হৈ উঠিলে আপোনাৰ আগত কৈ প্ৰাণত শান্তি পাওঁ। ক্ষমা কৰক দাদা, নিজৰ জীৱনৰ অশান্তিৰে আপোনাৰ মুখ মলিন কৰিবলৈ মোৰ কি অধিকাৰ?

পুৰ। ভনী!

ফুল। (হঠাৎ ঠিয় হয়) যুবৰাজ, আপোনাৰ মূৰৰ ওপৰৰ মেঘবিলাক ডাঠ হৈ উঠিছে। সাৱধানে থাকক। তেনে যাওঁ। (যাব খোজে)।

পুৰন্দৰ। ফুল

ফুল। নহয় দাদা বতাহবিলাক অসহ্য গৰমহৈ উঠিছে। মোক বিদায় দিয়ক।

পুৰন্দৰ। তুমি বলীয়া হৈছা ফুল।

ফুল। মোক ক্ষমা কৰক (গুচি যায়)

পুৰন্দৰ। (খন্তেক নীৰবে ৰয়) অজয়—প্ৰতিমা—ফুল (ভাবিব ধৰে)

—:—

# দ্বিতীয় দৃশ্য

( মুক্ত আকাশৰ তলত বহি অজয়ে অকলে ভাবি আছিল। চুলিবিলাক ইতস্তত: বিন্যস্ত। চেহেৰা ম্লান ).

অজয়। কামৰ পৰা অলপ আজৰি পালেই সেই চিন্তা। সেইকাৰণেই ইমানকৈ চেষ্টা কৰো নিজক সম্পূর্ণৰূপে কাৰ্য্যত লিপ্ত ৰাখিবলৈ। মাজে মাজে এনে একোটা উদম্ভ কল্পনা আহি পৰে যেন নিজকে নিজে হত্যা কৰিম। যেন নিজে নিজৰ বুকুখন চিঙি আনিম। এনে তুৰৱস্থাও মানুহৰ হয়। যিমানে যুক্তিৰ দ্বাৰা মনটোক প্ৰবোধ দিব খোজো, সিমানে সি মতলীয়া হৈ উঠে। কোনে জানে মোৰ মনৰ এই দৃঢ়তা কেতিয়া শিথিল হৈ যায়।—এনে পাগলমন প্ৰতিমা জনীৰ। জানো কাৰদ্বাৰা এইবোৰ হব ধৰিছে। ইচ্ছা কৰিলে আজিয়ে প্ৰতাপক হত্যা কৰি সকলো অনিষ্টৰ পৰা হাত সাৰিব পাৰোঁ। কিন্তু তেনে নকৰোঁ, কিয় ইমান অবিশ্বাস প্ৰতিমাৰ! এই অবিশ্বাসৰ দ্বাৰা নিজেও মৰিব, মোকো জ্বলাই মাৰিব।

( প্ৰতিমা আহে। তেওঁৰ কিছু সোম্যভাৱ দেখা গৈছিল ]

প্ৰতিমা। ইমান কি ভাবা তুমি?

অজয়। ( নীৰৱে চাই থাকে )

প্ৰতিমা। চকুদুটা গাঁতলৈ সোমাই গৈছে, গাটো কক্ষ হৈ গৈছে। ইমান কিহৰ চিন্তা তোমাৰ?

অজয়। ( মুখত অলপ শুকান হাঁহি ) এই ঘৰ-সংসাৰৰ।

প্ৰতিমা। আই— ঐ! ঘৰ-সংসাৰৰ? লৰাছোৱালীকেইটাৰ কি খবৰ?

অজয়। মিছা ভাবিছা ? সকলো আছে, কিন্তু বহুত দূৰত

প্ৰতিমা। ক'তনো, শুনো ?

অজয়। সিপুৰী বুলি এখন ঠাই আছে জানা ? তাত - আছে।

প্ৰতিমা। ছিঃ, কিযে হৈ গৈছা তুমি দিনে দিনে। কিমান দিন তোমাৰ ইয়াদৈ আহা নাই। এয়া কি ? কিতাপ খনৰ পাতবোৰ যে একেবাৰে নোহোৱা হৈছে। ভাল মানুহজন তুমিও। হেৰা আৰুনোকোন থাকে তোমাৰ লগত ?

অজয়। যমদূত।

প্ৰতিমা। তুমি সচাকৈয়ে বৰ বিশ্ৰী হৈ গৈছা। কিয় এনে কষ্ট দিয়া জীৱনটোক ? ইমানবোৰ চাকৰ আছে, তুমি নোলোৱা কিয় এটা ? ওবে দিনটো থাকিবা কেবল কাজ কাজ বুলি, ৰাতি হলে অলপ বিশ্ৰামতো লাগে।

অজয়। বিশ্ৰাম। (এটা হুমুনীয়া কাঢ়ে) দুদিনৰ পিচত ভালকৈয়ে বিশ্ৰাম লম। বৰ পাহৰি গৈছিলো সঁচাকৈ। তোমাৰ আগত মোৰ এটা কথা কব লগা আছে।

প্ৰতিমা। কোৱাছোন—কোৱাছোন। তুমি আজিকালি কি হৈ গৈছা। কথা নোকোৱা, নাইহা, নামাতা ? কিয় থাকা এনেকৈ ? বৰ যে বেয়া লাগে।

অজয়। মিছা—কৈছা, বেয়া—নালাগে। বাৰু নালাগক। মোৰ কাৰণে কোনোৱে দুখ কৰিব নালাগে।

প্ৰতিমা। এবা, কোনো নাই।

অজয়। যি কাৰণেই নহওক তোমাৰ লগত মোৰ বন্ধুত্ব বৰ দৃঢ় হৈ উঠিছিল। সেই কাৰণে আজিবে পৰা বিদায় লওঁ। হয়তো ইয়াৰ পিচত আৰু সময় নাপাম। তেতিয়া মনত এটা দুখ ৰৈ যাব।

প্ৰতিমা। কলৈ যাবা?

অজয়। য'লৈ গলে তোমালোকক আৰু অত্যাচাৰ কৰিব নোৱাৰিম। মোৰ দৃষ্টিও যে তোমালোকৰ অসহ্য হৈ উঠিছে। ইয়াৰ বাহিৰে যে আৰু অন্য উপায় নাই।

প্ৰতিমা। মোক এৰি তুমি বৰকৈ ঘৃণা কৰা নহয়? মোৰ আগমনে তোমাক বলীয়া কৰি তোলে। মোক ক্ষমা কৰিবা। তোমাৰ জীৱনক মই অশান্তিময় কৰি তুলিছোঁ। ইয়াতো যে বৰ সুখ আছিল। তোমাৰ খং তুলি কিযে অপাৰ আনন্দ পাইছিলোঁ মই। যাক'। ভিক্ষুকৰ ছোৱালী মই, ইমান সুখ কিয় মোৰ সহ্য হব?

অজয়। যোৱা, প্ৰতিমা, যৰটোত মই বিষ উগাৰিব ধৰিছোঁ। বতাহ বিলাক দূষিত হৈ গৈছে। নিজৰ বিষৰ জ্বালত নিজে মৰিম, তুমি যোৱাগৈ।

প্ৰতিমা। কিয় ইমান নিষ্ঠুৰ হৈছা তুমি? কোৱা কি সুখ পাইছা? কি যে অসহ্য বেদনাত মই ছাটি-ফুটি কৰি মৰিব ধৰিছোঁ। এদিন সামান্য বিপদতে মোৰ বাবে ইমান উতলা হৈছিল,—আজি ইমান উদাসিন, ইমান নিৰপেক্ষ। কিযে হৈ গ'ল। আৰু যে মই থাকিব নোৱাৰোঁ। হেৰা, মোক ৰক্ষা কৰা। আকৌ মোক মৰম কৰা—মোক তোমাৰ কৰি লোৱা—তোমাৰ কৰি লোৱা। [ উচুপি উচুপি কান্দে ]

অজয়। [ উঠি গৈ হাত দুখনিত ধৰে ] প্ৰতিমা—প্ৰতিমা! দৈত্যৰ দৰে অৱসাদে মোক গ্ৰাস কৰিব ধৰিছে। নিশ্চিত মৃত্যুৰ মুখলৈ অগ্ৰসৰ হব ধৰিছোঁ। কিয় এই আলোক দেখাবলৈ আহিছা? কিয় মোৰ সমাধিত ব্যাঘাত জন্মালা? কিয় মোক মুক্তিৰ পথা আঙুৰাই আনিলা। প্ৰতিমা... প্ৰতিমা!

নেপথ্যে দুৰ্লভা। অ' ফুল ফুল, আহা তোমাক দাদাই মাতিছে।

[ প্ৰতিমা উচপ খাই উঠে। চকুদুটা বৰ্ণা হয় পাগলৰ দৰে )

নেপথ্যে ফুল। মই পিচত যাম, তুমি যোৱাগৈ।

প্ৰতিমা! কিয় মাতিছা তুমি ফুলক? কোৱা কিয়?

অজয়। [ আচৰিত হৈ চাই থাকে )

প্ৰতিমা। তুমি নহয় বিশ্বাসী? —তুমি নহয় মোক ভালপোৱা? কিয় এই-বিলাক অভিনয় কৰিছা তুমি মোৰ লগত? ভাবিছা তুমি ফুলক লৈ সুখে থাকিবা? সিযে নহয়। মই তোমাৰ শনিগ্ৰহ, তোমাৰ পিচে পিচে ঘূৰি ফুৰিম। তোমাৰ সুখ শান্তি সকলো নষ্ট কৰিম। উঃ! মই যে কি হৈ গৈছোঁ। তুমি মোৰ সৰ্বনাশ কৰিছা।

(বেগে গুচি যায় )

অজয়। প্ৰতিমা, তুমি গুৰুতৰ অপৰাধ কৰিছা। আৰু তোমাক ক্ষমা কৰিব নোৱাৰোঁ। এইবাৰ প্ৰতাপ এই কুট চক্ৰৰ কৰ্ত্তা, তোৰ ৰক্ষা নাই। কিমান আৰু সহ্য কৰিব মানুহে। চিৰ দিন দুৰ্ভাগ্যৰ প্ৰকোপত শৰীৰ জৰ্জৰিত হৈ গৈছে। হয়—পৃথিৱীৰ সকলোকে মৰিমূৰ কৰি দৈত্য সাজিম। —নহলে নিজে নিজক হত্যা কৰি সকলোৰে প্ৰতিশোধ লম। প্ৰতাপ —নাৰকি প্ৰতাপ! ( চকুদুটাৰে যেন জুই ওলায়। হঠাৎ সকলো শিথিল হৈ যায় ) উহু নহয়, ভগবান, ইমান দুৰ্ভাগ্যৰ তাৰণা যে সহ্য নহয়। কি যে পাপ কৰিছোঁ। দিনে নিশাই ইমান যাতনা ভোগ কৰিব ধৰিছোঁ। উপায় দিয়া ঈশ্বৰ।

( আগৰ ঠাইত গৈ বহে। উত্তেজনাৰ পিচত শৰীৰ বিকল হয় ]

[ দুৰ্লভাৰ প্ৰবেশ ]

দুৰ্লভা। দাদা — দাদা! কি হৈছে তোমাৰ?

অজয়। ( আগৰ দৰে নিমাত হৈ থাকে। )

দুৰ্লভা। কিযে কৰিছা তুমি দাদা? এনে জ্ঞানী, এনে উৎসাহী, এনে

বিচক্ষণ তুমি। কিয় জীৱনটোক এনে কষ্ট দিছা ?

অজয়। তই যাগৈ দুৰ্লভা। মোক অলপ অকলে থাকিবলৈ দে।

দুৰ্লভা। দাদা ( কান্দত মুখ থয়।)

অজয়। যা দুৰ্লভা। আৰু মোক মায়াৰে নাবান্ধিবি। মোৰ প্ৰাণত আৰু কোনো মায়া নাই। যিমানদিনে তই আছিলি, তোৰ মায়াই আবৰি ৰাখিছিল,—আৰু মোৰ কোনো নাই। যা দুৰ্লভা, ঈশ্বৰে তইঁতক সুখী কৰক।

দুৰ্লভা। এনে অত্যাচাৰ কৰিছা তুমি শৰীৰটোৰ ওপৰত। চকুমুখ বিশ্ৰী হৈ গৈছে। কিয়ে কৰিছা তুমি ? ইয়াৰ পাপ যে আমাৰ ওপৰতো পৰিব। জীৱনৰ এনে সন্ধিক্ষণত কিয় তুমি উদাসিন হলা।

অজয়। মোক অলীাই মাৰিছ দুৰ্লভা। তই যা গৈ। অশান্তিময় জীৱনটোক আৰু অশান্তিময় কৰিছ। অলপ শ্ৰান্তি লৈছোঁ। কিয় এইখিনিও সহ্য নহয় তইঁতৰ ? কি কৰিবি মোক তইঁতে ?

দুৰ্লভা। আহা দাদা, ইয়াৰ পৰা যাওঁ। যাবই লাগিব তুমি। আহা ইমান মৰমৰ ভনীটি মই তোমাৰ।

অজয়। সঁচা কৈছোঁ দুৰ্লভা তই যাগৈ। মই অলপ পিচত যাম।

দুৰ্লভা। ইন্দ্ৰ—ইন্দ্ৰ।

অজয়। ( অলপ হাঁহি ) তই বৰ দুষ্ট দুৰ্লভা।

[ ইন্দ্ৰপালৰ প্ৰবেশ। ]

ইন্দ্ৰ। কিয় মাতিছ আই ? অ' মামাও দেখোন ?

দুৰ্লভা। তোৰ মামাক লৈ বল। আমাৰ ঘৰলৈ।

ইন্দ্ৰ। নাযায় নেকি মামা ? ইস্ নাযাব। আহঁক যাওঁ।

( হাতত ধৰি টানে। )

অজয়। ব'ল তইঁতৰ লগত আৰু উপায় কি ?

[ সকলোৰে প্ৰস্থান। ]

[ অল্পকালৰ পৰা সিংহপাল আহে। মুখত ক্ৰুৰতাৰ চিন ফুটি উঠে। ]

সিংহপাল। কাপুৰুষ মই, কি কৰিছো ইমান দিনে ? যুক্তি সাজোতে গ'ল। বাৰে বাৰে লাঞ্চিত অপমানিত হৈয়ো একো কৰিব পৰা নাই। কি কৰিলোঁ জীৱনত ? ৰজাৰ অপ্ৰিয় হৈছোঁ,—প্ৰজাৰ অপ্ৰিয় হৈছোঁ। তথাপি যদি মোৰ কাৰ্য্য উদ্ধাৰ কৰিব নোৱাৰোঁ—তেনে জগতে যে হাঁহি উৰাই দিব। পুৰন্দৰৰ অপমান—অজয়ৰ অপমান। দাউ দাউ কৰি প্ৰতিশোধৰ জুই বুকুৰ মাজত জ্বলি উঠে। আকৌ উঠ, দ্বিগুণে জ্বলি উঠ—প্ৰতিশোধৰ দীপ্ত শিখা। প্ৰচণ্ড ধুমুহাৰে নৰকৰ দুৰ্গন্ধেৰে প্ৰেতৰ বিভীষিকাৰে দুৰ্জ্জয় নগৰ ছাই কৰি দিম। এইবাৰ ৰক্ষা নাই। এই শেষ চেষ্টা। জ্বলাই দিম, এই দুৰ্জ্জয় নগৰ জুই লাগি দমদমকৈ পুৰি যাব। পুৰন্দৰৰ বৰ মৰমৰ পত্নী দুৰ্লভা ছাই হৈ যাব। আৰু যে সময় নাই। ক'ত পাওঁ। কোন মোৰ বন্ধু, সহায় কৰা। মোক লাগে পুৰন্দৰৰ ছিন্নশিৰ অজয়ৰ ৰক্ত দুৰ্জয়নগৰৰ ভস্মস্তূপ। ( হঠাৎ কাঁহ উঠে। অলপ পৰ কাহে ) উঃ—উঃ বুকুখন যেন খহি পৰে। হাৰমাংসবোৰ যেন এটা এটা হৈ গৈছে। উঃ যন্ত্ৰণা। ( বহি পৰে। )

[ প্ৰতাপসিংহৰ প্ৰবেশ। ]

প্ৰতাপ। কি হৈছে আপোনাৰ সেনাপতি ?

সিংহ। কোন ? প্ৰতাপ ?—বহা তোমাৰ লগত কথা আছে।

প্ৰতাপ। কথা আৰু কি থাকিব সেনাপতি, মনটো বেয়া লাগিছে। ইমান বোৰ চেষ্টা কৰি বিফলমনোৰথ হৈছে, আৰু আশা নাই।

সিংহ। কাপুৰুষ তুমি প্ৰতাপ। ইমান চেষ্টাত বিফল হৈছোঁ। এইবাৰ শেষ চেষ্টা। ইমান জীৱনৰ মমতা থাকিলে কি হ'ব? এইবাৰ হয় আমাৰ জীৱন, নহয়—সিংহাসন। এইবাৰ শেষ সিদ্ধান্ত। কিমান দিন সুযোগৰ অপেক্ষা কৰিবা।

প্ৰতাপ। আমাৰ সহায় কত?

সিংহ। কোৱা কি তুমি প্ৰতাপ? তুমি সৈন্যাধ্যক্ষলৈ যোৱা, দেখিবা সম্পূৰ্ণ আধা সৈন্য আমাৰ ফালে। এটা কথা ফুলক আতৰাব পাৰিলে।

প্ৰতাপ। ফুল আৰু থাকিব নোৱাৰে, প্ৰতিমাৰ ঘোৰ প্ৰতিদ্বন্দিনী।

সিংহ। বেচ ভালেহলে। আমাৰ কাৰ্য্য হাতত লোৱা। প্ৰথমে দুৰ্লভাৰ নিধন।

প্ৰতাপ। দুৰ্লভাৰ নিধন

সিংহ। এৰা দুৰ্লভাৰ নিধন। পুৰন্দৰক খুচি খুচি মাৰিম। শুনা প্ৰতাপ অপমানবিলাক মনৰ ভিতৰত উমাই ৰাখা। তাৰ প্ৰতিকাৰ কৰাই গণ্ডাই আদায় ক'ৰিব লাগিব। বন্তপাল বুঢ়া হৈ আহিছে ইন্দ্ৰপাল নিচেই অকণমান। পুৰন্দৰৰ অবিহনে ৰাজ্যত হাহাকাৰ লাগিব নিশ্চয়। তেতিয়া হলে মোৰ কাৰ্য্য সহজতে সফল হৈ যাব।

প্ৰতাপ। কিন্তু মোৰ যে একো নহল সেনাপতি।

সিংহ। কিয় নহ'ব তোমাৰ? তুমিয়েই কৈছা প্ৰতিমা অজয়ৰ বিদ্বেষিনী হৈ উঠিছে।

প্ৰতাপ। হয়, কিন্তু তাতো যে লাভ নাই।

সিংহ। তুমি এটা কাজ কৰা। এদিন চেলু চাই তুমি প্ৰতিমাৰ আগত বিয়াৰ প্ৰস্তাৱ কৰা।

প্ৰতাপ। কয় কি সেনাপতি?

সিংহ। এৰা, কবই লাগিব তুমি, নহলে প্ৰতিমাই তোমাক নিজে আহি বৰমাল্য দিব বুলি কিয় আশা কৰা ?

প্ৰতাপ। বেচ তাকেই কৰিম।

সিংহ। বৰ্ত্তমান তুমি মোক সহায় কৰা। পুৰন্দৰৰ নিধন হলে সকলো ফালে আমি জয়ী হৈ উঠিম। পাৰিবা তুমি প্ৰতাপ ?

প্ৰতাপ। কি কৰিবলৈ ?

সিংহ। পুৰন্দৰক হত্যা কৰিবলৈ, আগেয়ে দুৰ্লভাক হত্যা কৰিবলৈ ?

প্ৰতাপ। মোক ক্ষমা কৰক।

সিংহ। কাপুৰুষ!—মই তোমাৰ সহায় হম। দুৰবৰণবা তুমি অস্ত্ৰ নিক্ষেপ কৰিবা।

প্ৰতাপ। মই নোৱাৰিম সেনাপতি, মোৰ হাত কঁপি যাব।

সিংহ। এইখিনি সাহ লৈ ইমান ডাঙৰ কাৰ্য্য সমাধা কৰা তুমি ? যোৱা, প্ৰতিমাৰ পিছে দৌৰি ফুৰাগৈ। দেখিবা এই মাহৰ ভিতৰতে মই মোৰ কাৰ্য্য সমাধা কৰিম।

প্ৰতাপ। অজয়ৰ কি কৰিব ?

সিংহ। অজয়ক আগেয়ে হত্যা নকৰোঁ। এটাক হত্যা কৰিলে নগৰৰ সকলোবোৰ সাৱধান হৈ পৰিব। আগেয়ে অজয়ক হত্যা কৰিলে পুৰন্দৰক হত্যা কৰা টান হৈ পৰিব। আহা প্ৰতাপ কিছুমান কথাৰ যুক্তি কৰোঁগৈ। [ প্ৰস্থান। ]

———

# তৃতীয় দৃশ্য।

[ ইন্দ্ৰপাল অকলে বহি আছিল। দুই এখন সৰু কিতাপ পঢ়ি থাকে ইফালে সিফালে। এখন কিতাপত বাঘৰ ছবি এটা উলিয়াই আঁকি থাকে। ]

ইন্দ্ৰ। কোনে যে আঁকিছে এনে সুন্দৰকৈ এই বাঘটো। আচল বাঘেই যেন লাগে। ডাঙৰ হলেই পিতাৰ পৰা এপাত ডাঙৰ যাঠি লৈ বাঘ মাৰিবলৈ যাম। ইয়াত আঁকো বাঘটো ? তেনেই অকণমান। হাবিত বোলে ই বৰ ডাঙৰ। মাতটোও বোলে বৰ ডাঙৰ। কেনেকৈ হিংস্ৰক বেটাৰ মুখখন ! উহ্ চোৱাচোন কেনেকৈ থাপ পাতি আছে। ৰ, আগেয়ে তোক আঁকি লওঁ। কোনফালৰ পৰা আকোঁ। আগেয়ে কান দুখন। উহু, নহয়, নেগুডাল আকোঁ। এইয়া বেচ নেগুডাল আঁকিবলৈ বেচ সহজ। তাৰ পিচত ভৰি দুখনি আৰু পেটটো। (আঁকে) ইহ্, কেনেকৈ কুৎচ হ'ল। ভাল নহয়ে দেখোন। পেটটোৰ এইখিনিতে চেপেটা হৈ গ'ল। ভৰিৰ নখবিলাক নিদিওঁ। বেচ এইবাৰ হৈছে। এতিয়া মূৰটো আকোঁ কেনেকৈ ? ৰ ! আঁকো একে পাকে। আই দেখিলে চাগৈ আজি বৰ মৰম কৰিব। মামাকো দেখুৱাম। মূৰটো একেবাৰে ঘূৰণীয়া হৈ গ'ল। এই দুটা হ'ল চকু। বেচ বেচ হলেই বাঘটো। ও কাণ দুখন। তাৰ ফুটা দুটা দিওঁ কেনেকৈ ? ৰ' বিন্ধাই দিওঁ। বিন্ধালে নষ্ট হৈ যাব। কি কৰো। কাণ দুখন দিও কেনেকৈ ? এনেকৈ দিলে—উহু নহয়—নহল। বাক আইক শুধো। ও আই -আই—।

( কুলদেবীৰ প্ৰবেশ। )

কুলদেবী। কি হৈছে অ' ইন্দ্ৰ ?

ইন্দ্ৰ। এইয়া চাচোন বাঘটো আঁকিছোঁ। এতিয়া কানৰ ফুটা দুটা দিব নোৱাৰোঁ। বিন্ধাই দিম নেকি ?

কুল। চাওঁ চাওঁ ক'ত বাঘ আঁকিছ ?

ইন্দ্ৰ। এইয়া।

কুল। এবা—বৰ সুন্দৰ হৈছে তোৰ বাঘটো।

ইন্দ্ৰ। এতিয়া কাণৰ ফুটা দুটা যে দিব নোৱাৰোঁ।

কুল। ইয়াতে দুটা বিন্দু দি দে।

ইন্দ্ৰ। বাক বৰ! (দিয়ে) এবা হৈছে এইবাৰ। চাচোন কি সুন্দৰ বাঘটো হৈ পৰিল। মোক কি দিবি এতিয়া ?

কুল। দুটা বেতৰ কোব!

ইন্দ্ৰ। কিয় ?

কুল। তই নপঢ়াকৈ এইবোৰ কৰি সময় কটাইছ কিয় ?

ইন্দ্ৰ। এইবোৰ হবলা পঢ়া নহল ? এইয়াতো বেচ পঢ়া হৈছে। এই যে বাঘটো আঁজি থাকিলোঁ। ডাঙৰ হলে ইয়াক বনত খুচি মাৰিম। তই একো নাজান তিৰোতা মানুহ।

কুল। দেখো ঐ। তই হবলা মোতকৈ বেচি জান ?

ইন্দ্ৰ। খুব বেচিকৈ জানোঁ। এই চা মই জপিয়াব পাৰোঁ, গছত উঠিব পাৰো, পঢ়াশালীলৈ যাব পাৰোঁ। তই পাৰ ?

কুল। তোতকৈ মই কিমান ডাঙৰ পুথি পাঢব পাৰোঁ।

ইন্দ্ৰ। থৈদে সেইটো একো জনা নহল। তহতে নপঢ়ি আৰু কি কৰিবি ? ঘৰৰ ভিতৰত বহি বহি পঢ়ি থাকিবইতো লাগিব। আমাৰ হলে ক'ত আছে যুদ্ধ, ক'ত আছে বাঘ-ভালুক। বাৰু কচোন এটা ভালুক আহিলে তোৰ কিতাপে কি কৰিব ?

কুল। কিতাপবোৰৰ পৰা বুদ্ধি পাম।

ইন্দ্ৰ। মিছা কথা। বুদ্ধিৰে মাৰিব নোৱাৰ। বুদ্ধি ভাবি থাকোঁতে ভালুকে আহি খাই পেলাব।

কুল। মনে মনে থাক ইন্দ্ৰ। তই একো নাজান।

ইন্দ্ৰ। সচাই নাজানো একো? ৰ আতাক মাতো।

( ৰত্নপাল আগৰ পৰাই লুকাই আছিল। ওলাই আহে। )

চাছোন আতা। এই আবুজনীয়ে কয় মই বোলে একো নাজানোঁ। বহি বহি এই সুন্দৰ বাঘটো আকিছোঁ। আবুৱে কৈছে ইয়াৰ বাবে বোলে দুটা বেতৰ কোবহে দিব লাগে।

ৰত্ন। বেচ হৈছে তোৰ বাঘটো। কেনেকৈ আকিলি?

ইন্দ্ৰ। এই কিতাপত চাই চাই আকিছোঁ। আবুয়ে একো নাজানে নহয় আতা, তিৰোঁতা মানুহ?

ৰত্ন। সঁচাকৈছ ইন্দ্ৰ। তিৰোতা মানুহে একে নাজানে। শিকতে জানে কেৱল কান্দিবলৈ। কিবা এটা ভাঙৰ কথা হলেই কান্দিব ধৰে। আৰ বাহিৰে আৰু উপায় নাই।

ইন্দ্ৰ। কি আবু, কি হল পিছে? কোনে জানে বেচিকৈ? ( ৰৰ গম্ভীৰ ভাবে খোজ কাঢ়িব ধৰে। )

কুল। ইহ লৰাৰ খোজ চোৱা, যেন কিবা এটা হৈহে পৰিল। ভৰি দুখন পকাই দিম অ' ইন্দ্ৰ।

ইন্দ্ৰ। তালৈ ভয় কৰা বিধৰ মই নহওঁ। বুজিছ? এইবাৰ পোণেই ঘাম আইৰ ওচৰলৈ, তাৰ পিচত পিতাৰ ওচৰলৈ। কিবাকিবি আনিব লাগিব, নহয় আতা।

ৰত্ন। যাগৈ আৰু পলম নকৰিবি। পুৰস্কাৰটো ডিঙিত পিন্ধি আহিবি।

কুল। কিন্তু আয়েৰাও তিৰোতা মানুহ ইন্দ্ৰ? কৰ নোৱাৰিছো তোক কি পুৰস্কাৰ দিয়ে।

ইন্দ্ৰ। আই তিৰোতামানুহ হলেও তই আবুজনীৰ দৰে নহয়। আয়ে মোক কিমান চুমা খাব চাবি ৰ' বাৰু। আই—অ' আই।

] প্ৰস্থান। ]

ৰত্ন। দেখিছা ৰাণী, পুৰন্দৰৰ লৰাৰ কথা। এই অকণমানৰে পৰা সি পিতাকৰ স্বভাৱখিনি গ্ৰহণ কৰিছে।

কুল। আৰুতো চাই থাকিব নোৱাৰি মহাৰাজ।

ৰত্ন। কিহৰ কথা কৈছা ৰাণী ?

কুল। নাজানা তুমি ? এই যে নগৰখনৰ ভিতৰতে ইমানবোৰ চক্ৰান্ত চলিব লাগিছে। তুমি জানিও একোৰে প্ৰতিকাৰ নকৰা কিয় ? তুমি ইমান উদাসিন হলে কেনেকৈ চলে।

ৰত্ন। সকলোভাৰকে মই পুৰন্দৰক দিছোঁ ৰাণী।

কুল। বাদ দিয়া। ৰজা তুমি, নিজে থাকিবা মনে মনে, আৰু আনে তাত কি হাত দিব ?

ৰত্ন। বাৰু বিপদ হ'ল কি ?

কুল। তোমাৰ কথাবিলাক শুনি খং উঠে সঁচাকৈ। তুমি যেন একোকে নাজানা। সকলো কথা জানিও এনে ভাব জুৰা কিয় ?

ৰত্ন। চিন্তিত ময়ো হৈছো ৰাণী। সিংহপালক শোধবাৰৰ উপায় নাই। এটা উপায় আছে—তাক সংসাৰৰ পৰা আঁতৰ কৰিব লাগিব। কিন্তু সি বৰ কঠিন কাম। আজি যদি মই সিংহপালৰ হত্যাৰ আদেশ দিওঁ, তেনে ৰাজ্যময় ৰাষ্ট্ৰ হৈ যাব যে নিজৰ এটা স্বাৰ্থপুৰণৰ বাবে ৰজাই বুদ্ধিমান বলবান সেনাপতিক হত্যা কৰালে। আজি কিবা এটা নীচ স্বাৰ্থপুৰণৰ বাবে সিংহপাল মোৰ বিদ্ৰোহী তেতিয়া শত শত সিংহপাল মোৰ বিদ্ৰোহী হৈ উঠিব। সিংহপালে কুচক্ৰান্ত কৰি প্ৰায়

অৰ্দ্ধসৈন্য তাৰ ফলীয়া কৰি লৈছে। কিন্তু আজি যদি মই সিহঁতৰ আগত থিয় দিওঁ, তেনেহলে সিহঁতৰ সাধ্য নাই যে মোৰ প্ৰতিকূলে অস্ত্ৰ ধৰে। তুমিতো নজনা নহয় ৰাণী ৰাজ্যশাসন কি দুৰূহ কাজ। ভয় দেখুৱাই কোনোৱে কাকো শাসন কৰিব নোৱাৰে। প্ৰজাৰ লগত ৰজাৰ, আৰু ৰজাৰ লগত প্ৰজাৰ সহানুভূতি নাথাকিলে কাকে শান্তি নাথাকে।

কুল। তেনে কি উপায় ভাবিছা ?

ৰত্ন। ভাবিছো কেইদিন মানৰ পিচত সিংহপালক ৰাজ্যৰ পৰা নিৰ্ব্বাসিত কৰিম।

[ হঠাৎ ফুল আহে। ]

ফুল। ৰাণী আই ! ( ৰজাক দেখি থমকি ৰয়। )

কুল। আহা ইয়ালৈ। কি কব খুজিছিলা ? ইমান ব্যস্ত হৈছা কিয় ?

ফুল। এটা নতুন বিপদ।

ৰত্ন। নতুন বিপদ !

ফুল। হয়, মহাৰাজ। সেই যে যুৱৰাজ সীমান্তৰ যুজলৈ গৈছিল,—

কুল। এৰা, বহুত দিন আগতে।

ফুল। সীমান্তৰ ৰাজপুত্ৰ শৰণাপন্ন হোৱাত যুৱৰাজে তেওঁক ক্ষমা কৰিছিল।

কুল। তাৰ পিচত ?

ফুল। সেই ৰাজ কোৱৰ বৰ্ত্তমান দুৰ্জ্জয় নগৰত—

ৰত্ন। দুৰ্জ্জয় নগৰত !

ফুল। হয় মহাৰাজ, আপোনালোকৰ বিদ্ৰোহী। বৰ্ত্তমান সিংহপালৰ সৈতে যুৱৰাজৰ সৰ্ব্বনাশৰ চেষ্টাত ঘূৰিছে।

ৰত্ন। ভাবিবৰ কথা। শুনা ফুল এটা অনুৰোধ আছে।

কুল। আদেশ কৰক মহাৰাজ।

বত্ন। আমাৰ ভাগ্য আকাশত এচটা ভাঠ কলা মেঘ- গাঢ়হৈ উঠিছে। আনাক সহায় কৰ ফুল। তুমি খাছিয়ালৈ যাবৰ যি ইচ্ছা কৰিছা তাক পৰিত্যাগ কৰা। তুমি থাকিলে আমাৰ বহুত সহায় হব।

ফুল। কিন্তু মহাৰাজ, মই থাকিলে বিপদো যে কম নহব।

বত্ন। হওক বিপদ, তুমি থাকিবই লাগিব।

কুল। অন্ততঃ কিছুদিন থাকা ফুল। আমাৰ এই সময়ত যদি তুমি অলপমানো সহায় কৰিব পাৰা, তেনে কিয়নো ইমান বিমুখ হোৱা ?

ফুল। সেয়ে হব মহাৰাজ। নাযাওঁ।

বত্ন। তুমি এটা কাজ কৰিব লাগিব ফুল। অৱশ্যে তুমি অকলে নোৱাৰিবা। তোমাৰ লগত অজয় থাকিব।

কুল। তেওঁৰ লগত মই নোৱাৰিম মহাৰাজ। বিনয় কুমাৰক দিয়ক মোৰ লগত।

বত্ন। বাৰু সেয়ে হব। যোৱা এতিয়া।

কুল। বলা। ( কুলদেবী আৰু ফুল যায় )

বত্ন। ( ভাবিব ধৰে )। এই যে মোৰ দুৰ্জয় নগৰ। পুৰন্দৰৰ গাত দোষ নাই। আগেয়ে মই সিংহপালক শাসন কৰা উচিত আছিল। এতিয়া প্ৰায় অসময় হৈ পৰিছে। আকৌ প্ৰতাপ সিংহ। ইযে সৰ্বনাশ। মাজে মাজে মোৰ বুক খন কঁপি উঠিছে। কি যেন এটা অমঙ্গলে চুইছে। সুখ শান্তি কাৰো নোহোৱা হৈছে। ধীৰে ধীৰে সুদৃঢ় বান্ধৰ পাকবোৰ যেন খহি পৰিব ধৰিছে। দুৰ্জয় নগৰৰ উচ্চ স্তম্ভৰ সোনালী আখৰ বোৰ যেন এটা এটাকে মলিন হৈ আহিব ধৰিছে। বত্নপালৰ তেজেৰে গঠিত এই দুৰ্জয় নগৰ।—দুৰ্জয় নগৰ……।
(ভাৱৰ ভাবি শুচি যায় )



৯

[ ঘৰ বাস্তাৰে পুৰন্দৰ আহে। গম্ভীৰ বিপদৰ চিন্তাই তেওঁক হিতাহিত জ্ঞান ৰহিত কৰি তুলিছিল ]।

পুৰন্দৰ। কি যেন এটা শুনিলোঁ। কোনে যেন দুৰ্লভাৰ বিৰুদ্ধে কিবা কিবি ষড়যন্ত্ৰ কৰিব ধৰিছে। ভাবিলেও যেন শৰীৰৰ অঙ্গবোৰ শিথিল হৈ যায়। বুকুৰ মাজৰ তেজবিলাক গোট মাৰি যায়। ভগবান দীন হীন মই ( বহি পৰে ) ইয়ে ভীষণ অত্যাচাৰ। ইহাক যে সহ্য কৰিব নোৱাৰোঁ। ( হঠাৎ থিয় হয় ) নহয় এনেদৰে চিন্তা কৰি থাকিলে বিপদ বাঢ়ি যাব ক'ত কুৱৰী। জীৱন বিসৰ্জন দি হলেও কুৱৰীক বচাম। কুৱৰী—কুৱৰী—

( বেগে গুচি যায় )

—•—

# চতুৰ্থ দৃশ্য

—•❁•—

## গাওঁ

[ সুন্দৰ চন্দ্ৰাতপৰ তলত বেদীৰ ওপৰত প্ৰতিষ্ঠিত পুৰন্দৰৰ প্ৰস্তৰ মূৰ্ত্তি। মূৰ্ত্তিৰ চাৰিওপিনে নানা বৰণৰ ফুল চতিয়াই দিয়া থাকে। সন্মুখত ধূপদীপৰ ধোঁৱা। ঘৰত ওপৰত আৰু কাষত বিজয় নিচান উৰি থাকে। ফুলৰ মালা বোৰ মূৰ্ত্তিৰ ওপৰত বতাহত লৰি থাকে। মূৰ্ত্তিৰ সন্মুখত নতজানু হৈ বিনয়, মহেশ গোপী আৰু অন্যান্য কৃতজ্ঞ-প্ৰজাবোৰ ]।

( হাঁলি জালি হোৱালীবোৰে মূৰ্ত্তিৰ সন্মুখত গীত গায়। )

### গীত

ধন্য হে ৰজা ধন্য ধন্য
মহিমাময় হে পুৰন্দৰ।
দৈন্য বিনাশি পুণ্য বিতৰা
প্ৰণমিছো আমি হে গুণধৰ॥
কিবা পুণ্যবলে লভিছো জনম
ইহেন ৰাজ্যত অতি অনুপম
আঁতৰিছে যত লোভ অহঙ্কাৰ
বিৰাজিছে সদা শান্তি সুন্দৰ।

ধৰা উজলাই তোমাৰ মুৰতি
থাপিছোহে দেৱ কৰো শত নতি
জ্বলে আকাশত জ্যোতি মনোহৰ
দিয়া জ্যোতি তুমি হে চিৰসুন্দৰ।

বিনয়। এই আপোনালোকৰ পিতৃতুল্য, ভ্ৰাতৃতুল্য, বন্ধুতুল্য প্ৰজাৰঞ্জক ৰাজকোঁৱৰ পুৰন্দৰ পালৰ প্ৰস্তৰ মূৰ্তি। প্ৰজাৰ দুখ দুৰ্গতি মোচনাৰ্থে আপোনালোকৰ জীৱন সুখময়, মধুময়, শান্তিময় কৰিবৰ অৰ্থে আপোনালোকৰ দীনতাৰ সমুখত থিয় হৈ যি নিজৰ-সকলো ৰাজভোগ পৰিত্যাগ কৰি সাধাৰণ ভূষণ পৰিধান কৰি, আপোনালোকৰ আগত দেৱতাৰ আশীৰ্বাদ ৰূপে হঠাৎ আবিৰ্ভাব হৈ আপোনালোকক সকলো অপায় অমঙ্গলৰ পৰা ৰক্ষা কৰিছিল, এই সেই বীৰ পুৰন্দৰ পালৰ প্ৰস্তৰ মূৰ্তি। ইযে ৰাজ্য লাভৰ আকাঙ্ক্ষা নহয়, জগতত নিজক সাধু আৰু উদাৰ বুলি বিদিত কৰিবৰ দুৰাশা নহয়, ই শত শত বিপন্ন বুভুক্ষু প্ৰজাৰ কাতৰ অনুযোগৰ আবেগময় প্ৰতিকাৰ। সৌযে দূৰে দূৰে নীল ৰং সানি গাওঁবোৰে জেউতি চৰাব লাগিছে, প্ৰকৃতি-পুঞ্জৰ বিষাদময় মুখবোৰত শান্তিৰ কোমলতা বিৰাজি উঠিছে। ই কাৰ আগমনত, কাৰ দৰশনত? মনত ৰাখিব ভাই সকল মনত ৰাখিব মোৰ দেশবাসী সকল, এই মহিমাময় স্বদেশ প্ৰাণ দেৱসদৃশ আমাৰ ৰাজকোৱঁৰ, ভাবী কামৰূপৰ অধীশ্বৰ পুৰন্দৰ পালৰ এই গৌৰৱ মণ্ডিত কাহিনী। মনত ৰাখিব দেশৰ বিপদত ৰজাৰ বিপদত, আপোনালোকে এক ইঙ্গিততে নিজৰ প্ৰাণ উছৰ্গা কৰি বুক ডাঙি ঠিয় দিব লাগিব। আপোনালোকৰ তেজৰ প্ৰতিপৰমাণুতে ৰাজকোঁৱৰৰ স্মৃতি বিলীন হৈ যাওক।

১ম প্ৰজা। এই সমবেত প্ৰকৃতিপুঞ্জৰ সমস্বৰে আজি জয়ধ্বনি উঠিছে

'মহাৰাজ ৰত্নপালৰ জয় হক'। তেওঁৰ সুযোগ্য সন্তান প্ৰজাৰঞ্জক পুৰন্দৰ পালৰ জয় হক'। হেজাৰ হেজাৰ নৰনাৰীৰ বুকুভৰা আশীৰ্বাদত ৰাজ পৰিবাৰবৰ্গ শ্ৰীমণ্ডিত হৈ উঠক।

২য় প্ৰজা। কৰ্মচাৰী সকলৰ অত্যাচাৰ আৰু প্ৰকৃতিৰ তাণ্ডৱলীলাৰ পৰা যি জনে ঈশ্বৰৰ অৱতাৰ ৰূপে আমাৰ মাজত দেখা দি আছে; তেওঁৰ গুণ কীৰ্ত্তন কৰি কৃতজ্ঞতা প্ৰকাশ কৰা সম্ভৱপৰ নহয়। বাহিৰৰ শত শত বিপদৰ তৰ্জ্জন গৰ্জ্জনে আজি আমাক জলাকলা কৰিব পৰা নাই, প্ৰবৃত্তিৰ দাস, পাপাসয় মানুহৰ দ্বাৰা আমাৰ শান্তি নষ্ট হব পৰা নাই! ঐ যে আমাৰ ৰামৰাজ্য। কিমান পূণ্যৰ বলত এই ৰাজ্যত বাস কৰিব পাৰিছোঁ। ঈশ্বৰে তেওঁলোকৰ মঙ্গল কৰক।

গোপী। কুসংস্কাৰত আবদ্ধ হৈ সমান মানুহৰ ওপৰত অযথা বিদ্বেষ ভাব পোষণ কৰি জাতীয় স্বাৰ্থত বহুত ক্ষতি কৰি, আমি আমাৰ এনে গুণৰ আধাৰ ৰজা আৰু ৰাজকোঁৱৰৰ অৱমাননা কৰিছোঁ। জাতিৰ স্বাৰ্থত নিজৰ স্বাৰ্থ আহুতি দি কলুষিত ভাৱবিলাক মনৰ পৰা আঁতৰ কৰি সকলোৱে এক উদ্দেশতে কৰ্ম্মক্ষেত্ৰত জঁপিয়াই পৰিলে, আমাৰ চাৰিও-ফালে মঙ্গলময় হৈ উঠিব।

মহেন। এযে সেই সুন্দৰ প্ৰশান্ত মুখখন, এদিন দেখিলে যাক পাহৰিব নোৱাৰি। আমাৰ কি ভাগ্যৰ ফলত আমাৰ ৰাজদৰ্শন হৈছে। যাৰ বাহিৰ মন এনে পবিত্ৰ এনে মধুৰ, তেওঁৰ ভিতৰখনো যে ফুলৰ সৌন্দৰ্য্যেৰে উপচি পৰা, তাত আশ্চয্য কি? জগতৰ মলিনতা দূৰ কৰি অন্ধকাৰ ভেদ কৰি জ্বলি উঠিব আমাৰ মহাৰাজৰ বিজয় নিচানৰ দীপ্তজ্যোতি। অসমৰ ওপৰেদি শান্তিৰ হাৱা বৈ যাওঁক। অসমীয়াৰ এই স্বাধীনতাৰ বিজয় নিচান চিৰদিন আকাশত গৰ্বভৰে উৰি থাকক।

(সকলোৱে প্ৰণিপাত কৰে।)

—•○—

# পঞ্চম দৃশ্য

[ ৰাজ ভৱন। ব্যস্তভাৱে সিংহপাল আৰু প্ৰতাপ সোমাই আহে ]

সিংহ। বুজিছা প্ৰতাপ, এনেকৈ ভয় কৰি পিচুৱাই থাকিলে কোনো দিনে আমাৰ সিদ্ধি নহ'ব। প্ৰত্যেকটো কথাতে তোমাৰ ভয়। কি কৰিবা তুমি? ইমানেই যদি তোমাৰ ভয়, তেনে এইবোৰ কাৰ্য্যত কিয় হাত দিছিলা? হয়, তুমি কাজ সমাধা কৰা নহয়, আজিয়েই পৰিত্যাগ কৰা সকলো আশা, সকলো কল্পনা, প্ৰতিমাৰ অসামান্য সৌন্দৰ্য্য লালসা।

প্ৰতাপ। কওক কি কৰিব পাৰো মই? অস্ত্ৰ দিয়ক মই সিংহৰ মুখলৈ সোমাই যাম। কিন্তু আত্মৰক্ষাৰ উপায় নোহোৱাকৈ নিশ্চত মৃত্যুৰ মুখলৈ যাওঁ কেনেকৈ? এই নগৰ,—এই ৰাজভৱন, য'ত ৰত্নপাল এতিয়াও জীবিত, য'ত কুলদেৱীৰ মহিমাময়ী শক্তিয়ে চাৰিওফালে পহৰা দি থাকে, এই ৰাজভৱনৰ মাজত থাকি কি কৰিব পাৰো মই? আৰু আপুনিয়ে কি কৰিব পাৰে?

সিংহ। অস্ত্ৰ নোহোৱা কিয় হবা? অস্ত্ৰ আছে - অগ্ৰসৰ হোৱা প্ৰতি-মুহূৰ্ত্তই আমাৰ সুযোগ। সুযোগৰ দিনে কাকো আহি জগায় নিদিয়ে। যি মুহূৰ্ত্তেকে সুযোগ বুলি বাচি লবা সেয়ে সুযোগ। যিমানে পলম হয় সিমানে অভাৱ অসুবিধা বাঢ়ি যাব। অস্ত্ৰলোৱা—নিক্ষেপ কৰা। হয় তোমাৰ লক্ষ্য ভেদ কৰা নহয় চিৰকাললৈ সেই আশা পৰিত্যাগ কৰা।

প্ৰতাপ। উত্তম কথা। এতিয়া—উপায় কওক।

সিংহ। উপায় আৰু কি? আজিয়েই দুৰ্লভা আৰু পুৰন্দৰক হত্যা

কৰা। এই চোৰা বিষবাণ। ইয়াতে সিহঁত দুয়োকে হত্যা কৰিব লাগিব।

প্ৰতাপ। আজিয়ে?

সিংহ। এৰা এই মুহূৰ্ত্ততে। অস্ত্ৰহাতত লোৱা। তুমি পুৰন্দৰৰ গাত নিক্ষেপ কৰিবা মই দুৰ্লভাৰ গাত!

প্ৰতাপ। কেনেকৈ?

সিংহ। সৌযে দূৰত গবাক্ষ দেখিছা, তাৰ সি কাষে লুকাই থাকিবা। সুযোগৰ অপেক্ষা কৰি থাকিবা। যেতিয়াই পুৰন্দৰক দেখা পোৱা, তেতিয়াই অস্ত্ৰ নিক্ষেপ কৰিবা। যোৱা, দুৰ্জ্জয় সাহসক সাৰথি কৰিলৈ, অগ্ৰসৰ হোৱা। মনত ৰাখিবা সেই দৃশ্য, যিদিনা পুৰন্দৰৰ অস্ত্ৰৰ আঘাতত জৰ্জ্জৰিত হৈছিলা, তোমাৰ সৈন্যশ্ৰেণী ধ্বংস, বিধ্বস্ত হৈছিল তোমাৰ ৰাজ্যত অশান্তিৰ শিখা জলি উঠিছিল। যোৱা, মৃত্যুৰ কৰাল বিভীষিকা চকুৰ আগত আঁকি লোৱা, ধ্বংসৰ তাণ্ডৱলীলাক উপাসনা কৰা। যোৱা, বজ্ৰৰদৰে আমোঘ শক্তিৰে, দানৱৰ দৰে ভীষণ অত্যাচাৰেৰে, মৃত্যুৰ দৰে নিৰ্মমতাৰে শত্ৰুক ধ্বংস কৰা—ভষ্ম কৰা।

প্ৰতাপ। পাৰিম মই সেনাপতি, হয় কৰ্ত্তব্য সমাপন কৰিম, নহয় মৃত্যুক আদৰি লম।

সিংহ। বলা ময়ো যাওঁ। (দুয়ো গুচি যায়)

[ অন্তকালৰ পৰা অজয় কুমাৰ ]

অজয়। ৰাজপুৰীখন অসম্ভৱৰূপে গম্ভীৰ হৈ উঠিছে। ঠিক ধুমুহা অহাৰ আগেয়ে বায়ুমণ্ডল যেনে গম্ভীৰ আৰু ভীতিপ্ৰদ হৈ উঠে, তেনে হৈছে আজি ৰাজপুৰীৰ অৱস্থা। কেৱল চাৰিফালে প্ৰহৰীবিলাক—কাৰো মুখত মাত নাই। নিজ নিজ কৰ্ত্তব্য কৰি গৈছে। যেন এটা বিপদৰ

সম্ভাবনা দেখা গৈছে। কি কৰো—উপায় কি? কিবা এটা ভাবী বিপদৰ আশঙ্কাত প্ৰাণটো কঁপি উঠিছে। অথচ কোনো উপায় নাই যে এই অজ্ঞান বিপদৰ মুখত ঠিয় হওঁ। কোন এনে অন্তৰ্যামী 'বন্ধু মোৰ আছে, যিয়ে কৈ দিব পাৰে মোৰ বিপদ কি? ছিঃ—'ইমান দুৰ্বল হৈ গৈছোঁ। মনটোৰ পৰা শান্তি চিৰদিনলৈ লোপ হৈ গৈছে—সেইকাৰণে দেখোঁ চাৰিফালে বিপদৰ সূচনা। সকলোবোৰ ঠিক আগৰদৰে চলি আছে, কেৱল মই মোৰ আপোন মনৰ বিকৃত তাডনাত বলীয়াৰ দৰে বিপদৰ কলা ছা দেখিব ধৰিছোঁ। এটা কাজ কৰোঁ—অকলে অকলে বহি নিজৰ জীৱনৰ কাহিনীবোৰ এটা এটাকৈ ভাবোঁ। কিন্তু লাভ কি হব?—বেচ, পাগল মনৰ সৃষ্টিবেদনাৰ অনাহূত পৰিকল্পনা।

( ওথ আসন এখনত ভৰিখন তুলি দি গালত হাত দি ভাবে। )

( ফুল আহে। বেদনাত সেঁতাপৰিযোৱা মুখখনত যেন বিদ্যুতৰ ছটা জিলিকি উঠিছিল। )

ফুল। ৰাতিপুৱালেই ৰাজকোঁৱৰৰ জন্মতিথি উৎসৱত নগৰখন মাতোৱালা হৈ উঠিব। ঘৰে ঘৰে গাঁৱে গাঁৱে কোঁৱৰৰ জয়গান বাজি উঠিব। নগৰৰ জনপ্ৰাণী উৎসৱত মতলীয়া হব। সেই কাৰণেই নেকি আজি নগৰখন সুপ্ত হৈ পৰিছে। কিন্তু কি যেন এক অজ্ঞান আশঙ্কা। কি যেন কি! বুকখন যেন হঠাৎ থাকি থাকি কঁপি উঠে। ( হঠাৎ অজয়ক ভাবি থকা দেখি )—সেই দূৰৰ খিৰিকি খনেদি বাহিৰৰ আকাশত কিমান তৰা দেখিছে?

অজয়। ( চমক খাই উঠি ) কোন? ও আপুনি?

ফুল। চিন্তাৰ সোঁতটোত বেয়াকৈ বাধা দি বৰ দুখীত হৈছোঁ।

অজয়। আপোনাৰ আকৌ কথা! কাজ কাম একো নাই, বুজিছে? কি কৰো? আপুনি কোৱাৰ দৰে আকাশৰ তৰাকে গনিছোঁ।

ফুল। বেচ, গতি নিৰীক্ষণ কৰক, আবিষ্কাৰতো বহুত হৈছে। আপুনিও কিবা এটা কৰক হয়তো লিখি যাওঁক যে আমাৰ পৃথিবীৰ বাহিৰে যিখন বৃহত্তম বায়ুমণ্ডল আছে,. তাত গ্ৰহ-নক্ষত্ৰবোৰে পৃথিবীৰ গৰুৰ দৰে উমলি ফুৰে। সিহঁতৰ চকু এহেজাৰ নেজ পঁচিশ ডাল ।

অজয়। ( খুব হাঁহি উঠে )

ফুল। হাঁহিছে আপুনি? ইমান ডাঙৰ আবিষ্কাৰটো আপোনাৰ মনত আবিষ্কাৰেই নহল? বেচ তাতকৈ ভাল কিবা কৰক। জগতে জানক আপুনি জ্যোতির্বিশাৰদ।

অজয়। আবিষ্কাৰৰ শক্তি মোতকৈ আপোনাৰ বেচি। দহগুণে। এটা নাম কৰিবৰ ইচ্ছা গৈছে সঁচাকৈ। আপুনি সহায় নকৰে কিয়? কিবা এটা উলিয়াওক আপুনি নামটো দিব মোৰ। নহয় জানো? এইখিনি স্বাৰ্থত্যাগ কৰক আপুনি।

ফুল। আবিষ্কাৰ এটা কৰিবৰ নিতান্ত আৱশ্যক হৈছে। আৰু কিমানদিন বাট চাম " আপোনাৰ মাজতে এটা নতুন মানুহ আবিষ্কাৰ কৰিব লগীয়া হৈছে। বাৰু কওকছোন, আপোনাৰ কি এনে বেদনা, যাৰ বাবে আপুনি নিজকে এনেকৈ ধ্বংস কৰিব ধৰিছে, আপোনাৰ সেই বীৰমূৰ্ত্তি মলিন হৈ যাব ধৰিছে?

অজয়। ( এটা হুমুনিয়া কাঢ়ে ) আপোনালোকৰ অহৈতুকী ভালপোৱা! ঠিক আগৰ অজয়ে আছোঁ। কিচতয়ে মোৰ দীনতা আপোনা-লোকৰ চকুত পৰে।

ফুল। আপুনি মোক বিশ্বাস নকৰে নহয়? বাৰু কওকছোন মোৰ এইটো কি বেমাৰ? মোৰ বাঞ্ছা হয় যেন জগতৰ আটাইবোৰ মানুহে মোক

বিশ্বাস কৰক- আদৰ কৰক। কঙঁকছোন মোৰ কিয় এনে দুৰাশাবোৰ হয় ?

অজয়। মোক ভুল নুবুজিব। এই শূন্যগৃহৰ শূন্যমনৰ মাজেদিয়ে জীৱনৰ পৰমাণুবোৰ ৰঙীন হৈ উঠে আপোনালোকৰ স্নেহৰ পৰশত। অবিচাৰ নকৰিব। নিজৰ অব্যক্তবেদনাৰৰাশিয়ে জীৱনটোক গ্ৰাস কৰিব ধৰিছে। বাধাহীন সুৰুঙা এটাৰ মাজেদি এদিন কিবে এটা তীব্ৰ পোহৰ পৰি জীৱনৰ লক্ষ্য আতৰাই নিছিল। জীৱনৰ বৰ অশুভ মুহূৰ্ত্তসিএটা মোৰ। সিদিনাই সোণৰ পাতবোৰৰ আভা হীন হৈ গৈছে। কিমানদিন যে তাৰ পিচত অনাই বনাই ফুৰিছোঁ। ... যথ ... হৈ উঠিছে এই উদ্দেশ্যবিহীন জীৱনটোৰ গধুৰ বোজা বৈ থাকা।

ফুল। কিয় এনে হ'ল আপোনাৰ ? চাৰিওফালে সুখৰ স্মৃতি, সুখৰ আৱৰণ। ইয়াৰ মাজতে আপোনাৰ এই সুন্দৰ জীৱনটোত কিয় যে ইমান দুখ উপচি পৰিছে ! হয়তো আপোনাৰ ভুল হৈছে। আপুনি মিছাকৈয়ে জীৱনটোক কষ্ট দিছে। নিজৰ যদি কিবা উপায় থাকিল হেতেন তেনে আপোনাৰ এই মলিন মুখত জ্যোতি ফুটাই তুলিবলৈ সাধ্যানুযায়ী চেষ্টা কৰিলোঁ হেতেন।

অজয়। কিয় ইমান ব্যস্ত হৈছে আপুনি মোৰ কাৰণে। কিন্তু নিজৰফালে কেতিয়াবা ফিৰি চাবৰ সময় পাইছে আপুনি ? কি যে হৈ গৈছে আপুনি ! মোৰ পাৰিপাৰ্শ্বিক অৱস্থাবোৰ যদি আনন্দময় হৈ উঠিল হেতেন।

ফুল। মোৰ কথা বাদ দিয়ক। মেৰে জীৱন গঠিত অন্যৰকমে। কোমলতা মোৰ মন বা শৰীৰত নাই। পাহাৰৰ নিৰ্জীৱ শিলবোৰৰ ওপৰত বহি বহি নিজৰ শৰীৰটোকে শিল কৰি লৈছোঁ। আমি সকলো সহ্য কৰিব পাৰোঁ।

অজয়। মোক লুকাইছে আপুনি। ইমানদিনে আপোনাক দেখিছোঁ,

আপোনাৰ লগত কাজ কৰিছোঁ, মোৰ আগত কিয় ইমান লুকাবৰ চেষ্টা কৰে ?

ফুল। মনৰ সজীৱতা আৰু নিৰুপদ্ৰৱতা বৰ আৱশ্যকীয় বস্তু। চেষ্টা কৰক যাতে আপোনাৰ ভবিষ্যত জীৱন মধুময় হৈ উঠে। ইয়াৰ পিচত যদি আৱশ্যক হয়—মনত পেলাব এজনী হতভাগিনী ছোৱালী, যাৰ নিজৰ আকোৱালি ধৰিবৰ কোনো নাই। ধেৎ - বৰ আমনি দিছোঁ আপোনাক। শুনক, যুৱৰাজৰ অৱস্থা শঙ্কটজনক। তেওঁক ৰক্ষা কৰিবলৈ চেষ্টা কৰক।

অজয়। শঙ্কটজনক ! এৰা, কি যেন এটা বিপদৰ আশঙ্কাত মোৰ মনটো থিৰে থাকিব পৰা নাই। ৰাজপুৰীৰ চাৰিওপিনে কিযেন এটা বিষাক্ত বায়ু গোট মাৰি আছে। কোনো কাৰণ বিচাৰি পোৱা নাই। কোনো উপায় নাই। কওক কি কৰোঁ মই ?

ফুল। যদিও শত্ৰুৰ বল ক্ষুদ্ৰ, তথাপি ইহঁতৰ মন ইমান নীচ আৰু ঘৃণ্য যে সিহঁতে কৰিব নোৱাৰা কাম একো নাই। সিহঁত বিশ্বাসঘাতক, চোৰ, পাশবিক বলত বলবান। বলক ৰাতি হৈছে, কালি ৰাতিপুৱাতেই যুৱৰাজৰ জন্মতিথিৰ উৎসৱত নগৰ মুখৰিত হৈ উঠিব। আপুনি হ'ল ৰাজকোৱঁৰৰ অন্তৰতম বন্ধু, আপোনাৰ আৱশ্যক হব পদে পদে।

অজয়। হয় পিচ ৰাজকোৱঁৰৰ জন্মতিথিৰ দিনাখন উপহাৰ কি দিওঁ, তাকে ভাবিপোৱা নাই। দিয়ক কিবা এটা, তাকেই মই দিম গৈ।

ফুল। ঠাট্টা কৰিছে। পৰ্ব্বতীয়া ছোৱালীৰ কোনো উপহাৰ শুভকাৰ্য্যত লোৱা নহয়। ইমান ডাঙৰ হ'ল এই খিনিকে নাজানে ?

অজয়। ইঃ আপোনাৰ কথা ! বাৰু শিকাইদিব। শিকিলয়।

এনে শান্ত ছাত্ৰ এজন পালে চিৰজীৱন শিকাই কটালোঁ হেতেন !

তেনে ভাগ্য জানো আছে আমাৰ ?

[ তৎক্ষণাৎ গুছি যায়। অন্তৰে চাই থাকে, পিচত লাহে লাহে আঁতৰি যায়। এজনী মাইকী প্ৰহৰী হাতত যাঠি লৈ ইকাৰে সিকাৰে কৰি থাকে। ]

[ নানা অলঙ্কাৰে বিভূষিতা সৌন্দৰ্য্যময়ী আনন্দময়ী দুৰ্লভাৰ প্ৰবেশ। ]

দুৰ্লভা। আই ঐ, চাৰিওফালে কিহৰ যেন গোন্ধ উৰি ফুৰি লাগিছে। কি যেন এটা নবীন আবেগত মনটো নাচি উঠিছে। কাৰ আগত যে কম, মোৰ মনৰ কথা! দূৰত কিহৰ যে এটি সুৰ বাজিব ধৰিছে। ক'ত কোন আছ, গা ঐ এটি গীত। সৌটো কিহৰ মাত ? বৈ বৈ মোৰ কাণত বাজি উঠিব ধৰিছে। এইয়া ফুলৰ গোলাপী ৰেণুবিলাক উৰি ফুৰিব ধৰিছে। ফুল কিছুমান পালে আজি বহি বহি মালা গাঠি গাঁত মেৰিয়াই ললোঁহেতেন। কিয় যে হৈছে বুকুখনত এনে উপচি পৰা কাল আনন্দ। উঃ কিযে উতলা বতাহ মেলিছে, প্ৰাণটো অস্থিৰ কৰে, চকুদুটা আবেগত আপোনা আপুনি মুদ খাই আহে। ইয়াতেই শুই পৰিম।— কোৱৰ যে নাই। কোৱঁৰ কলৈ গ'ল ? কোৱঁৰৰ চাৰিওফালে—সেইয়া কোনে গাইছে ?

[ দূৰত প্ৰতিমাৰ গীত শুনা যায়। কি এটা আবেগত ঘন ঘনকৈ উশাহ লব ধৰে, মনপ্ৰাণ অস্থিৰ হয়। ]

প্ৰতিমাৰ। গীত।

সিপাৰে কোনে যায় বিলৰে পাৰে পাৰে।
মূৰতে বোজা তুলি বনৰে আঁৰে আঁৰে ॥
যিদিনা হব শেষ তোমাৰেই ধুলাখেলা
গুছিব দীনবেশ, যাবৰে হব বেলা
সিদিনা চকুলোৰে পূজিবা ফুলহাৰে।

সৰিব বগাফুল ফুলনি সুদা কৰি
ধৰণী মৰহিব    বুকুতে জুই ধৰি
মোৰো যে হিয়াভেদি বাজিব শোক গীতি
পোহৰো যাব ফিৰি জীবনে জাগে ভীতি
আহিবা তুমি মোৰ জাগিবা বেদনাৰে।
আহিবা- জাগিবা।

[ গান শুনি শুনি মাজে মাজে কৈ থাকে—কোন নন্দনৰ অমৃতভাণ্ড বোকোচাতলৈ তাহি আহে এই সুখ বিলাক। এটি বাৰ যদি দেখা পালো হেতেন কোৰ্ঁৱক। বৰ ইচ্ছা গৈছে কোৰ্ঁৱৰ শীতল বুকত মূৰটো থৈ টোপনি যাবলৈ। ( ধীৰে ধীৰে চকু মুদ যায় )। কিয়নো এনে পাগল ইচ্ছা গৈছে আজি মোৰ। কোৰ্ঁৱ, কোৰ্ঁৱ (টোপনি যায় ]

[ অলপ দূৰৈৰ গৰাকত সিংহপালে শৰ যোজনা কৰে আৰু নিক্ষেপৰ বাবে সাজু হয়। ইতিমধ্যে পুৰন্দৰ পাল সোমাই আহে, বিপদৰ আশঙ্কাত মুখৰ চেহেৰা বিকৃত, চুলি আউলি বাউলি পৰিচ্ছেদ বিশৃংখল। ]

পুৰন্দৰ। কলৈ গল কুৰ্ৱৰী ? এইযে ইয়াতে শুই আছে। ( হঠাৎ এটা খুং কৰি শব্দ হয়। পুৰন্দৰে দেখে সিংহপালে অস্ত্ৰ নিক্ষেপ কৰিছে। ) ইযে সৰ্ব্বনাশ— কুৰ্ৱৰী, কুৰ্ৱৰী—

( দৌৰি গৈ ঢুল ভাৰ গাত পৰে। আৰু বাণ গৈ পুৰন্দৰৰ গাত বিন্ধে )

সিংহ। চমৎকাৰ।

দুৰ্লভা। ( চকমক খাই সাৰ পাই উঠে ) কোন কোন ?—কোৰ্ঁৱ ? কি হৈছে তোমাৰ কিয় এনে কৰিছা ?

পুৰন্দৰ। কুৰ্ৱৰী—উঃ কি যে দাৰুণ বিষবান। জ্বালাত গোটেই গাটো পুৰি যাব ধৰিছে কিযে আনন্দ তথাপি মোৰ—তোমাক ৰখাব যে পাৰিছোঁ। ( কোলাত মূৰ থৈ গাত সাৱতি ধৰে )।

দুৰ্লভা। কি কৰিলা—কি কৰিলা কোৱঁৰ? কিয় এনে সৰ্ব্বনাশ কৰিলা? এই যে তেজ ওলাব ধৰিছে। ঈশ্বৰ! ঈশ্বৰ! নিষ্ঠুৰ বিধাতা। এই যে অকণি সম্পদ, তাকো চুৰমাৰ কৰিলি! কোৱঁৰ! প্ৰিয়তম! কি কৰিলা—কিয় মোক এনেকৈ শাস্তি দিলা। কিয় দিলা? (কান্দিব ধৰে)।

পুৰ। কুৰঁৰী! মোৰ বৰ আদৰৰ আলসুৱা কুৰঁৰী! কি যে পোৰণি! নোৱাঁৰো—তোমাক এৰি যাব যে নোৱাঁৰো। গৈ ক'ত থাকিম? তুমি নোহোৱাকৈ গৈ থাকিম ক'ত? মোক ভালকৈ ধৰি থাকা, যাব নিদিবা, নিব নিদিবা। নাযাওঁ তোমাক এৰি থৈ—কুৰঁৰী মোৰ—

(ক্ৰমে মাহে অৱশ হয়। ধাৰাসাৰে চকুলো ওলায়।)

দুৰ্লভা। কোৱঁৰ!—স্বামী!—উস্ ভগবান! ফিৰাই দিয়া—ফিৰাই দিয়া মোৰ জীৱনৰ সম্পদক। ফিৰাই দিয়া মোক একেটি আশ্ৰয় - একেটি বান্ধৱ—জীৱনৰ ধ্ৰুৱতৰা। ইকি! কি হ'ল! চকুমুখ কলাপৰি আহিব ধৰিছে। শৰীৰ শীথিল হৈ আহিব ধৰিছে। কলৈ যোৱা কোৱঁৰ—কলৈ যোৱা আৰু যে মোৰ আশ্ৰয় নাই, আৰু যে মোৰ কোনো নাই। স্বামী—প্ৰিয়তম্।

পুৰ। আৰু যে নোৱাৰোঁ। কোন দূৰ দূৰান্তৰ পৰা যে ডাক আহিছে। মৰিবৰ ইচ্ছাতো মোৰ নাছিল। - তোমাক এৰি - তোমাক নেদেখাকৈ কেনেকৈ থাকিম মই? ইমান টান কৈ বান্ধি ৰাখিছা তুমি! ইমান যন্ত্ৰণা, তথাপি যে যাবৰ ইচ্ছা নহয়। উঃ! (গাটো কেনেবাকৈ টনাটানি কৰে।)

দুৰ্লভা। নাযাবা কোৱঁৰ। মই যে থাকিব নোৱাৰিম। তোমাৰ ইন্দ্ৰপালে

বৰকৈ কান্দিব। (পুৰন্দৰ চকু খোৱাৰ দৰে জিকাৰ খাই উঠে।) নাযাবা তুমি প্ৰিয়তম!

(গাত মুৰটো লৈ বৰকৈ কান্দিব ধৰে।)

পুৰ। প্ৰিয়তমা—সি জনমত। (হঠাৎ মুৰটো অলপ ডাঙ্গি তোলে। কি যেন এটা পৰশাৰৰ স্মৃতিত মুখ খনত হাঁহি বিৰিঙ্গি উঠে) কি—যেন—এটা—বশ্মি।

[মৃত্যু]

দুৰ্লভা। কোৱঁৰ, কোৱঁৰ! প্ৰিয়তম! (গাত পৰি মূৰ্চা যায়। কিছু সময়ৰ পিচত আকৌ উঠি বহে।) ক'ত কি হ'ল? এইয়া মোৰ স্বামীৰ মৃতদেহ—শক্তিবিহীন—ৰক্তবিহীন। এতিয়াই যে মোক "কুৱঁৰী" "কুঁৱৰী" বুলি কঁতবাৰ মাতিছিল। আৰু মাতা—আৰু মাতা কোৱঁৰ—তোমাৰ বৰ মৰমৰ কুৱঁৰী—নিষ্ঠুৰ কলৈ যাবা? মইয়ো যে তোমাৰ পিচে পিচে যাম। উঃ উঃ কি হল মোৰ? সৌযে তৰাবিলাক খহি পৃথিৱিব ধৰিছে, ফুলবোৰ সৰি পৰিছে, চাৰিওফালে তেজবিলাক দীপ্ত হৈ উঠিছে। কলৈ গলা মোৰ স্বামী—কলৈ গ'লা? কি প্ৰয়োজন আৰু এই সিন্দুৰৰ ফোটৰ—এই অলঙ্কাৰৰ? (সিন্দুৰ মচি দিয়ে, অলঙ্কাৰ দলিয়াই দিয়ে।) ইযে আৰু শোভা নাপায় মোক মাৰি পেলোৱা ভগবান, আৰু সহ্য কৰিব নোৱাৰো।—প্ৰিয়তম, আকৌ মাতা—আকৌ মাতা—এবাৰ মাতা—কেৱল এবাৰ—এই শেষবাৰ। উঃ নামাতা তুমি। ধ্বংস কৰিম, এই শৰীৰটোৰ কাটি কাটি নোহোৱা কৰিব। (চুলিবিলাক টানি টানি আঁতৰাল কৰি দিয়ে)। চকুদুটা উলিয়াই আনিম। এই অঙ্গপুৰি ছাই কৰিম। নহয় আহা কোৱঁৰ, আহা তুমি কোৱঁৰ,—বৰ নিষ্ঠুৰ তুমি! (গাটোত মুৰ থৰ, তাৰ পিচত বৰকৈ উত্তেজিত হয়)। যাব নিদিওঁ—ধৰি ৰাখিম—সংসাৰৰ সকলো শক্তি আছিলেও তোমাক নিব নোৱাৰে।—কিন্তু, ক'তা ইয়াত যে আৰু

প্ৰাণ নাই। আই ঐ আই ঐ! ক'ত মই থাকিম— মোকো নিয়া —মোক নিয়া—হয় হয়—এইবাৰ যাম, এই যে বিষবাণ, ইয়াৰে মৰো যাম। সৌযে দূৰত মোৰ প্ৰিয়তমৰ কমনীয় মূৰ্ত্তি— সৌযে! কি সুন্দৰ কেনে ধুনীয়া—মইয়ো গৈছোঁ—তোমাৰ বৰ আদৰৰ কুৱঁৰী তোমাৰ বৰ মৰমৰ ভাৰ্য্যা—কোৱঁৰ—কোৱঁৰ—

(ভিতৰত বাণ পাতেৰে বিন্ধি দিয়ে।) উঃ! উঃ— (মৃত্যু।)

—•—

# ৬ষ্ঠ দৃশ্য

[ অন্ধ সিংহপাল—ৰাজভৱনৰ বহিৰ্ভাগ। সিংহপালৰ মুখত পাতকৰ ঘাঁ ফুটি উঠিছিল। ]

সিংহপাল। উহ্! কিযে ভীষণ অন্ধকাৰ। ব'দৰ তাপত গাটো যেন জলিব ধৰিছে, তথাপি দেখা নাপাওঁ একোকে। চাৰিওফালে চিৰ অন্ধকাৰ! শেষ মুহূৰ্ত্তত অজয়ে এনেকৈ প্ৰতিশোধ ললে। উঃ! চকু দুটাৰ মাজত কিহে যেন কিট কিটাব লাগিছে। ভাল শাস্তি হৈছে। এবাৰ যদি অজয়ক লগ পালো হেঁতেন তেনে চালোঁহেঁতেন প্ৰতিশোধ লবলৈ। কিন্তু সিযে আৰু হৈ নুঠিব। চকুদুটাৰে একেবাৰে দেখা নাপাওঁ। কোন ক'ত আছ ঐ, কাকো মই দেখা পোৱা নাই (খেপিয়াই গৈ কাঠ এডালত পৰি যায়)। আহ্ আহ্ মৰিলোঁ। বুকখন ভাঙি গ'ল যেনেই পাইছোঁ। কাকো কতো লগ নাপায়। সকলোৱে মোক এৰা দিলে। কোন মোৰ বন্ধু আছে অকণিমান পোহৰ দে মোৰ

চকুত অলপ জ্যোতি দে। আৰু যে নোৱাৰো। উঃ! উঃ! কলৈ গ'ল মোৰ শক্তি! ( হঠাৎ কাঁহ উঠি তেজ ওলায় আৰু হাতেৰে সেপিয়াই চায় ) আহ আহ তেজ যেন পাইছোঁ এইবিলাক। এইবাৰ আৰু মোৰ ৰক্ষা নাই। মোৰ কাল যক্ষ্মা আহিছে। কলৈ যাওঁ? প্ৰতাপ!—প্ৰতাপ—প্ৰহৰি - দূত—কোন আছ। ( পৰি পৰি বেগেৰে যায়। )

[ আনফালে শোকোন্মত্ত ৰত্নপাল। দুৰন্ত পুত্ৰশোকত ৰত্নপালৰ চেহেৰা বিকৃত হৈ গৈছিল। ]

ৰত্ন। পুৰন্দৰ—পুৰন্দৰ! কলৈ পলালি পুত্ৰ মোৰ? এনে বুঢ়া বয়সত ... এনে সৰ্বনাশ কৰিলি মোৰ? কি কৰোঁ? আৰু যে নাহে অভিমানী পুত্ৰ মোৰ। ক'ত পুৰন্দৰ? কোন ৰাজ্যত মোৰ স্নেহময়ী দুৰ্লভা। পুৰন্দৰ, দুৰ্লভা আহ মোৰ বাছাহত! এটিবাৰলৈ আহ। ... কিয় এনে নিৰ্দয় নিৰ্মমভাবে মোৰ বুকুত শেলাঘাত কৰিলি? নিজৰ ... ত নিজে বিদ্ৰোহী হৈ উঠিছোঁ। কিয় এনে অবিবেচকৰ দ... ... লোঁ? কিয় সিংহপালক হত্যা নকৰিলোঁ।—কিয় মোৰ ... তৰোৱাল গজি নুঠিল। কিহৰ বাবে মোৰ শক্তি সঞ্চয় হৈছিল? ... যাক মই ইমান চেষ্টা কৰি মানুহ কৰিছিলোঁ, তাৰ এই ... ৰ্ম। সিংহপাল! সিংহপাল। অকৃতজ্ঞ পশু, হীনজন্তুৰ ... ন কৰিম। তোৰ চকু উভালিম, জিভা কাটি পেলাম। ... সাজিম, দস্যু সাজিম, চণ্ডাল সাজিম। পুত্ৰঘাতী ... ন। ( ভীষণ উত্তেজনাত চকুদুটা জ্বয়লগাকৈ ওপৰলৈ উঠি ... জ্ঞান লুপ্ত হয়। কিযে ভীষণ আকৃতি। )

... কত জীৱা কুলদেবী আছে। )

... টি সন্তান মোৰ, মোক ফিৰাই দিয়া পুৰন্দৰক।

ক'ত লুকাই থৈছা উলিয়াই দিয়া। উঃ! পুৰন্দৰ—দুৰ্লভা! মোৰ এই শান্তিৰ গৃহ চাৰখাৰ কৰি মোৰ বুকত জুই জ্বলাই দি'ক'লৈ পলালি বাছা হত? এবাৰ চাই যা তহতৰ জনমদুখিনী মায়েৰাৰ কি হৈছে। আৰু যে নোৱাৰোঁ—এই দুৰন্ত শোক আৰু সহ্য কৰিব নোৱাৰোঁ। দিয়া মহাৰাজ, মোক বিষ আনি দিয়া। মই তালৈ যাম, য'ত পুৰন্দৰ আৰু দুৰ্লভা আছে। মহাৰাজ ই কি হল আমাৰ? কি উপায় কৰোঁ? কি কৰিলে পুৰন্দক পাওঁ? উঃ! গাৰ মাংসবোৰ যেন ডোখৰ ডোখৰ কৈ কাটি পেলাম, বস্তুবোৰ যেন দূৰত পেলাই দিম। এই শূন্য ৰাজভৱনত যেন জুই জ্বলাই দিম (চুলিবিলাক আজুৰি অলঙ্কাৰ চিঙিব ধৰে।) অসহ্য হৈছে আৰু এই বোজাবিলাক, যা সকলো দূৰ হৈ যা। জুই জ্বলি উঠ চাৰিওফালে। এই সোণৰ কামৰূপ, দুৰ্জয়নগৰ ভস্ম হৈ যা। চূৰ্ণ-বিচূৰ্ণ হৈ যা দুজয়নগৰৰ সোণৰ মন্দিৰ। হৃদয় ৰক্তেৰে ইমান দিন দেৱতাৰ চৰণ পূজা কৰিছোঁ!—নিষ্ঠুৰ দেৱ পাষাণ দেৱত!—এই কৰিলি?-কিন্তু কিন্তু-ক'ত মোৰ —ক'ত মোৰ পুৰন্দৰ—মহাৰাজ—মহাৰাজ।

ৰত্ন। (টোপনিৰ পৰা সাৰ পোৱাৰ দৰে চকখাই উঠি) কোনে ক ধৰিছে? কাৰ ক'ত কি হৈছে?—ইকি ৰাণী! f ৰাণী, কিয় এনে কৰিছা, গাৰ অলঙ্কাৰ বোৰ দ কিয় এনে কৰিছা? ইয়াত যে এনে কৰিব পুষ্পবৃষ্টি হব ধৰিছে। এইয়া আমাৰ গাতো ফুল বুটলি লোৱা ৰাণী, এই স্বৰ্গৰ ফুল।" এইয়া আহ-আহ—উৰি আহ—উৰি আহ—ইয়াৰ আহ পথী।

তুল। শোকতে পাগল হৈ গৈছা মহাৰাজ, সিও যে ভাল আছিল। প্ৰতিমুহূৰ্ত্তে পুৰন্দৰৰ স্মৃতিয়ে মোৰ বুকখন খহাই আনিব ধৰিছে। কি পাপ কৰিছিলোঁ মহাৰাজ, কি পাপত আমাৰ এনে দশা হ'ল ? এই শূন্য জীৱনলৈ কেনেকৈ বাচি থাকিম ? চাৰিওফালে যে অন্ধকাৰ হৈ গৈছে। ( হঠাৎ উত্তেজিত হয় ) নাই নাই, মোক যাব দিয়া মহাৰাজ, মই আৰু ইয়াত থাকিব নোৱাৰোঁ। পুৰন্দৰ, বাচা মোৰ ! দুৰ্লভা,, ইমান অভিমান তোৰ। আহ আই এইবাৰলৈ ফিৰি আহ। কোন ক'ত আছ—ক'ত আছ—ফিৰাই আন মোৰ সোণৰ পুতুলীক, মোৰ যে আৰু কোনো নাই। ভগবান, ভগবান, মোক মাৰি [illegible]।—পুৰন্দৰ—পুৰন্দৰ ( হঠাৎ পৰি যায় )।

বস্ত। কলৈ যাবি পুৰন্দৰ ? মোৰ চকুত ধূলি মাৰি কলৈ যাবিঁ। মই তোক বিচাৰি উলিয়াম। সিংহৰ দৰে বিক্ৰমেৰে শত্ৰুৰ মুখত জাপ দি পৰিম। দুয়োঁকো ফিৰাই আনিম। পুৰন্দৰক দুৰ্জয়নগৰৰ সিংহাসনত বহুৱাম। কোণ ক'ত ক'ত মোৰ সৈন্যবোৰ, সকলে দৌৰি আহ, দৌৰি আহ —মোৰ পুৰন্দৰ যায়—পুৰন্দৰ যায়। সৌয়ে দূৰত দুৰ্লভা, মোক দেখি—পুৰন্দৰৰ লগতে দৌৰিব ধৰিছে। কোণ আছ ফিৰাই আন, যাব নিদিবি। তইঁতে নোৱাৰিলি ? মোৰ লগত আহ। মই পুৰন্দৰক ফিৰাই আনিম, গৃহলক্ষ্মী দুৰ্লভাক ফিৰাই আনিম।

[ বেগে প্ৰস্থান। ]

( ইন্দ্ৰপালে আই আই কৈ চিঞৰি লৰি আহে। পিচে পিচে অনুচৰী। )

ইন্দ্ৰ। উলিয়াই দে মোৰ আই আৰু পিতাক। কোনে লৈ গলি ? সকলোৱে কৈছে পিতাও নাই, আই ও নাই ! মই ক'ত থাকিম ? মোৰ আই কলৈ গল ?

অম্বু। আহ কৰ্ণ, তোৰ আই এতিয়াই ফিৰি আহিব। ( হাভত ধৰে )

ইন্দ্ৰ। ( এৰাই যায় ) উহুঁ। মই নাযাওঁ। এইযে ইয়াত আবু শুই আছে। দে আবু মোৰ আইক দে ( কুলদেবীৰ গাত পৰে ) আই নহলে মই থাকিব নোৱাৰোঁ। মই মৰি যাম। আবু আবু!

কুল। ইন্দ্ৰ, ইন্দ্ৰ ( সাৱতি ধৰে ) কিয় এৰি দিলি? কিয় তই আয়েৰাক এৰি দিলি? ফিৰাই আন গৈ। যা মোৰ ইন্দ্ৰ, পিতাৰাক মাতি আনগৈ। হতভাগ্য! তোক যে এৰি সকলো গুছি গল। তোক মৰম কৰিবলৈ কোনো নাই। এনে দুৰ্ভগীয়া তই। ( তলমুখ কৰি ফেকুৰি কান্দে )।

অম্বু। ইন্দ্ৰ যে বধ অস্থিৰ হৈছে, তাক শান্তনা দিয়ক।

ইন্দ্ৰ। কি হৈছে আবু? মোৰ আই পিতা নাই? কলৈ গ'ল? তেনেহলে কিয় মোক তইতে আগতে নকলি? তহতে মোক মুঠেও মৰম নকৰ। কলৈ গলি আই? কলৈ গলি? আৰু যে নাই মোৰ আই আৰু নাই।

( কুলদেবীৰ বুকত মৰটো সোমাই ৰৰকৈ কান্দিব ধৰে। )

কুল। আছে ইন্দ্ৰ, আছে। তোৰ আয়েৰা এতিয়াই ফিৰি আহিব। তই নাকান্দিবি। তই বন্দা শুনিলে আয়েৰাইও কান্দিব। নাকান্দিবি মোৰ সোণ। যা সেই লৰাবোৰৰ লগত খেলা কৰগৈ? তোৰ মায়েৰাই ঘূৰি আহি তোক নানা উপহাৰ দিব। নাকান্দিবি ইন্দ্ৰ, মোৰ সোণ।

ইন্দ্ৰ। নহয়, নহয়, আই আৰু নাই। আই থাকিলে ইমান সময় দৌৰি আহিল হেতেন। তইঁতে মোক ভুলাই ৰাখিছ। কব বাৰু এতিয়াও কব, ক'ত মোৰ আই? আৰু যে থাকিব নোৱাৰোঁ। মোক এৰি

আয়ে বৰ কষ্ট পাইছে। আই ও আই! কলৈ যে গ'ল। আই— আই। ( কান্দি কান্দি লৰি যায় )।

কুল। যা আই তাক ধৰগৈ। সি কৰবাতে কান্দি কাটি অস্থিৰ হব। তাক অলপ ভুলাই ৰাখগৈ। ( আই যায় )। মহাৰাজৰ বা আৰু কি অৱস্থা। ইকি কৰিলা ভগবান! কিয় এনেকৈ অকালতে কল্পতৰু ছেদন কৰিলা? [ প্ৰস্থান ]

( শোকত বিহ্বল অজয়ক লৈ বিনয়কুমাৰ আহে—বিনয়ৰ চকুতো অশ্ৰুদাগ স্পষ্ট হৈ থাকে। )

বিনয়। আৰু কিমান কান্দিবা অজয়? কান্দিলে কি লাভ হব? মিছাকৈ শৰীৰটো কিয় ধ্বংশ কৰা? তোমাৰ কৰ্ত্তব্য কৰা। কৰ্ত্তব্যৰ আগত তোমাৰ শোক বিসৰ্জন দিয়া। এই মৃতপ্ৰায় ৰাজপৰিবৰ্গক শান্তনা দিয়া সহায় কৰা।

অজয়। কি কৰিম আৰু—মোৰ উৎসাহ নোহোৱা হৈছে, শৰীৰত শক্তি নোহোৱা হৈছে। এই অৱস্থালৈ আৰু কাক সহায় কৰিম?

বিনয়। শুনা অজয়, মানুহৰ জীৱনেই এই সুখদুখৰ সংমিশ্ৰণ। মোৰ জানো দুখ লগা নাই? কিন্তু কি কৰিম? আজি আৰু ৰাজ্যত কোন আছে? মহাৰাজ মহাৰাণী বলীয়াৰ দৰে হৈছে। ৰাজ্যৰ দৃঢ় বান্ধ শিথিল হৈ আহিছে। শত্ৰুক লাই নিদিবা অজয়? নিজৰ স্বাৰ্থতকৈ জাতিৰ স্বাৰ্থ মহীয়ান্। কামৰূপৰ স্বাধীনতা অটুট ৰাখিবলৈ ৰজাৰ সন্মান অটুট ৰাখিবলৈ, পুৰন্দৰৰ গৌৰৱ মলিন হব নিদিবলৈ বুকুত শক্তি সঞ্চয় কৰা। তুমি নহলে কামৰূপৰ শ্ৰী ৰক্ষা কৰিবলৈ কোনো নাই।

অজয়। মোৰ যে প্ৰাণ নাই। প্ৰাণহীন এই শৰীৰটোৰে কি কৰিম? আপুনি যাওক। বিৰাট সৈন্যশ্ৰেণী শৃঙ্খলাবদ্ধ কৰক গৈ। আপুনি পাৰিব।

বিনয়। এনে দীনতা তোমাত শোভা নাপায়—অজয়। দেশৰ মঙ্গলেই তোমাৰ মঙ্গল। তোমাৰ ভনীয়েৰাৰ মহিমাময়ী কীৰ্ত্তি আৰু উজ্জ্বল কৰি তোলা, নহলে তোমাৰ এই বৃথা অনুশোচনাৰ কোনো আৱশ্যক নাই। আহা অস্ত্ৰ লোৱা শত্ৰুক বিনাশ কৰোঁগৈ।

( প্ৰাণ টানি অজয়ক লৈ প্ৰস্থান )।

# সপ্তম দৃশ্য

( গাওঁ—পুৰন্দৰ প্ৰস্তৰ মূৰ্ত্তিৰ আগত )

[ এজন গাঁৱলীয়া মানুহে মন্দিৰৰ খুটা এটাত আঁউজি ঠিয় হৈ আছিল। চকুত অশ্ৰু। দূৰত কৰুণ সুৰ বাজি আছিল। কিছুমান কৰ্ম্ম ৰত মানুহে আগেয়ে যাওঁতে সেৱা কৰি যায়। ছোৱালী কিছুমানে কাষত কলহ নমাই থৈ আঠুকাঢ়ি সেৱা কৰি গুছি যায়। এহাল লৰাছোৱালী আহে। লৰাটোৱে কিছুসময় মূৰ্ত্তিৰ পিনে চাই থাকি কান্দি পেলায। ছোৱালী জনীয়ে অবাক হৈ চাই থাকে। তাৰ পিচত্তে লৰাটোৱে ধীৰে ধীৰে হাতৰ আংঠি আৰু গাৰ পাতৰ কাপোৰ মূৰ্ত্তিৰ চৰণত দলিয়াই দিয়ে। ছোৱালী জনীয়ে হাতৰ আঙঠি আৰু গলৰ মালা সোলেকাই মূৰ্ত্তিৰ চৰণত দিলে। দুয়ো প্ৰণাম কৰি যায। লাখুটিত ভৰ দি বুঢ়ি এজনী আহি বহিপৰে আৰু নিৰ্নিমেষ নয়নে মূৰ্ত্তিৰ পিনে চাই থাকে। হাতত চাকি এগছি লৈ তিৰোতা এজনী আহে। মূৰ্ত্তিৰ সন্মুখত গছৰ ওপৰত চাকিটো দিয়ে আৰু সেৱা কৰি লাহে লাহে আঁতৰি যায় ]

# অষ্টম দৃশ্য

[ নগৰৰ বহিৰ্ভাগ । বিনয়, মহেন, গোপী

গোপী । ৰাণী আই কি কলে ?

বিনয় । ৰাজপুৰীৰ সকলে এই দুৰ্জয় শোকত অভিভূত । পৰামৰ্শ লবলৈ কোনো নাই । যদি কিবা কৰিবলগীয়া হয়, তেনে আমিয়ে কৰিব লাগিব ।

মহেন । কিয় ? অজয়তো আছে । পুৰন্দৰ পালৰ সোঁহাত ৰূপে তেওঁ ইমান দিনে অমিত বিক্ৰমেৰে ৰাজকাৰ্য্য চলাই আহিছে, তেওঁৰ সহায়ত ৰাজ্যৰ আৰু ৰাজকাৰ্য্যৰ বহুত খিনি বিশৃঙ্খলতা হ্ৰাস হৈ যাব ।

বিনয় । অজয়ৰ আচলতে প্ৰাণ নোহোৱা হৈছে । কিমান নো সহ্য কৰিব এজন মানুহে ? স্নেহৰ ভগ্নীৰ অকাল মৃত্যু, প্ৰাণসম বন্ধুৰ এনে শোচনীয় গতি, আৰু তেওঁৰ একমাত্ৰ প্ৰেমপাত্ৰী প্ৰতিমাৰ হৃদয়হীন উচ্ছৃঙ্খলতাই তেওঁৰ হৃদয়ৰ পৰা বলবীৰ্য্য লোপ কৰিছে । এনে এটা বস্তু তেওঁৰ নাই, যাক অবলম্বন কৰি এক মুহূৰ্ত্তৰ বাবে হলেও অজয়ে শান্তি পাব পাৰে । ঈশ্বৰে তেওঁক সকলোৰে পৰা বঞ্চিত কৰিছে । এই বিলাকৰ পিচতো যদি প্ৰতিমাই তেওঁৰ ওপৰত অবিচাৰ নকৰিলে হেঁতেন ।

মহেন প্ৰতিমাৰ এনে আচৰণৰ কাৰণ কি ?

গোপী । প্ৰতিমাই অজয়ক ভালপোৱাৰ ভাও নুজুৰা হলে অজয়ে কেতিয়াও এনে অবিবেচনাৰ কাম নকৰিলে হেঁতেন । এই বিলাক কথা ভাবিলে সমগ্ৰ তিৰোতা জাতিলৈ ঘৃণাৰ ভাৱ ওপজে ।

বিনয়। চক্ৰান্ত গোপী ! কথা বিলাক যিমান সহজ বুলি ভাবিছা তেনে সহজ নহয়। জটিলতা ইয়াৰ গুৰুতৰ। প্ৰতাপৰ পাপ প্ৰৰোচনাত প্ৰতিমা পথভ্ৰান্ত। প্ৰতিমাৰ ভালপোৱা মুখৰ নহয়। প্ৰতিমাৰ এই অগাধ ভালপোৱাকেই আশ্ৰয় কৰি আজি প্ৰতাপে এনে প্ৰভাৱ বিস্তাৰ কৰিব পৰিছে। নহলে অজয় আৰু প্ৰতিমাৰ মিলন কেতিয়াবাই হ'ল হেতেন।

মহেন। এই কুচক্ৰী প্ৰতাপক নিৰ্মূল নকৰে কিয় ?

বিনয়। মই সেই চেষ্টাতেই আছোঁ। এতিয়াও বহুত সৈন্য প্ৰতাপৰ আজ্ঞাবাহী। এইবাৰ যেনেকৈ হওঁক প্ৰতাপক নিধন কৰিম। তাৰ পিচত অন্য কাম।

মহেন। যুৱৰাজ আৰু অজয় দুয়ো নথকাত নিশ্চয় সৈন্য শ্ৰেণীত বিশৃঙ্খলা ঘটিছে। এই সুযোগকে লৈ যদি কোনো শত্ৰুৱে ৰাজ্য আক্ৰমণ কৰে তেনে সৰ্বনাশ ঘটিব। এই অৱস্থাত আদেশলৈ বাট চাবৰ কোনো প্ৰয়োজন নাই। আপুনি যাওক। আমাৰ প্ৰধান কৰ্ত্তব্য ৰাণী আইক সান্ত্বনা দি প্ৰকৃতিস্থ কৰা। তেওঁৰ সহায় নহলে শৃঙ্খলা নাহিব।

গোপী। এতিয়া সকলোবোৰ কাৰ্য্যই দুৰ্সাধ্য হৈ উঠিব, সন্দেহ নাই এই নিৰ্মম অভিশাপে দুৰ্জয় নগৰৰ শক্তি ধ্বংশ কৰি নিছে। চাৰিওফালে বিষাদৰ কলা ছাই মানুহক নিস্তেজ নিৰুৎসাহী কৰি তুলিছে। কোনে জানিছিল এই অসময়ত প্ৰজাবৎসল ৰাজকোঁৱৰ, আৰু তেওঁৰ সুযোগ্যা পত্নীৰ এনে দশা হব ? প্ৰজাবোৰেযে উৎসুক অন্তৰে তেওঁৰ অভিষেকলৈ বাট চাই আছিল। যুৱৰাজৰ মৃত্যুৰ কথা মনত পৰিলে এনে ইচ্ছা হয় যেন সিংহপালৰ গাৰ মাংসবোৰ

চিৰাচিৰকৈ ফালি পেলাম। যেন তাক শ্মীৰন্তত কুকুৰ শিয়ালক খুৱাম।

বিনয়। কি লাভ ? ভগবানে সিংহপালক উচিত শাস্তি দিছে। যক্ষ্মাৰ বীজাণুবোৰে তাক তিলতিলকৈ ক্ষয় কৰিব ধৰিছে। তাতকৈ াক বেছি শাস্তি দিবা তোমালোকে ? যাব দিয়া তাৰ কথা। যি ক্ষতি হৈ গৈছে, তাক কোনো কালে পূৰণ কৰিব পাৰা নাযাব।

গোপী। কওঁক তেনেহলে আমি বৰ্ত্তমান কি কৰিম ?

বিনয়। বলা ৰাজধানীলৈ যাওঁ। সকলে গৈ ৰাণী আই আৰু অজয়ক সান্ত্বনা দিওঁ। মূলত শৃঙ্খলতা নহলে কোনো কাজেই সিদ্ধ নহয়। অজয়ে যদি আকৌ এবাৰ বীৰদৰ্পে সৈন্য বাহিনীৰ আগত থিয় দিয়ে, তেনেহলে শত শত যাঠি একেলগে সূৰ্য্যৰ কিৰণত জ্বলি উঠিব। অজয় নহলে যোগ্য নায়ক নাই।

মহেন। কিন্তু ৰাজ পাটত বহে কোন ?

বিনয়। কিয় ? ইন্দ্ৰপাল।

গোপী। তেনেই অকন লৰা।

বিনয়। হওক অকন, তথাপি সিংহৰ পোৱালী।

গোপী। সেইয়া কোন ? ছিদানন্দ নহয় জানো ?

মহেন। কোন ? ছিদানন্দ ?

গোপী। শুনি যাওঁক দেউ। ( ছিদানন্দ আহে )

চিদা। কোন ? গোপী ? কেলেই মাতিছ বোপাই ?

গোপী। পাছে আপোনাৰ লগবোৰ কলৈ গ'ল ? আপুনি যে অকলে ?

চিদা। দুৰ্গা খুৰা হতৰ কথা কৈছে ?—এৰি দিছো সিহঁতৰ সঙ্গ। যিদিনা গাৱঁত দেখিছোঁ, প্ৰজাৰঞ্জক মহিমাময়ী পুৰন্দৰ ৰূপী দেৱতাৰ প্ৰতিমূৰ্ত্তি,

সিদিনা দেখিছোঁ কি এক অপৰূপজ্যোতিত উচ্চ-নীচ সকলো সমান হৈ গৈছে, সিদিনা দেখিছোঁ প্ৰকৃতিৰ নন্দন বদন কমনীয়তাৰ মাজত ফুটি উঠিছে নবীনতাৰ প্ৰতিমা, সিদিনাই কোনে যেন মোৰ মনত তীব্ৰ ভাবে আঘাত কৰিছে, সিদিনাই কোনে যেন মোৰ মনৰ পৰা ম্লান নীচতা উলিযাই লৈ গৈছে।

মহেন। কিন্তু আপুনি আজি ই কি বেশ ধৰিছে? ব্ৰাহ্মণৰ পবিত্ৰ আভৰণ পৰিত্যাগ কৰি আপুনি অস্ত্ৰ লৈছে?

চিদা। কোনে কয় অস্ত্ৰ পবিত্ৰ নহয়? কুশাসনত বহি দিন কটাবৰ সময় আজি নাই। যদি ধৰ্মৰ ৰাজ্যত পাপে প্ৰতিষ্ঠা লাভ কৰে, যদি সত্য চিৰ সুন্দৰৰ ৰূপত অসত্যৰ মলিনতা বিৰাজি উঠে, তেনে, ব্ৰাহ্মণ আমি, আমিও অস্ত্ৰ লবলৈ বাধ্য হ'ম। কাৰণ নিৰ্যাতিতৰ কাতৰ প্ৰাৰ্থনা আজি কাৰো কানত নোসোমায। ব্ৰাহ্মণৰ ক্ৰোধাগ্নিত শত্ৰু ভস্ম হৈ নাযায। (বেগে যাব খোজে)

মহেন। শুনক ব্ৰাহ্মণ। আপোনাৰ দৰে প্ৰতিশোধাকাঙ্খী আমি। বুদ্ধি আৰু কৌশলত আমালোকত কৈ আপোনালোক সহস্ৰ গুণে শ্ৰেষ্ঠ। বলক আপুনি পথ দেখুৱাই দিব আমি অগ্ৰসৰ হ'ম। (সকলোৰে প্ৰস্থান)

[আন পিনৰ পৰা লাখুটিৰে খেপিয়াই খেপিয়াই জীৰ্ণ কায় অৰ্দ্ধনগ্ন শৰীৰ কদাকাৰ সিংহপাল আহে]

সিংহ। অ'-মোৰ ভাই হত, অ মোৰ মাই-হত, অ'মোৰ পিতাহত, কোন ক'ত আছ অলপ মোক পানী দে।' পিয়াহতে মোৰ বুকুখন শুকাই গৈছে। আজি দুদিন মোৰ পেটত একো নাই। পেটৰ জুই যে মুমুমায। আহা-হা! আকৌ মোৰ চকু দুটাত কিট্‌কিটাব লাগিছে। উঃ কত কষ্ট পাওঁ। মৰিলোঁ ঐ বিষৰ জ্বালাত মোৰ প্ৰাণ যায়।

( চকুদুটাত টিপমাৰি ধৰে ) কোন ও সৌটো ? অন্ধকাৰৰ মাজেদি দৌৰিব ধৰিছে ? আহ্ কি বিকৃত চেহেৰা ! উ ধৰিলে ঐ মোক ধৰিলে ! আই ঐ ! কি ভীষণ তাৰ চকু দুটা ! অন্ধকাৰত জুইৰ দৰে দপ্-দপকৈ জ্বলি উঠিছে । এইবাৰ মাৰিলোঁ—( কাঁহ আহে ) বুথখন ফালি যাব এইবাৰ ( কাঁহি কাঁহি পৰি যায়, তেজেৰে মাটি আৰু কাপোৰ ৰঙা পৰে ) । অ' মোৰ বোপাই হত কি কৰো মই কলৈ যাওঁ । মাৰি নে মোক কনা যম । আই ঐ, গাটোত কোনে জুই লগাই দিছ ? কি ঐ সৌটো ! মুখখন বাঘৰ দৰে দাত কিটা কি যে ভয়ানক । সৌটো পুৰন্দৰ পাল । এইবাৰ মৰিলোঁ । সৌযে তপত তেল, তাতে মোক পেলাই দি মাৰিব পলাওঁ, পলাওঁ - এইবাৰ মোৰ ৰক্ষা নাই । মোক ধৰ, মোক ধৰ ঐ মোক ক'ত আছা প্ৰতাপ ! ক'ত আছ সৈন্যবোৰ ? পুৰন্দৰ হাতত মোৰ ৰক্ষা নাই । মোক সকলোৱে ধৰিলে বল । ৰক্ষা নাই । দৌৰিবও নোৱাৰোঁ । আকৌ আহিছে আকৌ আহিছে যমদূত । ( থেপিয়াই কৰোতে উজুতি খাই পৰি যায় আৰু কাঁহ উঠে । মুমূৰ্ষ অৱস্থাৰ মানুহৰ দৰে কেঁকাব ধৰে । বৰকৈ তেজ ওলায় । মুখৰ ওচৰত পৰা কাপোৰ খন তেজেৰে ৰাঙলী হৈ যায় । বুকপাৰি পাৰি কোঁপাই থাকে )—সহায় ক'তো নাই । এনেকৈ পচি মৰিম । উহ্—উহ্ ।

———

# নৱম দৃশ্য

[ প্ৰতিমাৰ আপোন কক্ষ। বৰ দুখ মনেৰে তলমূৰ কৰি হাতৰ মাজত মূৰটো থৈ বহি কান্দি আছিল ]

প্ৰতিমা। দাদা, দাদা! চিৰ আনন্দময় চিৰ মহীমাময়, দাদা মোৰ! কত যে লুকাম মোৰ এই দুঃসহ মনো বেদনা। কি কুক্ষণত তোমাৰ আশ্ৰিতা হৈ তোমাৰ সৰ্বনাশ কৰিলোঁ। কোন জ্ঞানে কিহৰ তাড়নাত সিংহপালে তোমাক এনে নিষ্ঠুৰ ভাৱে হত্যা কৰিলে। সপোনতো কেতিয়াও এনেকৈ ভবা নাছিলোঁ। দাদা এনে অসময়ত তোমাক হেৰুৱাম। চাই যোৱা দাদা, তোমাৰ পিতামাতাৰ দুৰৱস্থা, তোমাৰ ৰাজ্যৰ দুৰ্দশা। কি সুখত আৰু এই প্ৰাণ ধাৰণ কৰিম? নিঃসহায়ৰ সহায় কাঙালৰ সম্পদ দাদা তুমি। আজি গোটেই ৰাজ্যৰ দুৰ্ভাগ্যৰ কাৰণে তোমাক হেৰুৱালোঁ। কিমান কান্দিব আৰু, শত শত যুগ, কান্দিলেও যে তোমাক আৰু নাপাম দাদা। পিতা, মোৰ জনমদুখীয়া পিতা, চাই যোৱা আজি তোমাৰ মৰমৰ জীয়েৰাৰ কি শোচনীয় দুৰৱস্থা। কোনে আজি এফেৰি তাইক মৰম কৰিব, কোনে তাইৰ দুখত সমদুখী হব! কলৈ গলে মোৰ দাদা। সকলোৱে যে মোক পৰিত্যাগ কৰিলে। দাদাৰ এই অকাল মৃত্যুত দুৰ্জয় নগৰৰ দৰ্পৰ চূড়া যেন খহি পৰিছে। মহাৰাজ আৰু মহাৰাণীক সান্ত্বনা দিবৰ উপায় নাই। কি আছে আৰু এই ৰাজ্যৰ সান্ত্বনা দিবলৈ? কিমান আৰু সহ্য কৰিম? ইয়াৰ উপৰিও নিজৰ অসহ্য যন্ত্ৰণা। অজয়ৰ অত্যাচাৰ. ফুলৰ বিশ্বাস ঘাতকতা। ফুলেই আজি কালি অজয়ৰ শুশ্ৰূষা

কাৰিনী। তুমি নাজানিলা অজয়, কিমান দকৈ মোৰ বুকত ঘা মাৰিলা ?

[ নীৰবে চকুলো টুকিব ধৰে। কপট শোকত ম্রিয়মাণ প্ৰতাপ আছে ]

প্ৰতাপ। তেনে আৰু বিদায় দিয়ক। ৰাজ্যৰ ধৰণী খহি পৰিছে। ৰাজ্যত হাহাকাৰৰ পিশাচ মূৰ্ত্তি বিৰাজি উঠিছে। কি শাস্তি লৈ আৰু আপোনালোকৰ ওচৰ চাপিম। ইমান দিনে দুখসুখৰ মাজেদি পৰম শান্তিৰে আপোনালোকৰ সৈতে কটালোঁ। হয়তো সময়ত আপোনালোকৰ মনত কষ্ট দিছোঁ। মোক ক্ষমা কৰিব।

প্ৰতিমা। ৰাজ্যৰ এনে হাহাকাৰ, এনে দুৰৱস্থাত নাযাব আপুনি। আপোনালোকেই বৰ্ত্তমান ৰাজ্যৰ সৰ্বভৰসা। আপোনালোকৰ শুশ্ৰূষা পালে ৰাজভৱনত আকৌ শান্তিয়ে গজালি দিব। কিয় যায় ? আপোনালোকৰ কৰ্ত্তব্য বৰ্ত্তমান ৰাজত্ব সুদৃঢ় কৰি তোলা। আপোনালোকে এৰি দিলে এই সোণৰ কামৰূপৰ, সোণৰ দুৰ্জয় নগৰৰ কি অৱস্থা হব ?

প্ৰতাপ। কি কৰিব পাৰোঁ আমি কওক। মই বুলিয়ে নহয় সকলে নিৰাশ হৈছে। এতিয়াও যদি আগৰ সেই ৰণ নিপুণ অসীম বলশালী অজয়ক পোৱা গ'ল হেতেন, তেনে যুৱৰাজৰ অভাৱ কোনোৱে অনুভৱ নকৰিলোঁহেতেন।

প্ৰতিমা। আপোনাক মই বুজি পোৱা নাই !

প্ৰতাপ। অতি দুৰ্ভাগ্য দুৰ্জয় নগৰৰ। আজি আগৰ সেই অজয় নাই। ক্ষমা কৰিব মোক, সেই অজয়ৰ কঙ্কাল আছে। আজিৰ অজয় প্ৰেমোন্মত্ত, ৰণোন্মত্ত নহয়, অজয়ে ফুলৰ বাবে প্ৰাণ দিব পাৰে ৰাজ্যৰ বাবে নহয়—

প্ৰতিমা। বন্ধ কৰক। অজয়ৰ ইমান বোৰ দোষ সম্ভৱ নহয়।

প্ৰতাপ। চাওক-গৈ নিজে, ৰাজ্যৰ ইমানবোৰ মানুহে লগলাগি তেওঁক অনুৰোধ কৰিব ধৰিছে, তথাপি তেওঁৰ চেতনা অহা নাই।

প্ৰতিমা। তেওঁৰ অন্তৰৰ বন্ধু যুৱৰাজৰ মৃত্যুত, অন্য কাৰণে নহয়!

প্ৰতাপ। আপোনাৰ ভুল হৈছে। দেশখনতে সেই একেটা কথা প্ৰচাৰ হৈছে, আপুনি কৈছে নহয়। কাৰণ নোহোৱাকৈ বা নেদেখাকৈ প্ৰায় সকলো মানুহে একে কথাকে কয়?

প্ৰতিমা। ( তলমুৰ কৰি ভাবিব ধৰে )

প্ৰতাপ। বাৰু আপোনাৰ বিষয়ে আপুনি কি ভাবিছে? কিমানদিন এনেকৈ ব্যৰ্থ সাধনাৰে জীৱনটোক ধ্বংশৰ পথলৈ টানি নিব?

প্ৰতিমা। মোৰ জীৱন! ( আগৰ দৰে বিমৰ্ষ হৈ থাকে )

প্ৰতাপ। আপুনি ভাবে আপোনাৰ জীৱনটো মূল্যহীন। কিন্তু কিমান মধুৰ হৈ উঠিল হেতেন জীৱনটো আপোনাৰ। আপুনি নিজে সুখৰ দেবদূতক বিদায় দিছে। এদিন অনাহূত ভাবে আপোনাৰ চৰণৰ ওচৰত মুৰ দোৱাইছিল, আপুনি অপমান কৰি খেদি দিছে।

প্ৰতিমা। মোৰ কথা বাদ দিয়ক।

প্ৰতাপ। ইমান দিনে জানিও নজনাৰ দৰে আপোনাক অজয়ৰ প্ৰতি অবিদ্বেষিনী কৰি ৰাখিছিলোঁ। কিন্তু মই বুজিছো মোৰ মহাপাপ হৈছে। আপোনাৰ সুন্দৰ কমনীয় শ্ৰী মলিন হৈ গৈছে, শৰীৰ ৰুক্ষ হৈছে। আৰু যে অপেক্ষা কৰিবৰ সময় নাই। অজয়ে এতিয়া অহৈতুকী সুন্দৰৰ সাধণা নকৰে। অজয় এতিয়া প্ৰেমৰ উপাসক নহয়

প্ৰতিমা। ( দুৰৰ গবাক্ষ পথত দৃষ্টি নিবদ্ধ কৰি ৰাখে। )

প্ৰতাপ। সুখী হবৰ অধিকাৰ সকলোৰে আছে। অজয়ৰ সাৰ্থকত আৰু

আপোনাৰ ব্যৰ্থতা ঈশ্বৰৰ অভিপ্ৰেত নহয়। কিয় নোৱাৰে আপুনি মনৰ এই কন দুৰ্বলতা আঁতৰাবলৈ? জীৱনৰ চঞ্চল মুহূৰ্ত্ত এটাত যি ভুল কৰিছিল তাক পাহৰি যাওক। সৌ চাওক প্ৰকৃতিৰ অপৰূপ নবীন সুষমাৰ মাজেদি কি পূণ্য আলোক জিলিকি উঠিছে। এই সৌন্দৰ্য্যৰ বিপুলতাৰ মাজত পোহৰৰ অসীমতাৰ মাজত ডুব দিয়ক।

প্ৰতিমা। (আচৰিত আৰু অসাধাৰণ দৃষ্টিৰে প্ৰতাপৰ পিনে চাই থাকে।)

প্ৰতাপ। কওক, আপোনাৰ জীৱনত একনিকা সুখৰ ৰেণু সিচি দিবলৈ মই কি কৰিব পাৰোঁ।

প্ৰতিমা। ইমান উত্তাৱল হৈছে আপুনি মোৰ বাবে?

প্ৰতাপ। যদি পৰিলোহেঁতেন আপোনাক সহায় কৰিবলৈ, সেৱা কৰিবলৈ। ইমান নিষ্ঠুৰভাবে আপুনি নিজৰ জীৱনৰ ওপৰত প্ৰতিশোধ নিব পাৰে।

প্ৰতিমা। আপোনাৰ সাধ্যাতীত। আৰ্ত্তৰ সম্পদ দাদা মোৰ গুছি গৈছে। শোক নকৰি, দুখ নকৰি কি কৰিম?

প্ৰতাপ। আপুনি অন্য আশ্ৰয় লওক। শুনক প্ৰতিমা দেবী—(ৰয)

প্ৰতিমা। কওঁক—[জিজ্ঞাসু দৃষ্টি]

প্ৰতাপ। কি এটা কাৰণত কব নোৱাৰোঁ আপোনাৰ প্ৰত্যেক কাৰ্য্যতে মই অনুৰক্ত হৈ পৰিছোঁ। (প্ৰতিমাৰ চকু ৰঙা পৰি আহে।) যদি অনুপযুক্ত বুলি নাভাবে, যদি নিঃকিন বুলি ঘৃণা নকৰে তেনে মোক আপোনাৰ সেৱাৰ অধিকাৰ—

প্ৰতিমা। প্ৰতাপসিংহ, নিৰ্লজ্জ পাগলৰ দৰে কি বকিব ধৰিছে এইবোৰ! উন্মাদ হৈ গৈছে আপুনি। গুছি যাওক—গুছি যাওক, আপুনি ইয়াৰ পৰা।

প্ৰতাপৰ ' মোক ৰক্ষা কৰক। আপুনি নহলে –

প্ৰতিমা। ( সিংহিনীৰ দৰে জাপ মাৰি উঠে। ) কামান্ধ পশু, এনে স্বাৰ্থপৰ, তই প্ৰতাপ। পদাঘাতেৰে তোৰ মুখ বন্ধ কৰি দিব পাৰোঁ। গুচি যা ইয়াৰ পৰা – গুচিযা। শুনানাই প্ৰতাপ? গুচি যা, এই মুহূৰ্ত্ততে—

[ প্ৰতাপ বেগে ওলাই যায় ]

প্ৰতাপ। ( অতিশয় উত্তেজনাত বুকুখন অস্বাভাৱিক ৰূপে জিকাৰি উঠে ) এই প্ৰতাপ, যাক মই বন্ধু বুলি ভাবিছিলোঁ। সেই পাপাশয়, কামুক লম্পট এই প্ৰতাপ। কি মূৰ্খামি কৰিছোঁ। উস্ কি অপমান [ দেহৰ গাত পৰা কিছুমান ছবি চিৰি পেলায়। ইফালে সিফালে ঘূৰি ফুৰে। কি ভীষণ মূৰ্ত্তি ] কি কৰোঁ? এই অপমানৰ প্ৰতিশোধ কোনে লব? ক'ত আছা, অজয়, তোমাৰ বৰ আদৰৰ প্ৰতিমাৰ লাঞ্ছনা নিজ চকুৰে চাই যোৱা। নাই, কি অধিকাৰত অজয়ৰ নাম লৈছোঁ। তোমাৰ সুন্দৰ জীৱন মৰুভূমিত পৰিণত কৰিছোঁ। কিন্তু কিন্তু ইমান নীচ মানুহো থাকিব পাৰে। সকলোবোৰ ধ্বংশ কৰিম। পাপৰ তাণ্ডৱলীলা—, কি অশুভ মুহূৰ্ত্তত ৰাজপুৰীলৈ আহিছিলোঁ কি কৰিলোঁ উস্ মূৰটোৰ ভিতৰত কিহে যেন কামুৰিব ধৰিছে। কিহৰ যেন তাড়না

[ মূৰটো থে, অলস ভাৱে সন ঘনকৈ উশাহ লব ধৰে। খোপা মূলকি পৰে – লাহে লাহে ফুল সোমাই আহি মৰটো পিটিকিব ধৰে। প্ৰতিমা চক্‌খাই উঠে, আৰু আগৰ দৰে মূৰটো খোজা মাৰি লয় ]

ফুল। কিনো হ'ল আজি আৰু। বৰে বোধ হয় গং কৰি গৈছে।

প্ৰতিমা। মনে মনে থাক ফুল।

ফুল। আই ঐ দেহি। কেমেন গাত চাগৈ লাউং সাউং কৰে কেইটামান কোবো লাগালে। চাও চাও পিহি দিওঁ।

প্ৰতিমা। তহতৰ লাজ কাজ একো নাই নহয়, ফুল? কিমানদিন এনেকৈ জ্বলাই মাৰিবি মোক? তহতৰ বাবে অলপো শান্তি লবৰ যো নাই।

ফুল। কথা শুন ছোৱালীৰ। বৰে লগলে দায় আমাৰ ওপৰত জাৰিলে হয়। ৰ'বাক বৰটো আহক, আজি গোচৰ দিম। প্ৰথম গোচৰ হৈছে—প্ৰতিমা আজি কালি বৰ খঙিয়াল হৈছে—দ্বিতীয়, বৰৰ কি অধিকাৰ এনেহেন কইনাৰ গাত হাত দিবলৈ?

প্ৰতিমা। ভাল নহব ফুল। ইমানবোৰ সহ্য নহয়। নুলৰ কিয় বৰ কৰি যাকে ইচ্ছা তাঁকে। তহতৰ সুখত বাধা দিবলৈ কোন গৈছে? কিয় এনেকৈ চিৰদিন অন্যক জ্বলাই মাৰ?

ফুল। তোৰ আকৌ ই কেনে কথা? জ্বলাই মাৰিকো ক'ত? মই আহিছোঁ তোঁৰ বৰৰ কথা কৈ অলপ সুখ দিবলৈ, তই এনে খং কৰিলে মই কিন্তু গুছি যাম। কৰচোন বাৰু তোৰ কি হৈছে?

প্ৰতিমা। মোৰ মূৰ হৈছে। তই যাগৈ।

ফুল। তই এনে কৰিলে বৰ বেয়া লাগে স'চাকৈ।

প্ৰতিমা। হৈছে, হৈছে নালাগে আৰু। ইমান পেংলাই কৰিবৰ আৱশ্যক নাই। তহতৰ ইচ্ছামতে তইঁত চলি থাক। মোৰ কাৰণে ভাবিবৰ একো আৱশ্যক নাই।

ফুল। কিয় ইমান নিষ্ঠুৰ হৈছ প্ৰতিমা? যাম বাৰু তইঁতক বোছ দিন আৰু আমনি নিদিওঁ। নিজেই বুজিব পাৰিছোঁ—তইঁতৰ মাজত মই এটা অনাৱশ্যকীয় মহাভাৰ। মোৰ দৰশনত চাৰিওফালৰ বতাহ বিষাক্ত হৈ উঠে। একেবাৰে যাম খাচিয়ালৈ, যত তইঁতৰ মুখ দেখা নাপাম। ( বিন্দু বিন্দু চকুলো ওলায় ) য'ৰ খৰা মোৰ পাপময় দৃষ্টিৰে

তহতৰ সুখ সম্পদত জুই জলাব নোৱাৰোঁ। যাম তাৰ্লৈ, বিদায় দে প্ৰতিমা।

( প্ৰতিমাৰ মুখটো পিহিব ধৰে। )

প্ৰতিমা। কলৈ যাবি তই ? খাচিয়ালৈ ? সিযে অসম্ভৱ। দুৰ্জয়নগৰৰ ইমন টান মায়াৰ বান্ধোন চিঙি যাবৰ শক্তি ক'ত তোৰ ? অজয়ক এৰি, অজয়ৰ স্নেহপাশক উপেক্ষা কৰি তই কেনেকৈ যাবি ?

ফুল। [ উচাপ খাই বহুত আতৰি যায়। এক দৃষ্টিৰে প্ৰতিমাৰ পিনে চাই থাকে ধাৰাসাৰে চকুলো ওলায়। কিছুপৰ নিৰ্বাক হয় ] বৰ দকৈ আঘাত দিলি প্ৰতিমা। আৰু যে এখন্তেকো দুৰ্জয়নগৰত মোৰ স্থান নাই। [illegible]ৰ পবিত্ৰ উজ্জ্বল স্মৃতি এটি লৈ আহিছিলোঁ। আৰু যাম তোৰ এই ৰাক্ষসী মূৰ্ত্তিৰ বিভীষিকাময় স্মৃতিলৈ। ইমান নিৰ্মমভাবে তই মোৰ গোটেই ভবিষ্যত জীৱনটো নষ্ট কৰিলি !

প্ৰতিমা। ফুল।

ফুল। ( অগুৱাই গৈ প্ৰতিমাৰ কান্ধত মৰটো থৈ ৰবকৈ কান্দে ) তেনে যাওঁ প্ৰতিমা। বৰ সুখেৰে তোৰ লগত ইমান দিন কটালোঁ। মোৰ ভাগ্যত তেনে সুখ নাই, আজিৰ পৰা মই সেই সুখৰ পৰা বঞ্চিত হলোঁ। কেৱল মোৰ মনত পৰে সিদিনাৰ খাচিয়াৰ কথা, কিমান মধুময় গাঢ় স্নেহত তোক সাৱতি 'ধৰিছিলোঁ, আৰু যে কি ? তোৰ শুভ দিন ফিৰি আহক। কেতিয়াবা মনত পেলাবি এই অভাগিনীৰ কথা। আৰু তহতক উপদ্ৰৱ কৰিবলৈ ফুল ফিৰি নাহে। আৰু নাহে ! প্ৰতিমা—প্ৰতিমা [ কেকুৰি কেকুৰি কান্দে। প্ৰতিমাৰ খঙৰ জাল কমি আহিব ধৰিছিল, হঠাৎ ফুল ঠিয় হয়। কাপোৰ জালকৈ লয়, চকুৰ লো মচি পেলায় তেনে যাওঁ প্ৰতিমা—গোঁ দূৰৰ খাচিয়া পাহাৰলৈ। অজয়ৰ ওপৰত

তই ইমান দিনে মিছাকৈয়ে অত্যাচাৰ কৰিছ। এতিয়াও সময় আছে। এনে অমূল্য জীৱন এটা ধ্বংশ নকৰিবি। তহঁতক ঈশ্বৰে সুখ দিয়ক। —সৌৱে দূৰত মোৰ চকুৰ আগত ভাহি উঠিছে থাচিয়া পাহাৰৰ নীলা বনবাজি। সৌৱে হৰিণাপোৱালী—সৌৱে জুৰনি—সৌৱে মোৰ পিতা—কপৌজনীৰ মাত মোৰ কাণত পৰিছে। আই ঐ! ইমান মতুলীয়া—ইমান উদাস—ইমান অপূৰ্ণ!—ইয়ে প্ৰেমৰ কাহিনী—ইয়ে প্ৰেমৰ কাহিনী—।

[ শুচি যায়, অভিভূতা হৈ প্ৰতিমাই চাই থাকে, যেন বাহ্যিক জ্ঞান লোপ পাইছিল। দূৰৈত ফুলৰ আকুল গীত শুনা যায়। প্ৰতিমাৰ উশাহ ঘন হয়। নেপথ্যে উন্মাদ বস্তুপালে চিঞৰি উঠে "কত পুৰন্দৰ—কত দুৰ্লভ"—। হঠাৎ যেন কি মনত পৰি প্ৰতিমা ঠিয় হয়। চকুমুখে অস্বাভাৱিক ৰূপ ধৰিছিল। উশাহ বেয়াকৈ থৰ হৈ উঠিছিল। চাৰিওফালে চাই চিঞৰি উঠে—"ফিৰি আহ ফুল। কলৈ গলি। মইয়ে নিঃসহায়। ফিৰি আহ—ফিৰি আহ—ফিৰি আহ।"—মূৰ্চ্চা গৈ পৰে। ফুলৰ গীত ৰিণিকি ৰিণিকি শুনা যায় ধীৰে ধীৰে বতাহৰ লগত মিলি যাব ধৰিছিল। ]

দূৰত শুনা ফুলৰ—        গীত।

বনৰে হৰিণী ফিৰি আহ।
হিয়াৰ মাজত ইকি জ্বালা আজি
দে মোৰ জুৰণি শীতল বা॥

---

# দশম দৃশ্য।

[ৰাজপুৰী। উন্মাদিনী প্ৰতিমা দৌৰি আহে। বিহাৰ আচল মাটিত চুচৰি আহে ]

প্ৰতিমা। ফিৰি আহ ফুল—ফিৰি আহ। কলৈ গলি তই? বৰ ভুল কৰিছিলোঁ। তোৰ চৰণত ধৰি ক্ষমা ভিক্ষা খুজিম—ফিৰি আহ তই। বৰ মৰমৰ সখীয়ে মই তোৰ। আহ ফুল আহ। নাহ তই ফুল? কিমান দিন থাকিবি মোক এৰি? তোক বিচাৰি যাম,—তোক উলিয়াই আনিম। তই নহলে মোৰ নহয়। (হঠাৎ ভাব পৰিবৰ্ত্তন হয়) এটা এটাকৈ মোৰ ভাগ্যগগনৰ জ্যোতিৰ্ময় নক্ষত্ৰবোৰ খহি পৰিব ধৰিছে। দাদা গ'ল দুৰ্লভা গ'ল, ফুল গ'ল। ক'ত আছা তুমি দাদা? কোন নেদেখা ৰাজ্যত গৈ লুকালা? তুমি থাকিলে মুঠেই মোক পৰিত্যাগ নকৰিলে হেতেন। বৰ সুখত আছ তই দুৰ্লভা। তোৰ দৰে ভাগ্যবতী ৰমণী কিমান আছে? অজয়, ইমান অভিমানী তুমি, কিয় তুমি মোৰ ভুল ভাঙি নিদিলা—কিয় মোক কোবাই আঁতৰাই নিদিলা?—কিয় তুমি তোমাৰ নিজৰ বস্তুক এনে বিপদত পেলাই থৈ নিজেও অশান্তি ভোগ কৰিলা? কেনেকৈ যে এতিয়া তোমাৰ আগত এই অপমানিত লাঞ্ছিত মুখ দেখুৱাম। তুমি যে ঘৃণাত নাক কোঁচাবা। মোক ক্ষমা কৰা অজয়, একমাত্ৰ সহায় তুমি একমাত্ৰ সম্পদ তুমি, বৰ কষ্ট দিছোঁ মই, মোক ক্ষমা কৰা। ক'ত আছা তুমি অজয়? কিয় তোমাক লগ নাপাওঁ? মোৰ ওপৰত অভিমান কৰি তুমি কলৈ পলাইছা? আৰু এবাৰ মাত্ৰা প্ৰতিমা বুলি, আৰু এবাৰ আদৰ কৰা—আৰু এবাৰ বুকৰ মাজত সোমাই লোৱা। অজয়—অজয়—

(প্ৰস্থান।

( হাতত অস্ত্ৰ লৈ বিনয়কুমাৰ আহে )

বিনয়। কলৈ যাব? ইয়াতে কৰবাত লুকাই আছে। সিংহপালৰ প্ৰধান সহায়—প্ৰতাপ। প্ৰতাপ নহলে সিংহপালে ধ্বংশকাৰ্য্যত ইমান সফল নহল হেতেন। সেই প্ৰতাপক লাগে, প্ৰতাপৰ তেজেৰে নতুন সিংহাসনৰ ভিত্তি স্থাপন কৰিম। ভাবিলে নিজৰ মনতে ধিককাৰ আহে, ইমানবোৰ দুৰ্ঘটনাৰ মূল যি জন, সেই জনক আমাৰ মাজতে ৰাখি কিয় ইমান নিশ্চিন্ত হৈ আছিলোঁ? কাৰবাৰ এটা দিত পালে তাক মই চূৰ্ণ কৰিলোঁহেতেন। যাক যোৱা কথা গৈছে। এতিয়া আছে প্ৰতাপ। এই প্ৰতাপক নাশ কৰিব লাগে। অস্ত্ৰ দেখো নহয়—প্ৰতিশোধৰ নিমিত্তে। প্ৰতিশোধ লাগে, প্ৰতিশোধ লাগে। যি প্ৰতাপে অজয়ৰ সমস্ত সুখ আঁতৰাই দিছে—যি প্ৰতাপে চক্ৰেৰে প্ৰতিমাৰ মনত বিভীষিকা উৎপাদন কৰিছে—সেই প্ৰতাপৰ—সেই কুলাঙ্গাৰৰ তেজমাংস কাটি আনি কুকুৰক দিম। আৰু অপেক্ষা নকৰোঁ—উপযুক্ত সময় আহিছে—ক'ত প্ৰতাপ—

( প্ৰস্থান, বেগেৰে )

[ হাতত যাঠিলৈ এজন প্ৰহৰি আহে। ]

প্ৰহৰি। ( আপোনমনে কে থাকে ) বন নাই আৰু এই অদ্ভুৎ মখাৰ। ইফালে ইয়াক মাৰিব, সিফালে তাক মাৰিব। বাপৰে বাপ, কি একেবাৰে মানুহখোৱা সিংহৰ ডেকা পোৱালী ওলাইছে। এতিয়া ইহঁতে গৰুম'হ সকলোকে মাৰি নাথায় যদি সেয়ে ভাল। কিনো চাৰা একোটাৰ মূৰ্ত্তিখন। চকুদুটা যেন দুকুৰা জুই। দাত কেইটালৈ চালে ভয়ে লাগে। একোটা ঘাতে ইহঁতে শই শই মানুহ নিব যেনহে লাগে।

( ৰাণীমহলৰ মাইকী প্ৰহৰি একজনীয়ে ঘূৰি থাকোঁতে লগ পায়। হাতত যাঠি )

চোৰাচোন আকৌ এই তিৰীজনীৰে অহঙ্কাৰটো। যেন পৃথিবীত ভৰি নিদিবহে। গোটেই এই আমাৰ যুৱৰাজটোৰ শিক্ষা। তিৰোতাবোৰ বোলে আমাতকৈ কোনো গুনে হীন নহয়। সিহঁতেও বোলে ইচ্ছা কৰিলে আমাৰদৰে ৰণক্ষেত্ৰত যুদ্ধ কৰিব পাৰে। বেটী চতৰ গঁপ দেখিলে গা জ্বলি যায়। শিকাই দিব পাৰো বাপেকে। একে চৰে তিনি পাক ঘূৰি মাটিত থাচ্‌কৈ পৰি যাব। হেৰা, ও বোলো কি কৰিছা নো?

মাইকী। মোক সুধিছা!—এইয়া কি কৰিবা নো? হাতত যাঠি পাতন লৈ পহৰা দিছোঁ। কি জানি কেতিয়াবা নিগনি মেকুৰীটো সোমাই, অন্দৰমহলত ভয় লগায় দিয়ে।

প্ৰহৰি। কোৱা কি তুমি? কিমান বিপদৰ আশঙ্কা, নিগনিটো, মেকুৰীটো কিয় হব?

মাইকী। নহয় নো কি? বছৰৰ পিচত বছৰ ঘূৰি গৈছে, সেই একেভাবে কিমান প্ৰহৰি হাতত যাঠিপাত লৈ পহৰা দি মৰি গৈছে, তাৰ সীমা নাই। কোনে কেতিয়া কোন শত্ৰুৰ লগত যুজিব লগীয়া হৈছে। ভাল নালাগে মানুহক দেখাবলৈ মিছাকৈয়ে অস্ত্ৰ এপাত আৰি লৈ থাকিবলৈ?

প্ৰহৰি। যুদ্ধৰ হেপাহ দেখিছো তোমাৰ কম নহয়। পিচে এটা কথা বুজিছা? বাঘ নেদেখা মানুহৰ বাঘ মৰাটো নিচেই উজু কথা। বাঁহৰ গছত মনে মনে উঠি থাকি বাঘৰ গাত চোকাশৰ এপাত মাৰি দিলেই বাঁঘৰ শেষ ইয়াত আকৌ চিকাৰীৰ কি আৱশ্যক? বাঘ দেখিলে হলে বেচেৰাৰ আগতে জীউ যায়। যুদ্ধতো কোনো দিনে দেখা নাই তুমি? যুদ্ধলৈ হেপাহ তোমাৰ নহব কিয়?

মাইকী। তোমালোকদেৰে মানুহৰ বৰ কথা নহৈ হব কাৰ? যুদ্ধ লাগিলে দেশৰ মতা-মাইকী সকলো যুদ্ধলৈ যাব, তুমি থাকিবা হাত সাৰতি ইয়াতে। ঘৰৰ মাইকী অনীৰ ওপৰত দেখিছো তুমি এটা প্ৰকাণ্ড সেনাপতি।

প্ৰহৰি। ভাল নহব বুজিছ? তিৰোতা বুলি মই কাকো ক্ষমা নকৰোঁ। একে কোবে ইয়াত বাগৰি থাকিবি।

মাইকী। লাজো নালাগে কৰলৈ। নোহোৱা দেশৰ ৰজাটো। ভাল তিৰোতাৰ হাতত পৰিলে চাবা আকৌ গাৰ কাপোৰখনো এৰি আহিব লাগিব।

প্ৰহৰি। লাই পাই গৈছ নহয়? একে চৰে সৌ বাল্লিৰত পাৰিবি গৈ বুজিছ? চিনিপাবি বাপেকে দিম সেকাটো।

মাইকী। কি হেন পাইছ? কেলেই কবি তই ইমানবোৰ কথা। মুখ খনতো কম নহয়। ভালে ভালে গুছি যা, চুপটি কৰিবলৈ নাহিবি। বেয়া হৈ যাব কথা।

প্ৰহৰি। কি কৰিব পৰে তই?

মাইকী। তই নো কি কৰিবি?

প্ৰহৰি। জীয়াই জীয়াই পুতি থব পাৰো তোক।

মাইকী। নাকটো কাটি আনিব পাৰোঁ তোৰ। তোৰদৰে চেৰেলা পৰা ডেকা বহুত দেখিছো। লাজ নাপাওতে যা এতিয়াই।

প্ৰহৰি। তোৰ আজি কিবা এটা কৰিহে এৰিম। দেখিম তোক কোনোনো ৰাখে। হাতত যাঠিপাত লৈছে বুলি বেটীৰ তেজ—।

মাইকী। নলৰ-কিয় যাঠি। দেখুৱাই দিও তোৰ বীৰত্বটো।

প্ৰহৰি। আহছোন তেনেহলে।

( ধুমো বাঢ়ি ভাঙি ওচৰাওচৰি হয় )

[ ইন্দ্ৰপাল সোমাই আহে। শাসকৰ মূৰ্তি ]

ইন্দ্ৰ। প্ৰহৰি—( ধুমো অস্ত্ৰ সমাই নতশীৰ নহয়। ইন্দ্ৰপালে ধুমোকো চাই লয় ) অস্ত্ৰ পৰিত্যাগ কৰ। ( মাইকীক ) খোৱা অস্ত্ৰ। ( ধুমো অস্ত্ৰ থৈ নতজানু হয় ) তিনি দিন তোৰ অস্ত্ৰ বন্ধ। যা—( প্ৰহৰি যায় )

( অলপ অপেক্ষা কৰি ইফালে সিফালে চাই ইন্দ্ৰপাল গুছি যায় )

[ আনফালে জীৰ্ণশীৰ্ণ শৰীৰ, পককেশ কোটৰাগত চকু জীৰ্ণ পৰিচ্ছেদ পৰিহিত বস্তুপাল, ইফালে সিফালে দুই এখন আসন পাৰি থোৱা থাকে। বস্তুপালে কিবেকা আপোনাআপুনি বিচাৰি থাকে। কৰবাত কিবা পালে পিছি চাই থৈ দিয়ে। কেতিয়াবা আকৌ উদাস নীৰৱতাৰে বহি পৰে।]

বস্তু। কিতাপবোৰ দেখোন কোনোৱে সজাই থৈ নিদিয়ে! ইমান মৰমৰ কিতাপ বিলাক মোৰ। গোটেইবিলাকে কয় মোৰ কাৰণে বোলে ৰাজ্যখন ধ্বংস হৈ যায়। ই আকৌ কেনে কথা। ইমানবোৰ মানুহ আছে, সকলো মিলি ৰাজ্যখন চলাওক। নচলাই যদি মোৰ কি হল? হাঃ, হাঃ হাঃ বেৰখনত সেইটো তিনিখন মুখেৰে কাৰ ছবি?—এনেযে গৰম হৈ উঠে ভুপৰীয়া পৰিধাৰ পানীবিলাক! ( আচৰিত ভাবে ) জুই লগাই দিছে! সি আকৌ কেনে কথা? জুই দিছে। জুই দিছে! কোন আছ? ( প্ৰহৰি আহে ) কি হ'ল? কিয় আহিছ? যা দূৰ হব। ( প্ৰহৰি যায় ) আকৌ সেই সিদিনাৰ কথাটো ( হাঁহে ) কিবে মানুহৰ মনবিলাক। এতিয়া ইহঁতে পৃথিৱীৰ সকলো জীৱজন্তু

থাই ধৰ বেনছে লাগিছে। এটা কথা ভাবিছোঁ। নুইতেৰে উজাই গৈ দূৰত এটা চাউনি পাতোঁ। ৰাজ্যৰ আধা সৈন্য লৈ যাম। টিকাবো পাম বহুত।—কিন্তু নাই কিয়ে হৈছে, দূৰটোৰ ভিতৰত কিহে যেন চিঞৰিব ধৰিছে। কাৰো কথা কওঁ শুনি নাপাওঁ।—আহ নামাৰিবি—নামাৰিবি। চাছোন কেনেকৈ কান্দিছে। এনেকুৱা সোণৰ লৰাটোক কোবাই একেবাৰে তেজ উলিয়াই দিছে। ইঃ, কেনে যে কৰে, ছবিটোৱে আকৌ কথা কয়। যাঁ যা কাকো কওঁ বিশ্বাস কৰিব নোৱাৰি। কালি ৰাণী কলে মোৰ ৰোলে শৰীৰটো শুকাই গৈছে। (পিছি চাব ধৰে) দেখাও নাপাওঁ ভালকৈ। কুটাই দিম নেকি চকুহুটা। খি খং উঠে একোবাৰ। নাই অলপ মনে মনে বহি থাকোঁ। [ স্তব্ধ হৈ বহি থাকে। আক ইফালে সিফালে শূন্য দৃষ্টিৰে চাব ধৰে। মাজতে উঠি হঠাৎ ঠিৰ হয়। চাৰিওপিনে ঘূৰি চুৰে। কিবা যেন কাণ পাতি শুনে ] কি, কি, কোনে কান্দছে। সোৱে দূৰত বিননি শুনিছোঁ। কোনে বিনাইছে? কোনে কোনে? কি যে শোকৰ বিননি। কিয় কান্দিছ? কোন? কোন? তুৰ্লভা? পুৰন্দৰ নাই? নাই? কলৈ গল? কলৈ গলি পুৰন্দৰ? পুৰন্দৰ ফিৰি আহ। (দোৰিবৰ চেষ্টা কৰে, আসন আদিত কেতিয়াবা পৰি যায়। আকৌ দোৰিবৰ চেষ্টা কৰে মজে মাজে গাত তেজ ওলায়, বীভৎস হৈ পৰে) পুৰন্দৰ ফিৰি আহ। ফিৰি আহ পুৰন্দৰ—ফিৰি আহ—পুৰন্দৰ—পুৰন্দৰ—পুৰন্দৰ—আঃ আঃ (হঠাৎ বেৰ এখনত লাগ মুখত তেজ ওলায়, আক মূৰ্চিত হৈ পৰে)। প্ৰতিমা দৌৰি আহে। ]

প্ৰতিমা। (মূৰটো ডাঙি লৈ তেজখিনি মচি দিব ধৰে) পিতা, পিতা, এনে অধীৰ হলা পিতা! আক কিমান দিন বাচি থাকিবা এই শোকৰ মহাভাৰ লৈ? উঠা পিতা। একজনৰ লগতে যে সকলো যায়। (গাৰ আচলেৰে

বিচে ) ৰাণী আইক মাত দিও। নাই থাক। নিজৰ যন্ত্ৰণা তেওঁ এতিয়াও পাহৰিব পাৰা নাই, তাতে এই দৃশ্যই তেওঁৰ মনৰ শোক দুগুণে জলাই তুলিব। পিতা—উঠা পিতা। ইমান স্নেহেৰে গঠিত তোমাৰ ৰাজ্য ৰক্ষা কৰা। ইস্ কেনে অদ্ভুত অৱস্থা হৈছে। চকুমুখ একেবাৰে বহি গৈছে নিজে নিজক মৃত্যুৰ পথলৈ টানি নিছা পিতা। পিতা—পিতা—

বস্তু। আঃ! আঃ! কোণ? প্ৰতিমা?

প্ৰতিমা। কিয় এনে কৰিছা পিতা? উঠা পিতা। স্থিৰ হোৱা। ( মুৰটো পিছি দিয়ে )

বস্তু। ধৰি থাক প্ৰতিমা, ধৰি থাক। আৰু যে মোৰ কোনো নাই, ধৰি থাক। ( চকুপানী ওলায় )

—:—

# একাদশ দৃশ্য

[ ৰাজপুৰীৰ বাহিৰ প্ৰাঙ্গণত অজয়। মৰ্মৰ মূৰ্ত্তিৰ দৰে থিয় হৈ আছিল। তেওঁৰ চকুত নিমিষ নাই, মুখত মাত নাই। কপালৰ শিৰ উঠি গৈছে। গালমুখ টোটোৰা পৰিছে। মাজে মাজে চুলি পাকিছে। মাজে মাজে কিবা কথা মনত পৰি চক খাই উঠে। ]

অজয়। এক নিমিষতে কি যেন হৈ গ'ল। যেন হঠাতে এটা প্ৰচণ্ড ধুমুহা আহি গছবন ভাঙি মৰিমূৰ কৰি কোনোবা অজ্ঞাত দেশলৈ গুছি গ'ল। এক মুহূৰ্ত্তৰ আগতে ৰাজ্যৰ ওপৰত স্বৰ্গৰ ফুল চিটিকি পৰিছিল, এক মুহূৰ্ত্তৰ পিচত নৰকৰ হাৱা লাগি ফুলবোৰ বিষাক্ত হৈ উঠিল। ( মূৰ তুলি চাই ) গোটেই বাহিৰত প্ৰকৃতিৰ নিষ্ঠুৰ গম্ভীৰতাৰ মূৰ্ত্তি। মানুহৰ ওপৰত নিৰ্মমভাৱে শাসন দণ্ড স্থাপন কৰি যেন বিজয়ৰ উল্লাসত হাহিছে। চাৰিওফালে নিষ্ঠুৰতাৰ এই তাণ্ডৱ পৰিহাস—জীৱন যে ব্যাপি ধৰিছে। আৰু স্থান নাই। এই পৃথিৱীত আৰু মোৰ বাবে স্থান নাই। ( ভাবে হঠাৎ চক খাই উঠে ) কিন্তু কি যেন মায়া—কি যেন বান্ধোন—কি যেন আকাংক্ষা। কিহে যেন গোটেই জীৱনটোকে আগুৰি পেলায়! ক'ত মোৰ শক্তি? ক'ত পৈ মই এই দুৰ্ব্বহ জীৱনটোৰ ভাৰ নমাই থৈ, খন্তেকৰ বাবে জিৰণি ল'ব পাৰো। ( এটা হুমুনিয়াহ কাঢ়ে। শৰীৰ কোঁচ খাই উঠে )। কোন আছে মোৰ সংসাৰত? একমাত্ৰ আদৰৰ আলসুৱা ভনী মোৰ—কিযে দুৰ্ভাগ্য। এনে অকালতে তাইক হেৰুৱালোঁ। প্ৰাণৰ বন্ধু পুৰন্দৰপাল, জীৱনৰ

সোঁতত ভাহি অহা কল্পনা মোৰ তাৰ আগত কলে কি যে ৰঙীন হৈ উঠিছিল। কাকলৈ আৰু বাচি থাকিম?—আৰু প্ৰতিমা। প্ৰতিমা!—এনে বিশৃঙ্খল কৰি দিলে মোৰ সোঁৰৱণীখন। প্ৰতিমাৰ এই নিষ্ঠুৰ অৱহেলাই—প্ৰতিমাৰ এই নিৰ্মম অত্যাচাৰে জীৱনটো শেষ কৰিব ধৰিছে। তথাপি যে শেষ নহয় এনে কাল জীৱন!—প্ৰতিমা —প্ৰতিমা—অবিচাৰ কৰিলা। বুকুখনৰ মাজত যে কি পেৰণি। যদি দীন দৰিদ্ৰ হৈ আজি ঘাটে বাটে ভিক্ষা কৰি ফুৰিব পৰিলোঁহেতন। যদি দুখীয়াৰ জীৰ্ণ পজাত এমুঠি শান্তিৰে ভাত খাব পৰিলোঁহেতেন। সকলো গোট খাইছে। আজি মোৰ সকলো শক্ৰ। জীৱন তিক্ত বিষময় হৈ উঠিছে এই অনন্ত জালাৰ নিবৃত্তি ক'ত পাম—কেনেকৈ হ'ব।

( উন্মাদৰ দৰে গুচি যায়। )

[ দৌৰি প্ৰতাপসিংহ আহে। ]

প্ৰতাপ। উস্, আই ঐ, কলৈ পলাওঁ। চাৰিওফালে সৈন্যই আগুৰি ধৰিছে। পিচে পিচে মুক্ত তোৰোৱাল হাতত লৈ বিনয় আহিছে। কত ৰক্ষা পাওঁ! ৰক্ষাৰ যে কোনো উপায় নাই। বিনয়ৰ হাতত যে ৰক্ষাৰ উপায় নাই। লগপালে একে ঘাপে মোৰ জীৱন শেষ কৰিব। কলৈ যাওঁ এতিয়া? কাৰ ওচৰলৈ যাওঁ? উস্ আৰু এক মুহূৰ্ত্ত আগেয়ে জনাহলে পলাই কোনোমতে আত্মৰক্ষা কৰিব পৰিলোঁহেতেন। এতিয়া যে সময় নাই। কাৰ ওচৰত আশ্ৰয় লম? দয়াৰ সাগৰ যুৱৰাজো যে নাই। কি মোক কালে পাইছিল? কিয় মই প্ৰতাৰিত হৈ সিংহপালৰ সহায় কৰিছিলোঁ? আৰু যে জন্মভূমি দেখা নাপাম! পিতৃমাতৃৰ চৰন দেখা নাপাম! কি কৰোঁ?

পেয়া যে আহিল। মোৰ কাল আহিব ধৰিছে। হাতত প্ৰচণ্ড তৰোৱাল। এই যে আহি পৰিল। ক'ত লুকাওঁ, ক'ত লুকাওঁ। [ ওচৰত থকা এটা খুটাৰ ওচৰত লুকায় ]

[ বিনয় হাতত খোলা তৰোৱাল লৈ প্ৰতাপক বিচাৰি আহে ]

বিনয়। কলৈ পলাল পাপিষ্ঠ প্ৰতাপ? পিচে পিচে খেদিছোঁ। এইফালে দিয়েই আহিছে কলৈ যাব সি? চাৰিওফালে সৈন্যই আগুৰি আছে। তেন্তে কলৈ গ'ল সি? দেখা যে নাপাওঁ। ক'ত লুকাবি প্ৰতাপ? ক'ত লুকাবি তই? কিমানদিন লুকাই থাকিবি? পাত পাতকৈ তোক বিচাৰি উলিয়াই আনিম। তোৰ ৰক্ষা নাই। মই পুৰন্দৰপাল নহওঁ। আততায়িক মই ক্ষমা নকৰোঁ। এইবাৰ নৰ ৰক্তেৰে সিংহাসন প্ৰতিষ্ঠা কৰিম। চাৰিওফালে পাপৰ মূৰ্ত্তি বিৰাজ কৰিছে। মানুহৰ তেজেৰে, বিশ্বাসঘাতকৰ তেজেৰে, ৰাজদ্ৰোহীৰ তেজেৰে ৰাজ্যৰ ভিত্তিৰ পৰা পাপ আঁতৰাই আনিম। প্ৰতাপৰ তেজ লাগে। ক'ত লুকালি প্ৰতাপ? ওলাই আহ। তোৰ মৃত্যু নিশ্চিত। কিমান সময় লুকাই থাকিবি? সাৱধান সৈন্যবিলাক, যেন এটা প্ৰাণীও এই ভৱনৰ পৰা বাজ হব নোৱাৰে। তইঁতৰ প্ৰভুৰ সদগতিৰ বাবে, সকলোৱে অস্ত্ৰলৈ সাজু হৈ থাক। তোক বিচাৰি উলিয়াম প্ৰতাপ। তোৰ ৰক্ষা নাই [ যাব খোজে। ]

[ আনফালৰ পৰা তৰোৱাল লৈ প্ৰতিমা আহে, আৰু প্ৰতাপক আক্ৰমণ কৰে ]

প্ৰতিমা। কলৈ যাবি তই? মোৰ চকুত ধূলি মাৰি তই কেনেকৈ পলাবি। এটা মাত্ৰ প্ৰতিশোধ লম। এই মোৰ জীৱনত প্ৰথম আৰু শেষ প্ৰতিশোধ। প্ৰতাপৰ তেজেৰে প্ৰতিশোধৰ তৃষ্ণা দূৰ কৰিম। সাজু হৱ প্ৰতাপ, আৱশ্যক হয়, অস্ত্ৰ লব?

বিনয়। নীচ ঘৃণ্য পশু! এই হীন জীৱনৰ কাৰণে ইমান মমতা। কি কৰিবি তই, এই জীৱনৰ মহাভাৰ বৈ থাকি? মৃত্যুলৈ সাজু হ্য়। লৰ, তৰোৱাল লৰ।

প্ৰতাপ। দোহাই, আপোনালোকৰ! মোৰ প্ৰাণ ৰক্ষা কৰক। মোৰ যথেষ্ট শাস্তি হৈছে। আপোনালোকৰ আগত প্ৰতিজ্ঞা কৰিছো, এইবাৰৰ পৰা আৰু এনে কাম নকৰোঁ। জীৱনৰ বাবে মোৰ ভুল ভাঙ্গি গৈছে। মোক ৰক্ষা কৰক। ক্ষমা কৰক।

প্ৰতিমা। সাজু হৰ। প্ৰতাপ, তোৰ কোনো কথা শুনোঁ। প্ৰতিশোধ লম। কিয়, মনত নপৰে প্ৰতিমাৰ পাণিগ্ৰহণ কৰিবলৈ কিমান উপায় অৱলম্বন কৰিছিলি? সহ্য নহয় আৰু। বিশ্বাসঘাতক প্ৰতাপ, পাপিষ্ঠ প্ৰতাপ, কোনো অছুৰোধেই মই শুনোঁ। অস্ত্ৰ লৰ, যুদ্ধ কৰ। তোক মই অন্যায় কৈ নামাৰোঁ। পাৰ যদি মোক হত্যা কৰ, নহলে তোৰ তেজেৰে মোৰ তোৰোৱাল ৰঞ্জিত কৰিম।

প্ৰতাপ। আপোনাৰ ভৰিত ধৰিছোঁ। প্ৰাণৰ মমতা মোৰ যোৱা নাই। মোৰ জীৱন দান দিয়ক। মোৰ মূল্যহীন জীৱনটো নষ্ট কৰি, আপোনাৰ একো উপকাৰ নহয়। মোক ৰক্ষা কৰক। [ ভৰিত ধৰিবলৈ আগুৱাই যায়। ]

প্ৰতাপ—( ভৰিৰে মূৰত আঘাত কৰে ) কাপুৰুষ।

প্ৰতাপ। ( ক্ষন্তেকৰ কাৰণে উত্তেজিত হৈ তৰোৱাল গ্ৰহণ কৰে। পিচত বিনয়ক দেখি কঁপিব ধৰে।) মোক ৰক্ষা কৰক। আপুনি মোক আশ্ৰয় দিয়ক।

( বিনয়ৰ ওচৰত নতশিৰ হয়। )

বিনয়। যা প্ৰতাপ, পাৰ যদি আত্মৰক্ষা কৰ। মই প্ৰতিমাক সহায় নকৰোঁ। যদি পাৰ প্ৰতিমাক হৰুৱাই নিষ্কৃতি লাভ কৰ।

প্ৰতিমা। সাজু হৰ প্ৰতাপ ( খঙত কঁপি উঠে )

প্ৰতাপ। উত্তম। [ দুয়ো অস্ত্ৰ চালনা কৰে। হঠাৎ সিংহিনীৰ দৰে প্ৰতিমাই জাপ

যাদি প্ৰতাপৰ বুকত অস্ত্ৰ একেবাৰে সোমাই দিয়ে। পিচ মুহূৰ্ত্তে আঃ উস্ কৰি প্ৰতাপ মৰে। ]

প্ৰতিমা। আৰু মোৰ অস্ত্ৰৰ প্ৰয়োজন নাই। (অস্ত্ৰ দূৰত পেলাই) এই একটা প্ৰতিশোধৰ কাৰণে অস্ত্ৰ লৈছিলোঁ। জীৱনত আৰু কাৰো ওপৰত প্ৰতিশোধ লবৰ আৱশ্যক নাই। কেৱল নিজৰ ওপৰত প্ৰতিশোধ লম। নিজৰ হাৰ মঙ্গহ চিঙ্গি আনি নিজেই খাম।

বিনয়। শান্ত হোৱা প্ৰতিমা যোৱা কথা হৈ গৈছে। দুখ শোকত সকলোৱে এনেদৰে উন্মাদ হলে লাভ একো নহব। কেৱল কাৰ্য্য নষ্ট হব। শান্ত হোৱা। এতিয়াও সময় আছে।

প্ৰতিমা। কিহৰ সময় আছে। নিজেই সকলো শেষ কৰিছোঁ। শ্ৰেষ্ঠ ৰত্ন হাতত পায়ো দলিয়াই দিছোঁ।

বিনয়। এতিয়াও আছে। এতিয়াও চেষ্টা কৰা। তোমাৰ ৰত্ন তোমাৰ হাতলৈ আহিব।

প্ৰতিমা। আৰু নাহে—নাহে। (বিহ্বলহৈ গুছি যায়—বিনয় ৰ'লাগি চাই থাকে।)

———

# দ্বাদশ দৃশ্য

[ বস্তুপালৰ কক্ষ। ৰাতি—বস্তুপাল শেতেলিৰ ওপৰত বহি আছিল। চুলিবিলাক গোটেই বগা পৰিছে—চকুদুটা জ্যোতিহীন হৈ পৰিছে। দূৰৰ পৰা তেওঁক এটা মূৰ্ত্তিৰ দৰে দেখা গৈছিল। চকুত নিমিষ নাই—মুখত কথা নাই। হাতভৰিবিলাক মৰামানুহৰ দৰে শিথিল আৰু জড়। মস্তিষ্ক একেবাৰে বিকৃত। সেই ভয়ানক অৱস্থাত আঃ উঃ বুলি উঠিছিল। নগৰৰ ঘণ্টাত ধং ধং কৈ তিনিটা কোব পৰে, বস্তুপাল চক খাই উঠে ]

বস্তু। ( কিবা পোৱাৰ দৰে মেলাহাত কোচাই লয়) কিহৰ শব্দ হৈছে ? এই ওচৰতে, মোৰ ওচৰতে কিহৰ যেন ;—কিহৰ যেন এটা শব্দ শুনিলোঁ। কোন ? কিয় তই এনেকৈ ফুৰিব ধৰিছ ?—আকৌ সেই জোনাকী পৰুৱাৰ দৰে কিবাবোৰে দেখোন তিৰবিৰাব ধৰিছে। চকুবোৰ দেখোন কপালৰ আগলৈ উঠি আহিছে। সৌষে দুৰ্গটো আছে, ত্যৰ ভিতৰত ইহঁতক ভৰাই থৈ জুই লগাই দিম—বেচহঁত, সকলো পুৰি যাব। এটা এটা কৈ চগাপোকবোৰ জুইৰ মাজলৈ সোঁমাই যায়। এনে অজ্ঞান। দহিকতৰাটোৱে কিমাননো কান্দিব, নিতৌ পুৱা বেলিকা! আঃ কিযে তীব্ৰ এই পোহৰ বিলাক, কি যে পোৰণি! কি প্ৰয়োজন এই পোহৰৰ, কি কুৎসিত, যেন চাৰিওফালে নৰকৰ ভীষণ মূৰ্ত্তি অঙ্কিত কৰি মাজতে প্ৰেতাত্মা সাজি বহি আছে। ধ্বংস কৰিম, জগতৰ পৰা পোহৰ বিলুপ্ত কৰিম। ( কিতাপ এথন ওচৰত থকা বন্তি এটাত দলিয়াই দিয়ে, বন্তি পৰি মূৰমূৰকৈ ভাঙ্গি যায়) আঃ কি যে ভাগি গ'ল। মোৰ বুক খনৰেই যেন কিবা এটা ভাগি গ'ল। আৰু নোৱাৰোঁ—সকলো

চুৰমাৰ হৈ গল। আ—হ। ( ঢলি পৰে, কন্ঠেকঁ পিছত বহে চকুদুটা অস্বাভাৱিকৰূপে জ্বলি উঠে ) কোনে বিনায় ? কোনে কত বিনায় ? কৈ যা, কৈ যা, কোনে এনে বুকুভগা মাতেৰে কান্দিছে। কোনে বুকুৰ মাজত অগনি জ্বালিছে ? সৌটো ( উচাপ খাই উঠে ) সৌটো নহয়, কোনো বা আহিব ধৰিছে। ( কিবা এটা ছায়া মূৰ্ত্তি যেন দেখি পিচে পিচে হাত মেলি যাব ধৰে ) কোন তুমি ? কোন তুমি ? এইযে বিচিত্ৰ কান্তি, উন্নত চক্ষু, বিশাল বক্ষ, এইযে কোনোবা—এইযে কোনোবা। ( অস্থিৰ হয়, তেজৰ চলাচল দ্ৰুত আৰু মাত খৰ হয় ) কলৈ যায় ? কলৈ যায় ? ধৰিব যে নোৱাৰোঁ - হেৰা হেৰা ধৰা দিয়া—নাযাবা নাযাবা। এই যে গল। কত সেই নগৰ, কত সেই ৰম্যস্থান ? কলৈ যাবা তুমি ? অপেক্ষা কৰা —অলপ অপেক্ষা কৰা। নাই নাই সৌযে পলাল সৌযে পলাল— সৌৱা উৰি গল, ধৰিদে মোক। কোন কত আছ মোক ধৰি দে ( চকুদুটা হঠাৎ দপ্‌দপ্‌কৈ জ্বলি উঠে আৰু বৰ ডাঙৰ কৈ চিঞঁৰ মাৰি উত্ৰাৱল হৈ খেদি যায়। শৰীৰ মুখ অতি বিবৰ্ণ ) বজাই দে শঙ্খ, ঘণ্টা, দামা, সকলো বজাই দে। বজাই দে, বজাই দে। সৌযে যায, সৌযে যায়। হেৰা নামি আহা। নাযাবা - নাযাবা—নাযাবা—

[ অতিশয় উত্তেজনাত পৰি যায, আৰু মৃত্যু হয ]

---

# পঞ্চম অঙ্ক

## প্ৰথম দৃশ্য

[ মন্ত্ৰনা কক্ষ—বিনয়, মহেন, গোপী, ছিদানন্দ আৰু কুলদেবী ]

বিনয়—মৃতকৰ বাবে ইমান শোক কৰিব নাপায় দেবী। মহাৰাজৰ আত্মাৰ সদগতিৰ অৰ্থে মহাৰাজেৰে বাঞ্চিত এই কমনীয় ৰাজ্যত শৃঙ্খলা নলগালে আমাৰ কৰ্ত্তব্য কৰা নহব। এনেকৈ শোক কৰি থাকিলে লাভ একো নহব। যি হবৰ হৈ গৈছে। ৰাজ্যৰ সকলো প্ৰজাৰে দূৰ্ভাগ্য, আজি এনে সৰ্ব্বগুণবান ৰাজকোঁৱৰ আৰু ৰজাক হেৰুৱাইছোঁ।

ছিদা—শোক এৰা আই। এই যে তোমাৰ চাৰিওকাষে দীনদৰিদ্ৰ অগনন সন্তানবোৰে তোমাৰ মুখলৈ আকুল নয়নে চাই আছে, সিহঁতক বুকুত সাৱতি লোৱা। মহাৰাজে সুদূৰৰ পৰা অলক্ষিতে চাই তৃপ্তি লাভ কৰিব।

কুল—সহ্য কৰিব যে নোৱাৰোঁ। ইমানবোৰ আঘাত বুকৰ মাজত লৈ থাকি জীয়াই থকা যে অসম্ভৱ। ( চকুলো ওলায়, তলমূৰ কৰে )

মহেন—পৰম জ্ঞানী আপুনি দেবী। প্ৰকৃতিৰ এই নীতি। বিশ্বব্ৰহ্মাণ্ডৰ এই বিৰাট প্ৰাণী সোঁতৰ ই অথন্দনীয় উৰ্ম্মি। ই এটা পৰিবৰ্ত্তন, ৰূপান্তৰ;—ধ্বংস নহয়। কালৰ অসীম সোঁতত মিলি যাব সকলোৰে, জীৱনৰ মৌন ইতিহাস। এই বিশ্বব্যাপি সুসুপ্তিৰ পাৰত, এই মায়াময় অবাস্তৱতাৰ শেষত, এই অন্ধকাৰ সসীমৰ গহ্বৰতেই যে মহাজাগৰণ, শান্তিময় বাস্তৱতা, আৰ বিৰাট অসীমতা। কৰ্ম্মক্ষেত্ৰৰ যোদ্ধা আমি, এই যুদ্ধ যে অপৰিহাৰ্য্য দেবী।

বকুল। আকৌ অভিমান চা। তোৰ অপৰাধ, তই ক্ষমা ভিক্ষা কৰগৈ।
যা, পলম হলে সর্ব্বনাশ হব। দেশৰ আৰু তোৰ নিজৰ অমঙ্গল নিচিন্তিবি।

( প্ৰস্থান )

প্ৰতিমা। ক্ষমা জানো কৰিবা অজয়, তুমি মোক? ইমানবোৰ দোষ কৰিছোঁ। তোমাৰ জীৱন মৰুভূমিত পৰিণত কৰিছোঁ। ক্ষমা কৰিব পাৰিবা জানো মোক? উঃ কি কৰিছোঁ। মোক বুকত সাবতি লোৱা অজয়। মোৰ যে বৰ ভয় হৈছে। ছিঃ কি কৰিছোঁ মই, পলম হলে যে সর্ব্বনাশ।

---

HALL LIBRARY
GAUHATI ASSAM.

## দ্বিতীয় দৃশ্য

[ লুইতৰ পাৰৰ নিৰ্জন স্থান। দীনবেশে চিন্তামগ্ন অজয় এডাল গছত আঁউজি বহি থাকে ]

অজয়। দূৰত সৌ দুৰ্গৰ ওপৰত বিজয় নিচান দেখা গৈছে। ইয়াৰ আজি চঞ্চল উল্লাস নাই, স্থিৰ গম্ভীৰ হৈ গৈছে। আজীৱন যি পতাকাৰ সম্মান ৰক্ষাৰ্থে শতশত যুদ্ধ বিগ্ৰহ কৰি আহিছিলোঁ, যি গৰ্ব্বোন্নত পতাকাৰ তলত এই নশ্বৰ ঐহিক দেহ পৰিত্যাগ কৰিম বুলি সংকল্প কৰিছিলোঁ সেই পতাকাৰ দীপ্ত মূৰ্ত্তি মোৰ চকুৰ আগৰ পৰা ধীৰে ধীৰে আঁতৰি যাব ধৰিছে। ইমান চেষ্টা কৰিছোঁ মনটোক আকৌ সবল কৰি তুলিবলৈ, কিন্তু সকলো চেষ্টা বৃথা। বুকু-খন কিহে যেন ছিন্ন-বিছিন্ন কৰি দিছে। যি জীৱনৰ দ্বাৰা দেশৰ বা জাতিৰ একো উপকাৰ নহয়, সেই ঘৃণিত জীৱনৰ বোজা লৈ ফুৰাৰ কি আৱশ্যক ?—প্ৰকৃতিৰ মহিমাময়ী মূৰ্ত্তিটোত-কোনে যেন ক'লা দাগ আঁকি দিছে। চাৰিওফালে বিষাদৰ করুণ দৃশ্য। লুইতৰ বুকত জাঁজি বোৰ উটি আহিব ধৰিছে, লাহে লাহে সমুদ্ৰৰ বিশাল বুকুত মিলি যাব। ইমান আকৰ্ষণ এই পৃথিবীৰ—প্ৰকৃতিৰ। তথাপি যাব লাগিব। থাকি থাকি মনত পৰে সোণৰ কল্পনাবোৰ, কি যে সুগন্ধী পৰশ পাই ৰঙীন হৈ উঠিছিল। আজি ঘৃণিত পদদলিত জীৱন অসহ্য হৈ উঠিছে। মোৰ বৰ মৰমৰ ভনী তুৰ্লভা, অন্তৰতম বন্ধু [illegible]দেৱ, প্ৰেমৰ দেবী প্ৰতিমা, এটা এটাকৈ সকলে এৰি গৈছে। প্ৰতিমায়ো এৰি. গৈছে। প্ৰতিমা। নীৰস.

নিৰ্জীৱ বাহিৰৰ প্ৰকৃতিৰ লগত কিমান দিন আৰু ঠেলা মাৰা যুঁজ কৰিম। শ্ৰান্ত হৈ পৰিছোঁ।। নাই, নাই নোৱাৰোঁ। প্ৰাণটো আকুল হৈ উঠিছে। কোন যে অজান দেশৰ পৰা লুইতৰ বুকুৰ ওপৰেদি ভাহি আহিছে সিপাৰৰ ডাক। যাবই যে লাগিব। চিৰ বাঞ্ছিত চিৰ পূজিত মোৰ সোণৰ কামৰূপ; হতভাগ্য সন্তান মই তোমাৰ, বিদায় দিয়া। [হঠাৎ এবাৰ ভীষণভাবে বিকৃতৰূপে হাঁহি উঠে। হাঁহি থকাৰ মাজতে চকুৰপানী ওলায়—আৰু হাঁহি কান্দোনত পৰিণত হয়। অলপ সময় পিচত মুখখন ভীষণ কঠিন হয়।—থিয় দিয়ে। মাত কৰ্কশ হয়, আৰু দুৰ্জ্জয় আবেগত মুখখন ক'লা পৰে। হাতৰ মুঠি টানকৈ মাৰি ইফালে সিফালে ঘূৰি থাকে। তাৰ পিচত স্তব্ধ হয়]। —এই জীৱন! জীৱন—মৰণ—।

[ব্ৰহ্মপুত্ৰৰ বুকুত জাঁপ দিয়ে। পানীৰ মাজত ঢৌ ছুটে। পিচত লাহে লাহে শাম কাটে। দূৰত কিবা চৰায়ে মাতে পিঁ—পিঁ—।]

যৱনিকা

CURZON HALL LIBRARY ... ASSAM.